# বৰ্ণিময় ছায়া

সম্পাদনা
ড° অৰ্চনা পূজাৰী

# বোধিদ্ৰুমৰ ছায়া

(সু-সাহিত্যিক নলিনীধৰ ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্য-কৃতি)

সম্পাদনা

ড° অৰ্চনা পূজাৰী

Central Library, Arya Vidyapeeth College, Guwahati - 16
Year of Estd.- 1958
Date.........

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ সহযোগত
এম আৰ পাব্লিকেশ্যন
গুৱাহাটী

**BODHIDRUMAR CHAYAN**
A collection of articles on Late Nalinidhar Bhattacharya, poet, critics, lyricist, Edited by Dr. Arcchana Puzari, convener, Arya Vidyapeeth college publication cell, Arya Vidyapeeth college, Guwahati-781016

## সম্পাদনা সমিতি

উপদেষ্টা ঃ ড° মৃণাল শৰ্মা (ভাৰপ্ৰাপ্ত অধ্যক্ষ)
সম্পাদক ঃ ড° অৰ্চনা পূজাৰী
সদস্য ঃ অধ্যাপিকা চম্পা পাটগিৰী
ড° মৌচুমী দত্ত পাঠক
ড° গীতাঞ্জলি হাজৰিকা
ড° অনুপমা দেৱী
ড° পংকজ জ্যোতি গগৈ
অধ্যাপিকা ৰঙ্গিণা নাৰ্জাৰী

Central Library, A.V. College (Autonomous)
ACC No. 56195
Date 05/08/25
Class No. 891.45
Sub. Heading Assamese
Entered by Library

প্ৰথম প্ৰকাশ ঃ ১ ছেপ্টেম্বৰ, ২০১৭।

ISBN : 978-93-85229-52-7

বেটুপাত ঃ আমিনুল হক

বেচ ঃ ১৮০.০০ টকা

মুদ্ৰণ ঃ পেচিফিক্ লেজাৰ প্ৰিণ্টচ্
গণেশগুৰি, গুৱাহাটী-৭৮১০০৬
manoj72abc@gmail.com

নীহাৰিকাৰ পৰাই উৰ্থৰি আহে তিৰবিৰ তৰা / অভাৱেই আনে উত্তৰণ। অশ্বাৰোহী আহিব এদিন / সাগৰৰ ঢৌ হ'ব আকৌ চঞ্চল।          (মই এজন বুঢ়া মানুহ)



জন্ম ঃ ৪ ডিচেম্বৰ, ১৯২১ চন

মৃত্যু ঃ ১ ছেপ্টেম্বৰ, ২০১৬ চন

## বাটচ'ৰাতে ... ... ...

'আনন্দময় এটি বাটত মানুহবোৰে খোজ থওক' — বুলি শতায়ুস্পৰ্শী হওঁতেও কবি নলিনীধৰ ভট্টাচাৰ্যদেৱে সুন্দৰ দিনৰ বাবে আশা পালি আছিল। মানুহৰ প্ৰতি, ৰিক্তজনৰ প্ৰতি, পৃথিৱীৰ প্ৰতি কিমান প্ৰেম থাকিলে এজন কবিয়ে জীৱনৰ শেষ বয়সতো উদ্বাউল হ'ব পাৰে! গোটেই জীৱনজুৰি তেখেতে মানুহকে বিচাৰি ফুৰিলে। মানুহৰ মংগল চিন্তা কৰিয়েই ওৰেটো জীৱন পাৰ কৰিলে। তেখেতৰ স্বভাৱসিদ্ধ, সদালাপী আচৰণে সকলোকে মুগ্ধ কৰি কবিৰ ওচৰ চপাই নিছিল। ভট্টাচাৰ্যদেৱৰ সমালোচনা সাহিত্যও এনে মধুৰ ভাবৰ আছিল যে, যিয়ে কাকো বিভ্ৰান্ত নকৰিছিল। নৱপ্ৰজন্ময়ো আশিসধন্য হ'বলৈ তেখেতৰ কাষ চাপিছিল। কবিৰ সস্নেহ ব্যৱহাৰে সকলোকে উৎসাহিত কৰিছিল। বিশাল বটবৃক্ষৰূপী এইগৰাকী মহান কবি সমালোচকে নিজে কিয় লেখে এই সম্পৰ্কে কৈছিল — 'সমাজৰ ব্ৰাত্য জনসাধাৰণৰ মংগল চিন্তাই মোৰ লিখাৰো উৎস বুলি ধৰিব পাৰি। মোৰ লিখা কাল নিৰপেক্ষ নহয়, কাল আৰু সমাজৰ প্ৰতি সচেতন হৈ অসহায় আৰু সংকটাপন্ন মানুহৰ মাজত মানৱীয় যাত্ৰা প্ৰতিষ্ঠা কৰিবলৈ মই লিখো।' আবেগত, উচ্ছ্বাসত তেখেতে কোনোদিনে লিখা নাছিল। ধীৰ, স্থিৰ, মনীষাৰে নিজৰ ধ্যান-ধাৰণা, যুক্তিৰ পৰা চুলিমানো বিচ্যুত নোহোৱা এইগৰাকী মনীষাই আশীৰ দশকত আমাকো অতিকৈ প্ৰভাৱান্বিত কৰিছিল। নানা ধৰণৰ দিহা-পৰামৰ্শ বিচাৰি, আগতীয়া কোনোধৰণৰ অনুমতি নোলোৱাকৈয়ে আমিও তেখেতৰ ওচৰত উপস্থিত হৈছিলোঁগৈ। আমাৰ অপৈণত চিন্তাৰ লেখাসমূহো কবিয়ে অতি মনোযোগেৰে চাই-চিতি, শুধৰাই দি আমাক লিখি যাবলৈ প্ৰেৰণা যোগোৱাৰ লগতে দেশ-বিদেশৰ বাছা বাছা কবিতা পঢ়িবলৈ উপদেশ দিছিল। কবিৰ অধ্যয়নৰ পৰিসৰ অতিকৈ বিশাল আছিল। অসমীয়া ভাষাত কাব্য চৰ্চাৰ লগতে, সাহিত্য-সমালোচনাৰ ক্ষেত্ৰখনতো তেখেতৰ সমানে দখল আছিল। ডাণ্টেৰ পৰা লক্ষ্মীনাথ বেজবৰুৱালৈকে সকলোকে সামৰি কবিয়ে অতি নিষ্ঠাৰে সমালোচনা আগবঢ়াই, অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অনুবাদৰ ক্ষেত্ৰখনতো তেখেতৰ অৰিহণা লেখতল'বলগীয়া।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰিয়ালৰ এগৰাকী সদস্য হিচাপে আমি সগৌৰৱে ক'ব খোজো যে এইগৰাকী স্বনামধন্য মহান সাহিত্যিকে ১৯৬৩ চনৰ পৰা ১৯৮৩ চনলৈকে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। ভট্টাচাৰ্য দেৱেই নহয়, আৰ্য্য বিদ্যাপীঠত সেই সময়ত বিখ্যাত কবি নীলমণি ফুকন, বিশিষ্ট লেখক ড° শিৱনাথ বৰ্মন, ঔপন্যাসিক ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ দৰে ব্যক্তিয়েও অধ্যাপনা কৰিছিল। সেই গৌৰৱময় ইতিহাসে আমাৰ মহাবিদ্যালয়খনক আজিও উজ্জীৱিত কৰি ৰাখিছে।

কবিৰ জীৱন্ত কালতে আৰ্য্য বিদ্যাপীঠৰ প্ৰকাশন কোষৰ তৰফৰ পৰা তেখেতৰ ৰচনাৰ বিভিন্ন দিশ সামৰি এখন গ্ৰন্থ প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছিল। পিছে নানা ধৰণৰ অসুবিধাত সেই কাম সময়ত হৈ নুঠিল। বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° মৃণাল শৰ্মা ছাৰৰ উৎসাহত এইবাৰ নলিনীধৰ ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যৰ বিভিন্ন দিশ সামৰি 'বোধিদ্ৰুমৰ ছায়া' শীৰ্ষক গ্ৰন্থখনি প্ৰস্তুত কৰিবলৈ সক্ষম হ'লো। সেয়ে এই সুযোগতে অধ্যক্ষ মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সু-সাহিত্যিক ড° শিৱনাথ বৰ্মন ছাৰেও বিভিন্ন দিশত দিহা-পৰামৰ্শৰে আমাক উপকৃত কৰিছিল। তেখেতৰ ওচৰতো আমি চিৰ কৃতজ্ঞ। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, অসমৰ এগৰাকী আগশাৰীৰ চিত্ৰশিল্পী আমিনুল হকে বেটুপাতৰ দায়িত্ব লৈ আমাক উৎসাহিত কৰিলে। সেয়ে তেখেতলৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। কবিৰ কনিষ্ঠ পুত্ৰ ডাঃ ৰাজীৱ ভট্টাচাৰ্যই বিভিন্ন সময়ত যি সহায়ৰ হাত আগবঢ়ালে সিয়ে আমাক যথেষ্ট উপকৃত কৰিলে। সদৌ শেষত, পেচিফিক লেজাৰ প্ৰিণ্টৰ স্বত্বাধিকাৰ মনোজ শৰ্মা আৰু কৰ্মীসকলৰ তৎপৰতাক নশলাগী নোৱাৰিলোঁ।

ড° অৰ্চনা পূজাৰী

১ ছেপ্টেম্বৰ, ২০১৭
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

# সূচী


- নলিনীধৰ ভট্টাচাৰ্য ঃ একাষাৰ/ড° হীৰেন গোঁহাই/৭
- নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা আৰু কবিতাৰ ভাষা/দিব্যজ্যোতি শৰ্মা/৯
- নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত মানবতাবাদ ঃ এক প্ৰস্তাৱনা/নীল শৰ্মা/২৩
- নলিনীধৰ ভট্টাচাৰ্য প্ৰসংগ সমালোচনা/ডাঃ বীৰেন্দ্ৰ নাৰায়ণ শৰ্মা/৩১
- ননী আছনে ঘৰত/ৰাজেন কলিতা/৩৫
- নলিনীদা আৰু তেওঁৰ কবিতাত এভুমুকি/ৰবীন্দ্ৰ সৰকাৰ/৪০
- কাব্যঋষি নলিনীধৰ ভট্টাচাৰ্যৰ 'তোমালৈ' শীৰ্ষক কবিতাটোত আলোকপাত/ডাঃ কৈলাস ভট্টাচাৰ্য/৪৮
- কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা/পংকজ গোবিন্দ মেধি/৫৮
- নলিনীধৰ ভট্টাচাৰ্যৰ চিন্তাৰ আঁত ঃ প্ৰসংগ ঃ ঐতিহ্য, আধুনিকতা ইত্যাদি/ড° পৰমানন্দ মজুমদাৰ/৬৫
- কবি নলিনীধৰ ভট্টাচাৰ্য/অৰিন্দম বৰকটকী/৭৮
- নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা/ড° প্ৰাণজিৎ বৰা/৮৫
- নলিনীধৰ ভট্টাচাৰ্যৰ ব'হাগ বিষয়ক দুটা কবিতা/অনুভৱ তুলসী/৯০
- কবি নলিনীধৰ ভট্টাচাৰ্যৰ লগত সাক্ষাৎকাৰ/সাক্ষাৎ গ্ৰহণ ঃড° পূৰ্ণ ভট্টাচাৰ্য/৯৩
- আমাৰ অতিকৈ প্ৰিয় ছাৰ-অধ্যাপক নলিনীধৰ ভট্টাচাৰ্যদেৱ/ড° নবীন চন্দ্ৰ শৰ্মা/১০৬
- আত্মীয়তাৰ সম্পৰ্ক অনুভৱ কৰা মোৰ শ্ৰদ্ধেয় ব্যক্তিগৰাকী/ড° শিৱনাথ বৰ্মন/১০৮
- অসমীৰ আকাশৰ তিৰবিৰ ভোটাতৰা সাহিত্যাচাৰ্য নলিনীধৰ ভট্টাচাৰ্য আৰু 'মূল আৰু ফুল'/বিষ্ণুৰাত শৰ্মা/১১১
- নলিনীধৰ ভট্টাচাৰ্যৰ কবি মানস/ড° মহেশ্বৰ কলিতা/১২০
- গানৰ গদ্য আৰু নলিনীধৰ ভট্টাচাৰ্য/ড০ পংকজ জ্যোতি গগৈ/১২৪
- সমাজবাদী আদৰ্শনিষ্ঠ কবি নলিনীধৰ ভট্টাচাৰ্য/ৰজনীকান্ত শৰ্মা/১২৮
- কবি নলিনীধৰ ভট্টাচাৰ্যৰ সান্নিধ্যত/ড° ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য/১৩৪
- শিক্ষাগুৰু নলিনীধৰ ভট্টাচাৰ্য ঃ এক সোঁৱৰণ/ডঃ খগেশ সেন ডেকা/১৩৯
- ননীদালৈ মনত পৰে/কামাখ্যা ভট্টাচাৰ্য/১৪৩
- ক'ত হেৰুৱালোঁ সেই শুৱলা শব্দ/শৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য/১৪৭
- দেউতাৰ কথাৰে/মিনু ভট্টাচাৰ্য/১৫২
- দেউতাৰ সজীৱ স্মৃতিবোৰ/ৰিণু বৰুৱা (সৰু জী)/১৬২
- এই 'মৰণে তোমাৰ মৃত্যু আনিব নোৱাৰে...'/ডাঃ ৰাজীৱ ভট্টাচাৰ্য (কনিষ্ঠ পুত্ৰ)/১৬৭

# নলিনীধৰ ভট্টাচাৰ্য ঃ একাষাৰ

## ড° হীৰেন গোঁহাই

তেখেতৰ স্বভাৱসিদ্ধ মৃদুতাৰ বাবে নলিনীধৰ ভট্টাচাৰ্যদেৱ সকলো মহলতে জনপ্ৰিয়। কিন্তু সেইবাবেই এনে ধাৰণা কৰা ভুল হ'ব যে তেখেতৰ কোনো নীতি আৰু দৃঢ় মতাদৰ্শ নাই। মতাদৰ্শৰ নামত মতান্ধ বিভেদ আৰু বিতৰ্কৰ প্ৰতি তেখেত নিস্পৃহ। কিন্তু তেখেতৰ সকলো কামকাজ আৰু ৰচনাৰ মাজত প্ৰাণ প্ৰবাহৰ দৰে সক্ৰিয় হৈ আছে গণতান্ত্ৰিক আৰু সমাজবাদী আদৰ্শৰ প্ৰতি নিষ্ঠা।

স্বাধীনতা সংগ্ৰামৰ যুগৰে পৰা অসমৰ গ্ৰামাঞ্চলৰ সাধাৰণ পৰিয়াল এটাত জন্মলাভ কৰা ভট্টাচাৰ্যদেৱ জনগণৰ মুক্তি সংগ্ৰামৰ সাক্ষী হৈ আহিছে, কেতিয়াবা তাত অংশ গ্ৰহণো কৰিছে। এনে এজন লোকৰ বাবে সাহিত্য বিশুদ্ধ বিলাসিতাৰ উপকৰণ হ'বই নোৱাৰে। তেখেতে সাহিত্যক সদায় মানৱ-সংস্কৃতি তথা সমাজৰ উন্নতি তথা মঙ্গলৰ সঁজুলি হিচাপেই লৈছে। আমাৰ বামপন্থী সাহিত্য-সমালোচনাত তেখেত সম্প্ৰতি এক উল্লেখযোগ্য নেতৃস্থানীয় লেখক।

ভট্টাচাৰ্যদেৱৰ চিন্তাধাৰাত সম্পূৰ্ণতাৰ প্ৰতি এক আগ্ৰহ আছে। জোৰকৈ ব্যক্তিগত মত জাপি দিবলৈ নিবিচাৰি বিভিন্ন মতৰ যথাযথ বিচাৰ কৰি তেখেত এক সম্পূৰ্ণ আৰু সম্যক অৱস্থান লয়। সত্যনিষ্ঠাৰ পৰাই এনে আগ্ৰহৰ জন্ম। কিন্তু কোনো কোনো পৰিস্থিতিত ই দ্বিধা অনিশ্চয়তাৰ জন্ম দিব পাৰে, অথবা তেখেতৰ সন্দেহাতীত মৌলিকতাত লেকাম লগাই দিবও পাৰে।

বামপন্থী আলোচনাৰ সংকীৰ্ণতা আৰু নিঃস্বতাৰ পৰা তেখেত সদায় মুক্ত, কাৰণ পাৰ্টিৰ দাদাসকলৰ নিৰ্দেশকে বেদবাক্য বুলি তেখেতে কাহানিও গ্ৰহণ কৰা নাই। দিনক দিনে আশাশুধীয়া অধ্যয়ন আৰু চিন্তাচৰ্চাৰ জৰিয়তে তেখেতে নিজৰ

চিন্তাধাৰা সমৃদ্ধ আৰু পুৰঠ কৰি আনিছে। তেখেতৰ অবিৰত মানসিক বিকাশ আমাৰ বাবে এক বিস্ময়কৰ আনন্দৰ অভিজ্ঞতা। বয়স্কসকলৰ আত্মতুষ্টিৰ পৰা তেখেত মুক্ত।

অসমত বামপন্থী আলোচনাৰ ধাৰা গভীৰ আৰু প্ৰশস্ত কৰাত ভট্টাচাৰ্যদেৱৰ অৱদান মূল্যবান বুলি বিবেচিত হৈছে। সজীৱ ৰসবোধ, বৌদ্ধিক শৃংখলাৰ প্ৰতি নিষ্ঠা, বস্তুনিষ্ঠা আৰু সামগ্ৰিকতাই তেখেতৰ চিন্তাক বৈশিষ্ট্য দিছে। সাহিত্যৰ নিজস্ব মাত্ৰাৰ প্ৰতি অবিচাৰ নকৰাকৈও তেখেতে মতাদৰ্শত অবিচল হৈ আছে। তদুপৰি নবীন লেখক-লেখিকাৰ প্ৰতি তেখেত সদায় প্ৰেৰণা আৰু নৈতিক সমৰ্থনৰ উদাৰ উৎস।

এই নিৰভিমান, নীৰৱ সাহিত্যিকগৰাকীৰ প্ৰতি মোৰ শ্ৰদ্ধা সদায় আছে আৰু থাকিবও। ❍

# নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা আৰু কবিতাৰ ভাষা

দিব্যজ্যোতি শৰ্মা

"কবি কোন?—যি আপোন মনৰ ভাব-অনুভূতিক ছন্দৰ বন্ধনত অনিৰ্বচনীয় শ্ৰী দান কৰে, তেৱেঁই কবি। সত্যক সুন্দৰ কৰাই কবিৰ কাম। জীৱনৰ সত্যক কবিয়ে কালজয়ী সৌন্দৰ্যলৈ ৰূপান্তৰিত কৰে। নিজৰ মনৰ পোহৰত সত্যক প্ৰত্যক্ষ কৰি ভাবময় ৰূপত তাক প্ৰকাশ কৰে কবিয়ে; সেই বাবে ক'ব পাৰি, বিশেষক নিৰ্বিশেষ কৰি সকলোৰে হৃদয়গ্ৰাহী বস্তুৰূপত দাঙি ধৰাই কবিৰ উদ্দেশ্য।'

—নলিনীধৰ ভট্টাচাৰ্য, 'কবিতা আৰু নেপথ্য'।

অসমীয়া বৌদ্ধিক আৰু সাহিত্যিক পৰিমণ্ডলৰ পুৰোধা ব্যক্তি নলিনীধৰ ভট্টাচাৰ্যৰ (১৯২১-২০১৬) চিন্তা, ধাৰণা, অধ্যয়ন আৰু অভিজ্ঞতা অসমীয়া জাতিৰ নিৰ্মালি, সংস্কৃতিৰ সম্পদৰূপ। বাণীকান্ত কাকতি, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, লক্ষ্মীনাথ ফুকন, হীৰেন গোঁহায়ে সাহিত্য সমালোচনাৰ যি ধাৰা সৃষ্টি কৰিছিল তাত স্বকীয় দক্ষতাৰে স্বকীয় আসন সৃষ্টি কৰিছে নলিনীধৰ ভট্টাচাৰ্যই। এইগৰাকী প্ৰতিভাধৰ সাহিত্যিকে আধুনিক অসমীয়া সাহিত্যত একাধাৰে কবি, অনুবাদক আৰু সমালোচক হিচাপেও খ্যাত। তেখেতৰ প্ৰকাশিত কবিতা পুথিকেইখন হ'ল ঃ এই কুঁৱলীতে (১৯৭৯), চেৰাশালিৰ মালিতা (১৯৮২), আহত সপোন (১৯৮৩) আৰু ননী আছনে ঘৰত। 'কবিতাৰ কথা' (১৯৯৩), কবিতা আৰু নেপথ্য (১৯৮৭), 'মহৎ ঐতিহ্য', বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা (১৯৮৭) আদি সমালোচনামূলক পুথি আৰু উপন্যাস হ'ল— দুই পুৰুষ। 'দুই পুৰুষ', উপন্যাসৰ বাবে তেখেতে ছোভিয়েট দেশ নেহৰু বঁটা (১৯৮৩), 'কবিতাৰ কথা' নামৰ গ্ৰন্থখনৰ কাৰণে ভাৰতীয় ভাষা পৰিষদৰ বঁটা আৰু 'মহৎ ঐতিহ্য' সমালোচনা পুথিৰ যোগেদি সাহিত্য অকাডেমি বঁটা (২০০২) লাভ কৰিবলৈ সক্ষম হয়। অনুবাদক হিচাপেও

ভট্টাচাৰ্যৰ বিশেষ কৃতি আছে। 'ৰামধেনু' আলোচনীৰ পাততে ৰাছিয়াৰ ঔপন্যাসিক বৰিচ পেষ্টাৰনেকৰ উল্লেখনীয় মহৎ কৃতি 'ডাঃ ঝিভাগো' উপন্যাসখন খণ্ড খণ্ডকৈ অনুবাদ কৰিছিল। টুৰ্গেনিভৰ 'ফাডাৰ্ছ এণ্ড চনচ্'খন 'দুই পুৰুষ' নামেৰে অনুবাদ কৰি বিশেষ অনুবাদ প্ৰতিভাৰো পৰিচয় দিছে। ইয়াৰ উপৰি বঙলা উপন্যাস 'ঈশ্বৰীতলা', ৰবীন্দ্ৰনাথৰ নাটক 'শ্যামা'ও অসমীয়ালৈ অনুবাদ কৰে। নলিনীধৰ ভট্টাচাৰ্যৰ সাহিত্য প্ৰতিভা, পুথি সম্পাদনাৰ জৰিয়তেও বিস্তাৰিত হৈছে। 'বিষ্ণু ৰাভা ঃ জীৱন আৰু কৃতি' (১৯৮৫) আৰু মুনিন বৰকটকীৰ 'প্ৰসংগ সমালোচনা' (১৯৯৬) নামৰ গ্ৰন্থ দুখন ভট্টাচাৰ্যই সম্পদনা কৰি উলিয়ায়। পূৰ্বতেই উল্লেখ কৰিছো যে, নলিনীধৰ ভট্টাচাৰ্যৰ প্ৰকাশিত কবিতা পুথি চাৰিখন, ইয়াৰ উপৰিও ভট্টাচাৰ্যৰ কবিতা জয়ন্তী, ৰামধেনুৰ পৰা পদাতিক, গৰীয়সী আলোচনীলৈ প্ৰসাৰিত হৈছে। সুকীয়া বিষয়, প্ৰকাশভংগীৰ নতুনতা, সমাজ জীৱনৰ 'জীৱন বীক্ষাই' ভট্টাচাৰ্যৰ কবিতাক বিশেষ ধৰণে গঢ় দিয়াত সহায় কৰিছে। বিশিষ্ট কবি-সমালোচক পূৰ্ণ ভট্টাচাৰ্যই নলিনীধৰ ভট্টাচাযৰ কবিতা সম্পৰ্কে কৈছে *'কবি নলিনীধৰ ভট্টাচাৰ্যই বলিষ্ঠভাৱে জনজীৱনৰ দুখ-যন্ত্ৰণাৰ ছবি প্ৰকাশ কৰিছে। বৰ্তমানৰ ঘুণে ধৰা সমাজ ব্যৱস্থাৰ তেওঁ পৰিৱৰ্তন বিচাৰে। শোষিত-লাঞ্ছিত জনতাৰ মুক্তিয়েই তেওঁৰ কবিতাৰ প্ৰধান বক্তব্য। যুগ যুগ ধৰি শোষিত হৈ থকা জনতাক শোষকৰ হাতৰ পৰা মুক্ত কৰি এখন শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে উদাত্ত আহ্বান জনোৱা কবি ভট্টাচাৰ্য মহাজীৱন গঢ়াৰ আদৰ্শত উদ্বুদ্ধ। নিজৰ আদৰ্শৰ ৰূপায়ণত কোনো দ্বিধা, সংশয় বা কৃত্ৰিমতা নথকা এইজনা কবিৰ কবিতাত বক্তব্যৰ স্পষ্টতা আৰু ভাষাৰ সাৱলীলতা মন কৰিবলগীয়া বৈশিষ্ট্য। তেওঁৰ কবিতাৰ প্ৰতিটো শাৰীত এক মৃদু লয় বৰ্তমান। সহজ সৰল, স্পষ্ট অৰ্থ প্ৰকাশক কবি ভট্টাচাৰ্যৰ কবিতাৰ সাংগীতিক লয়ে স্বকীয় মাধুৰ্য দান কৰিছে। ভট্টাচাৰ্যৰ কবিতা, শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে চলোৱা সংগ্ৰামৰ অন্যতম আহিলা বুলি ক'ব পাৰি।' (আধুনিক অসমীয়া কবিতা, পৃষ্ঠা ১০৩)*

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ সামগ্ৰিক স্বৰূপৰ যথাৰ্থ চিত্ৰ পূৰ্ণ ভট্টাচাৰ্যই দাঙি ধৰিছে। 'পছোৱা' আলোচনীৰ পাততে সাহিত্যিক জীৱন আৰম্ভ কৰা কবি ভট্টাচাৰ্যৰ প্ৰথম প্ৰকাশিত কবিতা—'মোৰ দেশ'। সেই সময়ৰ তৰুণ কবি নলিনীধৰ ভট্টাচাৰ্যৰ 'মোৰ দেশ'ত সমকালীন স্বাধীন ভাৰতৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক বিভিন্ন দিশৰ বাস্তৱিক চিত্ৰ প্ৰকাশ পাইছেঃ

*ভেদা-ভেদ, কলহ, তিক্ততা*

*দীনতা, হীনতা*

*আছে মাথোঁ চৌদিশ টৌৱাই*

*শস্য-শ্যামলা দেশৰ বুকুত।*

(পছোৱা, ১ম বছৰ, ৩য় সংখ্যা, আগষ্ট, ১৯৪৮)

শস্য অৰ্থাৎ কৃষিনিৰ্ভৰ আমাৰ ভাৰতবৰ্ষত উৎকৃষ্ট কৰ্ম সংস্কৃতি গঢ়াৰ বিপৰীতে ভেদা-ভেদ, হীনতা-নীচতা, কন্দল আদিয়ে যে সুস্থিৰতা নিঃশেষ কৰিবলৈ আৰম্ভ কৰিছে, তাৰে প্ৰকৃত ৰূপ কবিয়ে 'মোৰ দেশ'ত দাঙি ধৰিবলৈ যত্ন কৰিছে। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা সমগ্ৰৰ ভিতৰত এটা বিখ্যাত কবিতা হ'ল—'ননী আছনে ঘৰত' (১৯৯৮)। কবিতাটোত তদানীন্তন অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশ সুন্দৰভাৱে প্ৰকাশিত হৈছে, অসমৰ জাতীয় জীৱন যেন বিংশ শতিকাৰ শেষ দশকত বিভিন্ন সামাজিক কাৰণত ক্ৰমান্বয়ে স্তম্ভিত হৈ পৰিছিল। এজন বৃদ্ধ পিতৃৰ সন্তানকেন্দ্ৰিক আশা-ভাৰসা, চিন্তা-প্ৰীতি পাঠকৰ হৃদয় চুই যোৱাকৈ অতি নিবিড় অনুভূতিৰে কলাত্মক ভাবাত কবিতাটোত উপস্থাপন কৰা হৈছেঃ

*কি ভাবিছিলোঁ জান, তয়েই চাকিটো জ্বলাবি*

*এতিয়া চাকি জ্বলাইছে ৰাতিৰ ভূতে*

..................................

*তই যে মোৰ পেটমোচা*

*দুপৰ নিশা তোক-এতিয়াও বিচাৰিয়াওঁ*

*ননী আছনে ঘৰত*

*ক'ব পাৰনে অ' গোটেইখন তেজ,*

*তেজৰ দাগ (গৰীয়সী, দ্বিতীয় বছৰ, প্ৰথম সংখ্যা, ১৯৯৪)*

মানুহৰ সৰলতাক দুৰ্বলতা বুলি ভাবি ছদ্মবেশী কিছুমান অপসংস্কৃতিয়ে যে সাধাৰণ মানুহৰ আস্থাক-বিশ্বাসক অতি বেয়াকৈ আঘাত কৰিছিল তাৰ এক প্ৰত্যক্ষ গাঁথা বুলি ক'লেও ভুল নহ'ব 'ননী আছনে ঘৰত' শীৰ্ষক কবিতাটো। কবিয়ে লিখিছেঃ

*ক'ব পাৰনে অ'*

*মোৰ চকুযোৰ মোৰ চছমাতকৈও পুৰণি হৈ গৈছে*

*সঁচাক সঁচা বুলি ক'বলৈ বল নাইকিয়া হৈছে।*

*(গৰীয়সী, ১৯৯৪)*

জনগণৰ আত্ম-প্ৰত্যয়ৰ ৰাজহাড় ভাঙি এচাম ক্ষমতালোভীয়ে যি নব্য-নাটক আৰম্ভ কৰিছিল তাত যেন জাহ দিবলৈ বাধ্য হৈছিল সেই সময়ৰ এচাম উত্তৰ পুৰুষে। বৃদ্ধ পিতৃৰ বৃদ্ধ চকুৱে সকলো জানি-শুনিও হুমুনিয়াহ কাঢ়িছিল, হ'লেও কবিৰ আশা নিপাত হৈ পৰা বুলি ক'লে ভুল হ'ব। কিয়নো কবিয়ে শেষত লিখিছেঃ

*তই আহিলেই শব্দবোৰ আকৌ বুটলিম*
*ছবিখনলৈ আদৰি আনিম*
*এজন কবি*
*বুকু পোহৰ কৰি আহ অ' উভতি আহ*
*বালি ফালি উলিয়াওঁ হেৰোৱা নৈ*
*তয়ে-ময়ে আকৌ এবাৰ*
*সাগৰলৈ বুলি পাটীটো পাৰোঁ,*
*আহ অ'ননী,*
*আহ।*

কবি হিচাপে নলিনীধৰ ভট্টাচাৰ্যৰ সাৰ্থকতা এইখিনিতেই। সাহিত্য সমাজৰ লগত সংপৃক্ত, সাহিত্যই বহু সময়ত প্ৰগতি পথৰ লাখুটি। কবি ভট্টাচাৰ্যই অস্থিৰতাৰ মাজতো 'বুকু পোহৰ কৰি', 'বালি ফালি উলিয়াওঁ হেৰোৱা নৈ' 'সাগৰলৈ বুলি পাটীটো পাৰোঁ' কবিতাংশৰ উল্লেখ কৰি প্ৰগতিৰ-উন্নতিৰ ঘোষণা দিছে। কবিৰ আহত সময়ে তথা সমস্যাৰ উদ্দাম নৃত্যই কবিক আশাহত কৰিলেও, বেদনাযুক্ত কৰিলেও, কবিৰ বুকুৰ তেজ, আত্মাৰ গতিক ৰুদ্ধ কৰিব পৰা নাই। কবিৰ মংগলী চেতনাই নতুনৰ বাট মেলিবলৈ অগ্ৰসৰ হৈছে আৰু পথভ্ৰষ্ট পুতেকক সত্যৰ-বাট পোহৰাবলৈ আহ্বান জনাইছে। সাহিত্য সৃষ্টিৰ প্ৰয়োজনীয়তা তথা উদ্দেশ্যৰ সম্পূৰ্ণতা প্ৰকৃততে ইয়াতেই বুলি আমি ক'ব পাৰো।

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত নিৰাশা আছে যদিও তাৰ সমান্তৰালকৈ আশাবাদৰো স্থান আছে, ভাৰতীয় সভ্যতাৰ আদৰ্শও আছে, তদুপৰি গভীৰ জীৱনবোধ আৰু জীৱন বীক্ষাই এওঁৰ কবিতাক অনন্যতা দান কৰিছে। মাৰ্ক্সবাদৰ প্ৰভাৱে প্ৰগতিবাদী ভাবধাৰাৰ কবিতা ৰচনাতো কবিক সিদ্ধহস্ত কৰি তুলিছে; ভাষাও বেছ মন কৰিবলগীয়া। কবিৰ কবিতাত সাধাৰণ মানুহৰ জীৱন অতি ঘনিষ্ঠ ৰূপত প্ৰকাশিত হৈছে। ভট্টাচাৰ্যই নিজে লিখিছে — 'মানুহে লিখা কবিতাৰ পৰা মানুহক বাদ দিব

নোৱাৰি। অৱশ্যে কবিতা বস্তু বা ঘটনাৰ উকা বিৱৰণ নহয়। কল্পনা শক্তিৰ সহায়ত নিজৰ বিচ্ছিন্ন আত্মচেতনাক বহির্জগতৰ লগত সম্পৰ্কিত কৰাৰ প্ৰক্ৰিয়াৰ মাজেদি কবিয়ে বস্তু বা ঘটনাৰ ইংগিত দিবলৈ যত্ন কৰে। কবি-চেতনাৰ লগত প্ৰকৃতি, জীৱ-জগত, ইতিহাস আৰু সমাজৰ যি ব্যৱধান থাকে সেই ব্যৱধান দূৰ কৰাই কবিতাৰ কাম।' (শ্বেত সাৰসৰ গান, গৰিয়সী জুন, ২০১১)

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত সততে দেখিবলৈ পোৱা কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য এনেধৰণৰ —

১. গভীৰ জীৱনবোধ আৰু আশাবাদ
২. জাতীয়তাবাদী ভাবধাৰাৰ প্ৰকাশ
৩. প্ৰগতিবাদী ভাবধাৰা আৰু মাৰ্ক্সবাদৰ প্ৰভাৱ
৪. ভাৰতীয় মহাকাব্যৰ প্ৰভাৱ
৫. অপূৰ্ব ভাষাৰ বিন্যাস

**(১) গভীৰ জীৱনবোধ আৰু আশাবাদ**

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত পৰিস্ফুট জীৱনবোধ সম্পৰ্কত কৰবী ডেকা হাজৰিকাই প্ৰাসংগিকভাৱে লিখিছে 'ভট্টাচাৰ্যৰ কবিতাৰ উৎস গভীৰ জীৱন-প্ৰীতি। এই জীৱ সময়ৰ প্ৰবাহত ক্ষত-বিক্ষত আৰু অশুভ ছায়াৰে আবৰা হ'লেও প্ৰাত্যহিক জীৱনৰ সমস্যা আৰু অসুন্দৰতাই তাত সাঁচ বহুৱালে বালিৰ তলৰ পানীৰ দৰে এক নিৰ্মল বিশুদ্ধতাও তাত বিৰাজমান।' (অসমীয়া কবি আৰু কবিতা, পৃ. ১১১)

নলিনীধৰ ভট্টাচাৰ্যৰ গভীৰ জীৱনবোধ সমাজৰ বিভিন্ন সমস্যা-অন্ধকাৰৰ যোগেদি সুন্দৰভাবহে ধ্বনিত হৈছে। ভট্টাচাৰ্যৰ এটা অন্যতম কবিতা হ'ল — 'লেম্প প'ষ্ট। লেম্পপ'ষ্টক কবিয়ে প্ৰতীকাত্মকভাৱে সমাজৰ দৰিদ্ৰ জনতাৰ লগত ৰিজাইছে। দৰিদ্ৰ ভোকাতুৰ জনতাৰ তেজৰ পোহৰতে (লেম্প প'ষ্টৰ পোহৰ নিচিনা) এচাম ক্ষমতালোভী, আভিজাত্যিক মানুহে ব্যক্তিৰ সম্পদৰ ভঁৰাল বৃদ্ধি কৰে; লেম্প প'ষ্টৰ নিচিনাকৈয়ে সেইচাম জনতা কৰ্তব্যৰত অথচ অনাদৰ, অৱহেলিত তথা উপেক্ষিত। কবিয়ে দৰিদ্ৰ শ্ৰমিকৰ লগত লেম্প প'ষ্টৰ পাৰ্থক্য বিচাৰি পোৱা নাই; কবিয়ে লিখিছেঃ

তাৰ আৰু লেম্প প'ষ্টটোৰ মাজত
ব্যৱধান জানো কিবা আছে?

সি 'জীয়া' হ'লেও তাৰ দৰেই
নিষ্প্ৰাণ, নিস্পন্দ, বৈচিত্ৰ্যহীনতাৰ জীৱন।

উত্তৰ পুৰুষলৈ নামৰ কবিতাটোত কবিৰ চেতনাই সন্ধান পাইছে সেইজন উত্তৰ পুৰুষৰ; যাৰ প্ৰতি কবিয়ে প্ৰকৃততে আত্ম উক্তি প্ৰেৰণ কৰিব পাৰে; কবিয়ে কৈছে —

মোৰ উৎকণ্ঠা সেই নিৰুদ্দেশ খঙাল ডেকাৰ বাবে
সি জানিছিল আমাৰ জীয়াই থকাৰ ঘৰ কোনে ভাঙিছে
বাৰুদৰ ধোঁৱাৰ মাজত তাৰ আত্মহনন প্ৰবণতা গজে
পাহৰে উভতি অহাৰ বাট। (উত্তৰ পুৰুষলৈ)

উত্তৰ পুৰুষলৈ কবিৰ সত্তাৰ নিৰ্দেশবাণী উত্তৰ পুৰুষ তুমি, তুমিতো জানাই, আজি বহুতৰে শৰীৰ নোদোকা, কিন্তু বুকু প্ৰেমহীন। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত দুখবাদ আছে; ঠিক সেইদৰে দুখৰ নিষ্পত্তিৰ কথাও উল্লিখিত। কবিক সমস্যাই যন্ত্ৰণা দিলেও শোকত উটি-ভাঁহি লৈ যাব পৰা নাই। প্ৰবল আশাবোধে কবিক শক্তিৱন্ত কৰিছে। হিংসা, হত্যা, অশান্তি, আসুৰিক কাৰ্যৰ ধ্বংসৰে উন্নতি-প্ৰগতি-কল্যাণে সমাজক ন আলোকেৰে প্ৰদীপ্ত যে কৰিব তাত কবিৰ গভীৰ আশাবাদে ভুমুকি মাৰিছে। জনতাৰ একত্ৰিত শক্তিয়ে ঐকতান সৃষ্টি কৰিব; কবিৰ ভাষাত ঃ

ৰচো আমি মহাজীৱনৰ গান
এই গান পোহৰৰ, লহৰত তাৰ দূৰ হয়
আজিৰ আন্ধাৰ।
দূৰ হয় কচাইখানাৰ গোন্ধ। শেষ হয়
ৰক্তস্নাতা ধৰণীৰ ধূলি।' (পোহৰৰ গান)

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত মাজে মাজে নিৰাশাবাদেও ভুমুকি মাৰিছে। নিৰাশা প্ৰকৃততে অস্থায়ী ৰূপৰহে। নিৰাশাবাদক আচলতে আশাবাদৰ পূৰ্বস্তৰ বুলি ক'লেহে যুক্তিসন্মত হ'ব; প্ৰাসংগিক হ'ব। নিৰাশাই আশাৰ বাট মুকলি কৰিছে বহু কবিতাত। ভুলৰ নিষ্পত্তি বা দুখৰ নিষ্পত্তি তেতিয়াহে সম্ভৱ যেতিয়া দুখৰ প্ৰকৃত কাৰণত পোহৰ পৰিব। ভট্টাচাৰ্যই বহু কবিতাত পৰোক্ষভাৱে দুখবাদৰ কাৰণ বিশ্লেষণো কৰিছে। বিশ্বৰূপা নামৰ কবিতাত কবিয়ে ব্যক্ত কৰিছে —

বিক্ষত হৃদয় বহু দ্বিধা ভয় আশংকাত ম্লান,
সন্ধান, সন্ধান, আমাক সন্ধান দিয়া

আকাশৰ চকুলোৰ পৃথিৱীৰ মলি ধুই নিয়া
দূৰ হক ৰাতিৰ আকাশ, দূৰ হক অন্তৰৰ অন্তহীন অমা।

মোৰ গাঁৱৰ নৈখন শীৰ্ষক কবিতাটোত সাধাৰণ মানুহৰ জীৱন প্ৰজ্ঞাৰ স্বৰূপ প্ৰকাশ কৰিছে।

এতিয়া ভাবিছো মই
সময়ে ইতৰ প্ৰতিশ্ৰুতি দিয়ে আৰু ভাঙে
ম'হে ম'হে যুঁজ হয়, মাজত বিৰিণা মৰে
তথাপি দিহাৰ বোৱতী সুঁতিত
ঢেঁকীয়া খোৱাৰ মনৰ মুকুতা জ্বলে।

নলিনীধৰ ভট্টাচাৰ্যই নিৰাশাৰ মাজতো এক সুকীয়া পৰিমণ্ডলৰো সন্ধান দিবলৈ চেষ্টা নকৰা নহয়; কবি সঙাই সমস্যাত জৰ্জৰিত হৈ থাকিব নিবিচাৰি সত্যৰ, নিৰ্মলৰ সন্ধানতো অগ্ৰসৰ হৈছে ঃ

মোক নুসুধিবা, বন্ধু
মই কিয় ঘৰ এৰি অঘৰী হৈছো
মোক য'ত লগ পাবা সত্য তাত স্বপ্ৰকাশ
ধ্ৰুৱতৰা জলমল
বাৰুদৰ শব্দই ধ্বংস নকৰে তাত ধুনীয়া শব্দৰ সমাৰোহ
তাতে সোণৰ মানুহে পায় অস্থিৰো খবৰ।

(মোক নুসুধিবা বন্ধু)

ভট্টাচাৰ্যৰ দুই-এটা কবিতাত গভীৰ নিৰাশাবাদে কবিৰ আত্মবিশ্বাসৰ আৰু ধাৰণাৰ আধাৰত গঢ় লৈ উঠিছে, য'ত আশাৰ সঞ্চাৰ মৰুভূমিত মৰীচিকাসদৃশহে। নতুনত্বই যেন চমৎকাৰিত্ব গুণেৰে আবিৰ্ভাৱ হ'ব নোৱাৰিব; পৰম্পৰা যেন চিৰস্থায়ী। 'কাৰাগাৰ' নামৰ কবিতাত এনে ঘোষণাও শুনিবলৈ পোৱা যায় ঃ

নহয়, কাৰাগাৰৰ দুৱাৰ মুকলি নহয়
ঘোৰ অন্ধকাৰ, শিলা বৰষিছে
সিহঁতৰ নিৰ্দয় উল্লাস বাঢ়িছে
এতিয়া তাত উপজিব কোন?
নাই, কোনো নোপজে
নোপজে জগন্নাথো।

'কৃষ্ণ' সংস্কৃতিয়ে কাৰাগাৰত অৱতাৰ লৈ অন্ধকাৰৰ নিঃশেষ কৰাৰ লেখীয়া ঘটনা আৰু অনাগত নহয়; কবি কণ্ঠত নিৰাশাবাদৰ প্ৰভুত্ব ভূমিকা কেতিয়াবা অধিক।

**(২) জাতীয়তাবাদী ভাবধাৰাৰ প্ৰকাশ**

নলিনীধৰ ভট্টাচাৰ্যৰ ঐতিহ্য অনুৰাগী সত্তাই তেখেতৰ কবিতাত জাতীয়তাবাদী চিন্তাধাৰাৰ উন্মেষ ঘটাত সহায় কৰিছে। জাতীয়তাবাদী ভাবধাৰা জাতীয় মহান চৰিত্ৰৰ উপস্থাপনেৰে সুন্দৰভাৱে ফুটি ওলাইছে। মহাপুৰুষ শংকৰদেৱ, আজান ফকীৰৰ পৰা বিষ্ণু-জ্যোতিৰ আদৰ্শ কলাত্মকভাৱে বৰ্ণিত হৈছে, যথা ঃ

শিবিৰত একো নুশুনে মানুহবোৰে
শংকৰে গাইছিল; কুকুৰ-গৰ্দভ- শৃগালবো আত্মাৰাম
গাইছিল আজান পীৰে; মোৰ মনত ভেদ ভাব নাই অ'
আল্লা, মোৰ মনত ভেদ ভাব নাই, হিন্দু কি মুছলমান
একে আল্লাৰ ফৰমান। (জন্ম হক সূৰ্যসম নতুন মানুহ)

নলিনীধৰ ভট্টাচাৰ্যৰ 'মোৰ দেশ' শীৰ্ষক কবিতাত জাতি চিন্তা বাস্তৱৰ ৰঙেৰে ৰাঙলী হৈ উঠিছে—

মোৰ দেশত দেশ নাই
শিপা এৰি গুচি যায় বিদেশ বিচাৰি
তাতে বৰ বেছি পায় সুখৰ এসাঁজ
............................
দেশ আঁতৰি গৈ আছে আপোন সত্তাৰ পৰা
এমুঠি ধনৰ বাবে
............................
আটায়ে পাহৰি গ'ল ধেমালি, নান্দী
পাহৰি গ'ল তমোহৰ দেউ কোন
নপৰে মনত ৰূপান্তৰৰ গায়ত্ৰী মন্ত্ৰ
আপোনাৰ দেশ গ'ল দূৰণিৰ বিদেশ বিচাৰি
স্মৃতি ক'ত ? সত্তা ক'ত; শিপাৰে উজ্জ্বল ভৱিষ্যৎ ?

শংকৰৰ অংকীয়া নাটৰ ধেমালি, নান্দী; বিষ্ণু ৰাভা তথা ৰূপান্তৰৰ পূজাৰী জ্যোতিপ্ৰসাদৰ আপোন দেশত ধনৰ তাড়নাত এচামে ধন জাহ দি আন্তৰিকতা হেৰুওৱাৰ উপক্ৰমৰ সন্ধিক্ষণত আহি যেন আজিৰ সময়।

### (৩) প্ৰগতিবাদী ভাবধাৰা আৰু মাৰ্ক্সৰ প্ৰভাৱ

শ্ৰমজীৱি, নিপীড়িত জনতাৰ মাজত প্ৰগতিবাদী চিন্তাৰে কৱিয়ে আদৰ্শবাদৰ উপস্থাপনো কৰিছে। সৰ্বহাৰা শ্ৰেণীৰ মাজত আত্মশক্তিৰ বেগ বৃদ্ধি কৰাৰ কাৰণে কবিয়ে প্ৰগতিবাদৰ সহায় লৈছে। চন্দ্ৰ কটকীৰ এটি মতামত ইয়াত প্ৰণিধানযোগ্য ঃ আজি কেইবছৰমানৰ পৰা অৱশ্যে ভট্টাচাৰ্যৰ কবিতাই সুঁতি সলাইছে। মাৰ্ক্সীয় দান্দ্বিক বস্তুবাদৰ আৰু শ্ৰেণী চৈতন্যৰ প্ৰতি তেওঁৰ মনোযোগ বাঢ়িছে। এতিয়া তেওঁ নতুন সুৰুযৰ কথা কয় আৰু মাৰ্ক্সৰ অনুদেশ মতে কাম কৰি পৃথিৱীক দৈত্যৰ কবলৰ পৰা মুক্ত কৰিবলৈ বিচাৰে। (আধুনিক অসমীয়া কৱিতা, পৃ. ১০৮) পদাতিক নামৰ কবিতাত শ্ৰমজীৱীৰ সংকল্পবদ্ধ সত্তা প্ৰকাশ কৰিছে এনেদৰে —

'ভয় নাই। আমাৰ অস্থিৰে সাজো দধীচিৰ হাড়। মৃত্যুক মন্থন কৰি হেজাৰ কংকাল জী উঠে। ভৱিৰ শিকলি খহে, দলে দলে পদাতিক আহে।'

শোষক আৰু শোষিতৰ সম্বন্ধ প্ৰকাশ; শোষকৰ ওপৰত শোষিতৰ বিজয় লাভ; নতুন সংগ্ৰামৰ আৰম্ভণ আৰু জয়লাভ কৱিৰ প্ৰগতিবাদৰ মন কৰিবলগীয়া বিশেষত্ব। তদুপৰি মৃত্যু আৰু জীৱন যেন এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি, তেনেকুৱা দাৰ্শনিক ভাবধাৰাও সুন্দৰভাৱে প্ৰজ্বলিত। কৱিৰ চেতনাত ঃ

সমাজৰ বৰ ঘৰ ভাগো ভাগো। বেলি ওলাবলৈ
আৰু সৰহ পৰ নাই। বুৰঞ্জীৰ হ'ব পুনৰাভিনয়। কৰ্ণধাৰ
তুমি বুজা নাই ? আমাৰ প্ৰাণত লুইতৰ বগা পানী
ৰঙা কৰি মৰাৰ পণ। কিহৰ মৃত্যু কিহৰ ভয় ?

(পদাতিক)

মহেশ্বৰ কলিতাই চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা নামৰ গ্ৰন্থত নলিনীধৰ ভট্টাচাৰ্যৰ আশাবাদী প্ৰগতিবাদৰ কথা ব্যক্ত কৰিছে — প্ৰগতিশীল কৱি ভট্টাচাৰ্য অৱশ্যে আশাবাদী ঃ সমাজৰ পৰা অসাম্য আঁতৰি যাব আৰু সাম্যবাদ প্ৰতিষ্ঠা হ'ব। তেতিয়া দৰিদ্ৰ জনতাৰ ভাগ্যাকাশ মুকলি হ'ব। কৱিৰ অনুভৱ — ধনীৰ পূজাৰ নায়িকা দশভূজা জনতাৰ পূজা ৰূপী সংগ্ৰামৰ নায়িকা নহয়; জনতা নিজেই সেই পূজাৰ নায়ক। গতিকে নিৰাশ হোৱাৰ কাৰণ নাই —

আজি দশভুজা নহয় নায়িকা নিৰাশ নহ'বি ভাই —
ডাৱৰ ফালি ওলাব সুৰুয বেছি পৰ নাই।
(চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা, পৃ. ১৬৬)

অভিশাপ নামৰ কবিতাত সূৰ্যক প্ৰগতিবাদৰ প্ৰতীক হিচাপে গণ্য কৰি কবিয়ে লিখিছে —

থিৰ চকুত জ্বলক উল্কা
বাটে-ঘাটে তাৰ পৰি ফিৰিঙতি
দগ্ধ বৃক্ষ কোটৰত গজক নতুন বনস্পতি
সূৰ্য সখী তুমি জানো বাৰু আহিবা নামি?
ভগ্ন-স্বপ্ন কৰো সাৰ্থক ন মজিয়াত বহি।

কাৰ্ল মাৰ্ক্সৰ সাম্যবাদী ভাবধাৰাতো সূৰ্য সদায় সৃষ্টিৰ বিপ্লৱৰ প্ৰতীক। ভট্টাচাৰ্যৰ প্ৰগতিবাদে কোনো কোনো সময়ত সৰ্বহাৰা শ্ৰেণীটোক নতুন বিপ্লৱৰ গানেৰে মৃতসঞ্জীৱনীও প্ৰদান কৰিবলৈ চেষ্টা কৰিছে, আগুৱাই আহিবলৈ বল দিছে।

বঞ্চনা মাথোঁ বঞ্চনা, ঘৰে ঘৰে জুই
নিদ্ৰামগন নপতা ফুকন
হংসতুলীৰ শয়ন ভঙাৰ এয়েই সময়
ভোটাই ডেকা
এয়েই সময়। (মৰিশালী য'ত চেৰাশালি হয়)

**(৪) ভাৰতীয় মহাকাব্যৰ প্ৰভাৱ**

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত মহাকাব্যদ্বয়ৰ প্ৰভাৱ মনকৰিবলগীয়া। কবিয়ে প্ৰায়ে বাস্তৱ সময়ৰ সত্যক আবেদনময়ী তথা ব্যঞ্জনাপূৰ্ণ ৰূপত দাঙি ধৰিবলৈ সহায় লৈছে ৰামায়ণ আৰু মহাভাৰতৰ ঐতিহাসিক তথ্যৰে। যেনে —

অন্ধ ধৃতৰাষ্ট্ৰ, তোমাক নাপায় চিনি
ৰাতি ৰাতি জতুগৃহ সাজি কৰে বাটৰ ভুল
(আই তোমাৰ মৃত্যু নাই)

ভাবো মহাভাৰতৰ যুধিষ্ঠিৰৰ কথা
তেওঁ কিয় বিচাৰিছিল পাঁচখন মাথোঁ গাঁও।
(হাড়ৰ দাপোণত)

ৰাৱণৰ ৰঙা চকু দেখি কালনেমি মৰে কেনেকৈ
(কুশলে আছা নে কবি)

তুমিতো সীতা
অনায়াসে পাহৰি পেলায়

পুৰুষ ৰামে

ফাট মেলা বসুমতী পাতালে লুকাওঁ

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত ধৃতৰাষ্ট্ৰ আৰু কংস মামা দুটা সঘন ব্যৱহৃত প্ৰতীক। সমকালীন সময়ৰ ৰাষ্ট্ৰনেতা আৰু নেতাৰ অসংস্কাৰিত কাৰ্যক প্ৰায়ে প্ৰতীকাত্মকভাৱে ধৃতৰাষ্ট্ৰৰ লগত ৰিজনি দিছে।

ৰাতিৰ সুযোগ লৈ হে ধৃতৰাষ্ট্ৰ
তুমি কিয় শপতৰ কাগজ পুৰিছা ? (দিন যাপনৰ গদ্য)
আমি সহজ, সাধাৰণ
আমাৰ বাবে সূৰ্য ক'তো নাই
ধৃতৰাষ্ট্ৰ। খেলা পাশা খেলা
চিকাৰি বন্ধুৰ স'তে ৰাতি (কেইটামান স্তৱক)
ধৃতৰাষ্ট্ৰ, এয়া দিলা কি আমাক তোমাৰ পাতত জলমল মাংসৰ টুকুৰা
আমাৰ হাতত মুঠি মুঠি ধোঁৱা আৰু ছাঁই

(কেইটামান স্তৱক)

তেজ লগা চোলা পিন্ধি ঘূৰি ফুৰে নিঠুৰ সময়
কাৰেঙত কংস মামা নিদ্ৰা যায়
অন্ধ গলিত চলি থাকে চোৰ পুলিচৰ খেলা।

(ভাঙনৰ কাল)

**(৫) নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ ভাষা**

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত ব্যৱহৃত ভাষাৰ সততে চকুত পৰা কেইটামান বিশেষত্ব এনেধৰণৰ ঃ

ক) কথোপকথন ৰীতিৰে কবিতাৰ কথ্যবস্তুৰ বিকাশ

খ) বৰ্ণ বিন্যাসৰ সুকীয়া বান্ধোন

গ) শব্দৰ উপযুক্ত বিন্যাস

ঘ) প্ৰতীকাত্মক আৰু ব্যঞ্জনাময়ী ভাষাৰ ব্যৱহাৰ

ঙ) বাক্যৰীতিৰ অভিনৱত্ব

নলিনীধৰ ভট্টাচাৰ্যৰ অধিকসংখ্যক কবিতাই প্ৰথম পুৰুষ বৰ্ণনাকাৰী। কবিতাসমূহত কথোপকথনতা পৰিৱেশ সহজলভ্য। বহু সময়ত কথোপকথন ৰীতিৰে কবিতাৰ বিষয়বস্তুক আগুৱাই নিবলৈ চেষ্টা কৰা হৈছে, যথা —

'তোৰ শৰীৰত কি গজিছে অ' ননী
নেজ নে মাংসপেশী
কি ভূতে লম্ভিছে তোক
খটাসুৰ সময়ে তোৰ কাণত কি বিষ ঢালিছে
কিয় পাহৰিছ অহিৰ ভৈৰব।' (ননী, আছনে ঘৰত)

আন এটা উদাহৰণ —

তোমাৰ বৰ্তমানৰ যমদূত মেঘদূত হৈছে
মোৰতো এতিয়া শেষ অংক, ভৰি দুটা কংক্ৰিটত
অচল তথাপি তোমাক কওঁ ঃ (উত্তৰ পুৰুষলৈ)

ভট্টাচাৰ্যৰ ভাষাৰ বৰ্ণসমূহৰ বিন্যাসৰীতিও চমৎকৃত। ছন্দ-বন্ধনক বিশেষ মাত্ৰা দিবলৈ একে বৰ্ণ বাক্যৰ শেষত ধ্বনিত কৰা হৈছে; যেনে —

বছৰৰ গোলাপ মই তচনচ কৰিছো
বেমিয়ন বুদ্ধৰ মূৰত হাতুৰী মাৰিছো
বেবিলনৰ শূন্যোদ্যান ভাঙিছো। (মেফিষ্ট আহিছে)

ইয়াত একে বৰ্ণৰ অন্ত্যস্থানত ধ্বনিত কৰি মাধুৰ্য গুণবিশিষ্ট কৰা হৈছে। আন এটা উদাহৰণ —

ধূপৰ গোন্ধবোৰ এটা গীত এটা কবিতা হৈছিল
মনৰ শইচবোৰ লহপহকৈ বাঢ়িছিল
তেতিয়া কোনেও বাট হেৰুওৱা নাছিল
অথবা বাটেই সাপ হৈ কাকো দংশন কৰা নাছিল।
(উত্তৰ পুৰুষলৈ)

বিখ্যাত সমালোচক ক'লৰিজৰ মতে উপযুক্ত শব্দৰ উপযুক্ত বিন্যাসেই কবিতা। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাও উপযুক্ত শব্দৰ উপযুক্ত বিন্যাসৰ আধাৰতে প্ৰতিষ্ঠিত। প্ৰশ্নবোধক ৰীতিও ভট্টাচাৰ্যৰ কবিতাত আছে —

সিহঁতে চিন পাব ক'ত মাটিৰ গোন্ধ? (কাৰাগাৰ)
সিহঁতৰ কথা সি ভাবে নে? তুমি একা? (উত্তৰ পুৰুষলৈ)

শব্দৰ পুনৰাবৃত্তি কৰিও কবিতাক মনোগ্ৰাহী কৰি তোলা হৈছে, যেনে —

'ল'বি ল'বি চেনিবো সোৱাদ ল'বি আমাৰ নাচত তইঁতেও এপাক নাচিবি (মেফিষ্ট আহিছে)

56/95
05/08/25

হাঁহি হাঁহি সুৰৰ ডেউকা ভাঙি মেফিষ্টই কয়; মোৰ কাম শেষ (মেফিষ্ট আহিছে)

তথাপি, তথাপি আছে সূৰ্যমুখী ৰোৱা দুখন-এখন হাত (মোৰ গাঁৱৰ নৈখন)

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ ভাষা মিতব্যয় আৰু আটিল, শব্দ আৰু বাক্যৰ নিৰ্মাণশৈলীৰে কবিতাৰ ভাষা কলাসুলভ মননশীলময়ী; যেনে ঃ

সোধা চৰাইজাকক সোধা।
বাট কেনি? সূৰ্যৰ চুমাত নচা
উতলা সাগৰ কেনি? এৰা উতলা সাগৰ।
প্ৰেম আৰু জীৱনৰ সীমাহীন অক্ষয় সাগৰ। (কল্লোল)

অৰ্চনা পূজাৰীয়ে ভট্টাচাৰ্যৰ কবিতাৰ ভাষা সম্পৰ্কত লিখিছে, সাম্যবাদী দৰ্শনৰ প্ৰতি শ্ৰদ্ধাশীল এইগৰাকী কবিৰ কাব্য চিন্তাত পাঁও লাঞ্ছিত, বঞ্চিত, নিপীড়িত মানুহৰ মনৰ খবৰ আৰু গণজীৱনৰ মুক্তিৰ আহ্বান। তেখেতে নিজেই এঠাইত কৈছে, মোৰ কবিতাৰ কেন্দ্ৰভূমিত আছে সেই সাধাৰণ মানুহ, তেওঁলোকৰ জীৱন আৰু মৰণৰ বিকাশ মই মনে-প্ৰাণে বিচাৰো। এনে এক আত্মপ্ৰত্যয়ৰেই তেখেতে কাব্য সাধনাত ব্ৰতী হৈছে। সহজবোধ্য ভাষাৰে তাক প্ৰকাশ কৰিছে। লোক জীৱন, লোক সংস্কৃতিৰ বুকুৰ পৰা বুটুলি লৈছে ন ন প্ৰতীক, চিত্ৰকল্প আৰু জনগণৰ মুখৰ ভাষা কাব্য ভাষালৈ ৰূপান্তৰ কৰিছে।

(এশ বছৰৰ অসমীয়া কবিতা আৰু অন্যান্য নিবন্ধ, পৃ-৫২)

**সামৰণি**

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা সাময়িক জৰ্জৰতা, সমস্যা আৰু সাধাৰণ মানবীয় আবেদনৰে সিক্ত। কবিতা চিন্তা-অনুভূতিয়ে পাঠকক অতি সহজে সহৃদয়ীত কৰি তোলে। ভট্টাচাৰ্যই কবিতাক বহু সময়ত শৈল্পিক সৌন্দৰ্যৰে আভা দিয়াৰ পৰিৱৰ্তে কথোপকথনৰ মাদকতাহে প্ৰদান কৰিছে; কবিতাবোৰ প্ৰায়েই বাস্তৱ অভিমুখী আৰু কাল-প্ৰাসংগিক। কবিতা দুৰ্বোধ্যতা মুক্ত বুলিও কবিয়ে দাবী কৰিব পাৰে। শব্দ শক্তিৰ প্ৰাচুৰ্যগুণ আৰু শব্দ ভাবৰ সমন্বয় সাধনৰ কৌশল এইগৰাকী বৰেণ্য কবিৰ পৰিচায়ক স্বৰূপ।

নলিনীধৰ ভট্টাচাৰ্যৰ কবিসত্বা সাৰস্বত সাধকগৰাকীৰ প্ৰজ্ঞা, প্ৰতিভা আৰু অভিজ্ঞতাৰ বোলেৰে ৰঞ্জিত। সতেজ চিন্তা, অন্বয়ী ব্যাখ্যা, সৃষ্টিৰ তন্ময়তা ইত্যাদি



Arya Vidyapeeth College, Guwahati-16
Central Library
Year of Estd.- 1958
Date........

গুণে এইগৰাকী বৰেণ্য সাহিত্যিকৰ সৃষ্টিৰাজিক উদ্ভাসিত কৰ্মৰ শাৰীলৈ উন্নীত কৰিছে। নলিনীধৰ ভট্টাচাৰ্যৰ কবিসত্ত্বা উল্লেখনীয়ভাৱে কাব্যিক ত্ৰিদিশেৰে প্ৰজ্বলিত, কবিতা সাহিত্যৰ তাত্ত্বিক ব্যাখ্যা, অন্য কবিৰ কবিতাৰ গঠনমূলক বিশ্লেষণ-সমালোচনা আৰু স্ব-সৃষ্টিমূলক কবিতা সৃষ্টি — এই ত্ৰিধাৰাৰে তেওঁ অসমীয়া কবিতা সাহিত্যক ঈশিতা-ঐশ্বৰ্যময়ী কৰি তুলিছে। কাব্যৰ সমালোচনাৰ পৰিসৰ আমাৰ অসমতে সীমাবদ্ধ নাথাকি তেওঁৰ বিশ্বমুখীও; মহৎ ঐতিহ্য প্ৰসূত উল্লিখিত আত্মিক যাত্ৰাৰ কাব্য ঃ ডিভাইন- কমেডি, কবি এলিয়টৰ সমাজবোধ ইত্যাদি প্ৰবন্ধই তাৰ উপযুক্ত পৰিচায়ক। তেওঁৰ কাব্যিক সম্পৰীক্ষা প্ৰকৃত অৰ্থত এক বিশেষ মণ্ডিত শিল্প-কলা, বিশ্ববীক্ষাৰ ধ্বজা। কবিতাৰ ৰূপ বিচাৰ তথা কবিতাৰ স্বৰূপ উপলব্ধিৰ প্ৰকাশেৰে পাঠকৰ মনত সাধাৰণীকৰণ কৰাত নলিনীধৰ ভট্টাচাৰ্যৰ কবিত্বময়তা বিস্ময়কৰ হৈ উঠিছে। তদুপৰি কবিতাৰ বিশ্লেষণ শক্তিও প্ৰণালীবদ্ধ আৰু সংহত। অসমীয়া সৃষ্টিশীল কবিতাৰ ওপৰত কৰা আলোকপাত নিৰ্মোহ, নিৰপেক্ষ তথা গঠনমূলক, তেওঁৰ প্ৰতীতিসম্পন্ন ধাৰণাই অসমীয়া কবিতাৰ সমালোচনাৰ ধাৰাক যি মাত্ৰা প্ৰদান কৰিছে সেয়া নিঃসন্দেহে সাহিত্য পৰিমণ্ডলৰ আশীৰ্বাদস্বৰূপ। তেনেদৰে চৈতন্যময়ী পুৰুষজনাৰ সৃষ্টিমূলক কবিতাৰাজিত ভাবৰ সংহতি, অৰ্থৰ ঘনত্বই অসমীয়া কবিতাক এখন বিশেষ আসনলৈ আৰোহণ কৰাত সহায় কৰিছে, কবিৰ কাব্যিক সাধনাই কবিতাক এক উদ্ভাসিত শিল্পকৰ্মলৈ ৰূপান্তৰিত কৰিছে। ❍

# নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত মানৱতাবাদ ঃ এক প্ৰস্তাৱনা

নীল শৰ্মা

'শান্তিৰ ঐশ্বৰ্যময় ৰাতিৰ জোনাক' বিচাৰি মানৱদৰদী কবি নলিনীধৰ ভট্টাচাৰ্য আমাৰ মাজৰ পৰা কায়িকভাৱে গ'লগৈ। কিন্তু উত্তৰ পুৰুষৰ অৰ্থে সৃষ্টি কৰি থৈ গ'ল সমাজ চেতনাদীপ্ত চিত্ত উদ্বেলক অনেক কবিতাৰ স্তৱক, যিসমূহৰ কল্যাণকামী অভিপ্ৰায়ৰ অমল বাণীৰূপে সমাজ বীক্ষাৰ ইতিহাসত খোদিত হৈ ৰ'ব। তেওঁৰ কবিতাত প্ৰতিভাত মানৱতাবাদৰ সম্পৰ্কত আলোচনা কৰাৰ পূৰ্বে দুই-এটি কথাৰ প্ৰাসংগিকতা আছে। প্ৰথম কথা মানৱতাবাদ, যি শ্ৰেণীবিন্যাসিত সমাজ গাঁথনিত কোনোপধ্যেই শ্ৰেণী নিৰপেক্ষ ধাৰণা নহয়। অৱধাৰিতৰূপে প্ৰতিটো শ্ৰেণীয়েই কঢ়িয়াই লৈ ফুৰে সুকীয়া সামাজিক অৱস্থান আৰু ইয়াৰ আধাৰতে মানৱতাবাদৰ বিশ্লেষণ যুক্তিযুক্ত। আৰ্থিকভাৱে সম্বলহীন অৱদমিত শ্ৰেণীৰ হা-হুমুনিয়াহৰ ক্ষেত্ৰতহে আৱশ্যক মানৱতাৰ, কাৰণ জীয়াই থকাৰ ন্যূনতম সা-সুবিধাৰ পৰাও এওঁলোকক আঁতৰাই ৰখা হয়। বিপৰ্যয়ৰ বলি এই সৰ্বসাধাৰণ মানুহৰ যন্ত্ৰণাময় জীৱন পথাৰত মানৱতাৰ ফুল ফুলোৱাটোহে প্ৰয়োজনীয় কথা। সংবেদনযুক্ত কবিতাই চেতনাৰ জগতক সমৃদ্ধ কৰিব পাৰে। নকৈ নোৱাৰি যে শ্ৰমজীৱি মানুহক লুণ্ঠন কৰি আসুৰিক তৃপ্তি লভা বিলাসী বনিয়াৰ মনৰ পদুলিত মানৱতাৰ কোনো স্থান নাই।

দ্বিতীয়তে ব্যক্তিৰ সামগ্ৰিক বীক্ষা বিচাৰ কৰোতে প্ৰাসংগিকভাৱে সত্তাৰ প্ৰশ্নটো আহি পৰে। পৃথিৱীৰ প্ৰতিজন ব্যক্তিয়েই দ্বৈত সত্তাৰ গৰাকী। তাৰে এটি হ'ল প্ৰকৃত সত্তা যি মূলতঃ অপৰিবৰ্তনীয়। সমাজৰ যিকোনো কাৰ্য কাৰণেই তাক প্ৰভাৱান্বিত নকৰে। আনটো হ'ল ধাৰণাগত সত্তা, যি সামাজিক পৰিপ্ৰেক্ষাত ধাৰণ কৰি লয় আৰু ই পৰিস্থিতি সাপেক্ষে পৰিবৰ্তনশীল। ধাৰণাগত সত্তাৰে পৰিচালিত

গুণে এইগৰাকী বৰেণ্য সাহিত্যিকৰ সৃষ্টিৰাজিক উদ্ভাসিত কৰ্মৰ শাৰীলৈ উন্নীত কৰিছে। নলিনীধৰ ভট্টাচাৰ্যৰ কবিসত্বা উল্লেখনীয়ভাৱে কাব্যিক ত্ৰিদিশেৰে প্ৰজ্বলিত, কবিতা সাহিত্যৰ তাত্বিক ব্যাখ্যা, অন্য কবিৰ কবিতাৰ গঠনমূলক বিশ্লেষণ-সমালোচনা আৰু স্ব-সৃষ্টিমূলক কবিতা সৃষ্টি — এই ত্ৰিধাৰাৰে তেওঁ অসমীয়া কবিতা সাহিত্যক ঈশিতা-ঐশ্বৰ্যময়ী কৰি তুলিছে। কাব্যৰ সমালোচনাৰ পৰিসৰ আমাৰ অসমতে সীমাবদ্ধ নাথাকি তেওঁৰ বিশ্বমুখীও; মহৎ ঐতিহ্য গ্ৰন্থত উল্লিখিত আত্মিক যাত্ৰাৰ কাব্য ঃ ডিভাইন- কমেডি, কবি এলিয়টৰ সমাজবোধ ইত্যাদি প্ৰবন্ধই তাৰ উপযুক্ত পৰিচায়ক। তেওঁৰ কাব্যিক সম্পৰীক্ষা প্ৰকৃত অৰ্থত এক বিশেষ মণ্ডিত শিল্প-কলা, বিশ্ববীক্ষাৰ ধ্বজা। কবিতাৰ ৰূপ বিচাৰ তথা কবিতাৰ স্বৰূপ উপলব্ধিৰ প্ৰকাশেৰে পাঠকৰ মনত সাধাৰণীকৰণ কৰাত নলিনীধৰ ভট্টাচাৰ্যৰ কবিত্বময়তা বিস্ময়কৰ হৈ উঠিছে। তদুপৰি কবিতাৰ বিশ্লেষণ শক্তিও প্ৰণালীবদ্ধ আৰু সংহত। অসমীয়া সৃষ্টিশীল কবিতাৰ ওপৰত কৰা আলোকপাত নিৰ্মোহ, নিৰপেক্ষ তথা গঠনমূলক, তেওঁৰ প্ৰতীতিসম্পন্ন ধাৰণাই অসমীয়া কবিতাৰ সমালোচনাৰ ধাৰাক যি মাত্ৰা প্ৰদান কৰিছে সেয়া নিঃসন্দেহে সাহিত্য পৰিমণ্ডলৰ আশীৰ্বাদস্বৰূপ। তেনেদৰে চৈতন্যময়ী পুৰুষজনাৰ সৃষ্টিমূলক কবিতাৰাজিত ভাৱৰ সংহতি, অৰ্থৰ ঘনত্বই অসমীয়া কবিতাক এখন বিশেষ আসনলৈ আৰোহণ কৰাত সহায় কৰিছে, কবিৰ কাব্যিক সাধনাই কবিতাক এক উদ্ভাসিত শিল্পকৰ্মলৈ ৰূপান্তৰিত কৰিছে। ○

# নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত মানৱতাবাদ ঃ এক প্ৰস্তাৱনা

নীল শৰ্মা

'শান্তিৰ ঐশ্বৰ্যময় ৰাতিৰ জোনাক' বিচাৰি মানৱদৰদী কবি নলিনীধৰ ভট্টাচাৰ্য আমাৰ মাজৰ পৰা কায়িকভাৱে গ'লগৈ। কিন্তু উত্তৰ পুৰুষৰ অৰ্থে সৃষ্টি কৰি থৈ গ'ল সমাজ চেতনাদীপ্ত চিত্ত উদ্বেলক অনেক কবিতাৰ স্তবক, যিসমূহৰ কল্যাণকামী অভিপ্ৰায়ৰ অমল বাণীৰূপে সমাজ বীক্ষাৰ ইতিহাসত খোদিত হৈ ৰ'ব। তেওঁৰ কবিতাত প্ৰতিভাত মানৱতাবাদৰ সম্পৰ্কত আলোচনা কৰাৰ পূৰ্বে দুই-এটি কথাৰ প্ৰাসংগিকতা আছে। প্ৰথম কথা মানৱতাবাদ, যি শ্ৰেণীবিন্যাসিত সমাজ গাঁথনিত কোনোপধ্যেই শ্ৰেণী নিৰপেক্ষ ধাৰণা নহয়। অৱধাৰিতৰূপে প্ৰতিটো শ্ৰেণীয়েই কঢ়িয়াই লৈ ফুৰে সুকীয়া সামাজিক অৱস্থান আৰু ইয়াৰ আধাৰতে মানৱতাবাদৰ বিশ্লেষণ যুক্তিযুক্ত। আৰ্থিকভাৱে সম্বলহীন অৱদমিত শ্ৰেণীৰ হা-হুমুনিয়াহৰ ক্ষেত্ৰতহে আৱশ্যক মানৱতাৰ, কাৰণ জীয়াই থকাৰ ন্যূনতম সা-সুবিধাৰ পৰাও এওঁলোকক আঁতৰাই ৰখা হয়। বিপৰ্যয়ৰ বলি এই সৰ্বসাধাৰণ মানুহৰ যন্ত্ৰণাময় জীৱন পথাৰত মানৱতাৰ ফুল ফুলোৱাটোহে প্ৰয়োজনীয় কথা। সংবেদনযুক্ত কবিতাই চেতনাৰ জগতক সমৃদ্ধ কৰিব পাৰে। নকৈ নোৱাৰি যে শ্ৰমজীৱি মানুহক লুণ্ঠন কৰি আসুৰিক তৃপ্তি লভা বিলাসী বনিয়াৰ মনৰ পদুলিত মানৱতাৰ কোনো স্থান নাই।

দ্বিতীয়তে ব্যক্তিৰ সামগ্ৰিক বীক্ষা বিচাৰ কৰোঁতে প্ৰাসংগিকভাৱে সত্তাৰ প্ৰশ্নটো আহি পৰে। পৃথিৱীৰ প্ৰতিজন ব্যক্তিয়েই দ্বৈত সত্তাৰ গৰাকী। তাৰে এটি হ'ল প্ৰকৃত সত্তা যি মূলতঃ অপৰিৱৰ্তনীয়। সমাজৰ যিকোনো কাৰ্য কাৰণেই তাক প্ৰভাৱান্বিত নকৰে। আনটো হ'ল ধাৰণাগত সত্তা, যি সামাজিক পৰিপ্ৰেক্ষাত ধাৰণ কৰি লয় আৰু ই পৰিস্থিতি সাপেক্ষে পৰিৱৰ্তনশীল। ধাৰণাগত সত্তাৰে পৰিচালিত

ব্যক্তিসকল স্বঅভিপ্ৰায় পূৰ কৰাৰ বেলিকা 'যেনে মাছ দেখে তেনে জাল তৰে' প্ৰকৃতিৰ। সাপ হৈ খোটা আৰু বেজ হৈ জৰা কাৰ্যটো এখেতসকল অতিকৈ পাৰ্গত। প্ৰকৃত সত্তাৰে পৰিচালিতসকল স্বাভাৱিকতে সহজ-সৰল আৰু মূল্যবোধসম্পন্ন ব্যক্তিৰূপে পৰিগণিত হয়। জীৱনবীক্ষাৰ প্ৰতিফলন, সামগ্ৰিক আচাৰ-আচৰণ আৰু সামাজিক দৃষ্টিভংগীৰ সাৰবত্তাৰ ভিত্তিত যিকোনো ব্যক্তিক প্ৰকৃত সত্তা নে ধাৰণাগত সত্তাৰে পৰিচালিত তাক ঠাৱৰ কৰিব পাৰি। অৱশ্যে দুয়ো ধৰণৰ সত্তা একেবাৰে পৃথক চৰিত্ৰৰ এনে কথা নহয়। নিঃসন্দেহে, এই লেখাৰ মধ্যমণি কবি নলিনীধৰ ভট্টাচাৰ্য প্ৰকৃত সত্তাৰে পৰিচালিত সৰলমনা আৰু বিৰল ব্যক্তিত্বৰে অলংকৃত এগৰাকী ব্যক্তি।

সমাজ ইতিহাসৰ পম খেদিলে পৰিলক্ষিত হয় যে আত্মকেন্দ্ৰিক পৰিসীমাৰ জপনা অতিক্ৰম কৰি যিসকল ব্যক্তিয়ে সমূহৰ যন্ত্ৰণাক অনভিপ্ৰেত সামাজিক সমল হিচাপে শিল্প বা সাহিত্যত মূৰ্ত কৰি তুলিবলৈ প্ৰয়াস কৰিছে, তেওঁলোকৰ চিন্তন আৰু বক্তব্য প্ৰকাশৰ এক অন্তৰ্লীন সাদৃশ্য বিদ্যমান। ই অৱশ্যেই কাকতালীয় পৰিঘটনা নহয়, কিয়নো জীৱন যাত্ৰাৰ অন্তহীন অনুসন্ধিৎসা আৰু পৰিক্ৰমাৰ ফলত উন্মেষিত মহতী বিশ্ববীক্ষাহে এনেকুৱা সাদৃশ্যৰ কাৰক হয়। প্ৰসংগক্ৰমে এগৰাকী কবিয়ে দোহাৰিছিল যে উন্নত এক পৰ্যায়ত উপনীত হ'বলৈ হ'লে মানুহে যন্ত্ৰণাৰ সাগৰত ককবকাব লাগিব আৰু অভিজ্ঞতাৰ কষটি শিলত ঘঁহনি খাব লাগিব। অৱধাৰিতভাৱে এই যন্ত্ৰণা হ'ল ব্যক্তিমানসৰ উত্তৰণৰ অৰ্থে আৱশ্যকীয় আৰু অৰ্থপূৰ্ণ, যিটো আকৌ ভট্টাচাৰ্যদেৱৰ সামগ্ৰিক জীৱন পৰিক্ৰমাত সাৰ্থকৰূপে প্ৰতিফলিত বুলিব পাৰি। জীৱনৰ পথত মুখামুখি হোৱা নানান অনাংকাংক্ষিত সামাজিক ঘটনা-পৰিঘটনাৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু তাৰ আলমত অৰ্জিত অভিজ্ঞতা, উপেক্ষিত মানৱতাৰ কৰুণ চিত্ৰই জাগৃত কৰা যন্ত্ৰণাবোধ, অশুভ শক্তিয়ে সৃষ্টি কৰা সামাজিক বিশৃংখলাৰ সহ্যাতীত বেদনাবোধ আৰু সৰ্বোপৰি অবদমিত শ্ৰেণীৰ প্ৰতি থকা নিৰন্তৰ সমমৰ্মিতাই হ'ল তেওঁৰ জীৱনবীক্ষাৰ চালিকা শক্তি।

প্ৰসংগক্ৰমে উল্লেখ্য যে ব্যক্তিৰ অস্তিত্ব আৰু মহত্ত্বৰ প্ৰশ্নটোত সামূহিক কল্যাণ চিন্তাৰ দিশবোৰ যুক্ত হৈ থাকে। সমূহক বাদ দিলে ব্যক্তিৰনো অস্তিত্ব কেনেকৈ থাকিব, এই সত্য বোধগম্য হোৱা কাম্য। তাকেই উপলব্ধি কৰি প্ৰখ্যাত মানৱতাবাদী কবি মহম্মদ ইকবালে কৈছে—

সমূহৰ স'তে সম্পৰ্কৰ মাজতে থাকে ব্যক্তিৰ অস্তিত্ব
অকলে, তেওঁ একোৱেই নহয়।
নদীৰ বুকুতহে থাকে অস্তিত্ব ঢৌৰ
তাৰ বাহিৰত ই একোৱেই নহয়।

এই যে নদীৰ বুকুত থকা ঢৌহে যিদৰে প্ৰাসংগিক অথবা সমাজ আছে বাবেই ব্যক্তিৰ অস্তিত্ব গুৰুত্বপূৰ্ণ, ভট্টাচাৰ্যদেৱৰ সামগ্ৰিক জীৱনচৰ্যাৰ অন্তৰালতো তাৰ তাৎপৰ্য আমি সহজে অনুধাৱন কৰিব পাৰো। অৰ্থাৎ, তেওঁৰ জীৱনচৰ্যাৰ স'তে মহান কবি ইকবালৰ এক সাদৃশ্য পৰিলক্ষিত হয়। সমূহ অৰ্থাৎ নিৰ্যাতিতৰ জীৱনগাঁথাৰ নিদাৰুণ চিত্ৰই সকলো সময়তে তেওঁক গভীৰ মনোকষ্ট দিছিল আৰু চেতনাক কৰি ৰাখিছিল ভাৰাক্ৰান্ত। সামাজিক জীৱনক লৈ কল্পিত স্বপ্নবোৰ লালসাৰ হাতোৰাত নিঃশেষ হৈ যোৱাৰ যন্ত্ৰণাত তেওঁ আছিল দগ্ধ। এই স্বপ্নভংগৰ অৱসাদ আঁতৰাই মানুহৰ ভৱিষ্যৎ সুষমাত বিশ্বাসী কবিয়ে হাতত তুলি লৈছিল প্ৰতিবাদ আৰু ক্ষোভৰ কলম। তেওঁৰ কবিতাৰ বিষয় হ'ল যন্ত্ৰণামুক্তিৰ আকাংক্ষা আৰু উত্তৰ পুৰুষৰ কল্যাণ। মানুহৰ দ্বান্দ্বিক চিন্তাৰ স্বাভাৱিক ধাৰা মতে সামাজিক যন্ত্ৰণাক স্বযন্ত্ৰণা বুলি গণ্য কৰা কবিয়ে ক্ষণিকৰ বাবে নিৰাশাৰ কলীয়া ডাৱৰৰ ভৰত আত্মসমৰ্পণৰ লেখীয়া ভাবৰ আওতালৈ আহিলেও পিছ মুহূৰ্ততে তেনে ডাৱৰৰ ছাঁৰ পৰা মুক্ত হৈ নিজক চণ্ডালি দৃঢ়তাৰে আঁকোৱালি লৈছিল প্ৰত্যাশিত আশাবাদৰ প্ৰৱণতাক। ইয়াৰ মূলতে আছে সমাজ আৰু জীৱনক ভালপোৱাৰ উত্তাল কামনা, মানুহৰ ক্ষেত্ৰত থকা অটল বিশ্বাস। দ্বিধাহীনভাৱে ক'ব পাৰি তেওঁৰ বিশ্ববীক্ষা ঐতিহাসিক চেতনাৰে উজ্জ্বল আৰু উৰ্বৰ। এই বিশ্ববীক্ষাৰ সুবাদতে আমি লাভ কৰিছো মৰ্মস্পৰ্শী অনেক স্তৱক, যিবোৰ মানৱতাৰ বাৰ্তা বাহক।

অসম বিকাশৰ ফলত অকল যে বৈষম্যৰ আগমন ঘটে এনে নহয়, ন্যাসৰ পৰিভাষা সলনি হয় আৰু অবক্ষয়ৰ অনাহূত প্ৰবাহে সমাজ জীৱন থান-বান কৰি তোলে। তথাপি কবিৰ আশাৰ অন্ত নাই, কাৰণ শেষ বিচাৰত সন্মিলিত সংগ্ৰামী শক্তিয়ে আঁজুৰি আনিব পাৰে প্ৰত্যাশিত পৰিৱৰ্তন। এই পৰিৱৰ্তন অৱশ্যেই কোনো শব্দৰ নহয়, ই হ'ল জীৱনধাৰাৰ বেদনাময় দিনৰ অৱসান ঘটোৱা যথাৰ্থ পৰিৱৰ্তন। সেয়েহে কবিয়ে কৈছেঃ

নিহাৰিকাৰ পৰাই উফৰি আহে তিৰ বিৰ তৰা।
অভাৱেই আনে উত্তৰণ। অশ্বাৰোহী আহিব এদিন।
সাগৰৰ ঢৌ হ'ব আকৌ চঞ্চল।

আশাবাদৰ আকাশত তিৰবিৰ তৰা চিকমিকাই উঠে, উত্তৰণৰ আকাংক্ষাই ব্যক্তিক সাহসী কৰি তোলে, প্ৰতিবাদী শক্তিৰ আগমনৰ নিশ্চয়তাত শান্ত সাগৰৰ ঢৌ উদ্বেলিত হৈ আশাৰ বতৰা কঢ়িয়াই আনে — ইয়াতকৈ মানৱীয় চিন্তাৰ নমুনা কি হ'ব পাৰে। স্তৱকটিত পৰিস্ফুট অখণ্ড চেতনাৰে উজ্জ্বল মানুহৰ সম্ভাৱনাময় ভৱিষ্যৎ।

প্ৰশ্নাতীত যে পৃথিৱীখন অতি সুন্দৰ, জীৱন স্বাভাৱিকতে ছন্দোময়। কিন্তু এমুঠি মানুহে ইয়াক বসবাসৰ অযোগ্য কৰি তুলিছে। মানৱসৃষ্ট অসূয়া-অপ্ৰীতিয়ে চৌপাশৰ পৰিৱেশ কৰি তুলিছে পূৰ্তিগন্ধময়। সভ্যতাৰ এই পতিত চিত্ৰই অনেকৰ অন্তৰত সৃষ্টি কৰে বিশ্বাসহীনতাৰ ৰুগ্নবোধ। সেয়েহে বোধকৰো এগৰাকীয়ে অতিষ্ঠ হৈ কৈছিল সভ্যতাৰ শেষ পৰ্যায় হ'ল ভণ্ডামি। মানৱতাৰ পতনত অৱনত হোৱা ভট্টাচাৰ্যদেৱেও কৈছেঃ

তোমাৰ দিনতে মৰহা মানৱতাৰ ফল এতিয়া সৰি পৰিছে
লালসাৰ বিষদৃষ্টিত
বিশৃংখলাই শৃংখলা, অন্যায়ে ন্যায়ৰ বসন পিন্ধি
বৰগীত ৰাজভটিমাৰে পুৱাৰ প্ৰসংগ কৰে।

লালসাৰ বিষদৃষ্টিয়ে মানৱতাৰ পতন নমাই আনিছে, অন্যায়কে ন্যায়সংগত বুলি প্ৰতিপন্ন কৰাৰ প্ৰক্ৰিয়াই সমাজ জীৱনক কৰি তুলিছে কলুষময়। এই স্তৱকটিত কোৱা 'অন্যায়ে ন্যায়ৰ বসন পিন্ধি' কথাষাৰে সাম্প্ৰতিক সময়ৰ এক মনন সঞ্চাৰী চিত্ৰ তুলি ধৰিবলৈ সক্ষম হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি ৰোমা ৰোঁলাৰ সেই বিখ্যাত উক্তিটি — 'অন্যায়েই যেতিয়া নিয়ম, বিশৃংখলাই তাত ন্যায়ৰ আৰম্ভণি।' চেতনাৰ বিদ্ৰোহৰ স'তে এই বিশৃংখলাৰ সম্পৰ্ক আছে, আৰু কবি ভট্টাচাৰ্যদেৱে তাৰেই যেন ইংগিত দিছে।

সামাজিক মিথ্যাচাৰ, প্ৰবঞ্চনা আৰু নীচ অভিপ্ৰায়েই যেতিয়া প্ৰাত্যহিক বাৰ্তাৰূপে পৰিলক্ষিত হয়, ন্যায়নিষ্ঠা যেতিয়া হৈ পৰে দুৰ্লভ তেতিয়াই বিব্ৰত কবিয়ে ক্ষোভ উজাৰিবলৈ কয়ঃ

দিনবোৰ সলনি নহ'ল, মইনো কি কৰিব পাৰো
বৰ বেছি লেখিব পাৰো খং, আঁকিব পাৰো ক্ষোভ।

ক্ষন্তেকৰ বাবে মনলৈ অহা হতাশা আৰু অক্ষমতাত দগ্ধ হৈ কোৱা কবিৰ স্তৱকত পৰিস্ফুট হৈছে বিবেক দহনকাৰী দুখবোধ।

সংবেদনশীল হৃদয়ৱান ব্যক্তিয়েহে উপলব্ধি কৰে সুকুমাৰ শইচৰ গুৰুত্ব। সুৰভিত সৃষ্টিৰ পথাৰেই সুকুমাৰ শইচৰ অংকুৰ ভূমি। ধূপৰ গোন্ধে নিৰ্মল কৰে বতাহ আৰু এনে বতাহে সুস্থ জীৱনৰ পৰিৱেশ কৰে আহ্বান। সুস্থ বাতাবৰণ প্ৰত্যাশী কবিৰ কলমেৰে নিগৰিছে ঃ

ধূপৰ গোন্ধবোৰ এটা গীত এটা কবিতা হৈছিল
মনৰ শইচবোৰ লহপহকৈ বাঢ়িছিল
তেতিয়া কোনেও বাট হেৰুওৱা নাছিল
অথবা বাটেই সাপ হৈ দংশন কৰা নাছিল।

মনৰ শইচেই সুকুমাৰ অনুভূতিৰ শইচ, যাৰ আধাৰত মানুহে সুন্দৰ আৰু সুষমাময় জীৱনৰ সপোন ৰচিবপাৰে। তেনে স্থিতিত বিপথে যোৱাৰ সম্ভাৱনা কম অথবা তেনে জীৱন পথ সৰ্বনাশী সৰ্পৰ দংশনৰূপে পৰিগণিত নহয়গৈ। কথাষাৰ সহজ, কিন্তু তাৎপৰ্য গভীৰ। সেয়ে ই ব্যাখ্যাতীত।

সাধাৰণতে কোৱা হয়, চিন্তাৰ স্বাধীনতা মানুহৰ আকাংক্ষিত ভৱিষ্যত। অৰ্থনৈতিক স্বাধীনতাই মানুহৰ মৌলিক প্ৰয়োজনসমূহ পূৰ কৰাত উপাদানৰূপে কাম কৰে, কিন্তু চিন্তাৰ স্বাধীনতাহে মননৰ বিকাশ আৰু ব্যক্তিত্ব গঠনৰ সহায়ক হয়। তদুপৰি সামাজিক দ্বন্দ্ববোৰ অনুধাৱন কৰি তাৰ ইতিবাচক সমাধানৰ অৰ্থে আগবাঢ়িবলৈকো স্বাধীনতা হ'ল অপৰিহাৰ্য। ইয়াৰ গভীৰ তাৎপৰ্য হৃদয়ংগম কৰি কবিয়ে অনন্য এক স্তৱকত কৈছে ঃ

মোৰ মনত জ্বলি থকা এই শব্দটো
এদিন ফুটপাথ পাবগৈ
এদিন মোৰ গাঁও ওলাবগৈ
গছৰ পাতে পাতে
পানীৰ ঢৌৱে ঢৌৱে

সি গান গাব
এখন বিৰাট মঞ্চত হাতে হাতে জ্বলি ৰ'ব
সেই শিখা
তুমি বাৰু অনুমান কৰিব পাৰিছানে
মই নিতৌ এটা শব্দকে ভজো
এটা মাথোঁ শব্দ মোৰ বুকুত শিখা হৈ জ্বলে
নাম তাৰ স্বাধীনতা।

সৰ্বজনৰ কাম্য স্বাধীনতাক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আৰু এক সৰ্বময় স্থিতিত তাৰ প্ৰাসংগিকতা স্বীকাৰ কৰি কবিয়ে চহৰৰ ফুটপাথ, গাঁও বা মুকলি মঞ্চত স্বাধীনতাৰ মুক্ত বিচৰণৰ আশাৰ লগতে প্ৰকৃতিৰ বৈচিত্ৰ্যময় ৰূপৰ মাজতো তাৰ পৰিব্যাপ্তিৰ সপোন ৰচনা কৰিছে। স্বাধীন চিন্তাৰ বাবে কবি কিমান উদগ্ৰীৱ তাৰ উমান মাথোঁ এটি শাৰীতেই পাব পাৰো মই নিতৌ এটা শব্দকে ভজো য'ত তেওঁৰ আকুল বাসনা, সামাজিক দায়বদ্ধতা আৰু গণতান্ত্ৰিক চেতনাবোধ ধ্বনিত হৈছে।

ভট্টাচাৰ্য দেৱ মূলতঃ প্ৰতিবাদী কণ্ঠৰ প্ৰগলভ সত্তাৰ প্ৰতিনিধি। অন্যতম প্ৰগতিবাদী কবি সুকান্ত ভট্টাচাৰ্যই উদাত্ত কণ্ঠে কৈছিল অন্যায়ৰ মুখামুখি লেনিন প্ৰথম প্ৰতিবাদ বুলি আৰু নলিনীধৰ ভট্টাচাৰ্যৰো আছিল তেনে এক অদম্য দৃষ্টিভংগী। তেওঁৰ হৃদয়ত বাহৰ পাতিছিল নিঃস্বজনৰ প্ৰতি প্ৰকৃত সমব্যাথাৰ প্ৰোথিত আবেগ। মানুহৰ দাসত্ব মুক্তিৰ সপোন দেখা কবিয়ে দ্বিধাহীনভাৱে ক'ব পাৰিছিল

দেখিছো প্ৰত্যয় নামে পৃথিৱীৰ মানুহৰ
শিবিৰে শিবিৰে, ফুলগুৰি পথৰুঘাটৰ তেজ লৈ
হুমুনিয়াহ হ'ল আজি চিকমিক চোকা হাতিয়াৰ
চোঁ মৰা চিলনীৰ লুণ্ঠনক
একেবাৰে কবৰ দিয়াৰ।

এই কবৰ দিয়াৰ বাসনাৰ আঁৰত কবি মনৰ ক্ষোভ, দেশ আৰু দহৰ প্ৰতি অকৃত্ৰিম ভালপোৱা, অন্যায়ৰ বিপক্ষে শানিত ৰণ-হুংকাৰ আৰু লুণ্ঠনকাৰীৰ বিৰুদ্ধে অপৰিমেয় ঘৃণাৰ প্ৰতিধ্বনি আমি অনুভৱ কৰিব পাৰো। স্বাভাৱিকতে মানুহক হিয়া উজাৰি ভাল নাপালে বা মানৱতাক অগ্ৰাধিকাৰ নিদিলে এনেকুৱা চেতনা উদ্ৰেককাৰী আহ্বান জনোৱাটো কল্পনাতীত।

পূৰ্বতে দোহাৰিছে যে উপেক্ষিত মানৱতাবাদ কবিৰ উদ্বিগ্নতাৰ বিষয়। অবক্ষয়ৰ চিত্ৰই মনক কষ্ট দিয়ে। ব্যাপকতাৰ বোধে দিয়ে সাময়িক সকাহ। এই বোধত্বৰেই সৃষ্টি ঃ

আকাশত ফুৰিছোঁ যদিও আকাশৰ গান শিকা নাই
সাগৰত নামিছো যদিও সাগৰৰ গভীৰতা আজিলৈকে জোখা নাই
চোৱা নাই পথ হৃদয়ৰ।

এই যে চেতনাৰ পৰিধিত সীমাবদ্ধতাৰ যি দুৰ্বিষহ বিষাদ তাক বুজিবলৈ কবি হৃদয়ৰ ক্ষত-বিক্ষত জগতখন ভ্ৰমিব লাগিব। জীৱনৰ অবৈৰীমূলক দ্বন্দ্বাত্মক ৰূপৰ মাজতহে অপূৰ্ব কৰণীয়ৰ সূচীখন বিচাৰি পোৱা সম্ভৱ।

এই ধৰিত্ৰীৰ অনুপম প্ৰকৃতিৰ বৈভৱ জান-জুৰি, সেউজ গিৰি বা আশাৰ শইচৰ মাজত কবিয়ে অনুভৱ কৰে আত্মিক সম্পৰ্ক। তেখেতৰ দৰ্শনত প্ৰকৃতি আপোনা আপুনি এই পৃথিৱীৰ নিৰালম্ব মানুহ। সেইবাবেই ক'বলৈ পাহৰা নাই।

মোক বিচাৰিবা পাহাৰৰ জুৰিত, বোৱতী নদীত
শইচৰ শীহত ঘাঁহৰ সেউজত মোক বিচাৰিবা
মই আহিম
মোৰ বাবে যদি কোনোবাই চকুলো টোকে
তেওঁক ক'বা মই আহিম।

কবিৰ অন্তৰতম অভিপ্ৰায়, জননীৰ কোলালৈ কোনোবা অৰ্থাৎ মানুহে বিচাৰিলে তেওঁ আকৌ আহিব। স্বৰূপাৰ্থত মৰ্মস্পৰ্শী এই ইচ্ছা। তেওঁৰ যেন এটাই অঘোষিত চৰ্ত, মানুহৰ বাসভূমিৰ লেখীয়া হৈ ৰওক এই পৃথিৱী, যি জীৱনৰ মহত্ব বুজাৰ অৰ্থে আমাক সক্ষম কৰি তুলিছে।

কবিৰ অনেক কবিতাৰ অন্তৰালত আমি আৱিষ্কাৰ কৰিব পাৰো নিপীড়িত মানুহৰ প্ৰতি সহৃদয়তা, য'ত মানৱীয় প্ৰমূল্যৰে বিটৌত নক্ষত্ৰবোৰ চকু টিপিয়াই থাকে। আনকি, অমৃত গমনৰ পাছতো উত্তৰ পুৰুষে কিদৰে গ্ৰহণ কৰিব তেওঁৰ কায়িক অনুপস্থিতিক, সেই ইচ্ছাও 'উত্তৰ পুৰুষলৈ'ত ব্যক্ত কৰি গৈছেঃ

'উত্তৰ পুৰুষ তুমি, তুমিতো জানাই, আজি
বহুতৰে শৰীৰ নোদোকা, কিন্তু বুকু প্ৰেমহীন।

আহি আছে মোৰ ইন্তেকাল
সমাধিত নিদিবা ফুলৰ মালা, নাসাজিবা স্মৃতিসৌধ
মাথোঁ ফলকত লিখি থবা ঃ
ইয়াত শুই আছে এটি সত্তা
যাৰ দুখৰ ভাটিয়ালীত মিলি যাব খুজিছিল পৃথিৱীৰ সহস্ৰ চকুলো।

এই যে চকুলো তাৰ আঁৰতে আছে কবিৰ সৰল ৰৈখিক মানৱতাবোধ, নিৰ্মল হৃদয়ৰ এক বিৰল স্বগতোক্তি।

ভট্টাচাৰ্য দেৱৰ কবিতাত ব্যৱহৃত চিত্ৰকল্প অথবা প্ৰতীক আদিৰ আলোচনাৰ পৰা ইচ্ছাকৃতভাৱে বিৰত থকা হ'ল, তাৰ কাৰণ কলেৱৰ বৃদ্ধিৰ আশংকা। অৱশ্যে, তেওঁৰ কবিতাত নিহিত সৌন্দৰ্যৰ ব্যাখ্যা আমাৰ উদ্দেশ্যেও নহয়। বৰঞ্চ কবিতা গুচ্ছৰ নিৰ্যাসত মানৱতাবাদৰ ধ্বনি কি ৰূপে প্ৰতিধ্বনিত হৈছে সেয়াহে গুৰুত্বপূৰ্ণ কথা। ইতিমধ্যে কোৱা হৈছে বৰ্ণিত বিষয় এক প্ৰস্তাৱনাহে। কিন্তু তেওঁৰ কবিতাগুচ্ছৰ অন্তৰ্লীন তাৎপৰ্য বিচাৰ কৰোঁতে বুদ্ধিমত্তাৰে আগবঢ়োৱাটো বোধকৰো সমীচিন নীতিগতভাৱে নহ'ব। ইয়াৰ সংশ্লেষণ হোৱা উচিত সামাজিক পৰিপ্ৰেক্ষাৰ আধাৰত আৰু হৃদয়ৰ উত্তাপেৰে, য'ত উদ্বেলিত হৈ উঠিব কালান্তৰৰ মানৱতাবাদ। ○

# নলিনীধৰ ভট্টাচাৰ্য প্ৰসংগ সমালোচনা

ডাঃ বীৰেন্দ্ৰ নাৰায়ণ শৰ্মা

অসমীয়া ভাষাৰ কালিকাশক্তি আৰু কাব্যিক জিজ্ঞাসা অতি ঈৰ্ষণীয়। ঈৰ্ষালু পৰ্যায়লৈ লৈ যোৱা মহান ব্যক্তিসকলৰ অন্যতম কবি সমালোচক নলিনীধৰ ভট্টাচাৰ্যই আৱাহন যুগৰ পৰা সাম্প্ৰতিক কাললৈ নিৰৱছিন্নভাৱে অসমীয়া সাহিত্যৰ সেৱা কৰি গৈছে। নীৰৱ আৰু নিৰ্লোভ এক জীৱন-যাপন কৰি সৎ আৰু আন্তৰিক দৃষ্টিভংগীটোহে মূল কথা — এই মহৎ উদ্দেশ্য আগত লৈ নিজৰ সাহিত্যকৰ্মৰ জৰিয়তে এগৰাকী চিন্তাশীল সাহিত্য সমালোচক হিচাপে সৰ্বজন স্বীকৃত, অসমীয়া ভাষা আৰু সাহিত্যলৈ আধুনিকতাৰ বাৰ্তা বহন কৰা সকলৰো অন্যতম নলিনীধৰ ভট্টাচাৰ্য। এক অৰ্থত নলিনীধৰ ভট্টাচাৰ্যক নতুনকৈ পাঠক সমাজক চিনাকি কৰাই দিয়াটো প্ৰশ্নটো অপ্ৰাসংগিক। এজন ঋষিতুল্য বৰেণ্য বিৰল ব্যক্তিত্বৰ অধিকাৰী। নামেই তেখেতৰ পৰিচয়। এইজনা কোলা শুৱনি কবি আছিল এটা মহান অনুষ্ঠানসদৃশ। জীৱন দৰ্শন আৰু সাহিত্য দৰ্শনৰ মাজত তিলমানো তফাৎ নৰখা কবি, সাহিত্যিক, সাহিত্য আৰু সমাজ-সমালোচক এজন অতি ওখ খাপৰ আকৰ্ষণীয় ব্যক্তি।

অৰ্ধ শতাব্দীৰ অসমীয়া সাহিত্য সমালোচনা কৰি ড° আনন্দ বৰমুদৈদেৱে লিখিছে — লিখক ভবানন্দ দত্তৰ পৰা আৰম্ভ কৰি সমাজবাদী সমালোচনাৰ ধাৰা এটাও অসমীয়া সমালোচনা সাহিত্যৰ মাজত সোমাই আছে। এই সমালোচনাৰ প্ৰধান উদ্দেশ্য সাহিত্য কৃতিত, শ্ৰেণী বৈষম্য, শোষণ অন্যায় আদিয়ে ক'লা ৰূপ পৰিগ্ৰহ কৰিছেনে নাই তাক বিচাৰ কৰা। এই ধাৰাৰ সমালোচকসকলৰ দৃষ্টিভংগী সমাজবাদী আৰু বৈজ্ঞানিক। যোৱা কেইবাটাও দশকজুৰি তীব্ৰ সমাজমুখী চেতনাৰে সাহিত্য সমালোচনা কৰা কবি সাহিত্যিকগৰাকী হ'ল নলিনীধৰ ভট্টাচাৰ্য। সাহিত্য কৃতিৰ বিষয়বস্তু আৰু সাহিত্যিকৰ শ্ৰেণী অৱস্থান আদিৰ প্ৰতি ভট্টাচাৰ্য দেৱৰ দৃষ্টি

সূক্ষ্ম। সমাজতাত্ত্বিক সমালোচনা বিজ্ঞানসম্মত আলোচনা। এনে আলোচনাত কাব্য বস্তু আৰু সমালোচকৰ মাজত থকা সম্বন্ধ অনাত্মীয়।

সাহিত্যৰ উত্থানৰ দিশত সমালোচকৰ ভূমিকা সম্পৰ্কে ভট্টাচাৰ্যদেৱৰ মত অতি স্পষ্ট — সমালোচকৰ দায়িত্ব গধুৰ। তেওঁ নিজে দেখে আৰু আনকো দেখুৱাই দিব পাৰে। তেওঁ লেখক আৰু পাঠকৰ মাজত যোগ্য যোগসূত্ৰস্বৰূপ। সাহিত্যৰ শ্ৰীবৃদ্ধিত তেওঁৰ ভূমিকা অপৰিহাৰ্য, দোষ-গুণ দেখুৱাই লেখকক বাট দেখুৱাই দিব পৰা যোগ্যতা তেওঁৰ থাকে। সমালোচনাত ভট্টাচাৰ্যদেৱৰ পাণ্ডিত্য মননশীলতা, পৰ্যবেক্ষণ শক্তি আৰু সূক্ষ্ম বিশ্লেষণ ক্ষমতা অতি প্ৰখৰ। সেয়ে দৃঢ়তা, সাহস আৰু যুক্তিৰ সহায়ত তেওঁ পাঠকক অনুপ্ৰাণিত কৰিব পাৰিছিল।

তেওঁৰ সমালোচনামূলক ৰচনাশৈলীয়ে আমাক শিকায় লেখকৰ নান্দনিক দৃষ্টিভংগী, ৰচনাশৈলীৰ উৎকৰ্ষ আৰু মানবিকতা (বস্তুবাদী দৃষ্টিকোণ)।

নলিনীধৰ ভট্টাচাৰ্যৰ লেখাৰ অন্যতম বৈশিষ্ট্য হ'ল যাত্ৰাৰ পৰা যাত্ৰান্তৰলৈ যাত্ৰা। তেওঁৰ এটা লেখাৰ মাজতে কেইবাখনো বিচিত্ৰ জগতৰ সন্ধেদ পাব পাৰি। এজন কবি হিচাপে যিমান প্ৰসিদ্ধ, তাতকৈ গভীৰ তেওঁৰ সাহিত্য আৰু সমালোচনামূলক লেখাবোৰ। অসমীয়া সাহিত্য সমালোচনা, ভাৰতীয় ঐতিহ্য, পশ্চিমীয়া সাহিত্য সমালোচনা, অসমীয়া সাহিত্যৰ ঐতিহ্য আৰু অন্যান্য ৰচনাখিনিত প্ৰতিভাত হৈছে গতানুগতিকতাৰ গণ্ডীৰ বাহিৰলৈ গৈ সাহিত্যক নতুন বীক্ষাৰে চাব পৰা এজন সমালোচকৰ উমান। ত্ৰৈলোক্যনাথ গোস্বামীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আয়োজিত আৰু নন্দনতত্ত্বত আধুনিকতা শীৰ্ষক ৰচনাখনত, সীমিত পৰিসৰত উপস্থাপিত এই লেখাৰ মাজত আধুনিকতাৰ সাহটো বিচাৰি উলিওৱাত মুঠেও কষ্ট নহয়। ভুৰুকাত হাতী ভৰাবলৈ গৈ নলিনীধৰ ভট্টাচাৰ্যই নন্দনতত্ত্বৰ ঐতিহাসিক বিকাশক যি প্ৰাঞ্জলভাৱে উপস্থাপন কৰিছে, সেয়াহে এক প্ৰশংসনীয় প্ৰচেষ্টা। এই লেখাৰ পৰা ৰুচিবোধৰ আধুনিক ৰূপটো আয়ত্ত কৰাৰ ক্ষেত্ৰত পথৰ সন্ধান পাব পাৰি। কবিতাৰ উৎস ৰূপ-ৰস আৰু প্ৰতীকতা শীৰ্ষক তেখেতৰ লেখাত মূলতঃ কাব্যৰ ৰূপতাত্ত্বিক ৰসায়নৰ সুন্দৰ বৰ্ণনা আছে। কাব্যিক নিৰ্মাণত এক মননশীল প্ৰচেষ্টা আৰু বহুবোৰ কাব্যিক আৰু ভাষাতাত্ত্বিক উপাদানৰ সমবায়ত এই পৰিঘটনা সংঘটিত হয়, সেয়া সুন্দৰভাৱে প্ৰতিফলিত হৈছে। তেখেতৰ বিচ্ছিন্নতাবোধ আৰু সাহিত্য, লগতে সংযুক্তি আৰু বিযুক্তি লেখাত শেহতীয়া কাব্য চিন্তাই উদ্বেলিত কৰা এজন সচেতন কবি আৰু সমালোচকক দেখা পাওঁ। উত্তৰ আধুনিকতাৰ ঘনঘোৰ অৰণ্যত তিমিৰাচ্ছন্ন হোৱা

লেখক আৰু পাঠকে তেওঁৰ লেখাত এক বিশেষ সুৰ শুনিবলৈ পায়, য'ত প্ৰতিফলিত হৈছে সমসাময়িক চিন্তা-চেতনা আৰু উদ্বেগৰ। অতি সচেতনভাৱে পৰ্যবেক্ষণ কৰিলে দেখিবলৈ পোৱা যাব যে অতি জটিল বিষয় একোটা অতি নিমজ আৰু সহজভাৱে নলিনীধৰ ভট্টাচাৰ্যই পাঠকৰ সন্মুখত উপস্থাপন কৰিব পাৰিছিল।

ভাৰতীয় ঐতিহ্যৰ ক্ষেত্ৰত ঋকবেদৰ পটভূমি, ৰবীন্দ্ৰ নাথ আৰু জাতীয়তাবাদ আৰু ৰবীন্দ্ৰ নাথ আৰু আমি আদি লেখাত বেদ বুলি ক'লেই এচামে কৰাৰ দৰে এক প্ৰতিষ্ঠানিক গণ্ডীৰ মাজত থাকি ভাৰতীয় পুৰাতন ঐতিহ্যৰ এক অধ্যায়ক বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা নাই, বৰং এজন সচেতন ইতিহাসবিদৰ ভূমিকাত অৱতীৰ্ণ হৈ নলিনীধৰ ভট্টাচাৰ্যই পোহৰলৈ আনিবৰ চেষ্টা কৰিছে বৈদিক সংস্কৃতিৰ কেতবোৰ বিৰল তথ্য আৰু জীৱনযাত্ৰাৰ সমল। তেওঁৰ প্ৰাণত ভাৰতীয় সাংস্কৃতিক প্ৰেৰণাৰ লগত কম-বেছি পৰিমাণে অসমৰ শংকৰী সংস্কৃতিৰ প্ৰেৰণা মিলি গৈছিল। ৰবীন্দ্ৰ নাথ বিষয়ক ৰচনাত আমি নলিনীধৰ ভট্টাচাৰ্যৰ আধুনিক প্ৰেক্ষাপটত হ'ব পৰা এক ঐতিহাসিক কাব্যিক যাত্ৰাৰ সচেতন সমৰ্থন দেখিবলৈ পাওঁ। ভাৰতীয় জাতীয়তাবাদৰ বিকাশত ৰবীন্দ্ৰৰ চিন্তাৰ এক সুকীয়া স্থান আছে। সাম্প্ৰতিক উন্নাসিক বাতাবৰণত মতলীয়া হৈ কোনোবাই ৰবীন্দ্ৰ নাথক সমাজচ্যুত কৰিবলৈ চেষ্টা কৰিলেও একমাত্ৰ জাতীয়তাবাদৰ কাঠামো গঢ়োতা হিচাপে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভূমিকাক ঘোৰ শত্ৰুয়ো সন্দেহ কৰিব নোৱাৰে। নলিনীধৰ ভট্টাচাৰ্যৰ লিখনিত সমকালীন উৎকণ্ঠা আৰু দ্বন্দ্বৰ প্ৰেক্ষাপটত ৰবীন্দ্ৰ নাথক মূল্যাংকন কৰি সমাজ চেতনাক জাগ্ৰত কৰিব খুজিছে। পশ্চিমীয়া সাহিত্য সমালোচনা মানেই এখন উত্তাল মহাসাগৰ। কবি নলিনীধৰ ভট্টাচাৰ্যই এই মহাসাগৰৰ কেইটিমান প্ৰচণ্ড তৰংগ শিখৰক তেওঁৰ ৰচনাৰ মাজত স্থান দিছে। তেনে এখন ৰচনা হ'ল আত্মিক যাত্ৰাৰ কাব্য ডিভাইন কমেডী। ডিভাইন কমেডী বুলিলে আমি বহুতেই নিৰলস প্ৰেমৰ অম্লান বৰ্ণনা বুলি ভাবো। পিছে ইওঁ যে এক আত্মিক আধ্যাত্মিক যাত্ৰা, সেই কথা ভট্টাচাৰ্যই তেওঁৰ ৰচনাত প্ৰতিপন্ন কৰিছে। গ্ৰীক নাটকৰ চৰিত্ৰ ৰচনাত পশ্চিমীয়া তথা আধুনিক প্ৰাচ্যতত্ত্বৰ আদি অনুষ্ঠান গ্ৰীক নাটকৰ চৰিত্ৰ বিশ্লেষণ কৰিছে। আধুনিক গল্প ৰীতি আৰু উপন্যাসৰ ধাৰা নিৰ্মাণত ৰুচ ঔপন্যাসিক লিও টলষ্টয়ৰ ভূমিকা অপৰিসীম। জীৱনটোক উদাৰ আৰু মহাজাগতিক দৃষ্টিৰে চাবলৈ গৈ টলষ্টয়ে তেওঁৰ উপন্যাসত সৃষ্টি কৰিছে জীৱনৰ সজীৱ গেলাৰী। টলষ্টয়ৰ বাদ আৰু টলষ্টয়ৰ উপন্যাস শীৰ্ষক

ৰচনাত টলষ্টয়বাদ-বিশ্বাস আৰু কলা-নৈপুণ্যৰ আঁৰৰ কথা সচেতন পাঠকে উপলব্ধি কৰিব পাৰে। ফাউষ্টঃ আধুনিক জীৱনৰ ইলিয়াড' শ্বেইক্সপীয়েৰৰ নাট আৰু সমাজ চিন্তা আৰু কবি এলিয়টৰ সমাজবোধ শীৰ্ষক ৰচনাত কি বিচিত্ৰ চিন্তাৰে মেট মৰা ভাৰ লৈ সাহিত্যত আধুনিকতাই বিকাশৰ বাট বুটলি লৈছিল, তাক সহজে অনুমান কৰিব পাৰি। আধুনিক জীৱনৰ দ্বন্দ্ব আৰু হতাশাক কেনেদৰে সাহিত্যত ৰূপায়ণ কৰা যায়, তাৰ এক সমালোচনাত্মক আলেখ্য উপস্থাপন কৰিছে। অসমীয়া সাহিত্যৰ সমালোচনাৰ ধাৰাটোৰ অন্যতম বাটকটীয়া কবি নলিনীধৰ ভট্টাচাৰ্য। শংকৰদেৱৰ পৰা আৰম্ভ কৰি অতি সাম্প্ৰতিক কালৰ তৰুণ কাব্যসেৱীজনকো ভট্টাচাৰ্যই তেখেতৰ লেখাৰ আউটি লৈ আনিছে। বিভিন্ন কাকত-আলোচনীত সিঁচৰিত হৈ আছে তেখেতৰ এনেধৰণৰ বহু ৰচনা। কীৰ্তনৰ উপাখ্যানৰ উৎসত কীৰ্তন যে কেৱল আধ্যাত্মিক আনুষংগ জড়িত গ্ৰন্থ নহয় — ইয়াৰো যে এক উপন্যাসিক ভেটি আছে, সেই কথা তেখেতে আলোচনা কৰিছে। আধুনিক অসমীয়া কবিতাৰ সামাজিক পটভূমিত বৰ্ণিত হৈছে অসমীয়া কাব্যৰ ৰূপান্তৰৰ ইতিবৃত্ত। শংকৰদেৱৰ পাছতে অসমীয়া ভাষাক এক নিৰ্দিষ্ট গঢ় দিওঁতাজনেই হ'ল লক্ষ্মীনাথ বেজবৰুৱা। আধুনিকতাৰ বাৰ্তাবাহক বেজবৰুৱাক লৈ লিখা 'বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা'ক তেখেতে আধুনিকতাৰ প্ৰেক্ষাপটত বেজবৰুৱা যে সদায় প্ৰাসংগিক সেয়া প্ৰতিপন্ন কৰিছে। অসমীয়া কাব্য সাহিত্যত অকল্পনীয় প্ৰভাৱৰ বাবে কবি নলিনীধৰ ভট্টাচাৰ্যই লিখা নৱকান্ত বৰুৱাৰ সম্ৰাট কাব্য 'বস্তু আৰু গুণ আৰু নৱকান্ত বৰুৱাৰ পলস' নৱকান্তৰ কাব্য ভেটিক কেবাটাও দিশৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছে।

এজন ব্যক্তিৰ এটা সাধাৰণ পৰিচয়ো থাকে, এজন সাধাৰণ মানুহ হিচাপে সমাজ জীৱনত ঘটি থকা বিভিন্ন সৰু-বৰ ঘটনাৰ আন্তঃক্ৰিয়াত এজন সাধাৰণ মানুহৰ মানসিক জগতখনো গঢ় লয়। কেতিয়াবা সেই সাধাৰণ মানুহজনৰ মাজৰ পৰা এনে এজন মানুহ ওলাই আহে, যি এই সৰু সৰু ঘটনাপ্ৰবাহক একোটা নিৰ্দিষ্ট দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি ভাল পায়। নলিনীধৰ ভট্টাচাৰ্যৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল আপাত দৃষ্টিত সাধাৰণ যেন লগা কেতবোৰ ঘটনাৰ সামাজিক আচাৰ-অনুষ্ঠানৰ অসাধাৰণ বিশ্লেষণ। এনে অসাধাৰণ অথচ সাধাৰণ যেন লগা আচাৰ-অনুষ্ঠান আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি লিখা ভট্টাচাৰ্যৰ লেখা আছে।

যিবোৰ ভৱিষ্যত প্ৰজন্মৰ প্ৰতি অনুপম প্ৰেৰণাৰ সৃষ্টি কৰিব। মহৎ প্ৰাণ প্ৰাতঃস্মৰণীয় নলিনীধৰ ভট্টাচাৰ্যলৈ যাচিলোঁ সশ্ৰদ্ধ প্ৰণাম। ○

# ননী আছুনে ঘৰত

## ৰাজেন কলিতা

'মই নিতৌ এটা শব্দকে ভজোঁ
এটা মাত্ৰ শব্দ মোৰ বুকুৰ শিখা হৈ জ্বলে
.........................
নাম তাৰ স্বাধীনতা' (সেই শব্দটো)

বয়োবৃদ্ধ কবি নলিনীধৰ ভট্টাচাৰ্যৰ 'স্বাধীনতা' ১৫ আগষ্টৰ স্বাধীনতা নহয়, মুক্তি বাহিনীৰ স্বাধীনতাও নহয়। ই আত্মিক স্বাধীনতা, যি শাৰীৰিক বন্দীত্বক অমান্য কৰে। 'মোৰ শৰীৰটোক বন্দী কৰিছা/কৰা/মোৰ মগজুক, মোৰ আত্মাক জানো/শিকলিৰে বান্ধিব পাৰিবা?' ই হ'ল চক্ৰেটিজৰ স্বাধীনতা, গেলিলিঅ', কপাৰনিকাচৰ স্বাধীনতা।

এনে এক স্বাধীনতাৰ পূজাৰী কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ মহত্ব শব্দৰ নিপুণ প্ৰয়োগ বা সাংগীতিক বিমূৰ্ততাত নহয়, ইয়াৰ মহত্ব অন্যত্ৰ। ইয়াৰ মহত্ব এক সমালোচনামূলক অথচ প্ৰশান্ত দৃষ্টিকোণত, এক নৈতিকতা উদ্দীপিত অথচ উদাৰ জীৱনবোধত। সমাজ ৰূপান্তৰৰ ভাবনাৰে অনুপ্ৰাণিত কৰিব আবেগ নিয়ন্ত্ৰিত, এক সুগভীৰ ইতিহাসবোধৰ দ্বাৰা তেওঁৰ চেতনা সমৃদ্ধ। ইতিহাসৰ গধূলি লগনত তেওঁ নিজে উপস্থিত, ক'ৰবাত কিবা এটা হ'ল, মধ্য গগনৰ উজ্বলতাৰ ঠাইত যেন অন্ধকাৰ ঃ ফুলৰ বনত ধুমুহা তুলিলে কোনো ক'ত হ'ল ভুল কোৱা, ক'ত হ'ল ভুল ঘোঁৰা চোৱাৰ তোমাৰ ঘোঁৰাৰ খুৰাত জোৱাৰ ক'ত? কিন্তু কবিয়ে বুজি পায় ইতিহাসৰ সূৰ্য সচেতন মানুহ। সেয়ে কবি হতাশ নহয়, বৰং আহ্বান কৰে উদাত্ত কণ্ঠেৰে ঃ আহা নাচো আজি/প্ৰাণ চঞ্চল নাচ/জগত জুৰি/ঘোঁৰা চোৱাৰ, মিছা হৈ য'ক/গধূলি লগন/জোৱাৰৰ ঢৌ লাগি।

নলিনীধৰ ভট্টাচাৰ্য নিৰাশাৰ পিটনিত নিমজ্জিত, পৰাজিত প্ৰাণৰ কবি নহয়, তেওঁ এক ইতিহাস সমৰ্থিত সবল আশাবাদৰে অনুপ্ৰাণিত অভিযাত্ৰী। সেইবুলি তেওঁৰ আশাবাদ যান্ত্ৰিক, দ্বন্দ্বৰহিত অমানৱিক আশাবাদ নহয়, তেওঁৰ চেতনাত প্ৰোথিত আশাৰ বৃক্ষজোপাৰ শিপা যদিও গভীৰত, ধুমুহা বতাহ বিপৰ্যয়ে সিজোপাক ডাল-পাত ছিঙি জোকাৰি নোযোৱা নহয়। ইতিহাসৰ কেকুঁৰীবোৰত কবিৰ দৰে অভিযাত্ৰীসকল কেতিয়াবা অনিশ্চিত হৈ পৰে সাময়িকভাৱে, কিন্তু তেওঁলোকৰ ইতিহাসবোধে তেওঁলোকক সঠিক পথৰ সন্ধান নিদিয়াকৈ নাথাকে। কবি ভট্টাচাৰ্যৰ কোনো কোনো সতীৰ্থই হয়তো তেনে জটিল সময়ত সঠিক পথৰ সন্ধান কৰিব নোৱাৰি আপোচৰ ৰাস্তাৰেই বাট বুলিবলৈ ল'লে, কিন্তু নলিনীধৰ ভট্টাচাৰ্য অন্য ধাতুৰে গঢ়া। সেয়ে তেওঁ লিখিব পাৰে ঃ 'মোৰ মগজুক/মোৰ আত্মাক শিকলিৰে/কেনেকৈ বান্ধিবা/কুঁৱলীতো মই ধ্বংস হৈ যোৱা নাই/হোৱা নাই নতশিৰ/বেলিমাৰ যোৱাৰ ফালে মোক ঠেলি দিব নোৱাৰা। (বন্দী)।

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ পৃথিৱীত কেতিয়াবা হতাশাৰ মেঘৰ ছাঁ নপৰা নহয়; সেই হতাশা অৱশ্যে এক সমালোচনাও ঃ ক'তা, আজিওতো পৰা নাই, সকলো একেই আছে/ মাথোন বুকুৰ কাঁইটে মোক বিন্ধি পেলাইছে/আকৌ যৌৱনৰ দিনবোৰত দেখা সপোনবোৰ আজিও নফলিওৱাত কবিৰ মনত আক্ষেপ ঃ 'তোমালোকে মোক টু-টুৱাওতেই গ'ল, ষাঠিটা হেমন্ত পাৰ কৰিলো/এতিয়া হালধীয়া পাতে আৰু কি গান শুনিব?' কবিৰ চেতনাত লগা খেলিমেলিৰ বাবে অৱশ্যে কবিয়ে বাস্তৱ অৱস্থাৰ কথা দোহাৰে ঃ ছাঁ ভৰা পৃথিৱীত পাবা ক'ত যৌৱনৰ সুগন্ধ? ক্ৰমশঃ/ চাপি আহে মৃত্যু, কেৱল মৃত্যু। কিন্তু এনেবোৰ ব্যক্তিগত দুৰ্বল মুহূৰ্ত অতিক্ৰমী কবিয়ে সামূহিক চেতনাৰ উত্তাপেৰে নতুন জীৱনৰ সপোন দেখেঃ লুইতৰ বালিত আজিও আমি কোৱা কুই কৰো/ কেতিয়া ৰাইজৰ অকণ্টকা ভোগ হ'ব/ বাহুত অযুত হাতীৰ বল দেখি/যমদূতে কেতিয়া কৰিব ডৰ/নীলাচলৰ ৰেৱা আহি কাহানিকৈ চৰাব জেউতি/তাকে শুণো গাথোঁ এতিয়াও কোৱাকুই কৰো।'

এনেদৰে আশা-নিৰাশাৰ মাজেৰে আগবাঢ়িছে কবি ভট্টাচাৰ্যৰ চেতনা। প্ৰত্যয় সুগভীৰ, কিন্তু বাস্তৱৰ ধামখুমীয়াকনো কেনেকৈ অস্বীকাৰ কৰে কবিয়ে? খেল কবিতাত কবিয়ে অসমৰ জনগণৰ চেতনাৰ ভ্ৰম নাশ কৰিবৰ মানসেৰে কৈছে

— মই কিমান ক'লো এই খেল ভাঙি আন খেল খেলা/তাৰ বাবে উজাগৰে ৰৈ আছে মোৰ দেশ/কিমান ক'লো, নেখেলিবা তুমি জকাইচুকীয়া খেল/নিদিলা কাণ, এতিয়া তাতেই মতলীয়া তুমি..... এই খেল খেলি পালোহি সংকীৰ্ণ বাট/তাত মৃত্যুক সতীৰ্থ কৰি কৰিছো তেজৰ খেলা/বৰ্ণময় সোণালী সুন্দৰ বাটৰ স্বপ্ন/কাঢ়ি লৈ গ'ল ৰাতিৰ অজাতি অচিন চৰায়ে।'

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত জীৱনৰ যন্ত্ৰণাৰ ছবি আছে, সেই যন্ত্ৰণা পাৰ হৈ সুস্থ এখন পৃথিৱীৰ সপোনো আছে, ব্যক্তিগত পৰ্যায়ৰ হতাশাৰ চিনো নথকা নহয়। কেতিয়াবা আছে একালৰ সতীৰ্থসকলৰ প্ৰতি তীব্ৰ সমালোচনা ঃ তোমালোক এতিয়া চূড়াত / মোকনো দেখিবা ক'ত/মই বহুত তলত পৰি আছো/হাতত এমুঠি ছাঁই.... খ্যাতিৰ মালা মৰহি পৰিলে দেখিবা/চকুলোৰ বৰষুণতে সস্তা হয় তেজৰ চেকুৰা.... তোমালোকৰ শৰীৰৰ পৰা ওলায় নে বাৰু/ঘাঁহৰ গোন্ধ? কবি যদিও নিজ আদৰ্শত অবিচল, নিজৰ ভূমিকা সম্পৰ্কেও তেওঁৰ সমালোচনা তীব্ৰ; মই পিটনিত পৰা নাই যদিও তাৰ ছিটিকনি লাগিছে/এটা দিন আছিল যেতিয়া ওচৰে-পাজৰে শুনিছিলো/ মানুহৰ মাত/সময়ে সৃষ্টি কৰিও তাক আকৌ কাঢ়ি নিছে....। নিজৰ ব্যৰ্থতাকো কবিয়ে স্বীকাৰ কৰিছে অকপটে ঃ গৰ্ভত মুষল ধাৰণ কৰা সময়ক / মই চিনি পোৱা নাই/মাটিৰ বুকুত সপোন বোৰ /বিস্ফোৰিত হোৱা নাই /... হাতত এমুঠি ছাই লৈ মই এতিয়া কৰো কি/ কিদৰে উশাহ লওঁ, কেৱল ছাইৰে কি উছৱ হ'ব? দ্বিধাত কম্পমান মই, /পৃথিৱীত এতিয়াও আছে জানো ৰ'দৰ হেঙুল?

কবিৰ উপলব্ধিৰ আন্তৰিকতা প্ৰশ্নাতীত। সেয়ে তেওঁ নিজৰ অৱস্থান সম্পৰ্কেও সচেতন। তেওঁ বুজি পায় তেওঁৰ বয়স হৈছে। কিন্তু তেওঁৰ চেতনা পূৰ্বৰ দৰেই সতেজ আৰু প্ৰাণপ্ৰাচুৰ্যময়ঃ বুঢ়া হ'লেও মই সাৰে আছো মোক অনুভৱ কৰিবলৈ দিয়া/য'তে অনুভৱ মৰে ত'তে শুনি মৃত্যুৰ গৰ্জন..... বুঢ়া হ'লেও মই সাৰে আছোঁ। ক'ৰবাত কিবা এটা হৈছে/ মোৰ বুকুৰ গানৰ ওজাইতক জগাইছো/মই জানো এখন হৃদয়ৰ পৰা আনখনলৈ/আটাইতকৈ চমু/মুকলি বাটটোৰ নামেই গান।

বয়স হোৱাৰ উপলব্ধি আছে দিনবোৰ সলনি নহ'ল কবিতাটোত। একৈশ শতিকা কবিৰ বাবে হৈ পৰিছে এক নতুন আকাংক্ষিত দিনৰ প্ৰতীক। একৈশ শতিকাৰ তেজগোৰা মুখ কবিৰ সপোন। চলিত শতিকাততো একোৱেই নহ'ল, কবি তাৰ

বাবে নিদাৰুণ যন্ত্ৰণাত দগ্ধ, কিন্তু কিয়েইবা কৰিব পাৰে তেওঁ ঃ দিনবোৰ সলনি নহ'ল, মই নো কি কৰিব পাৰো/বৰ বেছি লিখিব পাৰো খং। আঁকিব পাৰো ক্ষোভ/মই এতিয়া এখিলা পকা পাত, এই সৰো এই পৰো/চোতালত মৌবাতৰ টেকেলা/তথাপিও/দান্তে তৃণ ধৰি এঁকেশ শতিকাক মাতিছো, তাৰ মুখ/চাই যাবৰ মোৰ বৰ মন গৈছে।

বাৰ্ধক্যৰ উপলব্ধি আছে, মই এজন বুঢ়া মানুহ কবিতাতো। এজন বুঢ়া মানুহ/সমুখত শুকান দিন/খৰাং দিন/ইয়াত বৈ আছো, এজাক বৰষুণৰ বাবে/শিল হৈ গ'ল কঠিন মাটি/ক'তো বৰষুণ নাই/এজাক বঁৰৈয়া বতাহো নাই/ শূন্য/পণ্য/শুকান দিন/খৰাং দিন। বাৰ্ধক্যৰ আঘাতত কবি কঁপি উঠিছে যদিও তেওঁৰ চেতনাত মৃত্যুৰ ওচৰত নিঃচৰ্ত আত্মসমৰ্পণৰ সলনি আছে জীৱনৰ জয় জয়কাৰঃ 'জন বুঢ়া মানুহ, ক্ৰমে আন্ধাৰে গিলা পোহৰত/মই থক থককৈ কঁপিছো/কি চেতনাত কাঁইটৰ মাজতো ফুলি উঠে গোলাপ পাপৰি/হে বন্ধুসকল, তোমালোকে যদি জানা/মোক তুলি ধৰা, মই সেই গোলাপৰে নিৰ্ভীক স্তাবক। কবি ভট্টাচাৰ্যৰ কবিতাত এইদৰে জীৱন/মৃত্যু, বিপ্লৱ/প্ৰতিবিপ্লৱ মানবীয় মৰম ভালপোৱা/ঘৃণা, দ্বেষ, যুদ্ধ আদি কেতবোৰ ধাৰণাৰ দ্বান্দ্বিক প্ৰকাশ দেখিবলৈ পোৱা যায়। সমাজ ৰূপান্তৰৰ মাজেৰে ব্যক্তিৰ বিকাশ সম্ভৱ হ'ব বুলি ভবা মানুহৰ হৃদয় বৃত্তিবোৰৰ পূৰ্ণ প্ৰকাশ হ'ব বুলি আশা কৰা কবি ভট্টাচাৰ্যৰ আলোচ্য কবিতা সংকলনখনি ভট্টাচাৰ্য মানুহজনক বুজিবৰ বাবেও এক মূল্যৱান আকৰ বুলি আমাৰ বিশ্বাস।

আমাৰ লোক সংস্কৃতিৰ বা প্ৰাচীন সাহিত্যৰ (ৰামায়ণ, মহাভাৰত আদি) ঐতিহ্যৰ পৰা তেখেতে কবিতাৰ বাবে উপাদান সংগ্ৰহ কৰিছে, তেখেতৰ কবিতাৰ ভাষাত সেইবোৰ উপাদান জীন গৈছে, কিন্তু তেখেত ঐতিহ্যৰ অন্ধ উপাসক নহয়। ঐতিহ্যৰ প্ৰতি তেখেতৰ দৃষ্টিভংগী উপেক্ষাৰ নহয়, কিন্তু সমালোচনামূলক। ধৰ্মীয় উল্লেখবোৰে তেখেতৰ কবিতাত আন তাৎপৰ্য বহন কৰে; তোমাৰ কল্কি ঘোঁৰাত নাই গতিৰ জোৱাৰ নিশ্চিতভাৱে শাস্ত্ৰ-কথিত কল্কি অৱতাৰৰ কথা ইয়াত কোৱা হোৱা নাই, ইয়াৰ তাৎপৰ্য ধৰ্ম নিৰপেক্ষ।

প্ৰতীকবাদৰ ছায়াময় পথেৰে আগবঢ়া কবি নলিনীধৰ ভট্টাচাৰ্য নহয়। কবিতা তেখেতৰ বাবে নিতান্তই শব্দৰ খেল নহয়। অথবা অতিশয় অস্পষ্ট চিন্তাহীন

ভাবাবেগৰ ততোধিক অস্পষ্ট প্ৰকাশ। অথবা নব্য ৰোমাণ্টিক সংকীৰ্ণতা। কবিতা তেখেতৰ বাবে তেখেতৰ পৰা বাহিৰৰ একো নহয়; তাৰ অৰ্থ এনে নহয় যে তেখেতৰ কবিতাৰ কোনো বস্তুধৰ্মিতা নাই, বৰং, তাৰ অৰ্থ এইটোহে যে অনুভূত অভিজ্ঞতাৰ বাহিৰৰ একো কথাকে তেখেতে কবিতাৰ অন্তৰ্ভুক্ত নকৰে। আৰু সেই কাৰণেই তেখেতৰ মধ্য বিত্তীয় সীমাবদ্ধতাই কোনো সংগ্ৰামী পাঠকৰ মনত অস্বস্তিৰ সৃষ্টি কৰিব পাৰে, কিয়নো কবিয়ে নিজৰ সীমাবদ্ধতাকো আঁৰ বেৰ নিদিয়াকৈ প্ৰকাশ কৰিছে তেখেতৰ কবিতাক ঃ সীমাবদ্ধতাকেই বিষয় কৰি লৈছে কেতিয়াবা। কিন্তু স্বাভাৱিকতে এটা প্ৰশ্ন উঠিবই, তেখেতে নিজেই কোৱাৰ দৰে, কেনেকৈ কবি তই পাপৰ ভাগী নহৱ ?

পাপৰ ভাগী হয়তো তেখেত হয়, যেনেকৈ হওঁ আমি অনেকেই, কিন্তু সেই কথা স্বীকাৰ কৰি লোৱাটো এটা মহত্ব আছে; তেনে মহত্ব কিন্তু প্ৰবঞ্চকসকলৰ নাই ঃ এতিয়া কাকো ফাকি নিদিবি/ কাকো মিছাকৈ নকবি / সোণালী শইচে পথাৰ উপচিব/ সকলো চৰায়ে গান গাব..... প্ৰত্যেকেই তেজ-মঙহৰ মানুহ/ প্ৰত্যেকেই আশা কৰে/ মাজৰাতিও ওলাব এদিন বেলি।

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাই ফাকি দিয়া নাই, বহুতৰে মনৰ যন্ত্ৰণাক তেখেতে ভাষা দিছে, আৰু মোৰ ক'বলৈ দ্বিধা নাই যে কবিতাৰ ভাষাকেই তেখেতে ব্যৱহাৰ কৰিছে। ○

# নলিনীদা আৰু তেওঁৰ কবিতাত এভূমুকি

**ৰবীন্দ্ৰ সৰকাৰ**

ৰাতিপুৱাতেই বিপুলৰ ফোন— নলিনীদাৰ মহাপ্ৰয়াণৰ বাতৰি পাই মানসিকভাৱে হ'লেও অসহায় যেন লাগিল নিজকে। আমাৰ দৰে পুলি-পোখা মেলা সত্তৰ দশকৰ সৰু সৰু পুলিবোৰক নিজৰ স্নেহ-ছায়াত আশ্ৰয় দি, বয়সৰ ভাৱে চেতনাক চুব নোৱাৰা এই মানুহজন বৰগছৰ দৰে বাগৰি পৰিল। এই সময়ৰ এজন শ্ৰেষ্ঠ মানুহক হেৰুৱাই আমি এটা বিশাল শূন্যতাৰ মুখামুখি হ'লো। তেওঁৰ দৰে প্ৰজ্ঞাদীপ্ত তীক্ষ্ণধী মানুহ এজনৰ ছাঁ আঁতৰি যোৱাৰ কষ্ট আমি বহু দিনলৈকে অনুভৱ কৰিম, শিল্পসংস্কৃতিৰ ক্ষেত্ৰত মনুষ্যত্ব বোধেই আছিল যাৰ জীৱন-সাধনা। সকলো ধৰণৰ অসূয়া, অসাম্যৰ বিৰুদ্ধে আছিল ঋষিতুল্য এই মানুহজনৰ সংগ্ৰাম। তেওঁৰ কবিতাতো সিঁচৰিত হৈ আছে বাস্তৱৰ সৈতে এনে দ্বন্দ আৰু সংঘাত। 'মহানগৰ অৰণ্য হ'ল' কবিতাটোৰ একাগ্ৰ-পাঠৰ জৰিয়তে কথাটো সহজেই হৃদয়ংগম কৰিব পাৰি। মহানগৰৰ প্ৰকৃত ৰূপ তেওঁ পোনপটীয়াকৈ দাঙি ধৰিবলৈ অকণো সংকোচ বোধ কৰা নাই—

> 'মহানগৰত ইমান পোহৰ, অথচ ইমান আন্ধাৰ
> আছে ন্যায়ালয়, তথাপিতো মৎস্যন্যায়ে খেলে অনায়াসে
> ধৰ্মও অলেখ, তেওঁ দেখো অধৰ্মৰ জুয়ে পোৰে ঘৰ
> ইমান আনন্দ মেলা,
> তথাপি শোকৰ নিঃশব্দ শিখা কঁপি কঁপি জ্বলে।
>
> দীঘল দীঘল নখ, ভয়ংকৰ দাঁতেৰে
> ধূলি আৰু ধোঁৱাৰ মাজত
> অলিয়ে গলিয়ে'...

সত্তৰ দশকৰ আগভাগৰ পৰা অসমীয়া কাব্যজগতত এটা পৰিৱৰ্তন লক্ষ্য কৰা যায়। বিভিন্ন ঠাইৰ পৰা কবিতা আলোচনী প্ৰকাশ হ'বলৈ ধৰে। কবিতাৰ চহকী ৰূপটো সলনি হৈ কিছু পৰিমাণে জনমুখী হ'বলৈ ধৰে। তৰুণ কবিসকলে তেওঁলোকৰ আশা-আকাংক্ষা, স্বপ্ন-সংগ্ৰামৰ কথা ক'ব বিচাৰিলে কবিতাৰ জৰিয়তে। অমূল্য বৰুৱা, ভবানন্দ দত্তৰ কবিতাৰ ধাৰাটোৱে এটা নতুন ৰূপ ল'লে। কবিতা যে অকল ড্ৰইংৰুমৰ চৰ্চাৰ বিষয় হৈ নাথাকিব, সেই কথা প্ৰতিষ্ঠিত কবিসকলৰ বহুতেই উপলব্ধি কৰিলে। এলিয়টীয় প্ৰভাৱৰ পৰা মুক্ত কবিতাৰ এই দশকটোত নাজিম-নেৰুদাৰ নাম আছিলে তৰুণ কবিসকলৰ মুখে মুখে। এটা সমীক্ষাৰ পৰা জনা যায়, প্ৰিয় কবিৰ কথা সোধোঁতে সৰহভাগ ছাত্ৰ-ছাত্ৰীয়েই তেতিয়া নাজিমৰ নাম লৈছিল। নিত্য বৰা সম্পাদিত 'সাম্প্ৰতিক সাময়িকী'ত সেই সময়ত কিছুমান ভাল কবিতা ছপা হৈছিল— ইয়াৰ ভিতৰত নলিনীদাৰ দুটা কবিতাই আমাক বিশেষভাৱে আলোড়িত কৰিছিল— এটা 'চিলনীৰ সাধু' আৰু আনটো 'মঘাই ওজাৰ সোঁৱৰণত'। আমাৰ লোককথাৰ আধাৰটোক তেওঁ ইতিহাস চেতনাৰ জৰিয়তে শ্ৰেণীবিভক্ত সমাজৰ কথা ক'বলৈ গৈ সহজবোধ্য লৌকিক ভাষাৰে ব্যক্ত কৰিছিল—

'ৰক্তবীজ চিলনী যে মৰি মৰি জী উঠে
এইবাৰ জানিছিলোঁ সঁচাই,
পৃথিৱীৰ বহু ওপৰত উৰি উৰি থপিয়ায়
ঘামে তিতা সহস্ৰ হাতৰ মাংস
শুইনত সাজে তাৰ বিলাসৰ নীড়'

অপাৰ্থিৱ ভাব-অনুভূতিক প্ৰাধান্য নিদি তেওঁ কবিতাক ব্যৱহাৰ কৰি মানুহৰ চৈতন্যক শাণিত কৰাৰ উদ্দেশ্যে। শেষৰ স্তৱকটোত তাকেই প্ৰকাশ কৰিছে তেওঁ দৃঢ়তাৰে—

'দেখিছো প্ৰত্যয় নামে পৃথিৱীৰ মানুহৰ
শিবিৰে শিবিৰে, ফুলগুৰি পথৰুঘাটৰ তেজ লৈ
হুমুনিয়াহ হ'ল আজি চিক্‌মিক্ চোকা হাতিয়াৰ
চোঁ মৰা চিলনীৰ লুণ্ঠনক
একেবাৰে কবৰ দিয়াৰ।'

চিলনীৰ লুণ্ঠনৰ অন্ত পেলাবলৈ তেওঁ অসমৰ ইতিহাসৰ কিছুমান উজ্জ্বল অধ্যায়— ফুলগুৰি, পথৰুঘাটৰ সংগ্ৰামৰ কথা সোঁৱৰাই দিয়ে, যি আমাৰ বিস্মৃতিৰ গৰ্ভত বিলীন হৈ গৈছে।

নলিনীদাই বিশ্বাস কৰিছিলে সংস্কৃতিৰ লগত মানুহো কবিতাৰ প্ৰসংগ হ'ব পাৰে। সংস্কৃতি আৰু মানুহৰ সংগমৰ ফলতেই কবিতাৰ সৃষ্টি। মানুহৰ কাৰণেই কবিতাৰ ইমান আয়োজন, এয়েই আছিল তেওঁৰ বিশ্বাস। সেয়ে দাৰিদ্ৰ, অভাৱে জুৰুলা কৰা ঢোলৰ যাদুকৰ মঘাই ওজাৰ মৃত্যুৰ পিছত দুখ বেদনাত কাতৰ তেওঁ লিখিলে অসাধাৰণ কেইটামান শাৰী—

'তুমি নেজানিলা কোন সুৰুঙাৰে
পশ্চিমীয়া বগা বাঘ আহি
ডাক দিব খোজা কুকুৰাৰ কণ্ঠ চেপি ধৰে
তুমি নেজানিলা ক'ত ক'লা চাহাবৰ
লোভৰ চিকাৰ তুমি ক্ষুধাৰ ফান্দত যাৰ
বন্দী হ'ল ঢোলৰ মালিতা।'

এই কবিতাটোৰ চিত্ৰকল্প, প্ৰকাশভংগী— সাৰ্বিকভাৱে ইয়াৰ ফৰ্ম আৰু বিষয়বস্তু সেই সময়ত আমাৰ আলোচনাৰ বিষয় হৈ পৰিছিল। নলিনীদাৰ এখন কাব্য-সংকলন প্ৰকাশৰ প্ৰয়োজনীয়তা আমি বৰকৈ অনুভৱ কৰিছিলো যদিও, এই ক্ষেত্ৰত আমাৰ সামৰ্থ আছিল সীমিত। এনেতে 'চিন্তা চেতনা' নামৰ সাংস্কৃতিক সংগঠনটোৰ দুগৰাকী উদ্যোগী তৰুণ হেমন্ত দাস আৰু হেমন্ত বৰ্মনে তেওঁৰ এখন কবিতা-সংকলন প্ৰকাশৰ আঁচনি ল'লে। আমি তেওঁলোকক সকলো ধৰণৰ সহযোগিতা আগবঢ়াম বুলি প্ৰতিশ্ৰুতি দিলো। এই দুগৰাকী তৰুণ লেখক, চিত্ৰ পৰিচালকৰ সাংস্কৃতিক ক্ষেত্ৰত অলিখিত বহু বৰঙণি আছে যি ব্যক্তিগতভাৱে মই পাহৰি যোৱা নাই। প্ৰখ্যাত শিল্পী বেণু মিশ্ৰই সংকলনখনৰ বেটুপাত আঁকিছিল। 'এই কুঁৱলীতে' নামৰ নলিনীদাৰ প্ৰথম কবিতা-সংকলনখন প্ৰকাশ হোৱাত আমি আটাইকেইজন বন্ধু-বান্ধৱে বৰ আনন্দ আৰু স্বস্তি অনুভৱ কৰিছিলো। ইয়াৰ পিছত সৰ্বমুঠ তেওঁৰ পাঁচখন সংকলন প্ৰকাশিত হৈছিল কবিতাৰ— সেইকেইখন হৈছে 'চেৰাশালিৰ মালিতা', 'আহত সপোন', 'ননী আছনে ঘৰত', 'বিদায় ফুলৰ দিন' আৰু 'দিনবোৰ সলনি নহ'ল' (নিৰ্বাচিত কবিতা)। ইয়াৰ বাহিৰেও প্ৰকাশিত হৈছিল

তেওঁৰ প্ৰবন্ধ সংকলন আৰু অনূদিত গ্ৰন্থ। দ্বিতীয় মহাযুদ্ধ, স্বাধীনতা আন্দোলন, দেশ বিভাজন আৰু তাৰ মৰ্মান্তিক পৰিণতি, নক্সাল আন্দোলন, অসম আন্দোলন আৰু সন্ত্ৰাসবাদ, নৃ-গোষ্ঠীসমূহৰ আত্মপৰিচয়ৰ সংকট, আৰ্থিক বৈষম্যৰ ফলত নানা দুৰ্গতি— এই আটাইখিনি ঘটনাই তেওঁৰ দীঘলীয়া সাহিত্য-সংস্কৃতিৰ গতিপথটো নিৰ্ধাৰণৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। সাম্যবাদী ভাবধাৰাই আছিল তেওঁৰ কাব্যভাবনাৰ মূল চালিকাশক্তি। মানুহ আছিল তেওঁৰ চিন্তাৰ কেন্দ্ৰবিন্দুত অৰ্জুনৰ মাছৰ চকুৰ দৰে স্থিৰ। মানুহৰ সুখ-দুখ, আনন্দ-বেদনা, আশা-আকাঙ্খাই কেতিয়াবা তেওঁক উজ্জীৱিত কৰিছে, কেতিয়াবা বেদনাহত। ৰাজনীতিক তেওঁ জীৱন-বহিৰ্ভূত চিন্তা বুলি গণ্য কৰা নাই। ৰাজনীতি তেওঁৰ বাবে জীৱনৰ এটা ডাঙৰ সত্য। শিল্প-সাহিত্যই যিহেতু জীৱন-চৰ্চা কৰে, সেইহেতু তাত ৰাজনীতি থকাটো অস্বাভাৱিক নহয় বুলি তেওঁ বিশ্বাস কৰিছিল। ই কোনো শিল্প-চৰ্চা ভংগ কৰি বিশৃংখলাৰো সৃষ্টি নকৰে। জন্ম-মৃত্যুৰ হাঁহি-কান্দোনৰ মাজত তেওঁ লক্ষ্য কৰিছিল জীৱনৰ বিজুলীৰেখা। সেয়ে ধুলি-মলিয়ন জীৱনক সাবটি ধৰিবলৈ অকণো কুণ্ঠাবোধ কৰা নাছিল। মৰিশালিক তেওঁ কৰিব খুজিছিল চেৰাশালি। 'হংসতুলীৰ শয়ন ভঙাৰ' কথা কৈছিল। বীৰেনদাই লিখিছিলে 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি'ৰ দৰে লোকৰ মুখে মুখে বাগৰি ফুৰা কবিতা। নলিনীদায়ো লিখিছে বিষ্ণু ৰাভাক লৈ তেওঁৰ অনুভৱৰ কথা—

'আমিওতো দেখা নাই আহিনৰ ধানৰ মঞ্জৰী
বেলি হ'ল? কৰিবানো কি? থৰকবৰক ভৰি
বান্ধ ভাঙি আহে বান বৰগোলাই খহে
ভাগি পৰে ছিৰি আহে অকাল মৃত্যু জৰা
উৰুখা পঁজাত জনতা বসুন্ধৰা'

এদিন সপোনৰ সেউজীয়া আহিন আহিব, এই বিশ্বাস লৈ কবিয়ে ৰাভাদেৱৰ তমোহৰ দেউক তাণ্ডৱ নাচি অহাৰ আহ্বান জনাইছে। কাচনমতী, মৰণঘাটৰ স্বপ্ন, দৈ জিৰিজিৰি— এনে কিছুমান ভিন্নসুৰীয়া কবিতাৰ মাজতো নলিনীদাৰ কাব্যিক অনুভূতি আৰু সৌন্দৰ্যৰ উমান পোৱা যায়। বিষয়ৰ সৈতে সামঞ্জস্য ৰক্ষা কৰা তেওঁৰ কিছুমান কবিতাত অনুভৱ কৰা যায় লিৰিকৰ প্ৰাধান্য যি সমকালৰ কেইবাজনো কবিৰ কবিতাৰ কথা সোঁৱৰাই দিয়ে। বিশেষকৈ নৱকান্ত বৰুৱা আৰু অমলেন্দু

গুহৰ কবিতা। 'দৈ জিৰিজিৰি' কবিতাটোত অনুভৱ কৰা যায় নৃত্যৰ লয়লাস, যি আমাৰ দৰে সাধাৰণ পাঠকক সহজেই আকৰ্ষণ কৰে—

'নামা নামা দ পানীলৈ নামা
তাতেই পাবা
সপোনৰ সুৰ
অসুৰ জিনা

ৰণচণ্ডী ৰণ
দেওধনী মন
দৈ জিৰিজিৰি নাচা।'

'দ্ৰৌপদীৰ বেণী', 'জটায়ু', 'ঋষ্যশৃংগ' 'যাদুঘৰত ফুলকোঁৱৰ', 'ৰত্নাকৰ'—এনে কিছুমান পৌৰাণিক আখ্যান আৰু লোককথাৰ মাজত যি লোকায়িত মানৱীয় প্ৰমূল্যবোৰ নিহিত হৈ আছে তাক তেওঁ আধুনিকতাৰ পোহৰত আলোকিত কৰিছে বৰ্তমানৰ প্ৰেক্ষাপটত।

নলিনীদাই আমাৰ মাটি, মানুহ-প্ৰকৃতিক যেনেকৈ ভাল পাইছিল, সপোন দেখিছিল, সেয়া বোধ হয় এজন কবিৰ পক্ষেই সম্ভৱ। এই সপোন কেতিয়া সাকাৰ হ'ব তাৰ কাৰণে আছিল তেওঁৰ প্ৰতীক্ষা—

তোমাৰ কাষত থিয় হৈ গঢ়িছো
সেউজী স্বপ্ন
মই জানো সময়ে সময় দিব
মোৰ গান
মোৰ হৈও তোমাৰ হ'ব'

বহু মানুহৰ আশা-আকাংক্ষা তেওঁৰ কণ্ঠত ধ্বনিত হোৱাটো বিচাৰিছিল তেওঁ। নিৰ্লোভ, ধন-মান-যশৰ প্ৰতি অনাকাংক্ষী নলিনীদাই আজীৱন ব্যক্তিগত জীৱন আৰু সাহিত্যত মনুষ্যত্ববোধৰ সাধনা কৰিছিল। আমি যেতিয়া লেখা-মেলা আৰম্ভ কৰিছিলো, তেতিয়া উন্নাসিক দুই-এজন সমালোচকৰ উপেক্ষা আৰু অৱহেলাৰ সন্মুখীন হ'ব লগা হৈছিল। তেনে এটা সময়ত নলিনীদা আৰু ডঃ হীৰেন গোহাঁয়ে আমাৰ কবিতাক যথেষ্ট গুৰুত্ব দি আলোচনা কৰি আত্মবিশ্বাস বঢ়াই দিছিল তেওঁলোকৰ পৰা পোৱা প্ৰেৰণাৰ কথা কোনো দিনেই পাহৰিব নোৱাৰিম।

নলিনীদা ডাঙৰ-দীঘল হৈছিল উজনিৰ চক্ৰাই চাহ বাগিচাত। ভায়েক বীৰেনদা (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য)ৰ সৈতে বয়সৰ ব্যৱধান দুবছৰৰ হ'লেও একেলগে দুজনে নাটকত ভাও দিয়া হাতেলিখা আলোচনী প্ৰকাশ— এনে ধৰণৰ সাহিত্য-সংস্কৃতিমূলক কাম-কাজত লিপ্ত হৈ পৰিছিল। পদুলিমুখৰ দুজোপা গছক দেখুৱাই বীৰেনদাই নলিনীদাক গছৰ দৰে ওখ হ'ব পাৰিনে নাই তাকে সুধিছিল। কথাষাৰৰ দাৰ্শনিক তাৎপৰ্য তেওঁ পিছত উপলব্ধি কৰিছে। বীৰেনদাৰ এটা স্মৃতিচাৰণত কথাখিনি তেওঁ উল্লেখ কৰিছিল. দুজনেই শিল্প-সংস্কৃতি আৰু মনুষ্যত্ববোধৰ সাধনাত গছতকৈও ওখ হৈছিল, ছাঁ দিছিল আমাৰ দৰে লাঞ্ছিত-বঞ্চিত বহুতকেই। বীৰেনদাকো খুব ওচৰৰ পৰা চোৱাৰ সুযোগ পাইছিলো গুৱাহাটীত থাকোতে কাৰণ তেওঁ আছিল আমাৰ প্ৰতিবেশী। পৰিয়ালটোৰ ভাল-বেয়া, সুখ-দুখৰ অংশীদাৰ। সহানুভূতিশীল।

মানৱতাবোধৰ দীৰ্ঘ যাত্ৰাপথত অমানবীয়কৰণৰ যি ষড়যন্ত্ৰ চলিছে, তাৰ বিৰুদ্ধে নিজৰ ক্ষোভ-যন্ত্ৰণা প্ৰকাশ কৰিছে নলিনীদাই তেওঁৰ কবিতাত। আৰ্থ-সামাজিক বৈষম্য, অবিচাৰক প্ৰতিহত কৰাৰ আহ্বান জনাইছে কেতিয়াবা। তেওঁৰ স্থিৰ বিশ্বাস, দিনবোৰ এদিন সলনি হ'ব। 'সত্তৰ দশক হ'ব স্মৃতিৰ দশক'— এনে ধাৰণাই বহুতকে সেই সময়ত উজ্জীৱিত কৰিছিল। আশা যেনেকৈ অন্তৰত সহজেই বাহ লয়, আকৌ তেনেকৈ আশাভংগৰ বেদনাও থাকে। 'দিনবোৰ সলনি নহ'ল' নলিনীদাৰ তেনে ধৰণৰ এটি কবিতা য'ত একেলগে আশা আৰু আশাভংগৰ বেদনা অনুভৱ কৰা যায়। এই কবিতাটোৰ গুৰুত্ব অসীম। কাৰণ কৃত্ৰিম আশাবাদৰ বিপৰীতে এই কবিতাটোত প্ৰকাশিত হৈছে তেওঁৰ দ্বিধা-দ্বন্দ-সংশয়—

'দিনবোৰ সলনি নহ'ল, মই নো কি কৰিব পাৰো
বৰ বেছি লিখিব পাৰো খং, আঁকিব পাৰো ক্ষোভ
মই এতিয়া এখিলা পকা পাত, এই সৰোঁ, এই পৰোঁ
চোতালত মৌৱাতৰ টেকেলা, তথাপিও
দান্তে তৃণ ধৰি একৈশ শতিকাক মাতিছো
চাই যাবৰ মন গৈছে'

প্ৰকাশভংগী আৰু শব্দ ব্যৱহাৰৰ অভিনৱত্ব আৰু বহু মানুহৰ কণ্ঠস্বৰ হৈ পৰা এই কবিতাটোত মই বিচাৰি পাওঁ মোৰ দৰে সহস্ৰজনৰ আন্তৰিক অনুভৱ। শেষ স্তৱকটোৰ চিত্ৰকল্প তেওঁ বৰ ধুনীয়াকৈ সকলোৰে গ্ৰহণযোগ্য কৰি আমাৰ

মনত আশাৰ সঞ্চাৰ কৰিছে—

'স্বাধীনতা ঘৰৰ ল'ৰা, আকৌ ঘূৰি আহিব ঘৰলৈ
তোমাৰ অস্থি-চোৰ ধৰা পৰিব
ময়ো চাই যাব পাৰিম একৈশ শতিকাৰ
তেজগোৰা মুখ।'

নলিনীদাৰ কবিতা সাধৰণ পাঠকৰ কবিতা আৰু যথেষ্ট অৰ্থবহ। পোনপটীয়াকৈ কথাখিনি কৈ তেওঁ স্বাচ্ছন্দ্য অনুভৱ কৰে। বহু অৰ্থব্যঞ্জকতা ইয়াত নাই বুলিয়েই ক'ব পাৰি। ভুল পথ, ভুল যুঁজ আৰু সাময়িক বিভ্ৰান্তিৰ চিকাৰ হৈ আমাৰ অসমৰ তৰুণ সমাজে যেতিয়া অবাটে খোজ ল'লে, হৃদয়ৰ ঐশ্বৰ্যখিনি হেৰুৱাই মানৱীয় প্ৰমূল্যবোৰ যেতিয়া সস্তীয়া দেশপ্ৰেম আৰু দুৰ্নীতিপৰায়ণতাত বুৰ গ'ল, গোষ্ঠী-সংঘৰ্ষত লিপ্ত হ'ল বিভিন্ন নৃ-গোষ্ঠীৰ মানুহ, আত্মজাহ গ'ল আমাৰ সন্তান-সন্ততি, শাসকশ্ৰেণীয়ে সাধাৰণ মানুহৰ ওপৰত আক্ৰমণ নমাই আনিলে— এনে এটা সময়ত নলিনীদাৰ 'ননী আছনে ঘৰত' নামৰ কবিতাটো অসমীয়া সমাজখনৰ কাৰণে আছিল অভিজ্ঞানস্বৰূপ। এই কবিতাটোত যি গভীৰ আৰ্তি ফুটি ওলাইছে, সেয়া যেন আমাৰ সকলোৰে, সমগ্ৰ অসমীয়া সমাজখনৰ। পিতৃতুল্য কবিৰ আহ্বানত যি সংবেদনশীলা, সেয়া অন্তৰপৰশা—

তই উভতি আহ অ' সোণ, সূতাডাল নিছিঙিবি
মাজ নিশাও দুৱাৰ খুলি থৈছো
তই মৰুভূত সোমাইছগৈ, তাত নৈ শুকায়
আহ অ' উভতি আহ
কোনেও নুশুনা উচুপনিবোৰ শুনহি'

অবাটে যোৱা সন্তানৰ প্ৰতি পিতৃৰ যি দুখ-বেদনা, দায়িত্ববোধ, কাতৰতা— সকলো যেন নিগৰি ওলাইছে কবিতাটোত, যি আমাৰ সমাজৰ মৰ্মমূলত আঘাত কৰে। সমাজৰ প্ৰতি এনে দায়বদ্ধতা সন্তানক বাটলৈ ঘূৰি অহাৰ এনে আকুতি সেই সময়ৰ অসমীয়া কবিতাত দুৰ্লভ—

'বুকু পোহৰ কৰি আহ অ' উভতি আহ
বালি ফালি উলিয়াও হেৰোৱা নৈ
তয়ে-ময়ে আকৌ এবাৰ পাটীটো পাৰো
আহ অ' ননী আহ।'

মৰ্মস্পৰ্শী এই স্তৱকটো বহু দিনলৈকে আমাৰ হৃদয়ত ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিব। কথোপকথনৰ এনে অন্তৰংগ ভংগী আমি লোককথাতহে পাওঁ।

ইতিহাসচেতনা নেথাকিলে ভাল কবিতা লিখা সম্ভৱ নহয় আৰু কবিতা আহে ইতিহাসচেতনাৰ মাজেদি। তাৰ কাৰণে দুৱাৰ-খিৰিকী মুকলি কৰি থ'ব লাগিব। বাস্তৱৰ ধূলি-বালি, বতাহ-ৰ'দ, বিজুলী-ঢেৰেকনিৰ শব্দ নুশুনাকৈ অকল কল্পনাৰ কনভূয়নৰ মাজেদি শিল্প সৃষ্টি নহয়, সেয়ে নলিনীদাই বাহিৰৰ ঘটনাপ্ৰবাহৰ প্ৰতি সজাগ দৃষ্টি ৰাখিছিল। তেওঁৰ নিজৰ বিশ্বাস আছিল বিভিন্ন দ্বিধা-দ্বন্দৰ মাজেদিয়েই মানুহে এদিন পৰিপূৰ্ণতা লাভ কৰিব।

'সূৰ্য-প্ৰেমিক' কবিতাটোত আছে তাৰেই আভাস—
'মই জানো তেওঁ আহিব
মানুহৰ ছবিখন সম্পূৰ্ণ কৰি
ঘৰখনৰ সকলো জাবৰ পুৰি
ছাইৰ মাজত পদুম ফুলাবলৈ'
তেওঁ এদিন আহিব
মই জানো, তেওঁ আহিব।'

পীড়িত মানুহৰ দুখ-বেদনাক নিজৰ কৰি লৈ আজীৱন তেওঁ মানৱীয় প্ৰমূল্যবোৰ ৰক্ষা কৰিব খুজিছিল। সেয়ে 'উত্তৰপুৰুষলৈ' নামৰ কবিতাটোত এপিটাফৰ দৰে লিখি গৈছে কেইটামান শাৰী—

'সমাধিত নিদিবা ফুলৰ মালা, নাসাজিবা স্মৃতিসৌধ
মাথো ফলকত লিখি থ'বাঃ
ইয়াত শুই আছে এটি সত্তা
যাৰ দুখৰ ভটিয়ালীত মিলি যাব খুজিছিল
পৃথিৱীৰ সহস্ৰ চকুলো।'

বৰ আন্তৰিক আছিল তেওঁৰ সুন্দৰ সমাজৰ স্বপ্ন য'ত মানুহে শান্তি-স্বস্তিৰে প্ৰকৃত মানুহৰ দৰে জীয়াই থাকিব।

মই বিশ্বাস কৰো নলিনীদাৰ সংস্পৰ্শলৈ অহা আমাৰ দৰে সাধাৰণ লোকসকলৰ হৃদয়ত বহু দিনলৈকে তেওঁ জীয়াই থাকিব। ৰাতি টোপনি ভাগিলেই শুনিম তেওঁৰ মাত— 'ননী, আছনে ঘৰত'? ○

# কাব্যঋষি নলিনীধৰ ভট্টাচাৰ্যৰ 'তোমালৈ' শীৰ্ষক কবিতাটোৰ কাব্যিক সৌন্দৰ্যত এক বিহংগম আলোকপাত

ডাঃ কৈলাস ভট্টাচাৰ্য

কাব্য ঋষি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাসমূহৰ ভিতৰত 'ননী আছনে ঘৰত' আৰু 'তোমালৈ' এই কবিতা দুটা নিঃসন্দেহে স্বাধীনোত্তৰ কালৰ অসমীয়া সাহিত্যৰ দুটা শ্ৰেষ্ঠ কবিতা। ননী আছনে ঘৰত এই কবিতাটোৰ যথেষ্ট আলোচনা ইতিমধ্যে প্ৰকাশিত হৈছে। কিন্তু কবিগৰাকীয়ে নব্বৈটা বসন্ত অতিক্ৰম কৰাৰ পিছত ৰচনা কৰা অসমীয়া সাহিত্যৰ এই ব্যতিক্ৰমী শোক কবিতা তোমালৈৰ বিষয়ে বিশেষ আলোচনা আমাৰ চকুত পৰা নাই। কবিতাটোত অনুভবী কবিগৰাকীৰ প্ৰিয়জনক হেৰুওৱা দুখ জনজীৱনৰ দুখৰ সৈতে অভিন্ন ৰূপত প্ৰকাশ পাইছে।

আত্মিক দুখ-বেদনাৰ জনজীৱনৰ দুখ-বেদনাৰ সৈতে সেতু বন্ধনে কবিগৰাকীৰ কাব্যিক চিন্তাৰ পৰিমণ্ডলত নিশ্চিতভাৱে এক বিস্তৃতি প্ৰদান কৰিছে। কবিগৰাকীৰ জীৱন দৰ্শনৰো এনেকৈয়ে প্ৰতিফলন ঘটিছে। তেখেতৰ এই অনবদ্য সৃষ্টিত। জীৱনৰ বিয়লি বেলাতো কবিয়ে অনুভৱ কৰিছে তেওঁৰ প্ৰিয়তমা পত্নী চিতাৰ জুইত ধোঁৱা হৈ মাটি, পানী আৰু বায়ুৰ সৈতে মিলি যোৱা এক আধ্যাত্মিক সত্য। এই সত্য ভাৰতীয় দৰ্শনৰেই অনন্য প্ৰকাশ।

> নব্বৈ বসন্ত পাৰ কৰিলে। চিতাৰ জুইত ধোঁৱা হৈ তুমি
> মাটি, পানী, বায়ুত মিলি গ'লা। সেই দিন ধৰি কংক্ৰিটৰ হাবিত মই
> হতাশ, উদাস, নিসংগ জীৱ। নীৰৱে চকুলো টুকিছো।

মহানগৰীৰ কংক্ৰিটৰ হাবিত প্ৰিয়জনক হেৰুৱাই কবি অকল হতাশ আৰু উদাসেই হোৱা নাই কবিয়ে নিসংগতাৰ যন্ত্ৰণা অনুভৱ কৰিছে।

মাটি, পানী, বায়ুত মিলি গ'লেও কবিৰ মনৰ মাজত সজীৱ হৈ আছে চিৰকাললৈ হেৰাই যোৱা প্ৰিয়জনৰ স্মৃতি। কবিয়ে সপোনতে দেখা পায় তেওঁক। তেওঁ দেখা পায় জাৰৰ দিনৰ পুৱাৰ মোহময় ৰ'দৰ দৰে প্ৰিয়জনৰ মুখ। প্ৰিয়জনৰ শৰীৰৰ পৰা বৈ অহা মাধৈ মালতী ফুলৰ গোন্ধ পাই কবিগৰাকীৰ মন-প্ৰাণ পুলকিত হৈ উঠে। অসমীয়া লোকসংগীতৰ কোলাত উমলি-জামলি ডাঙৰ হোৱা আৰু অসমীয়া সংস্কৃতি প্ৰাণ ভৰি ভালপোৱা কবিগৰাকীৰ মনলৈ ভাঁহি আহে অসমীয়া বিয়া নামৰ মৌ বৰষা সুৰৰ কলিবোৰ —

তথাপি তোমাক ৰাতি সমাজিকত দেখো। প্ৰাণ-মন চঞ্চল কৰা
জাৰৰ দিনৰ পুৱাৰ ৰ'দালি যেন তোমাৰ মুখৰ হাঁহিটো চাও।
তোমাৰ দেহৰ মাধৈ মালতী গোন্ধ পাওঁ। তুমি তাহানি গোৱা বিয়ানাম
এফাঁকি মনত পেলাও ঃ 'জলভৰি যশোদা
পিছলৈ নেচাবা ......'

সমাজ জীৱনৰ সৈতে থকা কবিগৰাকীৰ নিবিড় আত্মীয়তাই যথাৰ্থতেই তেখেতৰ কবিতালৈ এক বিশেষ মাত্ৰা বহন কৰি আনিছে। পৰিৱৰ্তিত পৰিস্থিতিত আমাৰ জনজীৱনৰ পৰা ক্ৰমে হেৰাই যাবলৈ ধৰা লোকসম্পদ আৰু পৰিৱেশ কলাৰ কথাও কবিয়ে গভীৰ বিষাদেৰে ৰোমন্থন কৰিছে —

'খোপাত কপৌফুল গুঁজি বিহুতলীত যে এবাৰ কাঁহী ঘূৰাই নাচি
মনত আছে নে বাৰু? এতিয়া তেনে দৃশ্য বৰকৈ নেদেখো — অহ
সেইবোৰ আমাৰ বাপতি সাহোন।'

প্ৰিয়জনৰ চিৰবিদায়ে কবিগৰাকীক প্ৰেমৰ উৎসৰ সন্ধান কৰিবলৈ যেন এক প্ৰেৰণা যোগাইছে। কবিতাটোৰ চতুৰ্থ স্তৱক কবিয়ে হৃদয়তেই প্ৰেমৰ উৎস বুলি কৈও বিজ্ঞানে মগজুত প্ৰেমৰ উৎস বুলি কোৱা বুলি কবিয়ে প্ৰকাশ কৰিছে।

'প্ৰেমৰ উৎসনো ক'ত? হৃদয়ত নে মগজুত? আমি জানো
হৃদয়ত বুলি। আজিকালি বিজ্ঞানে হেনো কয় মগজুত
পৰম্পৰাৰ মানুহ আমি। প্ৰেম কৰিব নেজানিলোৱেই।'

হৃদয় পৰম্পৰাৰেই এক আৱিষ্কাৰ। কবিৰ হৃদয় বিজ্ঞানৰ বাবে খ্যাতিত। হৃদয়ৰ কোনো পৰিসীমা নাই। আনহাতে মগজুত এক নিৰ্দিষ্ট পৰিসীমা আছে। কিন্তু কলাৰ কোনো পৰিসীমা নাই। সেয়েহে কবিয়ে হৃদয়তকৈ বিজ্ঞানৰ উৎস বুলি

ঘোষণা কৰিছে। সুখ-দুখৰ সংগীৰ অনুপস্থিতিত কবিগৰাকীৰ চৌদিশে ধূসৰ শূন্যতা আৰু নিসংগতাই আবৰি ধৰে। ৰাতি খোলা খিৰিকীৰে দেখা আকাশৰ তৰা আৰু ফুলকেই ভুলতে কবিয়ে তেওঁৰ হেৰুওৱা প্ৰিয়জন বুলি অনুভৱ কৰিছে।

হঠাৎ ৰাতি সাৰ পাওঁ। আকৌ সেই ধূসৰ শূন্যতা।
নিসংগতাই আবৰি ধৰেহি। মেলা খিৰিকীয়েদি আকাশৰ
তৰা চাওঁ, চাওঁ ৰাতি ফুলা ফুল। তৰা আৰু ফুল
তুমি বুলি ভুল কৰো। পুৱা দেখো তুমি ক'তো নাই
বিয়াকুল মন মোৰ মৰহি যায়।

পুৱাৰ পোহৰত প্ৰিয়জনক ক'তো বিচাৰি নাপাই কবিগৰাকীৰ হৃদয় বিষাদে ছানি ধৰিছে। ভাৰতীয় লোকবিশ্বাসত পূৰ্বপুৰুষৰ আত্মা তৰা হৈ থকা এক ধাৰণাৰে এয়া প্ৰতিফল ভাৰতীয় ঐতিহ্যত আত্মাৰ অমৰত্বই এক বিশেষ স্থান অধিকাৰ কৰি আছে। সেই ঐতিহ্যৰেই এক ছিটিকনি পৰিছে কবিৰ এই ধাৰণাত। একেই অৰ্থতেই কবিয়ে প্ৰিয়জন ফুল হৈ ফুলি থকা দেখা পাইছে। চিতাৰ ছাঁইৰ মাজতে কলপুলি ৰোৱা তিল ছটিয়াই দিয়াৰো অৰ্থ সেয়াই। কবি নীলমণি ফুকনৰ কবিতা এটিৰ কেইটামান পংক্তি এই প্ৰসংগতেই মনত পৰিছে।

'পাহাৰত জুই জ্বলিলেই/ তোমাক সাৱটি ল'বৰ মন যায়
আকৌ জন্ম লোৱা/আকৌ জন্ম লোৱা
তোমাৰ চিতাৰ তিল ফুল এতিয়াও/মৰহি যোৱা নাই'

সকলো প্ৰকাৰৰ সৃষ্টিৰ নেপথ্যত থাকে বিভিন্ন উৎসৰ অফুৰন্ত প্ৰেৰণা। সেই প্ৰেৰণাই সৃষ্টিৰ এগৰাকী লেখক অথবা এগৰাকী শিল্পীৰ হৃদয়ৰ ভাবাবেগৰ বীজৰ অংকুৰণ ঘটাই শিল্পকলা-সাহিত্যৰ সৃষ্টি কৰে। কবিগৰাকীৰ সৃষ্টিৰ নেপথ্যৰ এক অনন্য প্ৰেৰণাৰ উৎস আছিল তেওঁৰ প্ৰিয়তমা পত্নী। হৃদয় আলোড়িত কৰিব পৰা সহজবোধ্য ভাষাৰেই কবিয়ে এই কবিতাটোত তাকেই সুঁৱৰিছে —

মই সেই তাহানিতে লিখা 'চেনীমৰা বাগিচাৰ চিঠি' পদ্যটো তোমাক পঢ়ি শুনাইছিলো। তুমি চাগৈ ৰস নাপালা। তথাপি ক'লা ঃ লিখা, লিখি থাকা, মইতো লিখিব নোৱাৰিলো। তাত দুখ কৰিবলগা একো নাই, মই কিন্তু জানো তুমি মূৰ্তিমতী প্ৰেৰণা।

কবিগৰাকীৰ সৃষ্টিৰ 'মূৰ্তিমতী প্ৰেৰণা' তেওঁৰেই পত্নী বুলি তেওঁ দ্বিধাহীনভাৱে স্বীকাৰ কৰিছে। সেইবাবে কবিয়ে সোঁৱৰণ কৰিছে তেওঁৰ কাব্য সৃষ্টিৰ

দোকমোকালিৰ চেনীমৰা বাগিচাৰ চিঠি শীৰ্ষক কবিতাটো প্ৰিয়তমা পত্নীক পঢ়ি শুনোৱাৰ কথা উল্লেখ কৰিছে তেওঁক লিখি থাকিবলৈ পত্নীয়ে অহৰহ প্ৰেৰণা যোগোৱাৰ কথা। শিল্পী-সাহিত্যিকৰ সৃষ্টিৰ নেপথ্যত একোগৰাকী নাৰীৰ প্ৰেৰণাই চালিকা শক্তিৰ দৰে কাম কৰা অসংখ্য উদাহৰণ আছে। নিঃসন্দেহে 'তোমালৈ' কবিতাটোৰ সপ্তম স্তৱকত কবিগৰাকীয়ে স্মৰণ কৰিছে হেম বৰুৱাৰ এটি শ্ৰেষ্ঠ কবিতা 'মমতাৰ চিঠি'ৰ কথা। 'মমতাৰ চিঠি' কবিতাটোত পিতৃহাৰা বাবুলে মাতৃ মমতাৰ বগা সাজযোৰলৈ তধা লাগি চাই থকাৰ কথা পঢ়োতে জীৱন সংগিনী প্ৰিয়তমা স্তম্ভিত হৈ কবিৰ মৃত্যুৰ আগতে তেওঁ জীৱনৰ পৰা মেলানি মাগিব বুলি ভৱিষ্যদ্বাণী কৰা কথাখিনিতো ভাৰতীয় ৰমণীৰ পৰম্পৰাগত বিশ্বাসেই নিহিত আছে বুলি ক'ব পাৰি। মমতাৰ চিঠি কবিতাটোত মমতাৰ উক্তিত এক বিষাদ আছে। সেই বিষাদো পৰম্পৰা আৰ্জিত।

'সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে/তধা লাগি চাই থাকে কিয় ?
তাৰ ওপজাৰে পৰা এইযোৰ কাপো/চিনাকি, সেই কাৰণে নহয় ?'

কবি পত্নীয়ে মমতাৰ সেই বগা সাজযোৰ পিন্ধিব খোজা নাই। সেইবাবেই কবিৰ আগতেই পত্নীয়ে জীৱনৰ পৰা মেলানি মগা বুলি কবিয়ে এক ধাৰণা কৰিছে। পৰম্পৰাৰ ছাঁ হৈ যুক্তিৰ পোহৰ হেৰুৱাই পেলোৱা বুলি কবিগৰাকীয়ে ব্যক্ত কৰিছে।

হেম বৰুৱাৰ মমতাৰ চিঠিত বিধবাৰ বগা সাজটোৰ কথা পঢ়ি তুমি বাবুলৰ দৰেই স্তম্ভিত হৈছিলা। কৈছিলা, মই তোমাৰ আগতে যাম সঁচাকৈয়ে তুমি গুচি গ'লা। পৰম্পৰাৰ ছাঁত হেৰুৱাই পেলালা যুক্তিৰ পোহৰ।

হেম বৰুৱাৰ মমতাৰ চিঠিৰ নেপথ্যত আছে সপ্তম শতিকাৰ বিখ্যাত চীনা ৰোমাণ্টিক কবি লি-পো বা লি-বাইৰ এক হেজাৰ বছৰৰো অধিক জনপ্ৰিয় হৈ থকা এটি শোক কবিতা। এগৰাকী নদীৰ স'তে জড়িত সদাগৰৰ পত্নীৰ স্বামীক সুঁৱৰি কৰা এক বিলাপ সংগীতৰ লেখীয়া এই কবিতাটো। আমেৰিকাৰ কাব্য সাহিত্যৰ আধুনিকতাবাদৰ ফেহুজালিৰ সময়ৰ কবি এজৰা পাউণ্ডে চীনা আৰু জাপানী কবিতাৰ পৰা উদ্ভুত প্ৰতীকবাদী কাব্য আন্দোলনত এক নতুন ৰূপ প্ৰদান কৰিছিল লি পোৰ সেই বিখ্যাত কবিতাটো তেওঁ (River Merchant's Wife : a letter) এই শিৰোনামেৰে চীনা ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰিছিল। এজৰা পাউণ্ডৰ এই কবিতাটো পঢ়ি কবি হেম বৰুৱাই ৰচনা কৰিছিল অসমীয়া সাহিত্যৰ এই কালোত্তীৰ্ণ

কবিতাটো। এজৰা পাউণ্ডৰ ইংৰাজী অনুবাদৰ এই আংগিক আৰু প্ৰকাশভংগীৰ এক নব্যৰূপ প্ৰদানেৰে ৰচনা কৰা এই কবিতাটোৰ প্ৰকাশভংগী আৰু আংগিকৰ অন্য এক নব্যৰূপ প্ৰদানেৰে কবি নলিনীধৰ ভট্টাচাৰ্যই ৰচনা কৰিলে অসমীয়া কাব্য-সাহিত্যৰ অন্য এক অনন্য শোক আৰু প্ৰেমৰ 'তোমালৈ' শিৰোনামৰ এই কবিতাটো। কবিতাটোৰ অষ্টম স্তৱকত কবিগৰাকীয়ে সাম্প্ৰতিক সমাজ জীৱনৰ অস্থিৰতা আৰু হিংসাৰ পৰিবেশত অস্থিৰ হৈ পৰিছে। প্ৰিয়জনে এৰি থৈ যোৱা এই অনাকাংক্ষিত সময়ৰ বাবে কবিগৰাকীয়ে খেদ প্ৰকাশ কৰিছে। পৃথিৱীখন এতিয়া কবিগৰাকীৰ পৰম সুহৃদ নীলমণি ফুকনৰ 'নৃত্যৰতা পৃথিৱী' হৈ থকা নাই।

'কত যে থৈ গ'লা মোক? এতিয়া নীলমণিৰ নৃত্যৰতা পৃথিৱীকেনিবা লুকাল। মানুহৰ বুকুৰ চাকিটিও দেখোন নজ্বলে। আন্ধাৰ, কেউফালে আন্ধাৰ। নিয়নেও আন্ধাৰহে বিলায়। মঙহ খোৱা দিন নৱকান্তৰ দলংখনো ভাগো ভাগো।

মানুহৰ বুকুৰ ভিতৰৰ চাকিগছি নিঃসন্দেহে মানুহৰ প্ৰতি মানুহৰ ভালপোৱাৰেই এক জ্যোৰ্তিময় প্ৰকাশ, বঙহে মঙহ খোৱা এই হিংসা-দ্বেষেৰে ভৰা সমাজত কবিয়ে চৌদিশে মাথোঁ লক্ষ্য কৰিছে এন্ধাৰৰ উপস্থিতি। কবিয়ে সোঁৱৰণ কৰিছে কবি নৱকান্ত বৰুৱাৰ দলংখনি। এই দলংখনে মনত পেলাই দিছে।

হেম বৰুৱাৰ মমতাৰ চিঠিত বিধবা মমতাৰ বুকুৰ গভীৰ বিষাদৰ এক হৃদয় পৰশা কাব্যিক বিস্তৃতিৰ সাৰ্থক ৰূপায়ণ হৈছে। আনহাতে কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা 'তোমালৈ'ত পত্নীহাৰা এগৰাকী স্বামীৰ হৃদয়ৰ বেদনাৰ লগতে জনজীৱনৰ শোক-দুখৰ সৈতে কবিগৰাকীৰ বিৰল একাত্মবোধৰ পূৰ্ণ প্ৰতিফলন ঘটিছে।

এন্ধাৰত বৈ থকা মানুহবোৰক পোহৰ বিলাবলৈ কবিয়ে কাকোৱেই বিচাৰি উলিয়াব পৰা নাই। সেই এন্ধাৰতেই যেন হৃদয়ৰ অভ্যন্তৰলৈ পাপৰ আগমন হয়। কোনেও চিনি নোপোৱা বিষধৰ সাপ সোমাই আহে মানুহবোৰৰ মাজলৈ। সেই এন্ধাৰৰ আগমনতেই নুমাই যায় বাঁহৰ আগৰ জিলিকা জোন। কবিতাটোৰ নৱম স্তৱকৰ এই কল্পচিত্ৰই যিকোনো কাব্যৰসিককে মন্ত্ৰমুগ্ধ কৰি তুলিব।

মানুহবোৰে আন্ধাৰতে বৈ আছে। কোনোবা সুৰুঙাৰে পাপ সোমায়। সোমাই অচিন সাপ। নুমাই বাঁহৰ আগৰ জিলিকা জোন। এতিয়া মই কাক ক'ম? অথন্তৰৰ কথা শুনিবইবা কোনে? তুমি থকা হ'লে সুখ-দুখৰ কথা মানুহৰ কথা পাতিলোহেঁতেন। তুমিতো এখিলা সৰা পাত। পাৰা যদি বতাহতে উৰি আহিবা। মই স্মৃতিৰ সঁফুৰাত তোমাক আলফুলকৈ থৈছো।

বাঁহৰ আগতো সৰ্বদাই আকাশমুখী। সকলো প্ৰকাৰৰ সীমা ভাগি পোহৰৰ সৈতে এক নিবিড় সম্পৰ্ক গঢ়ি তোলে বাঁহৰ আগে। চিনাকি প্ৰকৃতিৰ পৰাই কবিগৰাকীয়ে এনেকৈয়ে নিৰ্মাণ কৰিছে সাৰ্থক কল্পচিত্ৰ। এই এন্ধাৰৰ মাজতে কবিয়ে মনৰ সুখ-দুখৰ কথা কোৱা প্ৰিয়তমা পত্নীৰ অনুপস্থিতিৰ বাবে শোকত ম্ৰিয়মান হৈ পৰিছে। চিৰকালৰ বাবে হেৰাই যোৱা মনৰ কথা কোৱা প্ৰিয়তমা পত্নীক কবিয়ে এখিলা সৰা পাতৰ সৈতে ৰিজাইছে। কবিয়ে সেয়ে প্ৰিয়তমাৰ সৰা পাত হৈ বতাহত উৰি আহিবলৈ আকুল আহ্বান জনাইছে। সেই সৰাপাতকেই তেওঁ সোঁৱৰণীৰ সঁফুৰাত যতনাই থৈ দিয়াৰ ইচ্ছা প্ৰকাশ কৰিছে। গ্ৰাম্য জীৱনৰ তেনেই চিনাকি চিন বাঁহৰ আগৰ জোন বেলি। বাঁহৰ আগৰ জোন-বেলিয়ে নহয় বাঁহৰ আগৰ বৰদৈচিলাও অসমীয়া গ্ৰাম্য জীৱনৰ তেনেই চিনাকি। কবিগৰাকীৰ শৈশৱৰ দিহা নৈৰ পাৰৰ ওপজা গাঁও মেলেং কাঠৰ চিনাকি চিত্ৰবোৰো যেন তেওঁৰ কবিতাত নৰূপত প্ৰাণ পাইছে।

কবি নলিনীধৰ ভট্টাচাৰ্য এগৰাকী দুৰন্ত সমাজ-সচেতন কবি। তেওঁ কলা-কৈৱল্যবাদৰ ভক্ত নহয়। জীৱনৰ বাবে কলা এই আদৰ্শৰহে তেওঁ অনুগামী। কবিগৰাকীয়ে চকুৰ আগতেই দেখিছে বহুতো বাট। কবিয়ে বিচাৰিছে সৈনিক নোযোৱা এটি বাট। সেই বাটৰ দুকাষে ফুল গজে। ফুলবোৰে লাভ আৰু লোভৰ নৰকৰ পৰা মন আঁতৰাই ৰাখিবলৈ সকলোকে কয় বুলি কবিয়ে কৈছে —

বাট, ঘাট, বাট এতিয়া বহুত। কিন্তু নৈতিকতাৰ ঘাটত হাবি বহিছে। মই এতিয়া এটা বাট বিচাৰিছো। সেই বাটেদি সৈনিক নাযায়। তৰহে তৰহে ফুল গজে বাটৰ কাষত ফুলবোৰে কয় লাভ আৰু লোভৰ নৰকলৈ মন নেমেলিবা।

নৈতিকতাৰ ঘাটত হাট বহা এই দুঃসময়ত লাভ আৰু লোভৰ নৰকলৈ মন নেমেলিবলৈ বাটৰ কাষৰ ফুলবোৰে কোৱা কথাখিনি সাধাৰণ জনতাৰ মনৰ ভাষালৈ ৰূপান্তৰ হৈছে।

কবিতাটোৰ একাদশ স্তৱকত কবিগৰাকীয়ে বয়সে সাঁচ বহুওৱা নিজৰ সীমাবদ্ধতাক লৈ খেদ প্ৰকাশ কৰিছে। নিজকে এটি উৰিব নোৱাৰা পখীৰ সৈতে কবিয়ে তুলনা কৰিছে। এই সীমাবদ্ধতাতে তেওঁৰ প্ৰতিমুহূৰ্ততে প্ৰিয়তমা পত্নীলৈ মনত পৰে। কবিগৰাকীয়ে মৰ্মে মৰ্মে এই সত্য উপলব্ধি কৰে যে মৃত্যু সনাতন বিষাদ। আদি-অন্তহীন এই মৃত্যুৰ ওচৰত আমি নিঃসহায় হৈ পৰো।

মই এতিয়া এটা ডেউকা ভগা চৰাই। উৰিব নোৱাৰো। সেয়ে পৰে পৰে তোমালৈ মনত পৰে। মৃত্যু সনাতন বিষাদ। তাৰ ওচৰত আমি বৰ অসহায়। তোমাক চকুৰে নেদেখো। কিন্তু চকুৰ পানীত তোমাৰ পাজিসেৰীয়া আঙুলিৰ কোমল পৰশ অনুভৱ কৰো। নেদেখাকৈ আহি তুমি চকুপানীবোৰ মচি দিয়া নেকি। তোমাৰ লিহিৰী আঙুলিৰ পৰশত শিহৰিত হওঁ আৰু উচুপি উঠো।

কবিৰ দৃষ্টিত মৃত্যু সনাতন বিষাদ হ'লেও প্ৰিয়জনৰ কায়িক মৃত্যুৱে কেতিয়াও তেওঁৰ মনোজগতৰ পৰা প্ৰিয়জনৰ জীৱন্ত স্মৃতি মচি পেলাব নোৱাৰে। সেইবাবে তেওঁ তেওঁৰ দুখৰ মুহূৰ্তৰ চকুপানীতো তেওঁ অনুভৱ কৰে প্ৰিয়জনৰ পাঁজিসেৰীয়া আঙুলিৰ পৰশ। তেওঁৰ স্মৃতিৰে জীৱন্ত হৈ উঠা প্ৰিয়তমাই সেয়ে নেদেখাকৈয়ে তেওঁৰ চকুপানীকে মচি দিয়ে। কবিয়ে গভীৰভাৱেই উপলব্ধি কৰিছে দুখৰ এক সঞ্জীৱনী শক্তি। সেইবাবেই প্ৰিয়তমা পত্নীৰ কায়িক মৃত্যুৰ পিছত তেওঁ অন্য এক জীৱন ৰচনা কৰিছে। সেয়া এক সুগভীৰ কাব্যিক উপলব্ধিৰেহে সম্ভৱ হ'ব পাৰে।

কবিতাটোৰ দ্বাদশ স্তৱকত কবিয়ে পুনৰাই নিজৰ দুখৰ পৰিধি ভাঙি জনজীৱনৰ দুখৰ সৈতে একাত্মতা স্থাপন কৰিছে। কালহীন প্ৰেমৰ মহাজীৱন কালে গ্ৰাস কৰাত কবি শংকিত হৈছে। চৌদিশৰ ৰক্তক্ষয়ী দৃশ্যাই কবিগৰাকীক যন্ত্ৰণাদগ্ধ কৰি তুলিছে।

"ইয়াত কালে গ্ৰাস কৰিছে কালহীন প্ৰেমৰ মহাজীৱন ছিন্ন-বিছিন্ন। বাটে-ঘাটে তেজৰ বৰষুণ। তাৰ মাজতে তোমাৰ খোপাৰ সেই কপৌ ফুলপাহ মই সমাজিকত দেখো। তাৰ পৰা সেউজীয়াবোৰ ওলাই আহি কৈছে তেজৰ খেলো নেখেলাকৈয়ে মধুৰ মহাজীৱন ৰচনা কৰো আহা।"

হিংসাই ছানি ধৰা ৰক্তপাতৰ মুহূৰ্তবোৰত কবিয়ে পুনৰাই সপোনত দেখা পাইছে প্ৰাণাধিক প্ৰিয়তমাৰ খোপাৰ কপৌ ফুলপাহ। সেই কপৌ ফুলপাহ মৃত্যুজিৎ প্ৰেমৰেই বাৰ্তাবাহক। কবিয়ে আৱিষ্কাৰ কৰিছে অসমৰ লোকজীৱনৰ তেনেই চিনাকি বসন্তক আদৰি অনা প্ৰিয়তমাৰ খোপাৰ কপৌ পাহত মানুহ আৰু পৃথিৱীক ভালপোৱাৰ নতুন অৰ্থ। কবি আশাবাদী। সমস্ত হিংসা-দ্বেষৰ অৱসান ঘটাই এই পৃথিৱীলৈ সুদিন নামি আহিব। সেইবাবেই কবিয়ে কল্পনা কৰিছে প্ৰিয়তমাৰ খোপাৰ কপৌ ফুলপাহিৰ পৰা সেউজীয়াবোৰ ওলাই আহি প্ৰেমৰ যশো গান গাই মধুৰ মহাজীৱন ৰচনা কৰিবলৈ অকল প্ৰেমৰেই আছে দুৰ্জেয় শক্তি। ৰক্তপাতেই ধ্বংস

কৰে জীৱনৰ পৰা মহাজীৱনলৈ হোৱা ৰূপান্তৰৰ পথ। সেইবাবেই প্ৰেমেৰে মহাজীৱন ৰচনা কৰিবলৈ কবিগৰাকীয়ে উদাত্ত আহ্বান জনাইছে। কবিতাটোৰ অন্তিম শাৰীটোতেই কবিগৰাকীৰ এই আহ্বানৰ মৰ্মাৰ্থ হৃদয়পৰশা ভাষাৰেই ফুটি উঠিছে—

'কাৰণ মৰমৰ মাত এষাৰ নাপালে এই পৃথিৱীত জীৱনৰ শতদল নুফুলে।'

জীৱনৰ শতদল ফুলোৱাৰ বাবে কবিৰ এই বাণী নিঃসন্দেহে কাব্যপ্ৰেমীসকলক হৃদয় আলোড়িত কৰিব পাৰে। কবিতাটোত মূলতঃ কবিগৰাকীৰ প্ৰেমে ব্যক্তিসত্বাৰ দেৱাল ভাঙি জনজীৱনৰ বিশাল ধাৰাত লীন হৈ গৈছে। কবিয়ে নিৰন্তৰে কামনা কৰিছে এক সুবাসিত জীৱনৰ। সেইবাবেই কবিয়ে শতদলক এক সাৰ্থক জীৱনৰ প্ৰতীকৰূপেই কবিতাটোত প্ৰতিষ্ঠিত কৰিছে।

হেম বৰুৱাৰ মমতাৰ চিঠি আৰু কবি নলিনীধৰ ভট্টাচাৰ্যৰ তোমালৈ এই দুটা কবিতাৰ পটভূমিৰ সাদৃশ্যও মনকৰিবলগীয়া। মমতাৰ চিঠি কবিতাটোত স্বামীহাৰা মমতাৰ স্বামীৰ অনুপস্থিতিৰ দুখ-বেদনা হৃদয় চুই যোৱা ভাষাৰে যথাৰ্থভাৱে কবিগৰাকীয়ে ফুটাই তুলিছে। এডাল মমবাতিৰ পোহৰত মমতাই হেৰুওৱা স্বামীলৈ বুলি কবিতাৰ ভাষাৰে চিঠি লিখিছে। পিতৃৰ অবৰ্তমানত বগা সাজ পিন্ধি থকা মাকলৈ বাবুলে তধা লাগি চাই ৰয়। কবি নলিনীধৰ ভট্টাচাৰ্যৰ প্ৰিয়তমা পত্নীয়েও মমতাৰ চিঠি কবিতাটো পঢ়ি বাবুলৰ দৰে স্তম্ভিত হৈছিল। বিধবাৰ বগা সাজযোৰলৈ কবিৰ প্ৰিয়তমা পত্নীয়েও ভয় কৰাৰ ইংগিত আছে কবিতাটোত। সেইবাবেই স্বামীৰ আগতেই নিজৰ জীৱন নাটৰ সামৰণি মাৰিছে কবিগৰাকীৰ পত্নীয়ে। এগৰাকী স্বামীৰ প্ৰিয়তমা পত্নীৰ বিয়োগত হোৱা শোক-দুখৰ লগতে পত্নীৰ প্ৰতি থকা নিৰলস প্ৰেমৰ কাব্যিক স্বগতোক্তি তথা দেশ আৰু মানুহৰ প্ৰতি থকা সুগভীৰ ভালপোৱা তথা জনজীৱনৰ দুখ-বেদনাৰ সৈতে এক হৈ যোৱা কবি মনৰ ব্যতিক্ৰমী প্ৰকাশ কবি নলিনীধৰ ভট্টাচাৰ্যৰ এই কবিতাটো। কবিতাটোত এটি শোক কবিতা আৰু এটি প্ৰকৃত প্ৰেমৰ কবিতাৰ মণিকাঞ্চন সংযোগ স্থাপন কৰি কবিগৰাকীয়ে বিৰল কাব্যিক দক্ষতাৰ পৰিচয় দাঙি ধৰিছে।

তোমালৈ কবিতাটো শোক কবিতাৰূপে আলোচনা কৰিবলৈ গ'লেও শোক কবিতাৰ প্ৰতিটো লক্ষণেই ইয়াত ফৰিং ফুটা জোনাকৰ লেখীয়াকৈ স্বচ্ছ আৰু স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়। শোক কবিতাত প্ৰিয়জনক হেৰুওৱা বেদনাৰ এক কাব্যিক প্ৰকাশ কবিগৰাকীৰ উপমা উপস্থাপন, কল্পচিত্ৰ নিৰ্মাণ, শব্দ নিৰ্বাচন সৰ্বোপৰি

উজুটি নোখোৱা ভাব প্ৰকাশৰ ক্ষমতাই শোক কবিতাৰ এক বিশিষ্ট মাত্ৰ প্ৰদান কৰে। সেই অৰ্থতেই 'তোমালৈ' কবিতাটো নলিনীধৰ ভট্টাচাৰ্যৰ এক সাৰ্থক শোক কবিতা। এটি প্ৰেমৰ কবিতাৰূপে বিচাৰ কৰিলেও প্ৰিয়জনক হেৰুওৱাৰ বেদনাৰ লগতে প্ৰিয়তমা পত্নীৰ প্ৰতি থকা গভীৰ ভালপোৱাও কবিতাটোত স্বতঃস্ফূৰ্ত ৰূপত প্ৰকাশ পাইছে।

কবিতাটোত কবিয়ে মমতাৰ চিঠি কবিতাটোত বহি কবি নৱকান্ত বৰুৱাৰ আৰু কবি নীলমণি ফুকন কবিতাৰ প্ৰসংগৰ অৱতাৰণা কৰিছে। নীলমণিৰ নৃত্যৰতা পৃথিৱী আৰু নৱকান্তৰ দলং একো একোটা কল্পচিত্ৰৰ লেখীয়াকৈ কবিগৰাকীয়ে উপস্থাপন কৰিছে। নৃত্যৰতা পৃথিৱী কবি ফুকনৰ এখনি অনবদ্য কাব্য সংকলন। সংকলনখনিৰ এটি সুদীৰ্ঘ কবিতা একেখন ঘৰতে আছিলো দুঘৰ মানুহ শীৰ্ষক এই প্ৰথম শাৰীৰে আৰম্ভ হৈছে। কবিতাটোৰ শেষৰ তিনিটা স্তৱকত কবিয়ে পৃথিৱীৰ বিভিন্ন ৰূপ উপস্থাপন কৰিছে। একেখন ঘৰতে দুঘৰ মানুহ থকা কথাই মানুহৰ মানৱ হৃদয়ৰ পৰম ঐশ্বৰ্য সহমৰ্মিতাকেই উৰ্ধ্বত তুলি ধৰিছে। কবিৰ দৃষ্টিত পৃথিৱী স্থৱিৰ নহয়। পৃথিৱী গতিশীল। এই সত্যৰেই এক সাৰ্থক প্ৰতিফলন ঘটিছে কবি ফুকনৰ এই হৃদয়গ্ৰাহী কবিতাটো —

একেখন ঘৰতে আছিলো দুঘৰ মানুহ/উৰুখা চালেৰে কাটে কাল
কাটে ৰাতি কাটে পানী/নকবা কেতিয়াও নাই নাই
নেপাওঁ গৈ বুলি/নৈত পানী নাই/পানীত জুই নাই
মাজে মাজে সেয়া একেটা চিয়ৰ মাৰি/সি কি যন্ত্ৰণাত
সি কি ক্ৰোধত কি আনন্দত/নৃত্যৰতা পৃথিৱী

উৰুখা চালেৰে কালৰ গতি স্তব্ধ কৰা, ৰাতিৰ আন্ধাৰ কটা সকলো প্ৰকাৰৰ নিৰাশা অতিক্ৰম কৰা যন্ত্ৰণা, ক্ৰোধ আৰু আনন্দত নৃত্যৰতা পৃথিৱীখনিক স্বাগতম জনোৱা কবি ফুকনৰ এই জীৱন-জিজ্ঞাসাৰ প্ৰতিফলন ঘটিছে তোমালৈ কবিতাটোত। নৃত্যৰতা পৃথিৱীখনি ৰূপান্তৰৰ পৃথিৱী। এই ৰূপান্তৰৰ পৃথিৱীখনিৰ ৰূপান্তৰৰ প্ৰক্ৰিয়া স্তব্ধ হোৱা বুলিয়েই যথাৰ্থতে কবিয়ে খেদ প্ৰকাশ কৰিছে। এতিয়া নীলমণিৰ নৃত্যৰতা পৃথিৱীও কেনিবা লুকাল এই শাৰীটোৰ যোগেদি।

কবি নৱকান্ত বৰুৱাৰ দলং খনিও কবিয়ে জনজীৱনৰ সৈতে সংযোগৰ এক কল্পচিত্ৰৰ লেখীয়া তোমালৈ কবিতাটোত উপস্থাপন কৰিছে। নৱকান্ত বৰুৱাৰ "দলঙত

তামীঘৰা” শীৰ্ষক কবি সংকলনখনিৰ প্ৰথম কবিতাটো হ'ল “মাইলৰ খুঁটা আৰু দলং।” মাইলৰ খুঁটা বাগৰি গৈ দলং এই কল্পচিত্ৰ তেনেই সহজবোধ্য। মাইলৰ খুঁটাই এই নিৰ্দিষ্ট সীমাৰ কথাকে সূচায়। মাইলৰ খুঁটা বাগৰি গৈ দলং হোৱা কথাই সীমাৰ পৰিধি ভঙাৰ কথা সূচাইছে। সীমাৰ পৰিধি ভাঙিলেহে জীৱন আৰু জগতৰ সৌন্দৰ্য উপলব্ধি কৰিব পৰা সেই সীমাৰ পৰিধি ভাঙি জনজীৱনৰ সৈতে সুখে-দুখে এক হৈ থকাৰ এক চিৰন্তন মানৱীয় প্ৰয়াস বাৰ্তা বহন কৰিছে নৰকান্তৰ দলংখনে।

মাইলৰ খুঁটা বাগৰি গ'ল,/তলত কুৰংদ/সিয়েই এখন দলং হ'ল
হেৰৌ কবি, তাতেই অলপ ৰ।/তললৈ চাই মূৰ ঘূৰাব পাৰে
আকাশখনলৈ চা/পাৰ হ'লে পাবি নতুন আলি-দোমোজা
পাৰ হৈ গুচি যা। (মাইলৰ খুঁটা আৰু দলং, নৱকান্ত বৰুৱা)

এয়েই অসীমৰ গান গোৱা কবি নৱকান্ত বৰুৱাৰ দলং। এই দলঙেই হৃদয়ৰ সৈতে হৃদয়ৰ সেতুবন্ধন সম্ভৱ কৰি তোলে। মাইলৰ খুঁটা বাগৰি দলং হোৱা এই কল্পচিত্ৰ কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতালৈ সেই সেতুবন্ধনৰ বাৰ্তাই বহন কৰি আনিছে। দুঃসময়ে সেই দলংখন ভাঙি দিব পাৰে বুলি কবিয়ে সেয়ে খেদ প্ৰকাশ কৰিছে এনেদৰে — 'নৱকান্তৰ দলংখনো ভাগো ভাগো।'

থোৰতে ক'বলৈ হ'লে “মানুহ গঢ়া মানুহ” কবি নলিনীধৰ ভট্টাচাৰ্যৰ তোমালৈ শীৰ্ষক কবিতাটো কবিগৰাকীৰ এক অনন্য কাব্যিক সৃষ্টি। এই কবিতাটো শোক কবিতা হৈও এটি শ্ৰেষ্ঠ প্ৰেমৰ কবিতা আৰু প্ৰেমৰ কবিতা হৈও অসমীয়া সাহিত্যৰ এটি শ্ৰেষ্ঠ শোক কবিতা। কবিতাটোৰ প্ৰথম স্তৱকৰ পৰা শেষৰ স্তৱকলৈ লক্ষ্য কৰিলে কবিগৰাকীৰ আত্মিক বিষাদ আৰু ভালপোৱা সমগ্ৰ পৃথিৱী আৰু মানুহৰ হৃদয়ৰ বিষাদ আৰু ভালপোৱাৰ সৈতে এক হৈ যোৱাৰ এক ব্যতিক্ৰমী গতিময়তাৰ উমান পোৱা যায়। কবিতাটোত এই কাব্যিক গতিময়তাই এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। কবি হেম বৰুৱাৰ মমতাৰ চিঠিত স্বামীহাৰা এগৰাকী নাৰীৰ হৃদয়ৰ দুখ-বেদনাৰ যি কাব্যিক পৰিস্ফুৰণ ঘটিছে। সেই একেই অৰ্থত কবি নলিনীধৰ ভট্টাচাৰ্যৰ তোমালৈ শীৰ্ষক কবিতাটোত এগৰাকী বিপত্নীক স্বামীৰ প্ৰিয়তমা সহধৰ্মিনীৰ বিয়োগৰ দুখ-বেদনাৰ বিৰল কাব্যিক উন্মীলনে আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। কিন্তু কবিগৰাকীয়ে পৃথিৱীৰ শান্ত-সমাহিত ৰূপ হেৰোৱাৰ বাবে পৃথিৱীৰ সৈতে নিজস্ব দুখ-বেদনাৰ এক আত্মিক সংযোগ স্থাপন কৰিছে। ○

# কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা

## পংকজ গোবিন্দ মেধি

অসমীয়া প্ৰগতিশীল কবিতাৰ ধাৰাৰ এজন বলিষ্ঠ আৰু শক্তিশালী কবি **নলিনীধৰ ভট্টাচাৰ্য**। কবি নলিনীধৰ ভট্টাচাৰ্য ৰচিত কাব্যগ্ৰন্থ কেইখন হৈছে ক্ৰমে **এই কুঁৱলীতে** (১৯৭৯), **চেৰাশালিৰ মালিতা** (১৯৮২), আহত সপোন (১৯৮৩), **ননী আছুনে ঘৰত** (১৯৯৬)। এই আলোচনাত আলোচনা কৰিব লোৱা হৈছে কবি গৰাকীৰ শেষৰ দুখন গ্ৰন্থ ক্ৰমে **আহত সপোন** আৰু **ননী আছুনে ঘৰত**। গ্ৰন্থ দুখন প্ৰকাশ হৈছিল সুদীৰ্ঘ দহ বছৰৰ ব্যৱধানত ডিচেম্বৰ ৮৫ আৰু মে ১৯৯৬ চনত। দুয়োখন গ্ৰন্থৰ প্ৰকাশক চেতনা প্ৰকাশ। 'আহত সপোন' কাব্যগ্ৰন্থ খনত চাব্বিশটা কবিতা আৰু 'ননী আছুনে ঘৰত' কাব্যগ্ৰন্থখনত আঠত্ৰিশটা কবিতা সন্নিবিষ্ট কৰা হৈছে।

কবিতাৰ শীৰ্ষকে পাঠকক কবিতাৰ শৰীৰত মনোযোগেৰে প্ৰৱেশ কৰাৰ সুবিধা প্ৰদান কৰে। কবিতা-গঠনত কবিতাৰ শীৰ্ষকৰ অনবদ্য ভূমিকা গ্ৰহণযোগ্য হিচাপে ঠাৱৰ কৰা হৈছে। বিভিন্নজন কবিয়ে কবিতাৰ শিৰোনামক ভিত্তি কৰি কাব্য-চৰ্চাৰ বাট মুকলি কৰে। কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ অভ্যন্তৰত বাট বুলাৰ আগতে কবিতাৰ শীৰ্ষকৰ ওপৰত এবাৰ দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজন। কবিৰ কাব্য গ্ৰন্থ 'আহত সপোন'ত সংয়োজিত কবিতা সমূহ হ'ল — 'ষাঠিটা শৰৎ, এন্ধাৰত, হঠাৎ ঘূমটি ভাগে, বকুল বনৰ কবিলৈ শ্ৰদ্ধাঞ্জলি, দ্ৰৌপদীৰ বেণী, বিজ্ঞাপনৰ মোহিনী, ফটাশিলৰ চিঞৰ, বলিয়া হাতীৰ ৰাতি, ছুৰী, খুৰীৰ পজাত সন্ধ্যা, গাঁৱৰ চিঠি, এজন খৰি ফালোতাৰ কাষত, পক্ষাঘাত, নাম থলো মই শোক, বহুদিন গালো গান, প্ৰশ্ন, বেলি পুৰাণ, এডুখুৰি কবিতা, লেনিন, পুতি থলো মোৰ হৃদয়, দূৰ, প্ৰিয়তমা, উজ্জ্বলতা, দৃষ্টিভংগী, মৰুভূ, ক'লা হাত আৰু মৰাৰ পিছত। 'ননী আছুনে ঘৰত' কাব্যগ্ৰন্থখনত

কাব্য পাঠকসকলে পঢ়িবলৈ পোৱা কবিতা সমূহৰ শীৰ্ষক হৈছে ক্ৰমে — 'হালধীয়া পাত, ঋষ্যশৃংগ, ইতিহাসৰ গধূলি লগন, আচলতে একো ঘটা নাই, দুখ, বন্দী, কোন আহিছে অ' সেইয়া, সেই শব্দটো, আমি কোৱাকুই কৰোঁ, ৰত্নাকৰ, খেল, টোপনি আই মোৰ, মই একো জনা নাই, অখ্যাত, কাণ কটা পুৰাণ, হাত, দিনবোৰ সলনি নহ'ল, মোৰে মলুৱা অ', কাজিৰঙা, এন্দুৰৰ ৰাতি, নীৰৱ, তই আহিলেই, কমৰেড, কেনে আছা, এতিয়া কাকো ফাঁকি নিদিবি, নৱ-নৌকা, অগ্নিগড়ত উষাৰ স'তে, ধূলিকণা, বান্দৰ, সন্ধান, জুৰমন বৰাৰ চ'ৰাত, জীৰ্ণ মোৰ বাটৰ শেষত, দূসৰ আবেলিৰ গান, প্ৰাণ কৃষ্ণৰ মৃত্যু, ছকুট মাটিৰ মালিতা, ননী আছনে ঘৰত, উৰ্বশী, মই এজন বুঢ়া মানুহ আৰু জন্ম হক নহক, আজি জয়ন্তী'।

দুয়োখন কাব্য গ্ৰন্থৰ কাব্য শিৰোনামৰ পৰা কবিৰ ইতিহাসৰ প্ৰতি থকা দুৰ্বলতা, শ্ৰমজীৱীৰ প্ৰতি আকুল চিন্তন, বেদনাক্লিষ্ট মানসিক দ্যোতমা, ভৱিষ্যতৰ প্ৰতি আশাবাদ দেখিবলৈ পোৱা যায়। বিষয় ভিন্নতা কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ বৈশিষ্ট। ভিন্নতাৰ মাজতো মানৱতাবাদ কবিৰ কবিতাৰ অৱশ্যেই একক চৰিত্ৰ।

কবি হিচাপে নিজকে গঢ়ি তুলিবলৈ কবিয়ে গ্ৰহণ কৰিছে নিজস্ব স্থিতি আৰু আদৰ্শ। নিজৰ কবিতাৰ বিষয়ে ক'বলৈ গৈ কবি গৰাকীয়ে আগবঢ়াইছে অকপট স্বীকাৰোক্তি — 'কবিয়ে হত্যা আৰু লুণ্ঠনৰ কথা কল্পনা কৰিব নোৱাৰে; তেওঁ ধুনীয়া শব্দৰ মাজত প্ৰকাশ কৰে জীৱনৰ ছন্দ। মই সেই কাম নিয়াৰিকৈ কৰিব পৰা নাই। মোৰ কবিতা কেচু কুমটিৰ মাতৰ দৰে অগভীৰ — তাত জ্ঞান-গৰ্ভ একো নাই। তথাপি লিখিছোঁ। এই বাবে ক্ষমা বিচাৰিছোঁ।' (মোৰ ক'বলগীয়া, ননী আছনে ঘৰত, ১৯৯৬)। নিজৰ কাব্য চৰ্চাৰ প্ৰতি একান্ত বাধ্য আৰু অনুগত কবিসকলে প্ৰায়েই নিজক অক্ষম হিচাপে দেখুৱাব বিচাৰে। কবি নলিনীধৰ ভট্টাচাৰ্য তাৰ ব্যতিক্ৰম নহয়, হয়তো সেয়া কবি গৰাকীৰ কাব্য-চৰ্চাৰ প্ৰতি থকা অন্য এক মহানুভৱতা। 'আহত সপোন' কাব্যগ্ৰন্থৰ 'মুখবন্ধ'তো কবিয়ে একেটা কথাৰে পুনৰুক্তি কৰি লিখিছে — 'সমাজবিবেক আৰু শিল্পবিবেকৰ সমন্বয় জটিল কাম। মোৰ পক্ষে আৰু জটিল; সেইবাবে কৃতকাৰ্যতা দাবী মই নকৰো। তথাপিও এনেবোৰ ধাৰণাই মনটোত থৌকি-বাথৌ লগায়। তাকে বুকুত বান্ধি কিবাকিবি লিখিছোঁ, তাৰ সামান্যতম অংশয়ো যদি কোনো সহৃদয় পাঠকৰ অন্তৰ স্পন্দিত কৰি তোলে, তেন্তে তাতেই মোৰ সফলতা। বাকীখিনি নিৰৱধি কালৰ হাতত।'

নিৰবধি কালৰ হাতত নিজৰ সৃষ্টিৰ মূল্যাকণৰ দায়িত্ব দি কবিয়ে অৰ্থবহ ভাৱে স্বীকাৰ কৰিছে কালস্য গতি। কবিৰ মনো জগতত সময়ৰ ফলাফল বিচৰণ কৰিছে। সময়ে কবিতাৰ ঔচিত্য নিৰূপন কৰিব বুলি ভবা হয়। পিচে সময় অইন কোনো কাৰক নহয়, সময় হৈছে সমূহৰ চিন্তন। সমূহৰ চিন্তা বিপথগামী হ'লে ক্ষন্তেক সময়ৰ বাবেও হয়তো কবিতাৰ ঔচিত্য আৰু স্থায়ীত্বত কালিমা লাগিব পাৰে। বাদ বা 'ইজম'ৰ পৰিবৰ্তন হ'লে মানুহৰ মনোজগতৰ কৰ্ষণৰো পৰিবৰ্তন হয়। কবিতা বা অইন সৃষ্টিৰাজি সেই ৰাজনৈতিক প্ৰভাৱত বিচলিত নোহোৱাকৈ নাথাকে। ধ্ৰুপদী চৰ্চা মানৱ সভ্যতাত স্থিতপ্ৰজ্ঞ। কবিৰ ভাষাত সমাজ বিবেক। কবি নলিনীধৰ ভট্টাচাৰ্যই কবিতাত তাৰেই চৰ্চা কামনা কৰে, শিল্পবিবেকৰ মাধ্যমেৰে।

'আহত সপোন' কাব্যগ্ৰন্থখনত সন্নিবিষ্ট কবিতা সমূহ '৭৯-৮৩ চনৰ ভিতৰত লিখা। অসমৰ ৰাজনৈতিক আকাশত তেতিয়া আন্দোলনৰ কলীয়া ডাৱৰ। বিজুলী-চমকনি। ধুমুহা-বজ্ৰপাত। 'আহত সপোন'ৰ কবিতাসমূহৰ মাজেৰে কবিয়ে সময়ক ধৰি ৰাখিব বিচাৰিছে। কবিৰ সমাজবিবেকী আদৰ্শ মানৱতা দৰদী হৈ প্ৰকাশ পাইছে। কবিৰ কবিতাত প্ৰকাশ পাইছে সময় হৈ পৰিছে অসময়—

প্ৰকৃতিৰ হাঁহি মৰহে, স্বপ্নৰ শয্যা ভাগে
আমি যে পাহৰি গ'লোঁ সেই সহজতম সত্যটো
তাহানিয়েই পুৱাৰ বেলিয়ে কোৱা
সোণালী শস্যৰ দৰে মানুহ সুন্দৰ (এন্ধাৰত)

সময়ক অসময় হিচাপে গঢ়ি তোলা শত্ৰুসকলৰ বিষয়ে কবিয়ে নিজস্ব অভিমত আগবঢ়াইছে।

চোৱা, সিহঁত পৰাক্ৰমী আৰু ভয়ংকৰ
তোমাৰ আমাৰ পৰা বহু নিলগত সিহঁতৰ ঘৰ

সিহঁতেই জুৱা খেলে জাল কৰে
ৰুটিৰ কাৰখানাত মেলি দিয়ে হালধীয়া চৰাই
সামৰিক বিমানত তেল ভৰায় (দ্ৰৌপদীৰ বেণী)

অসময়ক কবিয়ে বলীয়া হাতিৰ ৰাতি হিচাপে অভিহিত কৰি লিখিছে—
বলিয়া হাতীৰ ৰাতি বুকুখন বিষায়

কিবা এটা ভয়ে খুলি খুলি খায়
কেনি যাওঁ কি কৰোঁ
ক'ত হেৰুৱালো কলিজাৰ গোলাপ
ঘূৰি ফুৰে তৰা-ভৰা আকাশৰ তলে তলে
ক'লা ছাঁ ভীষণ নিৰ্মম আৰু জীৱন্ত। (বলীয়া হাতীৰ ৰাতি)

কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত সমাজ জীৱনৰ ডুখৰিত ছবি বাস্তৱ আৰু সত্য।

ৰিং ৰিঙীয়া পজাটোৰ সন্ধ্যা/ যেন এখন দাপোন
তাত জিলিকি আছে
বিবৰ্ণ চকুলো আৰু এমুঠি ছাই (খুৰীৰ পজাত সন্ধ্যা)

লুইতৰ বানৰ দৰেই বিয়পে বিষাদ/খৰাঙত শাওনৰ পূজা বিফল
চহৰ আহিছে মাথো আমাক কবলে'
গাঁৱৰ চকুলো আহি পৰি ৰ'ব মোৰ
অন্ধকাৰ ফুটপাথ জুৰি (গাঁৱৰ চিঠি)

কবিৰ কাব্য সংকলন 'আহত সপোন'ত অকল বিষাদ গাঁঠাই কবিতাক প্ৰভাৱিত কৰা নাই, প্ৰভাৱিত কৰিছে প্ৰকৃত আশাবাদে। ভৱিষ্যতৰ সূৰ্যৰ দিশত কবিৰ দৃষ্টি নিবদ্ধ। নিপীড়িত-নিৰ্যাতিত-আৰ্তজনৰ বাবে খৰিফালোঁতাৰ কুঠাৰখনো কবিৰ ভাষাৰ প্ৰতিকী অস্ত্ৰ হ'ব পাৰে —

সি উঠক নামক দুছেও কৰক/বন্ধ দুৱাৰ বন্ধ খিৰিকি ঘাতক ৰাতি
আশাৰ আমঠু কাঢ়ি লৈ যোৱা
বলিয়া বতাহ ছাটি (এজন খৰিফালোঁতাৰ কাষত)
কবি আশান্বিত হৈ প্ৰতিবাদমুখৰ —
আই, পুতি থলো মোৰ হৃদয় তোমাৰ মাটিত
সিয়েই এদিন জুই হৈ জ্বলিব (পুতি থলো মোৰ হৃদয়)

প্ৰিয়তমাকো কবিয়ে সহযাত্ৰী হিচাপে বিচাৰিছে। পৃথিৱী কবিৰ প্ৰিয়তমা—

তুমি মোৰ চকুৰ পৰাই ওলোৱা ৰূপহী পৃথিৱী
এদিন অশ্বাৰোহী হৈ ওলাইছিলা
বসন্তৰ এছাটি বতাহৰ বাবে (প্ৰিয়তমা)

শত্ৰুত্ব পৰিহাৰ কৰিবৰ বাবে শত্ৰু পক্ষলৈ কবিয়ে আগবঢ়োৱা প্ৰশ্নও আন্তৰিকতাপূৰ্ণ, তাত যেন প্ৰতিশোধ আৰু হিংসাশ্ৰয়ীতাৰ ঠিকনা নাই। অন্য কথাত হয়তো কবিয়ে অস্ত্ৰৰ মাধ্যমেৰে নহয়, বেলটৰ মাধ্যমেৰেহে পৰিৱৰ্তন বিচাৰে।

মই ভালপাওঁ ফুল আকাশ সমুদ্ৰ শিশু আৰু আইক
তুমি কিয় ভালপোৱাৰ সহজ সুন্দৰ নিজৰাত উটাই দিলা মৃতদেহ?

সংকলনখনত ব্যক্তি বিশেষক লৈ লিখা দুটা কবিতা অন্তৰ্ভূক্ত কৰা হৈছে। এটা 'বকুল বনৰ কবিলৈ শ্ৰদ্ধাঞ্জলি' আৰু আনটো 'লেনিন'। 'লেনিন' শীৰ্ষক কবিতাত কবিয়ে লেনিনক 'হে উজ্বল আশীৰ্বাদ' হিচাপে অভিহিত কৰি সমাজ পৰিৱৰ্তনৰ শ্ৰীধাৰা হিচাপে গণ্য কৰিছে আৰু আকুলতাৰে আহ্বান জনাইছে —

তুমি হ'বা নে কি নক্ষত্ৰৰ বৰষুণ এই মৰুভূৰ আন্ধাৰুবালিত
ৰাতিৰ কদৰ্য হাতত দিবা নে কি সৃষ্টিৰ গণ্ডুষ
হে উজ্বল আশীৰ্বাদ
চাওঁ মই হেঁপাহেৰে হাঁহিৰ মুকুতা মোৰ আইৰ কুৰীয়া ওঁঠত

**ননী আছনে ঘৰত** শীৰ্ষক কাব্য সংকলখনৰ একে নামৰ কবিতা **'ননী ঘৰত আছনে'** কবিৰ এটা উল্লেখযোগ্য কবিতা। কবিতাটোত বৰ্ণিত হৈছে স্খলিত নিষ্ঠুৰ সময়ৰ আৰাও —

বতাহজাকত তেজৰ ছিটিকনি আহি আছে
ননী, আছনে ঘৰত
ক'ব পাৰনে অ' তেজৰ ছিটিকনি পৰি আছে
ঘৰত, বিছনাত, পৃথিৱীত/ তেজ, তেজৰ দাগ।

কবিৰ প্ৰায় পয়সত্তৰ বছৰ বয়সত এই কাব্য সংকলনখন প্ৰকাশ পাইছিল। কাব্যগ্ৰন্থখনৰ প্ৰথমটো কবিতা 'হালধীয়া পাত' 'আচলতে একো ঘটা নাই' আদি কবিতাত কবিৰ অভিজ্ঞতালব্ধ স্পষ্টতাৰ প্ৰতিধ্বনিৰ মাজে মাজে হতাশাৰ সুৰো ৰিণি ৰিণি শুনিবলৈ পোৱা যায়।

তোমালোকে মোক টু-টুৱাওঁতেই গ'ল, ষাঠিটা হেমন্ত পাৰ কৰিলো
এতিয়া হালধীয়া পাতে আৰু কি গান শুনিব? (হালধীয়া পাত)
ময়ো একেই আছোঁ

ভাবিছিলো মৰহি পৰা কলিজাবোৰত বুকুৰ মৌৰে ঢৌ তুলি যাম
নিৰবধি কাল, ঋতু, মেঘ মাটিৰ সুৰভি সানি
তজবজ চিকুণ চফল হ'ম (আচলতে একো ঘটা নাই)

'দুখ' শীৰ্ষক কবিতাটোত 'স্থগিত স্বপ্ন'ৰ ইংগিতময়তাৰ মাধ্যমেৰে কবিয়ে অপূৰ্ণতাক বৃদ্ধত্বৰ মাজেৰে সুচাইছে —

দুখৰ হয়তো দুখ থাকে, মোক সি আঙুলিয়াই দেখুৱায়
স্থগিত স্বপ্নবোৰলৈ
ফুলবাৰীৰ মৃন্ময় ৰাজহাঁহজাকৰ নীৰব উচুপনিলৈ
'কাণকটা পুৰাণ'ত —
বুঢ়া হ'লেও মই সাৰে আছোঁ। ক'ৰবাত কিবা এটা হৈছে
মোৰ বুকুৰ গানৰ ওজাহঁতক জগাইছোঁ

একো নজনাৰ দুখ, একো নুবুজাৰ হতাশাৰ মাজেৰে কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত ব্যংগাত্মক প্ৰশ্ৰয়ৰ উকমুকনি দেখিবলৈ পোৱা যায়। 'মই একো জনা নাই' কবিতাত —

মই ক'লো মোৰ ভুল হ'ল
সংকটৰ গোন্ধ ক'ত আছে, ক'ত ক'ত আছে ঘা
ধৰিত্ৰীৰ গাত/মই একো জনা নাই/এতিয়াও,/একো চিনা নাই।
'আমি কোৱাকুই কৰোঁ' কবিতাত —
আমি কোৱাকুই কৰোঁ
বুঢ়া গোঁসাইৰ সতে কেকোৰা দোলাত আহি পাৰ্বতী আয়ে
কেতিয়া সুধিব হয়নে হেৰি, এইখন কি দেশ, দেখিলে চকু জুৰায় ?
'ৰত্নাকৰ' কবিতাত —
তোমালোকে অন্ধ পুৰোহিতক জোনাক পিন্ধাইছা
বুকুৰ আকাস ভাঙি পেলাইছা/তাত শোক নাই, শ্লোক জানো ওলাব ?

কবিৰ কাব্য ৰচনা কাব্য গাঁঠনি ভিত্তিক নহয়, বিষয় ভিত্তিক। কবিয়ে বিষয়ো নিৰ্বাচন কৰিছে আৰু স্পষ্টভাৱে নিৰ্দিষ্ট বিষয়ত নিজস্ব অভিমতো ব্যক্ত কৰিছে। ইস্তাহাৰী ভাষাত নহয়, স্পষ্ট কাব্য ভাষাত। অপশক্তিৰ প্ৰভাৱত জীৱনৰ ছন্দ পতন, নোপোৱাৰ বেদনা প্ৰকাশ, প্ৰাপ্তিৰ বাবে সংগ্ৰামৰ লগতে কবিৰ কাব্য-প্ৰিয় শব্দটোনো

কি, প্ৰতিজন পাঠকৰ জানিবৰ ইচ্ছা হয়। কবিয়ে পাঠকক জনাবলৈ মুঠেও কৃপনালি কৰা নাই —

তুমি বাৰু অনুমান কৰিব পাৰিছানে/মই নিতৌ এটা শব্দকে ভজোঁ
এটা মাত্ৰ শব্দ মোৰ বুকুত শিখা হৈ জ্বলে
নাম তাৰ স্বাধীনতা (স্বাধীনতা)

প্ৰিয় স্বাধীনতাক আজুৰি আনিবলৈ কবিয়ে নিজৰ হাতখন দেখুৱাইছে। কবিৰ হাততেই আছে অসীম বল, স্বাধীনতা আজুৰি অনাৰ পণ —

মোৰ হাতখনলৈ চোঁৱা, তাৰ পৰশত বগা ক'লা হয়,
সি জুই হৈ পোৰে,/তৰোৱালৰ ধাৰৰ দৰে তিৰবিৰায়
বাৰুদৰ দোঁৱা হৈ, লোভৰ খামোচ হৈ/বলিয়াৰ দৰে নাচে। (হাত)

মৃত্যুৰ ওচৰত হাৰ মানিবৰ সময়ত ভৱিষ্যত প্ৰজন্মৰ ওচৰত কবি জবাবদিহি হৈছে 'ছফুট মাটিৰ মালিতা' শীৰ্ষক কবিতাত। যদি তুমি ভৱিষ্যত প্ৰজন্মৰ বাবে একোকেই কৰিব নোৱাৰিলা, আনিব নোৱাৰিলা স্বাধীনতা, তেনেহ'লে কৰিলা কি—

ছফুট মাটিৰ মালিতা গাই নিজকে এবাৰ সোধা
তুমি কোন, তোমাৰ কি উত্তৰাধিকাৰ
কিয় নোৱাৰিলা গাব
প্ৰাণ-মন ওপচোৱা সেই গীত অলকানন্দাৰ

কবি নলিনীধৰ ভট্টাচাৰ্যৰ আলোচিত দুই সংকলনত জীৱনবোধৰ প্ৰতি কবিৰ গুণবাচক দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰ স্ফুৰণ জলজল পটপট। পৰিমিত আৰু ধিয়ান লগা শব্দৰ ব্যৱহাৰে কবিৰ কবিতাক নিজস্ব মাত্ৰা প্ৰদান কৰিছে। লক্ষ্য নিৰ্দ্ধাৰিত বিষয় ভিত্তিক হ'লে কবিৰ কবিতাত কবিৰ স্বাভাৱিক প্ৰাকৃতিক চিন্তাৰ ছন্দপতন ঘটে। কবি নলিনীধৰ ভট্টাচাৰ্যৰ আলোচিত কাব্যগ্ৰন্থ দুখনৰ কবিতা সমূহ নিৰ্দিষ্ট পৰিধিত কবিয়ে আবদ্ধ কৰি ৰখা হেতুকে তেনে ছন্দপতনক একেবাৰে উলাই কৰিব নোৱাৰি। এক অৰ্থত আলোচকে হয়তো এনে ধৰণৰ ছন্দস্খলিত কাব্য চৰ্চাক কাব্য নিৰ্মিতি বুলিও অভিহিত কৰিব পাৰে।○

# নলিনীধৰ ভট্টাচাৰ্যৰ চিন্তাৰ আঁত ঃ প্ৰসংগ ঃ ঐতিহ্য, আধুনিকতা ইত্যাদি

**ড° পৰমানন্দ মজুমদাৰ**

নলিনীধৰ ভট্টাচাৰ্যই জীৱন সামৰিলে। শতবৰ্ষ গৰকিবলৈ পাঁচটা বছৰ থাকোতে তেওঁ আমাৰ মাজৰ পৰা আঁতৰি গ'ল। তিনিটা দশক ধৰি তেওঁক ওচৰতে পাইছিলো। তেওঁক এগৰাকী অভিভাৱক ৰূপেই গ্ৰহণ কৰিছিলো। নানা বিষয়ৰ আঁত বিচাৰি তেওঁৰ মুখামুখি হৈছিলো। বহু বিষয়ৰ জটিলতা ভাঙি দিছিল তেওঁ। তেওঁৰ চিন্তাৰ দ্বাৰা আমি বিপুলভাৱে প্ৰভাৱিত হৈছো। আমাৰ লগত ৰাজপথত মিছিলত তেওঁ খোজ কাঢ়িছিল। আমি সাহ পাইছিলো। আমাৰ কেইবাটাও বৌদ্ধিক কৰ্মত তেওঁ পৰামৰ্শ আগবঢ়াই ধন্য কৰিছিল।

নলিনীধৰ ভট্টাচাৰ্য আছিল একাধাৰে কবি-গীতিকাৰ, সমালোচক, নিবন্ধকাৰ আৰু অনুবাদক। *এই কুঁৱলিতে, চেৰাশালিৰ মালিতা, আহত সপোন, ননী আছনে ঘৰত, বিদায় ফুলৰ দিন, দিনবোৰ সলনি হ'ল*— কবিতা পুথিৰে তেওঁ অসমীয়া কবিতাৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ আলোচনা পুথি *ফুল আৰু মূল, মহৎ ঐতিহ্য* আৰু *বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণাত* আমাক বহু সামাজিক প্ৰশ্নৰ সৈতে মুখামুখি কৰি দিছে। কবিতাৰ বিষয়ে লিখা *কবিতাৰ কথা* আৰু *কবিতা আৰু নেপথ্য* পুথি দুখনতো সামাজিক প্ৰেক্ষাপটতে কবিতাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰিছে তেওঁ। তেওঁৰ সাৱলীল আৰু আকৰ্ষণীয় গদ্যশৈলীৰ বাবে তেওঁৰ অনূদিত গ্ৰন্থ *দুই পুৰুষ, ঈশ্বৰতলাৰ কাহিনী, ডাঃ ঝিভাগো* পুথিকেইখনক পাঠকে আদৰি লৈছে। *ডাঃ ঝিভাগো ৰামধেনুৰ* পাতত ছোৱা ছোৱাকৈ ওলাইছিল। ইতিমধ্যে আৰু দুখনমান তেওঁৰ প্ৰবন্ধ সংকলন সুধীজনে

সম্পাদনা কৰি উলিয়াইছে। *বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৃতি* শীৰ্ষক পুথি এখন তিনি দশক আগতে তেওঁ সম্পাদনা কৰিছিল যিখনৰ সম্পাদনা সমিতিত থাকি আমি বিৰল অভিজ্ঞতা সঞ্চয় কৰিছিলো। বিষ্ণুৰাভাৰ অনেক সংগীক এই সময়তে লগ কৰাৰ সৌভাগ্য হৈছিল।

নলিনীধৰ ভট্টাচাৰ্যৰ চিন্তা-চেতনাৰ উৎস আছিল মানুহ— মানুহৰ পৃথিৱী। দেশৰ সাধাৰণ জনগণৰ উত্তৰণ আছিল তেওঁৰ কাম্য। এই বাবেই তেওঁ অকল কোঠালিৰ পৰিসীমাত থাকি সাধনা কৰা নাছিল। মানুহৰ, দেশৰ সংকটৰ খবৰ পালেই ৰাজপথলৈ ওলাই আহি প্ৰতিবাদী মিছিলত থিয় হৈছিল। ৰক্ষণশীলতাক তেওঁ ঠাই দিয়া নাছিল। সংকীৰ্ণ ভাবাদৰ্শকো কাহানিও প্ৰশ্ৰয় দিয়া নাছিল। মূল্যবোধৰ অবক্ষয়ে তেওঁৰ প্ৰাণত হাহাকাৰৰ সৃষ্টি কৰিছিল। তেওঁ বিশ্বাস কৰিছিল বৰ্তমানৰ সঠিক মূল্যায়ন নহ'লে ভৱিষ্যতৰ পথো সেন্দূৰীয়া নহয়। নিজৰ কবিতাৰ উৎসৰ বিষয়ে ক'বলৈ গৈ তেওঁ লিখিছে ঃ 'শৈশৱ আৰু কৈশোৰৰ অভিজ্ঞতাই মোৰ মনোজগতত ক্ৰিয়া কৰি থাকিলেও বৰ্তমানটোহে মোৰ বেছি জৰুৰী। ক্ৰমাৎ অধঃপতন বেছি হৈ আহিছে যেন লাগিছে। বৰ্তমানে বোধকৰো ভৱিষ্যতৰ ইংগিত দিয়ে। নিজ ভাষা আৰু সংস্কৃতিক, দেশক ভালপোৱাৰ দৰেই ভাল পাব লাগিব; আনহাতে আন্তৰ্জাতিক দৃষ্টিকোণ এটাৰো প্ৰয়োজন আছে। এই ধৰণৰ ভাব-চিন্তা মাজে মাজে মনলৈ আহে। সিয়েই বোধকৰো মোৰ কবিতা নিৰ্মাণৰ উৎস।' ৰাজনীতিৰ পৰা তেওঁ দূৰৈত অৱস্থান কৰা নাছিল। সেয়ে তেওঁ কৈছে ঃ 'যিসকলে নীৰৱে-নিভৃতে মগ্ন-চৈতন্যত নিৰ্মাণৰ চেষ্টা কৰে, তেওঁলোকে ভাবে যে ৰাজনীতিত সোমালেই কবিতাৰ আইন-শৃংখলা ভংগ হ'ব। ই হয়তো বিচ্ছিন্নতাবোধৰ ইংগিত। মই ইয়াৰ বিকল্পৰ অনুসন্ধান কৰিছিলো।'

নলিনীধৰ ভট্টাচাৰ্যক কেৱল এগৰাকী কবি-সমালোচক বুলি তেওঁৰ প্ৰতিভাক সীমিত কৰা হয়। আচলতে তেওঁ আছিল এগৰাকী মননশীল সমাজ বিজ্ঞানী। প্ৰবল আত্মবিশ্বাসেৰে সমাজখনৰ কথাকে তেওঁ কৈ গৈছে। ইতিহাসৰ প্ৰেক্ষাপটত ঘটনাপ্ৰবাহৰ মূল্যায়ন কৰি গৈছে আৰু বস্তুনিষ্ঠতাৰে তেওঁ সংকটৰ স্বৰূপো নিৰূপণ কৰিছে। তেওঁ জানে শ্ৰেণী বিন্যস্ত সমাজত কিদৰে ৰাজনীতি, আইন, সাহিত্য-সংস্কৃতি, বিজ্ঞান সকলো শাসন আৰু শোষণৰ সেৱাত লাগে।

ভাৰতত এহাতে সাম্ৰাজ্যবাদী, আনহাতে সামন্তযুগীয়া ধ্যান-ধাৰণাৰ প্ৰভাৱ জীয়াই ৰাখি পুঁজিবাদে কিদৰে আপোন স্বাৰ্থ ৰক্ষা কৰিছে তাক তেওঁ ফঁহিয়াই চাইছে। ইয়াৰ বাবেই তেওঁৰ ধাৰণাত উচ্চ শিক্ষিত আমোলা, কুশলী বিজ্ঞানী, প্ৰযুক্তিবিদ, সমাজ নেতা— এওঁলোকৰ ৰুগ্ন মানসিকতাত আধুনিক বৈজ্ঞানিক ভাৱধাৰা আৰু সনাতনী বৰ্ণভিত্তিক মনোবৃত্তি একেলগে বসবাস কৰি আছে। যাৰ হাতত ৰূপান্তৰৰ ভাৰ ন্যস্ত, তেওঁৰ মতে, তেওঁলোকৰো বেছিভাগেই মধ্যযুগীয় ধ্যান-ধাৰণাৰ পংকত আকণ্ঠ নিমগ্ন।

প্ৰয়াত ভট্টাচাৰ্যই দেখিছিল— সমাজৰ নিম্নতম স্তৰত অনাহাৰে-অৰ্ধাহাৰে কাল কটোৱা নিৰক্ষৰ ৰুগ্ন, ছিন্নপত্ৰ পৰিহিত অগণন মানুহৰ ওপৰত শোষণ পূৰ্ণমাত্ৰাই চলি আছে। এই শ্ৰেণীৰ মানুহৰ সংখ্যা বেছি। এওঁলোকৰ সহযোগিতা অবিহনে সমাজৰ ৰূপান্তৰ সম্ভৱ নহয়। এই বিপুলসংখ্যক মানুহ ধৰ্ম, ভাষা, বৰ্ণ, জাতি, আঞ্চলিকতা লৈ বিভাজিত— তেওঁলোকৰ মাজত আছে নৈৰাজ্য, অদৃষ্টবাদ, দৈৱনিৰ্ভৰ দৃষ্টি। ভট্টাচাৰ্যৰ ভাষাত, অভিজ্ঞতাই মাজে মাজে তেওঁলোকক সচেতন কৰিলেও এইবোৰৰ প্ৰভাৱত তেওঁলোকৰ সচেতনতা তল পৰে। এনে হৈ থাকিলে শাসকগোষ্ঠীৰ সুবিধা হয়, কাৰণ শাসকশ্ৰেণীৰ লক্ষ্য ব্যক্তিগত সমৃদ্ধি— সামগ্ৰিক সমৃদ্ধি নহয়।

নলিনীধৰ ভট্টাচাৰ্যই লিখি গৈছে যে আমাৰ দেশখন এতিয়াও সাম্ৰাজ্যবাদৰ কবলৰ পৰা মুক্ত নোহোৱাত আমাৰ গ্ৰাম্য অৰ্থনীতি এতিয়াও প্ৰাক্ পুঁজিবাদী স্তৰতে আছে আৰু এই বাবেই মানুহৰ দৃষ্টিভংগী সংকীৰ্ণ হৈ আছে। সেয়ে কল-কাৰখানাৰ শ্ৰমিক, অফিচ-আদালতৰ কৰ্মচাৰীসকলো ব্যক্তিগত, আঞ্চলিক, সাম্প্ৰদায়িক আৰু গোষ্ঠীগত স্বাৰ্থৰ ধাৰণাৰে আচ্ছন্ন হৈ আছে। নগৰীয়া পৰিবেশত প্ৰাচীন ধৰ্মবোধ, ঐতিহ্যপ্ৰীতি কিছু শিথিল হ'লেও দৈনন্দিন জীৱনত তেওঁলোকে পিছে সামন্তযুগীয়া ঐতিহ্যকে সাবটি আছে। এনে হৈ থকাৰ গুৰি বিচাৰি গৈ তেওঁ বংগৰ নৱজাগৰণৰ অন্তৰ্নিহিত দুৰ্বলতাত চকু থৈ তেওঁ কিছু কথা কৈছে. তেওঁ এই জাগৰণক আংশিক আৰু আসোঁৱাহপূৰ্ণ বুলি আখ্যা দিছে। কিয়নো ই সমাজৰ সকলো স্তৰকে স্পৰ্শ কৰিব পৰা নাছিল। তেওঁৰ মতে, ই যে কেৱল মুছলমান জনসাধাৰণক স্পৰ্শ নকৰাকৈ থাকিল এনে নহয়, হিন্দু সমাজৰ বৃহৎ অংশ— যিসকলৰ মাজত আছে কৃষক, কাৰিকৰী বৃত্তিধাৰী সম্প্ৰদায়,

অনুন্নত শ্ৰেণী, নগৰৰ শ্ৰমিক— এই জাগৰণৰ ফল ভোগ কৰিব নোৱাৰিলে। এই জাগৰণ নগৰৰ হিন্দু উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ একাংশৰ মাজতে সীমাবদ্ধ হৈ থাকিল। অৰ্থাৎ এই অগ্ৰগামী শ্ৰেণীটোৱে সমাজ, ধৰ্ম, শিক্ষা-সংস্কাৰৰ আন্দোলনৰ গুৰি ধৰিছিল। সাধাৰণ মানুহৰ তাত ভূমিকা নাছিল। তেওঁ ইংগিত দিছে— আজিৰ ভাৰতবৰ্ষৰ সাধাৰণ শ্ৰেণী পুৰণি ধ্যান-ধাৰণাৰ পৰা মুক্ত হ'ব নোৱাৰাৰ ইও এক কাৰণ। এই ব্যাখ্যা নিঃসন্দেহে তেওঁৰ মৌলিক চিন্তাপ্ৰসূত।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ নেতাসকলৰ দুৰ্বলতাকো ভট্টাচাৰ্যদেৱে এনে অনগ্ৰসৰতাৰ বাবে দায়ী কৰিছে। কিয়নো স্বাধীনতা আন্দোলনৰ নেতাসকলে সাধাৰণ জনসাধাৰণৰ অন্তৰত প্ৰৱেশ কৰিব পৰা নাছিল। তেওঁলোকৰ মাজত নগৰকেন্দ্ৰিক মধ্যবিত্তীয় মানসিকতাহে প্ৰখৰ আছিল। জনসাধাৰণে ইংৰাজৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতি সঁহাৰি দি ক্ৰোধ প্ৰকাশ কৰিছিল। তেওঁ সুন্দৰকৈ ব্যাখ্যা কৰি কৈছে যে স্বৰাজোত্তৰ কালত কিন্তু এই নেতাসকলে এই ক্ৰোধক সাম্ৰাজ্যবাদ আৰু সামন্তবাদ বিৰোধী চেতনালৈ পৰিৱৰ্তন কৰিব নোৱাৰিলে। তেওঁলোক মাথোঁ সুবিধাভোগী এটা শ্ৰেণীলৈ ৰূপান্তৰিত হ'ল।

স্বাধীনতা আন্দোলনৰ নেতাসকলে পাকে-প্ৰকাৰে সামন্তবাদৰ প্ৰশস্তি গাই জনসাধাৰণৰ বিবেকক জাগ্ৰত কৰাৰহে চেষ্টা কৰিলে। ভট্টাচাৰ্যদেৱে গান্ধীকো সমালোচনা কৰি কৈছে যে গান্ধীৰ চিন্তাধাৰাত প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থা প্ৰকট হৈছিল। তেওঁৰ হিন্দু ধৰ্ম প্ৰীতি আৰু যন্ত্ৰ বিমুখতাই জনসাধাৰণৰ চেতনাৰ স্তৰ উন্নীত কৰাত সহায় নকৰিলে। অৰ্থাৎ নেতাসকলৰ প্ৰাচীন ঐতিহ্যৰ নিৰ্বিচাৰ প্ৰশংসাই জনসাধাৰণৰ মানসিক জগতখনৰ উত্তৰণৰ প্ৰতিবন্ধক হৈ পৰিল।

ঐতিহ্যৰ বাটেৰে খোজ দি নতুনৰ পম খেদা লোক আছিল নলিনীধৰ ভট্টাচাৰ্য। ঐতিহ্যৰ 'সত্য'ক গ্ৰহণ কৰাৰ পক্ষত আছিল তেওঁ। সেয়ে ঐতিহ্যৰ বৰ্জনীয়খিনি পেলাই দিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। তেওঁৰ মনো আছিল সংস্কাৰমুক্ত। আমি যিহেতু আধুনিক যুগত খোজ পেলাইছো, সেয়ে তেওঁ ভাবিছিল যে আধুনিকতাৰ ধাৰণাসমূহ স্পষ্ট কৰিবলৈ হ'লে ঐতিহ্যগত ধাৰণাৰ বিশ্লেষণৰো প্ৰয়োজন। অৰ্থাৎ নতুনৰ পম খেদোতে অতীতৰ নিৰ্মোহ মূল্যায়নৰো প্ৰয়োজন। তেওঁ কৈছে যে সংস্কাৰগত আচৰণ আৰু মূল্যবোধজাত আচৰণৰ মাজত পাৰ্থক্য থাকে। সংস্কাৰজাত আচৰণে আধুনিকতাৰ মূল্যায়নত সহায়

নকৰে, কিন্তু মূল্যবোধজাত আচৰণে আধুনিকতাৰ চিনসমূহ উলিওৱাত বাট দেখুৱাব পাৰে। কেতিয়াবা দুয়োটা একাকাৰ হৈ থাকে।

সমাজৰ বস্তুগত পৰিবৰ্তন উপেক্ষা কৰিও যিটো বস্তু অটুট থাকে, তাকেই ভট্টাচাৰ্যদেৱে ঐতিহ্য বুলিছে। তেওঁ কৈছে যে এই ক্ষেত্ৰত ব্যক্তি যদি আত্মসন্তুষ্ট নহৈ আত্মসচেতন হয়, তেন্তে সেই সচেতনতাই কোন ক্ষেত্ৰত কোনটো বিষয় অপৰিৱৰ্তিত অৱস্থাত আছে আৰু তাৰ পৰা কি সংকট হৈছে তাক উপলব্ধি কৰিবলৈ সুযোগ দিয়ে আৰু সেই সম্পৰ্কে সক্ৰিয় হ'বলৈ প্ৰেৰণা যোগায়। সচেতনতা নাথাকিলে কোনটো প্ৰগতি আৰু কোনটো সংকটৰ চিন ধৰিব নোৱাৰি।

ভট্টাচাৰ্যদেৱে এখন ৰচনাত লিখিছে যে বৰ্তমানৰ কাল হৈছে ধনতন্ত্ৰৰ সংকট কাল। এই সময়ত মধ্যবিত্তীয় সংস্কৃতি ক্ৰমাৎ নিস্তেজ হৈ আহিছে। এহাতে নিৰ্জীৱ সংস্কৃতি, আনহাতে সমান্তৰালভাৱে চলি থকা অপসংস্কৃতিৰ অপছতা অসুৰাই দেশৰ যৌৱনক অপ্ৰতিৰোধী কৰি তোলাত অৰিহণা যোগাইছে। ইয়াৰ ফল স্বৰূপে সামাজিক জড়তাই খোপনি পুতিছে। এই জড়তা ভাঙিবলৈ লাগে নতুন সংস্কৃতি। ভট্টাচাৰ্যৰ মতে ইয়াৰ বাবে প্ৰয়োজন দেশ-বিদেশৰ জীৱন্ত ঐতিহ্য। তেওঁৰ দৃঢ় স্থিতি ঃ আজিৰ জীৱন-মৰণৰ প্ৰশ্নটো হৈছে মানৱতা আৰু মাৰাত্মক বৰ্বৰতাৰ, স্বাধীনতা আৰু দাসত্বৰ। এই কথা নুবুজিলে প্ৰতিক্ৰিয়াই শক্তিশালী হ'ব। জীৱন্ত ঐতিহ্যইহে আমাৰ প্ৰগতিশীল যাত্ৰাৰ প্ৰকৃত প্ৰেৰণা হ'ব পাৰে।

জীৱন্ত ঐতিহ্য আৰু ইতিহাস চেতনাৰ কথা কোৱা নলিনীধৰ ভট্টাচাৰ্যৰ স'তে ঘনিষ্ঠ সম্পৰ্ক ৰখা প্ৰত্যেকজনে জানে যে তেওঁৰ ব্যক্তিত্বৰ এক অনুকৰণীয় দিশ হ'ল তেওঁৰ সামাজিক দৃষ্টিভংগী। সমাজৰ প্ৰতিটো ঘটনাই তেওঁক স্পৰ্শ কৰে, যেতিয়া কোনো ঘটনাই তেওঁক পীড়া দিছে, তেতিয়াই তেওঁ তাৰ প্ৰতিক্ৰিয়া ৰাজহুৱাভাৱে ব্যক্ত কৰিছে। লেখক হিচাপে নীৰৱে তাক সহ্য কৰি যোৱাৰ পক্ষত তেওঁ নাছিল। বিভিন্ন সময়ত তেওঁ ব্যক্ত কৰা মতামত আৰু পত্ৰ-পত্ৰিকাত লিখা নাতিদীৰ্ঘ ৰচনাসমূহ চকু ফুৰাই তেওঁক এগৰাকী সমাজচিন্তক বুলি অভিহিত কৰিবলৈ মন যায়। সমাজৰ গতি-প্ৰকৃতি, শিক্ষা, ৰাজনীতি, সংস্কৃতিৰ সাম্প্ৰতিক স্বৰূপ তুলি ধৰিছে তেওঁ। তেওঁ দুৰ্নীতি, সন্ত্ৰাসবাদ আৰু সাম্প্ৰদায়িকতাৰ কদৰ্য আৰু ভয়ংকৰ ৰূপটিও উপস্থাপন কৰিছে আৰু তাৰ

বিৰুদ্ধে মানুহক থিয় হ'বলৈ আহ্বান জনাইছে। সমাজ সচেতনতা তেওঁৰ চিন্তাৰ মূলাধাৰ হৈ পৰিছে।

শিক্ষা হ'ল এখন সমাজৰ বিকাশৰ মূল চাবি-কাঠি। যিখন সমাজত শিক্ষাৰ কোনো থানথিত নাথাকে, সেইখন সমাজ বিপথগামী হোৱাৰ পথ সুচল হৈ থাকে। নলিনীধৰ ভট্টাচাৰ্যই তাক আঙুলিয়াই দি কৈছে যে শিক্ষা ব্যৱস্থাত কেনা লাগিলে তাৰ পৰা উদ্ধাৰৰ বাট নাথাকে। ইয়াৰ কাৰণ হৈছে আমাৰ শিক্ষা ব্যৱস্থাটো, কাৰণ ই আওপুৰণি। যিসকলে শিক্ষা প্ৰদান কৰে, তেওঁলোকৰ অলপো স্বাধীনতা নাথাকে। সেয়ে বিদ্যালয়তে হওক বা মহাবিদ্যালয়তে হওক, সাধাৰণতে নতুন জ্ঞান-চৰ্চাৰ সুযোগ নাথাকে। ছাত্ৰ-ছাত্ৰীৰ মনত কোনো বৌদ্ধিক কৌতূহল গঢ়ি নুঠাৰ কাৰণো এইটোৱেই।

নলিনীধৰ ভট্টাচাৰ্যই আঙুলিয়াই দিছে যে শিক্ষাই আচলতে বিদ্বান আৰু বিত্তমানৰ মাজত পাৰ্থক্য নোহোৱা কৰি পেলাইছে। আচলতে আমাৰ শিক্ষা ব্যৱস্থাটোৱে ল'ৰা-ছোৱালীক বিদ্বানকুলীন (elite) আৰু নগৰমুখীহে কৰি তোলে। তদুপৰি আমাৰ শিক্ষাৰ এক ব্যাধি হৈছে পশ্চিমীয়া আৰ্হিৰ বিশেষীকৰণ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া শিক্ষাৰ প্ৰসাৰণৰ প্ৰতিবন্ধক। তেওঁৰ ভাষাত ঃ

'এজন মানুহ নিজে দক্ষ, সৃজনশীল আৰু সক্ৰিয় হ'ব আৰু নিজৰ ক্ষেত্ৰৰ বাহিৰত সামাজিক-ৰাজনৈতিক সকলো ক্ষেত্ৰতে অজ্ঞতা অসচেতন আৰু নিষ্ক্ৰিয় হৈ থাকিব, এনে এক প্ৰৱণতা আজি দেখা গৈছে।....ব্যক্তিৰ সামগ্ৰিক ব্যক্তিত্ব ইয়াত উপেক্ষা কৰা হৈছে।'

ভট্টাচাৰ্যৰ মতে শিক্ষাৰ এনে গতি হ'বলৈ পাইছে শিক্ষা ব্যৱস্থাৰ এক দাৰ্শনিক ভেটি নোহোৱাৰ কাৰণে। তেওঁৰ মতে আমাৰ শিক্ষাৰ আসোঁৱাহ দুটাঃ

(১) ই আমাক এলিটিষ্ট দৃষ্টিভংগী এটা দিয়ে— ইয়াৰ অধিকাৰী হোৱাৰ পিছত শিক্ষিত মানুহ সৰ্বসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু তেওঁলোক হৈ পৰে শ্ৰমবিমুখ।

(২) ই আমাক মানসিক স্বাধীনতা অৰ্জনত সুযোগ নিদিয়ে। তদুপৰি জীৱন আৰু জগত সম্পৰ্কে স্বতন্ত্ৰভাৱে চিন্তা কৰিবলৈ আমাক নিশিকায়। আচলতে এই শিক্ষা ব্যৱস্থাই আমাক পাশ্চাত্য চিন্তাৰ অনুকৰণ কৰিবলৈহে প্ৰেৰণা দিয়ে।

বৰ্তমান যুগটি প্ৰযুক্তিবিদ্যাৰ বিস্ফোৰণৰ যুগ। প্ৰযুক্তি আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰতি সম্প্ৰতি পৃথিৱী ব্যাপী মানুহৰ চিন্তা-চেতনা কেন্দ্ৰীভূত হোৱা দেখা গৈছে আৰু তাৰ প্ৰভাৱ আমাৰ দেশতো পৰিছে। ভট্টাচাৰ্যই কেইটিমান তাৎপৰ্য দিশলৈ আঙুলিয়াই দিছে। তেওঁ কৈছে কেৱল প্ৰযুক্তিবিদ্যাৰ অন্তৰ্ভুক্তি অথবা তাৰ প্ৰচলনে শিক্ষাৰ উন্নতি নুসূচায়, কিয়নো শিক্ষাৰ লক্ষ্য প্ৰযুক্তি আৰু বৃত্তিৰ মাজত সীমাবদ্ধ হ'ব নোৱাৰে। লক্ষ্য হোৱা উচিত সত্যৰ অনুসন্ধান আৰু উপলব্ধিৰ জৰিয়তে সমাজৰ যুক্তিৰ অন্তৰায়সমূহ দূৰ কৰিব পৰা চৰিত্ৰ অৰ্জনহে। তেওঁৰ মতে এই দ্বিধাগ্ৰস্ততাৰ কাৰণ হ'ল প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমাৰ দেশীয় পৰিস্থিতি অধ্যয়ন হোৱা নাই। ফল স্বৰূপে আমাৰ দক্ষ আৰু অদক্ষ হাত নিষ্ক্ৰিয় কৰি তোলাত ই ইন্ধন যোগাইছে। সেই বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফল এচাম মানুহে ভোগ কৰাৰ সুযোগো ল'ব পৰিছে। প্ৰকৃততে শিক্ষাৰ উদ্দেশ্য কেৱল দক্ষ কৰ্মী সৃষ্টি কৰাই হ'ব নালাগে, সেই দক্ষ কৰ্মীক মানুহো কৰি তুলিব পাৰিব লাগে। নিঃসন্দেহে ভট্টাচাৰ্যদেৱৰ এই ধাৰণা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। যুক্তিনিষ্ঠতাৰ বাবে তেওঁ ক'ব পাৰিছে— 'বিজ্ঞান আৰু প্ৰযুক্তি মানুহৰ মংগলৰ কাৰণে ব্যৱহাৰ হৈছে নে নাই, সেয়েহে চাবলগীয়া দিশ।' তেওঁৰ আক্ষেপ হ'ল— 'বিজ্ঞান এতিয়াও আমাৰ জীৱনৰ অংগ নহ'ল।'

উচ্চ শিক্ষাৰ ভূমিকা সম্পৰ্কে ভট্টাচাৰ্যৰ ধাৰণা হ'ল আমাৰ শিক্ষাৰ লক্ষ্য হৈছে চাকৰি লাভ। গতিকে তাত ডিগ্ৰীৰ মূল্যই বেছি। এয়া হ'ল ঔপনিৱেশিক শিক্ষা পদ্ধতিৰ ফল। ডিগ্ৰীৰ প্ৰতি আকৰ্ষণ বেছি হোৱা গতিকে স্বাধীন চিন্তাৰ বিকাশ নঘটে। বিশ্ববিদ্যালয়ৰ ভূমিকা হ'ব লাগে গৱেষণাৰ ক্ষেত্ৰ মুকলি কৰাহে। তাত ডিগ্ৰী প্ৰদানৰ দায়িত্ব আচলতে গৌণ। কিন্তু আমাৰ দেশত তাৰ ওলোটা দৃশ্যহে দেখা যায়। তেওঁ বুজাব খুজিছে আমাৰ দেশত সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীয়েই বিশ্ববিদ্যালয় পায়গৈ যাৰ ফল স্বৰূপে উচ্চ শিক্ষাৰ উদ্দেশ্যই বিঘ্নিত হৈছে।

নলিনীধৰ ভট্টাচাৰ্যৰ ধাৰণাত অন্তৰ্জীৱন উজ্জ্বল নহ'লে কোনো মানুহেই সভ্য সমাজ এখন নিৰ্মাণ কৰিব নোৱাৰে। সেয়ে শিক্ষক বা ছাত্ৰই সিদ্ধি লাভ কৰিবলৈ হ'লে আত্মসন্মান, আত্মবিশ্বাস আৰু আত্মবিশ্লেষণৰ অধিকাৰী হোৱা প্ৰয়োজন।

শিক্ষাই সমাজত এক সুস্থ জীৱনবোধ গঢ়ি তুলিব লাগে। কিন্তু আমাৰ প্ৰচলিত শিক্ষাই আমাৰ মাজত তেনে এক বোধশক্তি সৃষ্টি কৰিব পৰা নাই। পৰা নাই এক গণতান্ত্ৰিক আৰু মানৱীয় মূল্যবোধৰ ভেটি নিৰ্মাণ কৰিবও। ইয়াৰ ফলত অতি সম্প্ৰতি আমাৰ সমাজত নানা তৰহৰ আহুকালে দেখা দিছে। দুৰ্নীতিৰ কৱালগ্ৰাসত সমাজ ছিন্ন-ভিন্ন। এহাতে জাতিভেদ, অস্পৃশ্যতাই আমাক অহৰহ পিছলৈ টানিব লাগিছে, সি আজিও নিৰ্মূল নহ'ল। আনহাতে হিংসা-অসূয়াৰ নিতৌ ন ন ৰূপে সমাজখন এনেদৰে ক্ষত-বিক্ষত কৰিব লাগিছে, য'ত সমাজৰ একতাৰ ঠাই অধিকাৰ কৰিছে বিচ্ছিন্নতাবোধ আৰু সাম্প্ৰদায়িকতাই। ই ভাৰতীয় সংহতিকে বিপদাপন্ন কৰিছে। তাক নিৰ্মূল কৰাৰ অৰ্থে এক বলিষ্ঠ ৰাজনৈতিক সংস্কৃতিও গঢ়ি নুঠিল। আমি হ'লোগৈ নানা তৰহৰ কুসংস্কাৰ আৰু ধৰ্মীয় সংস্কাৰ বৰ্তাই ৰখাৰ পক্ষপাতী। আনহাতে আমাৰ সংস্কৃতিৰ নেতৃত্ব বহনকাৰী মধ্যবিত্ত আজি বিভ্ৰান্ত। সমাজত প্ৰৱহমান দ্বন্দ্ব সম্পৰ্কে তেওঁলোক অৱহিত নহয়। স্বাধীনতাৰ প্ৰকৃত অৰ্থ আমিও অনুধাৱন কৰিব পৰা নাই। ভট্টাচাৰ্যৰ দৃষ্টিভংগী এইটোৱেই। তেওঁৰ দৃষ্টিৰে চাই আজি আমি এই কথাও লক্ষ্য কৰিছো যে ভাৰতীয় সংহতি বিপদাপন্ন কৰাৰ এক ৰাজনৈতিক প্ৰচেষ্টাও প্ৰবল হ'ব লাগিছে।

ভট্টাচাৰ্যই লিখিছে যে আধুনিকতাৰ অৰ্থ কেৱল সৎ হোৱাটো নহয়, এক বৌদ্ধিক বিশ্লেষণ শক্তি অৰ্জন কৰা যদিও আধুনিকতাৰ লক্ষ্য নহয়, তেন্তে ক্ৰমে জটিল হ'বলৈ ধৰা সমাজৰ আসোঁৱাহবোৰ আমি ধৰিব নোৱাৰিম। তদুপৰি আধুনিকতাৰ মানে হ'ল সকলো সমস্যাকে খণ্ডিতভাৱে নাচাই সামগ্ৰিকভাৱে চোৱাটো। সেয়ে ক'ব পাৰি— আধুনিক সংস্কৃতি এহাতে হ'ব লাগিব সৰল-সহজ আৰু সুন্দৰ। আনহাতে হ'ব লাগিব বাস্তৱভিত্তিক, সামগ্ৰিক আৰু বিজ্ঞানসন্মত। আকৌ ভট্টাচাৰ্যৰ মতে স্বাধীনতাৰ অৰ্থ হ'ল সংযম, সহানুভূতি আৰু পাৰস্পৰিক বুজাবুজিৰ মাজেদি দেশৰ বিকাশ। কিন্তু এনে স্বাধীনতা আহিব কেনেকৈ? তেওঁৰ মতে মানৱীয় প্ৰমূল্য অবিহনে এনে স্বাধীনতা আমাৰ মাজলৈ আহিব নোৱাৰে।

হিংসা বা সন্ত্ৰাস কোনো সমস্যাৰে সমাধানৰ আশ্ৰয় হ'ব নোৱাৰে। যিসকল যুৱক এনে কাৰ্যত প্ৰবৃত্ত হৈছে তেওঁলোকৰ আচৰণ, বিক্ষোভ তথা আনন্দ-উল্লাসৰ মাজত আছে কেৱল অপৈণত মনৰ বিকৃত ৰুচিবোধ। সন্ত্ৰাসবাদৰ এই বিষময় ৰূপৰ বিশ্লেষণ তুলি ধৰি ভট্টাচাৰ্যই লিখি গৈছে যে ক্ৰোধ আৰু

হতাশাই মানুহক অযুক্তিকৰ উত্তেজনাৰ সৃষ্টি কৰে আৰু সি সন্ত্ৰাসবাদৰ দৰেই এটা আত্মঘাতী কাৰ্য কৰিবলৈ আগবঢ়াই দিয়ে। তেওঁৰ ধাৰণাত সন্ত্ৰাসবাদ নিজেই এটা ব্যাধি নহয়, ই ব্যাধিৰ লক্ষণহে। ইয়াৰ কাৰণ নিহিত থাকে আমাৰ ৰাজনীতি, অৰ্থনীতি আৰু সমাজত। অসমত উদ্ভৱ হোৱা ইয়াৰ ভয়ংকৰ ৰূপটোৰ প্ৰসংগত তেওঁ এই বুলি উল্লেখ কৰিছে— বহুকলীয়া ৰাজনৈতিক উদাসীনতা আৰু জাতিদম্ভজনিত উগ্ৰতাই আচলতে অসমৰ নানা জাতি-উপজাতিৰ মাজত আত্মনিয়ন্ত্ৰণ আৰু স্বাতন্ত্ৰ ৰক্ষাৰ প্ৰতিযোগিতা তীব্ৰ কৰি তুলিছে।

ভট্টাচাৰ্যৰ মতে সন্ত্ৰাসবাদৰ ভিত্তি হ'ল আবেগ আৰু উত্তেজনা। এই বাবে ইয়াৰ কিবা খোপনি থাকিলেও ই মুহূৰ্ততে লক্ষ্যভ্ৰষ্ট হয়। কিন্তু সন্ত্ৰাস নিৰ্মূল হ'ব কেনেকৈ? তেওঁৰ মতে সন্ত্ৰাসবাদৰ দৰে বিষাক্ত গছৰ শিপা উভালিব পাৰে ৰাইজেহে। ৰাইজক উদ্বুদ্ধ কৰিব ৰাজনৈতিক দলে। তেওঁৰ ভাষাত— 'ভৱিষ্যতৰ বিং যি ৰাজনীতিয়ে নুশুনে, সেই ৰাজনীতি স্বাৰ্থান্বেষী, সি বিষবৎ পৰিত্যাজ্য। সেই বাবে ৰাজনীতিয়ে পৰিৱৰ্তনৰ বাবে কাম কৰিব লাগিব। নীতিহীন, বৰ্বৰ ৰক্তপাত চলি থাকিবলৈ গণতন্ত্ৰ বিপৰ্যস্ত হ'ব আৰু দেশৰ পৰা শান্তি-সম্প্ৰীতি অন্তৰ্হিত হ'ব। এনে অৱস্থা কাৰো কাম্য নহয়।'

অন্ধবিশ্বাস, কুসংস্কাৰ আদি হ'ল সমাজৰ প্ৰগতিৰ অন্তৰায়। তেনেদৰে অন্তৰায় হ'ল ধৰ্মক আলম কৰি গঢ়ি উঠা মৌলবাদ। কেৱল অন্তৰায় বুলি ক'লে ইয়াৰ বিষাত্মক আগ্ৰাসী ৰূপটিৰ ইংগিত দিব নোৱাৰি। তাতোকৈ ক'ব পাৰি মৌলবাদে সমাজৰ আবেগিক বান্ধোনক ভাঙি-ছিঙি সমাজখনক বিপথগামী কৰি তোলে। সাম্প্ৰতিক ভাৰতত প্ৰাদুৰ্ভাৱ ঘটা এই বিষয়কেইটা ভট্টাচাৰ্যই জৰুৰী আলোচনাৰ বিষয় হিচাপে গণ্য কৰিছে। অন্ধবিশ্বাসৰ উৎপত্তিৰ ইতিহাস বিবৰি তেওঁ কৈছে ইতিহাসৰ প্ৰাচীন পৰ্যায়ত অজ্ঞতাৰ হেতু মানুহৰ মাজত নানা ধৰণৰ অদ্ভুত কল্পনাই ঠাই লৈছিল, কাৰণ তেতিয়া জাগতিক ঘটনাৰ কাৰ্যকাৰণৰ যি সম্পৰ্ক তাৰ ৰহস্য উদ্‌ঘাটন কৰাৰ ক্ষমতা মানুহৰ নাছিল। অন্ধবিশ্বাসৰ অংকুৰণ হৈছিল এনে পটভূমিতে। কিন্তু আজি সমাজ আৰু সেই স্তৰত নাই, জাগতিক ঘটনাসমূহৰ ব্যাখ্যা দিয়াটো আজি সম্ভৱপৰ হৈছে। গতিকে পুৰণি বিশ্বাস খামুচি ৰখাৰ কোনো কাৰণ থাকিব নোৱাৰে। বস্তুনিষ্ঠ, বৈজ্ঞানিক দৃষ্টিভংগীৰে চাই-চিতি আমি গ্ৰহণ-বৰ্জনৰ সিদ্ধান্তলৈ আহিব লাগে।

ধৰ্মৰ ভূমিকাকো ভট্টাচাৰ্যই যুক্তিনিষ্ঠভাবে চাবলৈ আবেদন জনাইছে। তেওঁ অৱশ্যে ধৰ্মক একেবাৰে সমাজৰ পৰা উৎখাত কৰাৰ কথা কোৱা নাই, হয়তো বৰ্তমানৰ সময়ত সেয়া সম্ভৱ নহয় বুলি তেওঁ ভাবিছে। তেওঁ কৈছে— ধৰ্মত পৰলোকৰ প্ৰশ্নই প্ৰধান হৈ পৰে আৰু ধৰ্ম আচলতে আশ্ৰয়হীনৰ আশ্ৰয়, গ্ৰহ-নক্ষত্ৰৰ কল্পনা বা অদৃষ্টবাদী চিন্তাই মানুহক সান্ত্বনা দিয়ে, কিন্তু এই সান্ত্বনা খন্তেকীয়া। তেওঁৰ মতে ব্যক্তিগতভাৱে যিসকলে পূজা-উপাসনা কৰে, তাত আপত্তি কৰিবলগীয়া নাথাকে। কিন্তু যেতিয়া ধৰ্ম ৰাজনীতিৰ আৱৰণ হয়গৈ, তেতিয়া ধৰ্মৰ ভূমিকাও ভয়ংকৰ হৈ পৰে। এনে প্ৰদৰ্শনে অন্য ধৰ্মাৱলম্বী লোকৰ মনত ঈৰ্ষা জন্মায়। অযোধ্যাৰ ঘটনাৱলীক তেওঁ এই দৃষ্টিভংগীৰে চাবলৈ যত্ন কৰিছে। তেওঁৰ মতে আজিৰ ভাৰতবৰ্ষত ৰাম জনমভূমিক লৈ যি ৰাজনৈতিক আন্দোলন হৈছে, সেই আন্দোলনৰ ঘাই কাৰণ হ'ল ধৰ্ম বিশ্বাসক ৰাজনীতিৰ লগত সনাপোটকা কৰাটো। এনে ধৰণৰ ৰাজনীতিয়েই মৌলবাদী ৰাজনীতি। ভাৰতৰ বস্তুনিষ্ঠ ঐতিহাসিকসকলৰ দৰে তেৰোঁ কৈছে— *ৰামায়ণৰ* কোনো ঐতিহাসিক ভিত্তি নাই আৰু অযোধ্যাও ৰামৰ প্ৰকৃত জন্মভূমি নহয়, ই মাথোন বাল্মীকি কল্পিত স্থানহে। তেওঁৰ মতে, *ৰামায়ণক* ধৰ্ম, ইতিহাস আৰু শেষত ৰাজনীতিৰ স্তৰলৈ নমাই অনাৰ অৰ্থ হ'ল *ৰামায়ণৰ* সাহিত্যিক ঐশ্বৰ্যৰ অৱমাননা কৰা বা অপমৃত্যু ঘটোৱা।

ভট্টাচাৰ্যদেৱে লিখিছে— মৌলবাদী আৰু সাম্প্ৰদায়িক শক্তিৰ প্ৰৰোচনাত বাবৰি মছজিদৰ ধ্বংস কৰা হ'ল। ধৰ্মীয় অনুভূতিৰ ফালৰ পৰা মাত্ৰ নহয়, প্ৰাচীন কীৰ্তিচিহ্নৰ দিশৰ ফালৰ পৰা চালেও এই কাৰ্য এক অক্ষমণীয় অপৰাধ আৰু ইতিহাসত ই এক কলংকিত অধ্যায় হৈ থাকিব। তিনি দশক আগতে কোৱা তেওঁৰ দৃষ্টিভংগী আজিও বৰ প্ৰাসংগিক হৈ আছে। তেওঁ লিখিছিল ঃ 'স্বাধীনতাৰ চল্লিশ বছৰৰ পিছতো ধৰ্মান্ধতা আৰু কুসংস্কাৰে মানুহক বিপথে লৈ গৈছে। দেশ খণ্ড খণ্ড হৈছে। মূল্যবৃদ্ধি, মুদ্ৰাস্ফীতি, দুৰ্নীতি দৈনন্দিন বিভীষিকা হৈ পৰিছে। ৰাজনীতি কলুষিত, ৰাজনীতিজ্ঞসকলৰ দলীয় স্বাৰ্থ ৰক্ষাৰ ইচ্ছা, নীতিহীনতা, হৃদয় আৰু মগজুৰ চৰ্চাৰ প্ৰতি চৰম উদাসীনতা আৰু ইতিহাস বিমুখতাই পৰিৱেশ সংকটপূৰ্ণ কৰি তুলিছে। বাস্তৱবোধহীন, বিচ্ছিন্ন, আমোলাৰ হাতত পৰিকল্পনাৰ ভাৰ পৰাত ৰাইজৰ কল্যাণ অৰণ্যৰোদনত পৰিণত হৈছে। ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ

মাজত বিচ্ছিন্নতা বাঢ়িছে। ইয়াৰ ফলত অসন্তুষ্টি আৰু বিক্ষোভৰ সৃষ্টি হৈছে।'

মাৰ্ক্সীয় দৃষ্টিভংগীৰ পোহৰতে নলিনীধৰ ভট্টাচাৰ্যই সমাজখনক চাইছিল আৰু সংকটৰ স্বৰূপ নিৰ্ণয় কৰাৰ যত্ন কৰিছিল। তেওঁৰ ধাৰণাত সমাজৰ সমস্যাৰাজিৰ প্ৰকৃত মূল্যায়ন আৰু সমাধানৰ পথ সন্ধান মাৰ্ক্সীয় দৃষ্টিভংগীৰেহে সম্ভৱ। সেয়ে তেওঁ মাৰ্ক্সীয় মতবাদ আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত কৰাৰো পক্ষপাতী। এই দৃষ্টিভংগীৰে সমাজখনক বিশ্লেষণ কৰি তেওঁ অনুভৱ কৰিছে যে শ্ৰেণীবিভক্ত সমাজৰ স্বৰূপ। তেওঁ লিখিছে যে পুঁজিবাদী অৰ্থনীতিত ক্ৰমে মানুহৰ মূল্য নোহোৱা হ'ব ধৰিছে— এই ব্যৱস্থাত ধনেই হ'ল মুখ্য। মানুহৰ শ্ৰম্য ইয়াত মুক্ত নহয়, শ্ৰম মানুহৰ পৰা আদায় কৰা হয় বলপূৰ্বকভাৱে। শ্ৰমিকৰ শ্ৰমৰ ফল আনৰহে ভোগ্য হয়গৈ।

নলিনীধৰ ভট্টাচাৰ্য আছিল মানুহৰ কবি। তেওঁৰ বিচৰণভূমি আছিল কেৱল মানুহ। তেওঁ বিচাৰিছিল মানুহৰ আশ্ৰয়। কাৰণ তেওঁ বুজি পাইছিল মানুহৰ মাজতেই আছে তেওঁৰ কবি সত্তাৰ আচল পৰিচয়। এই বাবেই তেওঁ গাব পাৰিছিল ঃ

আজি ৰাতি
মোক তোমালোকৰ কবি কৰা
তোমালোক সূৰ্য
এদিন উদয় হ'বা,
মোক তোমালোকৰ কবি কৰা
তোমালোক পদুম ফুল
এদিন ফুলিবা,
মোক তোমালোকৰ কবি কৰা
তোমালোক ধুমুহা
এদিন প্ৰচণ্ড গতিৰে যাবা,
আজি ৰাতি
মোক তোমালোকৰ কবি কৰা
তোমালোক দৃষ্টি
এদিন ভৱিষ্য চিনি পাবা।

কবিয়ে আহ্বান জনায় মাথোঁ ঃ
তোমালোক শুই আছা যদি উঠা
চকু মুদি আছা যদি চকু মেলা
হে মানুহ
তুমি মানুহৰ দৰে খোজ কাঢ়িবলৈ শিকা
জীৱন মহাজীৱনক হ'ক, মৰণ শান্তিৰ সুষমা হ'ক
উপচি পৰক
মহিমাৰে, গোৱা এটি গান, তাত প্ৰাণ আছে
গঢ়া, পৃথিৱীখন, জোনাকী কাৰেঙৰ দৰে গঢ়া

আৰু সেয়ে তেওঁ পুৰণিৰ পোহৰ নোসোমোৱা প্ৰাচীৰখন দেখুৱাই দিব খোজে মানুহক। দেখুৱাই দিব খোজে বৰ্তমানৰ সংকটৰ আৰ্তনাদো। তেওঁৰ কবিসত্তাই হাহাকাৰ কৰি উঠে ঃ

মোৰ বুকুৰ মাজত চকুকেইটা সুমুৱাই থ'লো
ভৰি পিছলৈ দি খোজ কাঢ়িলো
ডিঙিত আঁৰি ল'লো মানুহৰ মূৰ
মোৰ এখন হাতত প্ৰাচীন পুৰণি মদ
আনখন তেজৰে তুলাচনী
অথচ মই ভাবিছিলো, ময়েই সাজিম সেই ঘৰটো
যিটোৱে আকাশ চুব
নক্ষত্ৰৰ পোহৰেৰে উজ্জ্বল হ'ব প্ৰতিটো কুঠৰি।

নলিনীধৰ ভট্টাচাৰ্যৰ দুটি উক্তিৰ মাজত আমি বিচাৰি পাওঁ তেওঁৰ জীৱন দৰ্শন ঃ

'আমাৰ সকলো প্ৰযত্নৰ লক্ষ্য হ'ব লাগিব মানুহ, শ্ৰমজীৱী মানুহ, যাৰ ভাষা, অস্তিত্ব, মেধা, উদাৰতা আৰু অন্যায়বিৰোধী চৰিত্ৰ আমাৰ সকলো কৰ্মৰ উৎস হ'ব লাগিব। এয়ে সংযুক্তিৰ সেন্দুৰীয়া আলি। এই আলিয়েদি গ'লেহে কোনটো চিন প্ৰগতিৰ সেইটো ধৰা পৰিব। এই বাটত ভৰি দিলেই সকলোৱে গম পাব, জীৱন সম্পৰ্কে বিজ্ঞানসন্মত দৃষ্টি কি?'

আকৌ তেওঁ কৈছে ঃ

'আমি উত্তৰ বিচাৰিব লাগিব সেই প্ৰাথমিক প্ৰশ্নটোৰ, যি সম্পদ এদিন সকলোৰে উমৈহতীয়া আছিল, সি কেনেকৈ মুষ্টিমেয়ৰ হাতত পৰিলগৈ। এই ঐতিহাসিক চেতনা অৰ্জন কৰাটো আমাৰ ঘাই লক্ষ্য হোৱা উচিত।'

আৰু সেয়ে তেওঁ লেখক আৰু শিল্পীসকলক উদ্দেশ্যি আবেদন জনাইছেঃ

'নিৰ্যাতিত জনসাধাৰণেই দেশৰ আটাইতকৈ ডাঙৰ সম্পদ; এই সম্পদ যদি জড় হয়, তেন্তে এক শ্ৰেণীৰ ব্যক্তিগত ভোগ দখল অব্যাহত হৈ থাকিব আৰু এই সম্পদ যদি সচেতন হয়, তেন্তে সকলো ধৰণৰ সামগ্ৰিক নিৰ্মাণেই সম্ভৱ হ'ব। এই দুটা দৃষ্টিভংগীৰ ভিতৰত লেখকসকলে বাছি ল'ব লাগিব পিছৰটো— তেতিয়াহে ভাৰতৰ দৰে এখন অনুন্নত দেশত সচেতন আৰু সংগ্ৰামী ঐক্যই গঢ় ল'ব আৰু উত্তৰণৰ বন্দৰ ক্ৰমে মণিব পৰা হৈ আহিব।....এইবোৰ মানুহৰ পদূলিত যি ক্ষুধাৰ কিৰিলি মন দি শুনা নাই, তেন্তে ধূৰ্ত বিচ্ছিন্ন আৰু বিলাসী। চিকমিকনিয়েই সৌন্দৰ্য নহয়, আচলতে এইবোৰ নিৰ্যাতিত মানুহৰ মাজত বিচাৰি পোৱা আশা, আনন্দ, মানৱতা, দুখ জয়ৰ মনোভাৱ— তেওঁলোকৰ বহুদিনীয়া মালিন্য অন্ত পেলাব পৰা দৃঢ়তাৰ সূক্ষ্ম ছবিয়েহে সৌন্দৰ্যৰ ব্যঞ্জনা কৰে। শিল্পী-সাহিত্যিক সেই সৌন্দৰ্যৰ অন্বেষণত প্ৰবৃত্ত হ'ব লাগে।' ⏭

**প্ৰসংগ পুথি আৰু প্ৰবন্ধ ঃ**

১. *বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা*, ১৯৮৭

২. *মূল আৰু ফুল*, ১৯৮৩

৩. 'শিক্ষা, শিক্ষক আৰু শিক্ষাৰ্থী', *শাৰদীয় শ্ৰীময়ী*, অক্টোবৰ, ১৯৯৩

৪. 'হিংসা নে সহানুভূতি', *আৱাহন*, জুলাই-ছেপ্টেম্বৰ, ১৯৯১

৫. 'গণতন্ত্ৰ আৰু সাংস্কৃতিক অৱক্ষয়', *ৰূপান্তৰ*, অষ্টম সংখ্যা, ১৯৮৯

৬. 'সংযুক্তি আৰু বিযুক্তি', *নতুন পৃথিৱী*, তৃতীয় বছৰ, দ্বিতীয় সংখ্যা

৭. 'ভাষা-সংস্কৃতি প্ৰসংগত ঃ এটি টোকা', *কল্লোল*, জানুৱাৰী-ফেব্ৰুৱাৰী, ১৯৮০।○

# কবি নলিনীধৰ ভট্টাচাৰ্য

**অৰিন্দম বৰকটকী**

ড° হীৰেন গোহাঁইৰ বিষয়ে লিখিবলৈ গৈ নলিনীধৰ ভট্টাচাৰ্যই এবাৰ কথা লিখিছিল, 'কিয় জানো ক'ব নোৱাৰো হীৰেন গোহাঁইক আজিও মোৰ ডেকা ডেকা লাগে।' নলিনীধৰ ভট্টাচাৰ্য যি মোতকৈ বয়সত ৫৫ বছৰ ডাঙৰ, তেওঁকো মোৰ ডেকা ডেকা লাগে। নতুন লেখক, সাহিত্য আৰু সাহিত্য তত্ত্বৰ প্ৰতি থকা আগ্ৰহ আৰু কৌতূহলৰ বাবে সমাজ জীৱনৰ বিভিন্ন পৰিৱৰ্তন আৰু উত্থান-পতনৰ প্ৰতি থকা আন্তৰিক মনোযোগৰ বাবে, সমাজৰ অৱক্ষয় দেখি অনুভৱ কৰা তাৰুণ্যময় বিষাদৰ বাবে সমাজখন আকৌ ভাল হ'ব — বিশ্বাসৰ সেই সৰল স্বতঃস্ফূৰ্ততাৰ বাবে। আজিৰ পৰা দহ বছৰ আগতে সাতসৰী আলোচনীৰ বাবে এটা সাক্ষাৎকাৰ গ্ৰহণ কৰিবলৈ গৈ নলিনীধৰ ভট্টাচাৰ্যক মই প্ৰথমবাৰৰ বাবে ওচৰৰ পৰা পাইছিলো। সেইদিনা মিলান কুন্দেৰাৰ উদ্ধৃতি দি তেওঁ কৈছিল We are living in the time of terminal paradoxes। এই যে উলাই কৰি নিদি বৈপৰীত্যৰ প্ৰতি মনোযোগ, বা শেহতীয়া স্পেনিছ উপন্যাস কোনে ভাল লিখিছে, তাৰ প্ৰতি ৮৫ বছৰ বয়সতো আগ্ৰহ বা যেতিয়া গম পাওঁ ৯২ বছৰ বয়সত তেওঁ ম'বাইল ফোন কিনিছে, লিখি উলিয়াইছে 'তোমালৈ'ৰ দৰে অনন্য সাধাৰণ প্ৰেমৰ কবিতা, তেতিয়া মই নিশ্চিত হওঁ যে এইজন ব্যক্তিৰ ওচৰত বয়সে হাৰ মানিছে। তেওঁৰ এই সঞ্জীৱনী শক্তিৰ আধাৰ তেওঁৰ স্বভাৱৰ সৰলতা, উদ্দেশ্যৰ সততা আৰু আদৰ্শৰ প্ৰতি থকা দায়বদ্ধতা।

নলিনীধৰ ভট্টাচাৰ্যৰ প্ৰথম পৰিচয় কবি নে সমালোচক ঠিৰাংকৈ ক'ব নোৱাৰিম। সমালোচনাৰ ক্ষেত্ৰত তেওঁ বিশ্ব সাহিত্যৰ ধ্যান-ধাৰণাৰে অসমীয়া সাহিত্যৰ সপ্ৰশংসক। কবিতাৰ ক্ষেত্ৰত তেওঁৰ উপলব্ধি সমাজ সমালোচকৰ উপলব্ধিৰ প্ৰতিফলন। এই দুয়োটা কথাই তেওঁৰ সাহিত্য প্ৰতিভাক কেতিয়াবা সীমাবদ্ধ

কৰিছে, কিন্তু এই দুয়োটা কথাৰ বাবে তেওঁ অসমীয়া সাহিত্যৰ এজন দায়িত্বশীল অভিভাৱকৰ পৰিচয় লাভ কৰিছে। নলিনীধৰ ভট্টাচাৰ্যৰ লিখনি পঢ়িলেই মই, আমি অনুভৱ কৰো পৃথিৱীৰ ধূলিকণা এইজন লেখকৰ বৰ আপোন আছিল। চফ্ৰাই বাগানত শৈশৱ কটোৱা নলিনীধৰ ভট্টাচাৰ্যৰ ঘৰৰ সন্মুখত হেনো দুজোপা বৰ ওখ সৰল গছ আছিল। সেই গছ দুজোপা দেখিলেই হেনো তেওঁৰ ভাতৃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কয় 'আমি ইমান ওখ হ'ব পাৰিমনে?' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই লিখিছিল আমি দুয়ো ভাবিছিলো বৰ ওখলৈ উঠি যোৱাটোৱেই আচল জীৱন। পৰৱৰ্তী সময়ত ব্যক্তি হিচাপে দুয়োজনেই বৰ ওখলৈ গৈছিল — এজন সমাজবাদী দৃষ্টিকোণেৰে, আনজন সাম্যবাদী আদৰ্শৰে। নলিনীধৰ ভট্টাচাৰ্যই বিশ্বাস কৰিছিল সংস্কৃতিৰ লগতে মানুহো কবিতাৰ প্ৰসংগ হ'ব পাৰে। সংস্কৃতি আৰু মানুহৰ সংগমতহে কবিতাৰ ফুল ফুলে। চফ্ৰাই বাগিচাৰ ওখ, সৰল দুজোপাৰ তলত শৈশৱতে নলিনীধৰ ভট্টাচাৰ্য আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সাম্ৰাজ্যবাদী লুণ্ঠনৰ কথা বুজি নাপালেও শ্ৰমিক জীৱনৰ যন্ত্ৰণা আৰু দুৰ্দশা দেখি উপলব্ধি কৰিছিল যে চৌপাশৰ জীৱন মসৃণ নহয়। তেনে বাস্তৱ জীৱনৰ প্ৰতি সংবেদনশীল এইজন কবিৰ আৱাহনত প্ৰকাশ পোৱা প্ৰথমটো কবিতাৰ নাম আছিল 'দুখীয়া'। সেই উপলব্ধিৰ নলিনীধৰ ভট্টাচাৰ্য গোটেই জীৱনজুৰি হৈ পৰিছিল বৰ্তমানৰ পৰ্যবেক্ষক — কবি হিচাপেও, সমালোচক হিচাপেও।

নলিনীধৰ ভট্টাচাৰ্যৰ এতিয়ালৈকে পাঁচখন কাব্য-সংকলন প্ৰকাশ পাইছে। এই কুঁৱলিতে (১৯৭৯), চেৰাশালিৰ মালিতা (১৯৮৩), আহত সপোন, ননী আছনে ঘৰত, (১৯৯৬), বিদায় ফুলৰ দিন (২০০1) দিনবোৰ সলনি নহ'ল (২০০৩) — সংকলনসমূহৰ নামসমূহ সময় আৰু পৰিস্থিতি নিৰ্দেশবোধক। Christopher Caudwell ৰ এষাৰ কথা নলিনী ভট্টৰ ক্ষেত্ৰত বৰকৈ খাটে — Art changes the emotional content of man's consciousness so that he can react more subtly and deeply to the world. নলিনী ভট্টাচাৰ্যৰ কবিতাৰ ভেটি সমাজ, সাম্যবাদী আৰু সমাজবাদী দৃষ্টিকোণ সেই সমাজৰ বহুতো প্ৰশ্নৰ উত্তৰ বিচৰা দৃষ্টিভংগী বা হাবিয়াসৰ পথ। কবিতাৰ বুৰঞ্জী সংবেদনশীলতাৰ বুৰঞ্জী বুলি বিশ্বাস কৰা এইজন কবিয়ে সমাজৰ ৰূপান্তৰ বাঞ্ছা কৰি গৈছে নিজৰ সত্তাৰ পোহৰেৰে, যি সত্তা ভোগবাদী উচ্চাকাংক্ষাৰ বিশৃংখলাময় পৰিৱেশৰ প্ৰতি কাহানিও আকৰ্ষিত নহৈ সৰল আৰু নিৰ্মল হৈ ৰৈছে। তেওঁৰ দৃষ্টিকোণ কেৱল তাত্বিক আৰু

দৰ্শন আবদ্ধ নহৈ এনে আত্মিক হোৱাৰ বাবে তেওঁৰ কবিতাত ভুৱা প্ৰতিশ্ৰুতি নাই আৰু দুখ-বেদনা যন্ত্ৰণা প্ৰকাশ পাইছে সম্পূৰ্ণ মানবীয় ৰূপত। ইয়াৰ লগতে কবিতাত প্ৰত্যাশা আছে — একেই মানবীয় ধৰণেৰে — তথাপি মই আশাবাদী; বৰষুণৰ আশাৰে মৰুভূৰ মাজত ঘূৰি ফুৰা মই এজন সাধাৰণ পথিক। মানুহৰ ওপৰত আস্থা হেৰুওৱাটো পাপ, ঈৰ্ষা, অসূয়াৰ মাজত হিংস্ৰ হৈ পৰা অজস্ৰ মানুহে এদিন ব্যক্তি স্বাৰ্থৰ পৰা বিশ্বজননীতাৰ ফালে আগুৱাই যাব আৰু হয়তো বধ্যভূমিত ইংৰাজ কবি অ'ডেনৰ দৰেই চিঞৰি ক'ব — We must Love one another or die.

নলিনীধৰ ভট্টাচাৰ্যৰ বাবে কবিতা আগকথা নহয়, আগকথা কবিতাৰ দৰ্শন। সেই বাবে তেওঁৰ কবিতাত শব্দ উদ্‌যাপনৰ হেঁপাহ নাই, কিন্তু সচেতনভাৱে উদ্‌যাপিত হয় জীৱন। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা সদায় এটা ভৱিষ্যৎ দৃষ্টি লৈ আগবাঢ়িছিল আৰু তেওঁ নিজেই লিখিছিল — কবিতা ৰচনাৰ বাবে যিটো বাট মই বাচি ল'লো, সেইটো সকলোৱে মনঃপুত হয়তো নহয়, কিন্তু সেইটো বাটেই মোৰ চিনাকি আৰু প্ৰিয়। মই লিখি গৈছো, তুমি ভালপোৱা বেয়া পোৱা মই মোৰ ধৰণেৰেই লিখি গৈছো। বিশ্বাসৰ এই দৃঢ়তাৰ আঁৰত আছে মানুহৰ ভৱিষ্যতৰ কল্যাণ আৰু মংগলৰ প্ৰত্যাশা। তেওঁ লিখিছিল মানুহৰ কল্যাণ আৰু মংগলেই মোৰ বাবে মূল কথা। কিন্তু সেইটোও ভাবিবহে পাৰি। কামত লগোৱাটো দেখিছো সহজ নহয়। আটাইবোৰ নিগনি দৌৰত গৈছে। কিন্তু চেষ্টাতো কৰিব লাগিব কোনোবাই। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাক যোৱা সাতটা দশকত প্ৰভাৱিত কৰি আহিছে স্বাধীনতা আন্দোলন, অসম আন্দোলন আৰু সন্ত্ৰাসবাদে অনা অস্থিৰতা, গোষ্ঠী সংঘাত আৰু সমাজৰ একাংশ লোকৰ আৰ্থিক দুৰ্গতি, সমাজ ইতিহাসৰ উপেক্ষা কৰিব নোৱৰা বিস্ময়কৰ ঘটনাবোৰে। তেওঁ লিখিছিল — এই সুদীৰ্ঘ যাত্ৰাত মানৱতাবোধ ক্ৰমে উপেক্ষিত হৈছে, অমানবীয়কৰণৰ ষড়যন্ত্ৰত ইতিহাস জয়ী হৈছে — সকলো মহৎ আদৰ্শৰ শিখৰ ধুমুহাত বাগৰি পৰিছে। এনে হোৱাৰ ঘাই কাৰণ হ'ল ৰাজনীতি। ৰাজনীতি সেইবাবে জীৱনৰ এটা ডাঙৰ সত্য। যিসকলে নীৰৱে-নিভৃতে মগ্ন চৈতন্যত নিৰ্মাণৰ চেষ্টা কৰে তেওঁলোকে ভাবে ৰাজনীতিত সোমালেই কবিতাৰ আইন-শৃংখলা ভংগ হ'ব। ই হয়তো বিচ্ছিন্নতাবোধৰ ইংগিত। মই ইয়াৰ বিকল্পৰ অনুসন্ধান কৰিছিলো। এই অনুসন্ধানৰ ফলতেই মোৰ কবিতাৰ জন্ম।' তেওঁৰ এই ধাৰণা ব্যক্তিগত, কিন্তু আমি বাস কৰা সমাজখনক লৈ তেওঁৰ উদ্বিগ্নতাই এই দৰ্শন সৃষ্টিৰ কাৰণ।

দুটা কবিতাৰ প্ৰসংগেৰে আমি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ মুখামুখি হ'ব বিচাৰিছো। দুয়োটা কবিতা আশীৰ উৰ্দ্ধৰ কবিৰ কবিতা। এটা সামাজিক আনটো ব্যক্তিগত। তেজাল ব্যঞ্জনা আৰু অনুভূতিৰ সূক্ষ্মতাৰে ৰসোত্তীৰ্ণ এই কবিতা দুটা হ'ল 'ননী আছনে ঘৰত' আৰু 'তোমালৈ'। এইখিনিতে তেওঁৰ এটা কবিতাৰ দুটা শাৰী মনলৈ আহিছে।

খিৰিকীখন খুলি যোৱাটোৱেই মোৰ অভ্যাস
কাৰণ ইতিহাসৰ মাজেদিয়েই কবিতা আহে।

তেনে এখন খোলা খিৰিকীৰ মাজেদিয়েই সাম্প্ৰতিক সময়ৰ ইতিহাস প্ৰতিফলিত হৈছে, 'ননী আছনে ঘৰত' নামৰ কবিতাটোত। এই কবিতাটোত কুৰি শতিকাৰ শেষ দশকৰ সন্ত্ৰাস আৰু সংশয়ে বিধ্বস্ত কৰা সময়ৰ অপূৰ্ব চিত্ৰায়ন বুলি গণ্য কৰো। জাতীয়তাবাদী অসম আন্দোলনে অসমীয়াক দুই মেৰুৰ মাজত পণবন্দী কৰা নাছিল। কিন্তু এই জাতীয়তাবাদী আন্দোলনৰ বিফলতাৰ ফলত যি উগ্ৰজাতীয়তাবাদী সশস্ত্ৰ বিপ্লৱৰ আৰম্ভ হৈছিল, সেই বিপ্লৱে অসমীয়া সাধাৰণ ৰাইজক উগ্ৰপন্থী আৰু ৰাষ্ট্ৰ যন্ত্ৰৰ মাজত পণবন্দী কৰি তুলিছিল। ননী আছনে ঘৰত নামৰ কবিতাটো তেনে এজন গৃহবন্দী পিতৃৰ কবিতা, পুত্ৰৰ আগমনৰ অপেক্ষাত এই কবিতাটো যেন এটা শোকাকুল প্ৰাৰ্থনা। সাম্প্ৰতিক সময়টোৱেই হৈছে তেনেকুৱা, য'ত কবিয়ে লিখাৰ দৰে

তেজৰ বৰষুণত সকলো শিল হৈ গৈছে

বতাহজাকত তেজৰ ছিটিকনি আহি আছে
ননী আছনে ঘৰত
ক'ব পাৰনে অ' তেজৰ ছিটিকনি পৰি আছে
ঘৰত, বিছনাত, পৃথিৱীত
তেজ, তেজৰ দাগ

এই বাউলি বতাহত কেনি গলি অ' সোণ নেজান নেকি, সিহঁতে
আলহি
শোধে
এপিয়লা তৰুণ তেজেৰে
তয়ো যদি সজাব টেবুলত ভালপোৱাৰ সলনি তেজ
থাকিবনে মধুভকতৰ টোকাৰি

মৃত আফালিছগৈ ক'ত, নেদেখ নেকি
তেজৰ বৰষুণত সকলো শিল হৈ গৈছে

নব্বৈৰ দশকৰ অসমৰ সামাজিক ইতিহাসত সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদ দমনৰ নামত এনে এটা পৰ্যায় পাইছিল য'ত মানুহৰ ঠিকনা হেৰাইছিল অবিশ্বাস্য ৰূপৰ অমানৱীয় কেতবোৰ ঘটনাক্ৰমত। মানুহ ইচ্ছাকৃত বা অনিচ্ছাকৃত ৰূপত হৈ পৰিছিল এনে কেতবোৰ ঘটনাৱলীৰ অংশীদাৰ। এনে এক পৰিৱেশত বাহিৰলৈ ওলাই যোৱা আপোনজনৰ চিন্তাত বিতত হৈ কবিয়ে এই কবিতাটো লিখি উলিয়াইছে। কবিতাটোত সন্ত্ৰাসৰ লগতে নিৰাপত্তাহীন এটা জীৱনৰ অনিশ্চয়তা আৰু বিষাদ ফুটি উঠিছে। অস্বাভাৱিক মৃত্যুৰ সম্ভাৱনাৰে সাম্প্ৰতিক সময়ছোৱাৰ কবিতা হৈ পৰে মানুহলৈ অহা হতাশাৰ কবিতা।

কবিৰ দ্বিতীয়টো কবিতা তোমালৈ ৯২ বছৰ বয়সত লিখা এটা প্ৰেমৰ কবিতা। কবিয়ে এই কবিতাটোত প্ৰেমক কবিৰ দৃষ্টিৰে উদ্‌যপান কৰা নাই, কৰিছে বিগতা পত্নীৰ স্মৃতিচাৰণেৰে উদ্‌যাপিত নোহোৱাকৈ থাকি যোৱা নিজৰ শূন্যতাক। তোমালৈ কবিতাটো হৈছে এজন কবিয়ে নিলিখাকৈ থৈ দিয়া এটা প্ৰেমৰ কবিতা, একাকীত্ব আৰু নিঃসংগতাই যিটো কবিতাৰ ৰচনাত মূল উদ্দীপকৰ ভূমিকা লৈছে। কবিতাটোত পৰম্পৰা আৰু পৰিৱৰ্তনৰ মাজৰ সংঘাত আছে। প্ৰেম পৰম্পৰাৰ বাহক যিদৰে নহয়, প্ৰেম পৰিৱৰ্তনৰো উৎস নহয়। দিন আৰু ৰাতিৰ দৰে; পৰম্পৰা আৰু পৰিৱৰ্তনৰ দৰে নিৰ্দিষ্টতাৰ বিপৰীত প্ৰেম হৈছে তেনে এক জীৱন-চেতনা যি মানুহক সদায় অন্বেষণমুখী চৰিত্ৰৰ কৰি ৰয়। এই কবিতাটোত কবিয়ে পত্নীৰ স্মৃতিচাৰণেৰে অন্বেষণ কৰিছে দেহৰ মাধৈমালতী গোন্ধৰ পৰা তেওঁ গোৱা এফাঁকি বিয়ানামলৈ। স্মৃতিৰ দূৰত্বত থকা এনেবোৰ উপাদান আজি আমাৰ সামাজিক জীনটোতো দেখিবলৈ নোপোৱা হ'লো। নিজৰ শিপাৰ পৰা সৃষ্টি হোৱা এই দূৰত্বক কবিয়ে সেই উৎস সূত্ৰৰ পৰা বিচাৰ কৰি চাইছে যি উৎসৰ সৈতে তেওঁ সুদীৰ্ঘ জীৱনকাল আত্মিক-জাগতিক বান্ধোনেৰে বান্ধ খাই আছিল। সেই অৰ্থত কবিতাটো যদিও একান্ত নিজৰ প্ৰেমৰ কবিতা, কবিতাটোত আত্মীয়তাৰ সামাজিক তাৎপৰ্য আছে। এই কবিতাটোত কবিয়ে দুবাৰ পৰম্পৰাৰ প্ৰসংগ আনিছে দুই স্বীকাৰোক্তিতঃ

প্ৰেমৰ উৎসনো ক'ত? হৃদয়ত নে মগজুত? আমি জানো হৃদয়ত বুলি। আজিকালি বিজ্ঞানে হেনো কয় মগজুত।

পৰম্পৰাৰ মানুহ আমি। প্ৰেম কৰিব নেজানিলোৱেই।
কৈছিলা, মই তোমাৰ আগতে যাম।
সঁচাকৈয়ে তুমি গুচি গ'লা। পৰম্পৰাৰ ছাঁত হেৰুৱাই
পেলালা যুক্তিৰ পোহৰ।

প্ৰথমবাৰ পৰম্পৰাৰ মানুহ আমি। প্ৰেম কৰিব নেজানিলোৱেই বোলোতে অসম্পূৰ্ণতাৰ দুখ নাই। দ্বিতীয়বাৰ পৰম্পৰাৰ ছাঁত হেৰুৱাই পেলালা যুক্তিৰ পোহৰ বোলোতে আকস্মিকতাই সৃষ্টি কৰা নিঃসংগতাৰ যন্ত্ৰণাবোধ আছে। কবিতাটোৰ সৃষ্টিৰ উৎস দ্বিতীয় কথাটোতহে লুকাই আছে, য'ত যুক্তি আৰু বিজ্ঞানে ঢুকি নোপোৱা হৃদয়ৰ আৰ্তি লুকাই আছে। ব্যক্তিগত প্ৰেমৰ মাজেৰেও সমাজৰ মংগলময়তা সন্ধান কৰা নলিনীধৰ ভট্টাচাৰ্যই সেয়েহে এই বুলি লিখিব পাৰে ঃ

ইয়াত কালে গ্ৰাস কৰিছে কালহীন প্ৰেমৰ মহাজীৱন
সকলো ছিন্ন বিচ্ছিন্ন। বাটে ঘাটে তেজৰ বৰষুণ। তাৰ
মাজতে তোমাৰ খোপাৰ সেই কপৌফুল পাহ মই
সমাজিকত দেখো। তাৰ পৰা
সেউজীয়াবোৰ ওলাই আহি কৈছে, খেলা নেখেলাকৈয়ে আমি,
প্ৰেমৰ
মধুৰ মহাজীৱন ৰচনা কৰো আহা।

পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীলতাৰে কাব্যধৰ্মী আবেগৰ সংযোগেৰে নলিনীধৰ ভট্টাচাৰ্যৰ এই কবিতাটো দূৰদৰ্শীৰ এটা ৰিং যেন লাগে, যি প্ৰেমৰ কবিতা হৈও পাঠকৰ বাবে মানৱিক উৎকণ্ঠা হৈ দেখা দিয়ে। পৰম্পৰাৰ মানুহ নলিনীধৰ ভট্টাচাৰ্যৰ বাবে যি কথা নিশ্চিতি (মৰমৰ মাত এষাৰ নাপালে এই পৃথিৱীত জীৱনৰ শতদল নুফুলে) আমাৰ দৰে আধুনিক মানুহৰ বাবে সেয়া এক সংশয়। যি সংশয়ে বাৰে বাৰে উন্মোচিত কৰে আমি কি হেৰুৱালো সেই সত্যক।

নলিনীধৰ ভট্টাচাৰ্যই বিশ্বাস কৰে এতিয়া ধনৰ সঞ্চয়ৰ দিন, মনৰ সঞ্চয় আমি দলিয়াই দিছো। তথাপিতো জীৱন যিহেতু অৰ্থহীন নহয়, কবিতা অৰ্থহীন হ'ব নোৱাৰে। কবিয়ে বিপ্লৱ সৃষ্টি কৰিব নোৱাৰে, কিন্তু মানুহৰ গতি সলনি কৰিব পাৰে। ইউৰোপত পুঁজিবাদৰ নিৰ্মম ভূমিকা দেখি ষ্টিফেন স্পেণ্ডাৰে লিখিছিল —

Man is forced on to another level of truth, outside society, outside contemporary history, where he respects the idea that he is a ghost and reasserts the dream that the world is various and beautiful । আজিৰ পুঁজিবাদী বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ পৰিৱেশৰ ৰুদ্ধশ্বাস জীৱনত নলিনীধৰ ভট্টাচাৰ্যই ডষ্টয়েভস্কিৰ দৰে বিশ্বাস কৰে সৌন্দৰ্যই পৃথিৱী ৰক্ষা কৰিব। সেই মানসিকতাৰে তেওঁৰ কবিতাসমূহ পথভ্ৰষ্ট মানুহ আৰু সমাজৰ প্ৰতি সকীয়নি সংঘাতৰ পৰা আঁতৰি থকাটো আধুনিক মনোভাব বুলি কোনোৱে ক'ব পাৰে, কিন্তু প্ৰকৃততে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে ই নৈৰাশ্যব্যঞ্জক উত্তৰহে। সেই উপলব্ধিৰে কবিয়ে বিশ্বাস কৰে সত্য জিজ্ঞাসাৰ ফল, ই ধ্যানত পোৱা বস্তু নহয়। কবিতাৰ সত্য যদিহে বাস্তৱবিমুখ হয় এসময়ত কবিতা শূন্যতাৰ প্ৰতিধ্বনি হ'বগৈ। কবিতাক গণমুখী কৰি ৰখাৰ নলিনীধৰ ভট্টাচাৰ্যৰ যুক্তিৰ সৈতে আমি একমত নহ'ব পাৰো, কিন্তু — তেওঁৰ বিশ্বাসৰ আন্তৰিকতাক উপেক্ষা কৰিব নোৱাৰো।○

# নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা

ড° প্ৰাণজিৎ বৰা

সাধাৰণ মানুহৰ জীৱন আৰু মননৰ বিকাশ মনে-প্ৰাণে বিচৰাৰ স্বাৰ্থতে কবিতা লিখিছো (চেৰাশালিৰ মালিতাৰ পাতনি) বুলি দ্ব্যৰ্থহীনভাৱে যিজন কবিয়ে ঘোষণা কৰিব পাৰে তেওঁৰ আদৰ্শবোধ আৰু দায়বদ্ধতাৰ কথা নতুনকৈ দোহৰাৰ নিশ্চয় কোনো প্ৰয়োজন নাথাকে। নলিনীধৰ ভট্টাচাৰ্য তেনে এজন দায়বদ্ধ কবি। সত্তৰৰ দশকত তেওঁৰ প্ৰথমখন কাব্য সংকলন এই কুঁৱলীতে প্ৰকাশ পাবৰে পৰা বয়সৰ লেখেৰে নব্বৈৰ দেওনা গৰকিবৰ পাছতো অটুট হৈ থকা দায়বদ্ধতাৰে তেওঁ সেয়ে ক'ব পাৰে স্পষ্টভাৱে — 'লেখা কামৰ কাৰণে মানুহক চেতনা লাগে। চেতনাহীনতাই কলাৰ সৌন্দৰ্যকো হেৰুৱায়। সেইবাবে আমি কলম ধৰিবই লাগিব। মানুহৰ দুখ-দৈন্য বুজিবই লাগিব। তেওঁলোকৰ ওপৰত হোৱা শোষণ নাইকিয়া কৰিবলৈ যত্নপৰ হ'ব লাগিব। এই কাম কৰিবলৈ হ'লে লিখনি হ'ব লাগিব তৰোৱাল, কাহিনী হ'ব লাগিব ৰণ-জেউতি, গীত হ'ব লাগিব অন্যায়-অসাম্যৰ বিৰুদ্ধে পৰকণ্ঠত জাগি উঠা সমৰ সংগীত। (সাতসৰী, অক্টোবৰ, ২০১৫)

এক উচ্চাৰণ নিৰ্ভীকতাৰ বলিষ্ঠ উদাহৰণ।
এই কণ্ঠ আঁৰ-বেৰ নোহোৱা দায়বদ্ধতাৰ কণ্ঠ।

কবি দায়বদ্ধ তেওঁৰ দেশ আৰু মানুহৰ ওচৰত। তেওঁ দায়বদ্ধ তেওঁৰ কবিতাৰ ওচৰতো।

তেখেতে নিজেই স্বীকাৰ কৰিছে যে এক বিকল্পৰ অনুসন্ধানৰ তাড়নাতে তেখেতৰ কবিতাৰ জন্ম হৈছে। 'নীৰৱে নিভৃতে মগ্ন চৈতন্য'ত নিৰ্মাণৰ সাধনা কবি চকুৰ সন্মুখতে যিসকলে অমানবীয়তাৰ সমস্ত ষড়যন্ত্ৰৰ ইতিহাস দুৰ্নিৰ্বাৰ গতিৰে আগবাঢ়ি যাবলৈ এৰি দিছে, সেইসকলৰ প্ৰবল আত্মমগ্নতাৰ বিকল্প হিচাপে তেওঁ

সাব্যস্ত কৰিছে নিজৰ কবিতাক। আৰম্ভণিৰে পৰাই তেওঁৰ কবিতাৰ কেন্দ্ৰস্থানত সেয়ে অমানবীয়তাৰ ষড়যন্ত্ৰৰ বলি দেশহীন-নামহীন-কালহীন মানুহ। এই মানুহৰ নামতে উৎসৰ্গিত তেওঁৰ কবিতাৰ প্ৰতিটো শব্দৰ। মায়াক'ভস্কিয়ে শব্দবোবক অশ্বাৰোহী বুলিছিল, কফিন ভাঙি ওলাই অহা প্ৰতিটো শব্দৰ ক্ষমতা অনুধাৱন কৰিয়েই তেওঁ নিশ্চয় কৈছিল Poetry-all poetry is an exploration নলিনীধৰ ভট্টাচাৰ্যৰ বাবেও কবিতা একেই exploration য'ত প্ৰতিটো শব্দই অপ্ৰতিৰোধ্য একো একোপাট হাতিয়াৰ ঃ

পথ ৰচিবলৈ সুকঠিন বন্ধুতাৰ
মোৰ কলম নিগৰি নিগৰি ওলায়
শব্দ হাতিয়াৰ

বিষয় আৰু প্ৰকৰণ বা প্ৰকাশভংগীৰ মাজৰ সম্পৰ্কই বহুতকে কৰাৰ দৰে নলিনীধৰ ভট্টাচাৰ্যকো আৰম্ভণিতে কিছু আমনি দিছিল। দাৰ্শনিক হেগেলে তেওঁৰ 'philoshpy of fine art (1835) ত সেই তাহানিতে ঘোষণা কৰিছিল যে Every definite content determines a form suitable to it. হেগেলৰ দৰে মাৰ্ক্সেও বিশ্বাস কৰিছিল যে বিষয়-বস্তু বা content য়েই প্ৰকাশভংগী বা form ৰ বেলিকা সদায়ে নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰে। তথাপি কিন্তু বিষয়বস্তু আৰু প্ৰকাশভংগীৰ মাজৰ যি সম্পৰ্ক সেয়া ইটোৰ সৈতে সিটোক সলনি কৰি ল'ব পৰা ধৰণৰ নহয়। মাৰ্ক্সীয় সমালোচকসকলৰ দৃষ্টিত, দুয়োটাৰে মাজৰ সম্পৰ্ক হৈছে দ্বান্দ্বিক চৰিত্ৰৰ সম্পৰ্ক। বিষয়-বস্তুৰ প্ৰসংগটো প্ৰথমেই আহিব পাৰে ঠিকেই কিন্তু প্ৰকাশভংগীৰ ভূমিকা নিষ্ক্ৰিয় নহয় — প্ৰকাশভংগীয়েও বিষয়বস্তুৰ ওপৰত নিজৰ প্ৰতিক্ৰিয়া সাব্যস্ত কৰে।

বিষয়-বস্তু আৰু প্ৰকাশভংগীৰ মাজৰ এই দ্বান্দ্বিক সম্পৰ্কৰ প্ৰতি সচেতনতা নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ আটাইতকৈ উজ্জ্বল বৈশিষ্ট্য। এই সচেতনতায়েই কবি হিচাপে বা লেখক হিচাপে তেওঁৰ দায়বদ্ধতাকো তেওঁৰ ৰচনাসমূহত উদঙাই দিছে। দায়বদ্ধতাৰ প্ৰসংগত এংগেলছে ১৮৮৫ চনত মিন্না কাউটস্কি নামৰ ঔপন্যাসিকা এগৰাকীলৈ লিখা চিঠিখনৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। মিন্নাই এংগেলছলৈ পঠিওৱা উপন্যাসখনৰ সন্দৰ্ভত এংগেলছে লিখিছিল যে ৰাজনৈতিক চৰিত্ৰৰ উপন্যাসক লৈ তেওঁৰ মুঠেও আপত্তি নাই, কিন্তু সেই ৰাজনৈতিক প্ৰৱণতা

স্বয়ংক্ৰিয়ভাৱে নাটকীয় পৰিস্থিতিৰ মাজেৰে উদ্ভূত হ'বই লাগিব। অন্যথা পাঠকৰ বুৰ্জোৱা মানসিকতাত সেই উপন্যাসে কেনেকৈ প্ৰভাৱ পেলাব? স্বৰূপাৰ্থত বাস্তৱবাদী ৰচনাই তথাকথিত ৰাজনৈতিক বাকভংগীমাৰে কেৱল ফটোগ্ৰাফীত কৰাৰ দৰে সমাজ বাস্তৱৰ প্ৰতিফলন নঘটায়, বৰং সেই সমাজ বাস্তৱৰ সকলো ক্ৰিয়াশীল শক্তিক নাটকীয় ৰূপত ৰচনাৰ মাজত উদ্ভাসিত কৰি তোলে। নলিনীধৰ ভট্টাচাৰ্যৰ শ্ৰেষ্ঠ কবিতাসমূহত সমাজ-বাস্তৱৰ ফটোগ্ৰাফীক অভিব্যক্তিৰ সলনি আমি পাওঁ কবি চেতনাৰ মাজেৰে সৃষ্টিশীল হৈ উঠা সেই বাস্তৱৰ নতুন বিন্যাস।

মাৰ্ক্সীয় সমালোচক গীয়ৰ্গ লুক্কাচে লেখক এজনৰ মাজত সক্ৰিয় এই চেতনাকে সৃষ্টিশীলতাৰ এক্টিভ ফোৰ্চ ৰূপে অভিহিত কৰিছে। প্ৰতিফলিত কৰা আৰু প্ৰতিফলক এখন দাপোণ ধৰাৰ মাজৰ বিস্তৰ পাৰ্থক্যৰ কথা ক'বলৈ গৈ বাৰ্টোল্ট ব্ৰেখটেও কবিতা যে কিবা এটা দেখা বা শুনাতকৈও অধিক সক্ৰিয় এক কাৰবাৰ তাকেই যেন ক'ব খুজিছে। কবিতা বা ৰচনা মানেই সেয়ে সমাজ বাস্তৱৰ হুবহু প্ৰতিফলন নহয়। কবিতা বচা বচা শব্দৰ বিপ্লৱসুলভ উচ্চাৰণো নহয়। উল্লেখযোগ্য যে স্বয়ং মাৰ্ক্সৰ যিকেইজন প্ৰিয় লেখক — এস্কাইলাছ, শ্বেইক্সপীয়েৰ আৰু গ্যেটে এওঁলোকৰ কোনোজনেই দৰাচলতে বিপ্লৱী লেখক বুলিলে আমি যাক বুজো তেনে ধৰণৰ বিপ্লৱী লেখক নাছিল। কিন্তু এওঁলোক সকলোৰে হাতত লেখাবোৰ হৈ উঠিছিল an end in themselves।

পৰম স্বস্তিৰ কথা যে সমাজবাদী ভাৱনাৰে উদ্বুদ্ধ কবি নলিনীধৰ ভট্টাচাৰ্যৰ উৎকৃষ্ট ৰচনাসমূহো means to an end নহৈ হৈ ৰৈছে an end in themselves। নিজৰ ৰাজনৈতিক ভাবাদৰ্শ নিজৰ কবিতাত জোৰকৈ জাপি দিয়াৰ পৰিৱৰ্তে বিশেষ বিশেষ পৰিস্থিতিত যি ক্ষেত্ৰত বাস্তৱ বা শক্তিমন্ত কাৰকবোৰ ক্ৰিয়াশীল হৈ ৰৈছে সেইবোৰ নৈৰ্ব্যক্তিকভাৱে প্ৰকাশ কৰাৰ ক্ষেত্ৰতহে তেওঁৰ কবিতাত তেওঁ সক্ৰিয় হৈ উঠিছে। তেখেতৰ আৰম্ভণি পৰ্বৰ কবিতাসমূহতকৈ পাছৰ পৰ্বৰ কবিতাসমূহত এইক্ষেত্ৰত তেওঁ অধিক সফল। ননী আছনে যৰত, এই ৰাতিখন, আমি কোৱাকুই কৰো, বলিয়া হাতীৰ ৰাতি, দুপৰ নিশাৰ চৰাই আদি কবিতাসমূহত আৰম্ভণি পৰ্বৰ শ্লোগানধৰ্মিতা বা সমকালীন অভিজ্ঞতাৰ প্ৰত্যাশিত বিৱৰণৰ ঠাইত লক্ষ্য কৰিব পাৰি ইংগিতময়তাৰে সমৃদ্ধ ভাষাৰ লাৱণ্য আৰু প্ৰদীপ্তি। দুপৰ নিশাৰ চৰাই কবিতাত মননশীল চিত্ৰকল্পৰ ইন্দ্ৰিয়গ্ৰাহ্য আবেদনে ভাষাক কৰি তুলিছে ভাবনাৰ নিটোল মাধ্যম ঃ

সাগৰ ফেনাৰ হাঁহিত ফুলৰ হৃদয় শুকায়
ডাইনীৰ যাদুত মই গৈ থাকো
তললৈ
দিনে ৰাতি
শংকাত মোৰ চকু মেল খায়
দিন দুপৰত দুপৰ নিশাৰ চৰাই

আমি কোৱাকুই কৰো, ঋষ্যশৃংগ, উৰ্বশী আদি কবিতাত মিথিকেল বিষয়ৰ অবলম্বনত মানৱীয়তাৰ আৰ্কেটাইপ বিশেষৰ অন্বেষণৰ প্ৰয়াস লক্ষ্য কৰিব পাৰি। ননী আছনে ঘৰত কবিতাত সম্পূৰ্ণ পৰিচিত অসমীয়া গ্ৰাম্য কথনৰীতিৰ ব্যৱহাৰৰ জৰিয়তে সমকালীন বাস্তৱৰ প্ৰকাশ সক্ৰিয় হৈ উঠিছে। কবিতাটোত আৰম্ভণিৰ পৰা শেষলৈকে ঘৰ এৰি গুচি যোৱা নিজৰ সন্তানটো ল'ৰাৰ সেই সিদ্ধান্তৰ কঠিন বাস্তৱে ব্যথিত আৰু চিন্তিত কৰি তোলা বৃদ্ধ পিতৃ এজনৰ কণ্ঠটো জাঁয়াৰ ৰাতিৰ বুকু ফালি সাৰ পাই উঠা চৰাই এজনীৰ মাতটোৰ দৰে সৰব হৈ বৈছে। বৃদ্ধ পিতৃগৰাকীৰ মনৰ মাজত চলি থকা দ্বন্দ্বৰ সাৱলীল অথচ ৰসোত্তীৰ্ণ উচ্চাৰণে কবি হিচাপে ভট্টাচাৰ্যৰ সামাজিক ভূমিকাকো কৰি তুলিছে স্পষ্ট। বৃদ্ধ পিতৃগৰাকীয়ে তেওঁৰ নিৰুদ্দিষ্ট সন্তানক উদ্দেশ্যি কৈছে—

শিয়ালটো সাৰে আছে
তাৰ চকুপানীত উটি অহা মৰাশত
তই মনিবি কেনেকৈ অ' ননী
সেনাপতিবোৰক কেনেকৈ চিনিবি
কেনেকৈ ক'বি তই পাপৰ ভাগী নহয়

সম্পূৰ্ণ নৈৰ্ব্যক্তিক ধৰণে সমকালীন বাস্তৱৰ বিশ্লেষণ কৰিব পাৰিলেহে এনেকুৱা ধৰণৰ প্ৰকাশ সম্ভৱ হৈ উঠিব পাৰে। গীয়ৰ্গ লুকাচে তেওঁৰ The Meaning of Contemporary Realism আধুনিক সময়ৰ লেখকসকলৰ ওপৰত এই দায়িত্ব ভাৰকে ন্যস্ত কৰিছে। সাম্প্ৰতিক বুৰ্জোৱা সমাজ আৰু সভ্যতাৰ নৈৰাশ্য কিম্বা হতাশাৰ ছবি আঁকাতকৈ — যি ছবি আঁকিছিল বেকেট বা জয়েচৰ দৰে লেখকসকলে — সভ্যতাৰ বিফলতা কিম্বা নিষ্ফলতাৰ কথা কোৱাৰ বেলিকা তেওঁলোকৰ দৃষ্টিভংগী হোৱা উচিত Critical যাতে সেই বিফলতা বা নিষ্ফলতাৰ সীমনা পাৰ হৈ তেওঁলোকৰ

লেখাত উন্মোচিত হ'ব পাৰে প্ৰত্যাশা আৰু সম্ভাৱনাৰ শক্তিশালী বাণী। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতা প্ৰত্যয়ৰ এই বাণীৰে হৈ উঠিছে মহিমান্বিত। ননী আছনে ঘৰত কবিতাৰ শেষলৈ ৰজনজনাই উঠা বৃদ্ধ পিতৃৰ এই আহ্বান দৰাচলতে ৰোগগ্ৰস্ত বাস্তৱৰ বিৰুদ্ধেই এক দৃঢ় অৱস্থান —

বুকু পোহৰ কৰি আহ অ' উভতি আহ
বালি ফালি উলিয়াও হেৰোৱা নৈ
তয়ে ময়ে আকৌ এবাৰ
সাগৰলৈ বুলি পাটীটো পাৰোঁ
আহ অ' ননী
আহ

দৃঢ় অৱস্থান সম্ভূত মানৱিক সহমৰ্মিতাৰ এই প্ৰাণোচ্ছলতাই ক্লান্তিৰ পৰা ক্লান্তিৰ মাজুলীলৈ হ'ব পৰা সমস্ত যাত্ৰাক নিষ্ফলতাকে উদঙাই দিছে আৰু বোৱাই আনিছে জীৱনৰ নতুন বাৰ্তা ঃ

নিহাৰিকাৰ পৰাই উফৰি আহে তিৰবিৰ তৰা।
অভাৱেই আনে উত্তৰণ। অশ্বাৰোহী আহিব এদিন।
সাগৰৰ ঢৌ হ'ব আকৌ চঞ্চল।

কালঃ পচতি ইতি বাৰ্তা। হয় হয়, সময় দাহক অতি।
কিন্তু, পাবক সময়ো আছে ক'ৰবাত খপি। দোভাৰ ৰাতি
সেয়ে ভবো, পিতামহ
জন্ম হওক নহওক আজি জয়ন্তী।

পৰম আন্তৰিকতাৰে জীৱনৰ এই বাৰ্তাৰ সম্ভেদ দিয়াৰ বাবেই কবি নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাই আমাক শুনাব পাৰিছে জীৱনৰ অৰ্থ আৰু তাৎপৰ্যৰ সংগীত। কবিৰ এই সংগীত জীৱনৰ উদযাপনৰো অৰ্থ আৰু তাৎপৰ্যৰ মহাৰ্ঘ বাণী। ○

# নলিনীধৰ ভট্টাচাৰ্যৰ ব'হাগ বিষয়ক দুটা কবিতা

**অনুভৱ তুলসী**

কুৰি শতিকাৰ অসমীয়া কবিতা নামৰ অসমীয়া কবিতাৰ সংকলনখনত, সংকলনখনৰ সম্পাদক কবি নীলমণি ফুকনে তেখেতৰ সহকৰ্মী, যাৰ সৈতে কৰ্মক্ষেত্ৰত প্ৰায়েই আজিৰি পৰত কবিতা বিষয়ক আলোচনা-বিলোচনাত ভাগ লৈছিল, সেইজন সহৃদয় সমমৰ্মী শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ কবিতাক ঠাই দিয়া নাছিল। হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত এশ বছৰৰ অসমীয়া কবিতা নামৰ একেটা প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত আন এটা সংকলনত নলিনী ভট্টাচাৰ্যৰ ছয় শাৰীৰ এটা কবিতাই ঠাই পাইছে। এই দুটা তথ্যই কেনেকুৱা ইংগিত বহন কৰে, অসমীয়া কবিতাৰ ইতিহাসত নলিনীধৰ ভট্টাচাৰ্যৰ স্থান নিগাজী হয় নে নহয়, সমালোচক আৰু পাঠকে এই 'হয়-নহয়'ৰ উত্তৰ নিজ গুণে দিব বুলি আমাৰ বিশ্বাস। সাম্প্ৰতিক সময়ৰ পাঠক সমাজ স্বাধীনচিতীয়া, আনে নিৰ্দিষ্ট কৰি দিয়া পথ তেওঁলোকৰ পছন্দ হ'বই বা কিয় ?

সম্প্ৰতি বয়সৰ ফালৰ পৰা নব্বৈৰ উৰ্ধ্বলৈ গতি কৰা এইজন কবি স্থিতধী। মানুহ হিচাপে তেখেতৰ তুলনা পাবলৈ টান। কবি হিচাপে তেখেতক ক'ত স্থান দিয়া যাব সেয়া সময়, সমালোচক আৰু পাঠক সমাজে জানে। ধীৰেন দত্ত, ভৱানন্দ দত্ত, অমূল্য বৰুৱা আদিয়ে বোৱাই অনা প্ৰগতিশীল চেতনা-তৰংগই নিৰ্দিষ্ট কৰি দিয়া বাটেৰে গতি কৰা কবিসকলৰ ভিতৰত নলিনীধৰ ভট্টাচাৰ্য অন্যতম।

এই আলোচনাত এইজন কবিৰ কবিতাৰ সামগ্ৰিক দিশটো সামৰি ল'ব পৰা নগ'ল। মাথোন বহাগৰ এটি স্তৱক আৰু সূৰুযে সাৰ পালে নামৰ বহাগৰ বিষয়ে লিখা কবিৰ শেহতীয়া ৰচনা দুটা কবিতাৰ বিষয়ে দুই-এটা কথা সংক্ষেপে ক'বলৈ মানস কৰা হৈছে।

বহাগৰ এটি স্তৱক নামৰ কবিতাটোৰ প্ৰথম পংক্তি —

বহাগৰ চপচপীয়া বৰষুণত জোনাকী

ছোৱালীজনীয়ে খেলিছে—

ঋতু বিষয়ক কবিতাৰে অসমীয়া কাব্য-সাহিত্য পয়োভৰা বুলিব নোৱাৰি। বহাগ নাচ-গানৰ ঋতু। ই হ'ল কুঁহিপাতৰ ঋতু, কুলি-কেতেকীৰ মায়াসনা গীতৰ ঋতু। ই হ'ল জীৱনৰ গোন্ধে আমোলমোল এক ঋতু। এই কবিতাৰ প্ৰথম শাৰীটোত দুটা চিত্ৰকল্প আছে, বহাগৰ চপচপীয়া বৰষুণ আৰু জোনাকী ছোৱালীজনীয়ে খেলিছে — বৰষুণ আৰু নৃত্য — দুয়োটা একে সময়তে প্ৰতীক হিচাপেও ব্যৱহৃত হৈছে — দুয়োটা প্ৰজনন, উৰ্বৰা, সমৃদ্ধি, শ্ৰীবৃদ্ধিৰ প্ৰতীক। বহাগত চপচপীয়াকৈ বৰষুণ নপৰে, কবিতাৰ এই বৰষুণজাক কবিৰ হেপাহৰ সূচকহে। কবিৰ হেপাহৰ অন্ত নাইকিয়া, যদিও কবিৰ সকলো হেপাহ মানুহৰ শ্ৰীবৃদ্ধি, সৌন্দৰ্যৰ সমৃদ্ধি আৰু শান্তি-কল্যাণমূলকহে। এই কবিতাত আৰু কেইটামান প্ৰতীকৰ সমাৱেশ ঘটিছে, যেনে, সোণৰ বাহী, বিচনী আদি। এই কবিতাৰ আন এক কেন্দ্ৰীয় শাৰী হ'ল —

বহাগৰ চিপচিপ বৰষুণত প্ৰাণ জাগি উঠাৰ শব্দ শুনিলো —

বৰষুণ প্ৰকৃতিৰ চেনেহ-পৰশৰ প্ৰতীক — এই পৰশতে প্ৰকৃতিৰ বুকুত প্ৰাণ মঞ্জুৰি উঠে, সেই প্ৰাণৰ বিকাশৰ বাবে অনুকূল বতৰ-পৰিৱেশৰ প্ৰয়োজন আৰু সেয়েহে কবিয়ে কবিতাৰ শেষ পংক্তি দুটাত কেনেকৈ লিখিছে —

বহাগত বিয়পি পৰক মানুহৰ
কল্যাণ পৰশ

এই কবিতা সন্দেহাতীতভাৱে কবিৰ সপোনৰ চিত্ৰকল্প, কবিৰ হেপাহৰ প্ৰতীক।

এই আলোচনাত সামৰিব খোজা আনটো কবিতা হ'ল সুৰুযে সাৰ পালে — বিষয়বস্তু হ'ল, জাগৰণৰ শক্তিক পৰমায়ু প্ৰদান... এই বিষয়বস্তুৰ বিন্যাসৰ বাবে কবিয়ে আকৌ বসন্তৰ আগমন ঘটাইছে, বসন্তৰ আগমনত আইজনী গাভৰু হৈছে, শুভ শক্তিৰে ভৰুণ এজন যুৱক আইজনীৰ ৰূপ-যৌৱনৰ মোহত পৰিছে, এইজন মোহান্ধ যুৱকক (যুৱশক্তি) কবিয়ে ৰাতিপুৱাৰ সুৰুযৰ দৰে সাৰ পাবলৈ ক্ৰীষ্টোফাৰ কডৱেলৰ সুৰতে আমাৰ কবিয়ে আমাৰ তৰুণক আহ্বান জনাইছে — মোহৰ পৰা সাৰ পোৱা — উদিত সুৰুয তৰাইহে প্ৰতীক। সাম্প্ৰতিক সময়ত যুৱসমাজে যি পথ নিজৰ বুলি গ্ৰহণ কৰিব খুজিছে, সেই পথ কবিৰ মতে বিকাশ, প্ৰগতি, সমৃদ্ধিৰ পথ নহয়। আমাৰ যুৱ সমাজ, আমাৰ যুৱশক্তি কিহবাৰ মোহত পৰিছে, তেওঁলোকৰ

দৃষ্টি ধুঁৱলি হৈ পৰিছে, তেওঁলোক দিকভ্ৰষ্ট হৈ পৰিছে, সঠিক পথৰ নিৰ্দেশ কোনে দিব তেওঁলোকক, কবিয়ে দিব লাগে নে কবিতাই দিব লাগে — এক পৰ্ঘুমা পখীয়ে (এই পখী কবিৰ পাৰ্চনা) পথভ্ৰষ্ট যুৱক এজনক (?) সঠিক সময়ত সঠিক পথৰ নিৰ্দেশ দিছে,

> তুমি মোহত পৰিছা, শুনা — মোহ এৰা,
> আন্তৰিক প্ৰেমক সাবটি লোৱা,
> আইজনীকো যৌৱনৰ মোহত নপৰিবলৈ কবিয়ে
> প্ৰকাৰান্তেৰে উপদেশৰ সুৰত এনেকৈ ক'ব খুজিছে,
> চকুলো নুটুকিবা আইজনী মোৰ,
> সূৰ্য সাহ, জোন সাহ, আকাশ সাহ হৈ আৱৰিব
> তোমাক,
> শুভ্ৰকান্তি ফুল হৈ তুমি জগতত জিলিকি থাকিবা।

উপদেশৰ সুৰত সঠিক পথৰ নিৰ্দেশ — কবিৰ এনে প্ৰকৰণ-কৌশলে কবিতাক কিছুদূৰলৈ গদ্যৰ চৰিত্ৰ প্ৰদানেৰে ভাবাক্ৰান্ত কৰি তুলিছে যেন। কবিতা পাঠৰ বিমল আনন্দ এনে উপদেশ-বচনে ব্যাহত কৰে বুলি আমাৰ বিশ্বাস।

দুয়োটা কবিতাতে কবিজনৰ নৈতিক আদৰ্শৰ ছবিখন স্পষ্ট ৰূপত পাঠকৰ আগত ভাহি উঠে। কবিৰ আদৰ্শ সমাজৰ প্ৰগতি, সমাজৰ দীৰ্ঘম্যাদী সমৃদ্ধিৰ পৰিচায়ক। এই দুয়োটা কবিতাতে কবিৰ সপোন আৰু কবিৰ আদৰ্শ একাকাৰ হৈ পৰিছে। এটাৰ পৰা আনটোক নিলগাই চোৱাৰ উপায় নাই। কবিৰ মানুহৰ ওপৰত দুৰ্বাৰ আস্থা, মানুহেই কবিৰ সপোন, মানুহতেই কবিৰ ভৰসা। মানুহৰ কল্যাণ কবিৰ অন্বিষ্ট। এই দুটি কবিতাৰ আবেগ পৰিপক্ক আবেগ, আবেগৰ পাৰভঙা উৰ্মিমালাৰ এই দুই কবিতাত কবিয়ে স্থান দিয়া নাই। কবিৰ বাকভংগী পৰিশীলিত, আবেগ সমাহিত। আপাত আৰু অনুভূত দুখন পৃথিৱীৰ যুগপৎ উপস্থাপন এই কবিতা দুটাৰ বিশেষ বৈশিষ্ট্য। সদাজাগ্ৰত বিবেক-শক্তিৰ স্বকীয় কণ্ঠস্বৰ তেওঁৰ কবিতাবোৰত স্পষ্ট শুনা যায়। কবিৰ কালচেতনা সমাজ চেতনা, ইতিহাস চেতনাৰ সূচকহে এই দুই নাতিদীৰ্ঘ কবিতা। ঋতুৰ উল্লেখ এক সেতু পথৰ ইংগিতহে মাথোন। কবিতাৰ কেন্দ্ৰীয় বিষয় কোনোমতেই নহয়। ○

# কবি নলিনীধৰ ভট্টাচাৰ্যৰ লগত সাক্ষাৎকাৰ

**সাক্ষাৎ গ্ৰহণ ঃড° পূৰ্ণ ভট্টাচাৰ্য**

*[ অসমীয়া সাহিত্যৰ নিৰলস সাধক, সাহিত্য অকাডেমী বঁটা বিজয়ী, অসম উপত্যকা সাহিত্য বঁটা প্ৰাপক, সাহিত্যাচাৰ্য শ্ৰদ্ধাৰ নলিনীধৰ ভট্টাচাৰ্যৰ এতিয়া বয়স চাৰি কুৰি পোন্ধৰ বছৰ। 'আৱাহন'ৰ সময়ৰে পৰা আজি কিছু দিন আগলৈ সাহিত ৰচনাত একাণপতীয়াভাৱে মনোনিৱেশ কৰা শ্ৰদ্ধাস্পদ ভট্টাচাৰ্যদেৱক বাৰ্ধক্যই বাৰুকৈয়ে পীড়া কৰিছে। বৰ পুত্ৰৰ বিয়োগ, আকস্মিভাৱে পৰি গৈ হোৱা দুৰ্ঘটনা আৰু ভৰিৰ জটিল অস্ত্ৰোপচাৰ—ইত্যাদি কাৰকসমূহে বৃদ্ধাৱস্থাক আৰু কিছু প্ৰভাৱিত কৰিছে। বহু ক্ষেত্ৰত স্মৃতিয়েও শতৰু শালিছে। 'গৰীয়সী'ৰ সম্পাদক শ্ৰদ্ধেয় ড° লক্ষ্মীনন্দন বৰাদেৱৰ আহ্বান ক্ৰমে এইগৰাকী ঋষিতুল্য ব্যক্তিত্বৰ অধিকাৰী কবি, সমালোচক শ্ৰীযুত ভট্টাচাৰ্যদেৱৰ এটি সাক্ষাৎকাৰ ল'বলৈ গৈছিলো কনিষ্ঠা কন্যাৰ গৃহলৈ। ভিতৰৰ পৰা ওলাই আহিছিল 'ৱাকাৰ'ডালত ভৰ দি। আমি (মই আৰু মোৰ কনিষ্ঠ পুত্ৰই) দুয়ো কাষ্কত ধৰি কাষৰ চোফাখনত বহুৱাই দিছিলোঁ। কথাবোৰ এতিয়া বহু পৰিমাণে অস্পষ্ট হৈছে। পাহৰি যোৱা কথাটোও অকপটে স্বীকাৰ কৰিছে। কথা ক'লে ভাগৰ অনুভৱ কৰে। তথাপি প্ৰায় দুঘণ্টা সময় ধৰি তেখেতৰ লগত কথা পাতিছিলো। আমাৰ প্ৰশ্নৰাজিৰ যথাসাধ্যে উত্তৰ দিছিল। মাজে মাজে কথা কৈ থাকোঁতে কাহো উঠিছিল। অলপ ভয়ো খাইছিলোঁ, একেৰাহে বহু সময় ধৰি কথা ক'লে যেনিবা আৰু অসুস্থ হয়। সেয়েহে জুকিয়াই নিয়া প্ৰশ্নৰ দুই-চাৰিটা নোসোধাৰ সিদ্ধান্ত লৈছিলোঁ। শতক স্পৰ্শ কৰিবলৈ মাজত মাত্ৰ কেইটিমান বছৰ বৈ থকা এইগৰাকী সাহিত্য সাধকলৈ শ্ৰদ্ধা জনাই সাক্ষাৎকাৰটি আগবঢ়োৱা হ'ল।*

**প্ৰশ্ন ঃ অসমৰ জাতিয় জীৱনে আজি যিগৰাকী নলিনীধৰ ভট্টাচাৰ্যক পাইছে, তাত শৈশৱ বা ল'ৰালিৰ প্ৰভাৱ কেনেধৰণৰ ?**

**উত্তৰ ঃ** শৈশৱ বা ল'ৰালিৰ প্ৰভাৱ নাই বুলি ক'ব নোৱাৰোঁ। ল'ৰালি কালত আমাৰ জীৱনত মাৰ প্ৰভাৱ পৰে। মোকো মায়ে প্ৰভাৱিত কৰিছিল। দেউতাহঁতৰ পৰাও বহুতো কথা শিকিছিলোঁ। মোৰ দেউতাই বাগানত কাম কৰিছিল। শিক্ষকসকলৰ পৰা বহুত কথা শিকিছিলোঁ, নানান কথা জানিছিলোঁ। বিভিন্ন বিষয় আলোচনা হৈছিল। ল'ৰালিতে আমাক ডাঙৰ সকলোৱেও পথ দেখুৱাইছিল। ধৰক, সৰুতে মই চন্দ্ৰ কলিতা নামৰ অধ্যাপক এজনক লগ পাইছিলোঁ তেখেতে মোক জানিবলগীয়া কথা জনাইছিল। শিশুকালত জানিবৰ ইচ্ছা প্ৰবল। মোৰ ভাই বীৰেণৰ (প্ৰয়াত ভট্টাচাৰ্য) লগত একেলগে ধেমালি কৰিছিলোঁ। আমি বাগানত এবাৰ পথৰ দাঁতিত থকা দুজোপা দেৱদাৰু গছ দেখি নিজে প্ৰশ্ন কৰিছিল—'এই দুজোপা দেৱদাৰু গছ যিমান ওখ, আমি সিমান ওখ হ'ব পাৰিমনে?' মোৰ এতিয়াও দুখ লাগে তাৰ নিৰ্চিনা মানুহকো ইমান সোনকালে মাৰি নিলে। (মাত থোকা-থুকি হৈ পৰে)

**প্ৰশ্ন ঃ ল'ৰালিৰে পৰা শিক্ষা গ্ৰহণৰ পৰিসমাপ্তিলৈ আপুনি নানা দুখ-কষ্টৰ মাজেৰে জীৱন গঢ়িবলগীয়া হৈছে। আনকি পৰিয়ালটোৰ সামগ্ৰিক উন্নতিৰ স্বাৰ্থত আপুনি উচ্চ শিক্ষা গ্ৰহণৰ ধাৰাবাহিকতাও ভংগ কৰিবলগীয়া হৈছে। এনে পৰিৱেশ আৰু পৰিস্থিতিয়ে আপোনাৰ সাহিত্য সাধানাত কেনেধৰণৰ প্ৰভাৱ পেলাইছে?**

**উত্তৰ ঃ** সাহিত্য সাধনাৰ বাবে পৰিস্থিতি অনুকূল নাছিল। লিখাৰ উন্নতি কৰা, বাট দেখুওৱা অনুকূল পৰিৱেশ নাছিল। অৱশ্যে তাৰ মাজতো সাহিত্য সাধনাৰ বাবে সময় উলিয়াই লৈছিলোঁ। সদায় আপুনি মন কৰিব, যদি প্ৰতিকূল পৰিৱেশৰ মাজতো নিয়মিতভাৱে পঢ়া-শুনা কৰে, তেতিয়া সাহিত্য সাধনাৰ বাবে প্ৰয়োজনীয় মানসিক উৎকৰ্ষ সাধন সম্ভৱ। প্ৰতিকূল পৰিৱেশৰ মাজতো সাহিত্য সাধনাৰ বাবে serious হ'ব লাগিব।

**প্ৰশ্ন ঃ আপোনাৰ বয়স এতিয়া চাৰি কুৰি পোন্ধৰ। বয়সে আপোনাৰ শৰীৰত প্ৰভাৱ পেলাইছে। তথাপি আপুনি সাহিত্য সাধনাত নিমগ্ন হৈ আছে। ইয়াৰ অন্তৰালত কি সত্য লুকাই আছে? আপুনি মনত অহৰহ কি লৈ ফুৰে?**

**উত্তৰ ঃ** প্ৰশ্নটো বৰ টান। এইটো কথা ঠিক যে জীৱনটো অৰ্থহীন কৰি তোলাৰ উদ্দেশ্য মোৰ নাছিল। জীৱনটোক সদায় কেনেকৈ অগ্ৰগতিৰ পথত নিব পাৰি তাৰ চেষ্টা কৰিছিলোঁ। বিদ্যা গুণ প্ৰয়োজনীয় বস্তু, তাক দলিয়াই নেপেলাবলৈ যত্ন কৰিছিলোঁ। এইটো কথা নহয় যে আমি বাধ্য এইটো কাম (সাহিত্য সাধনা)

কৰিবলৈ। বয়স হওক, যি হওক আমি জীৱনকহে প্ৰধান বুলি ভাবিব লাগিব। জীৱন সুন্দৰ কৰিব লাগিব, সেই লক্ষ্য অন্তৰত আছিল বাবে এই চেষ্টা কৰিছিলোঁ।

**প্ৰশ্ন ঃ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগতে আপুনি মেট্ৰিক, বি.এ. পৰীক্ষা পাছ কৰিছিল ? তেতিয়াৰ শিক্ষাৰ সামগ্ৰিক ধৰণ-কৰণ আৰু বৰ্তমানৰ শিক্ষাৰ মান, ধৰণ-কৰণ ইত্যাদি সম্পৰ্কত আপোনাৰ ধাৰণা কেনেকুৱা ?**

**উত্তৰ ঃ** প্ৰশ্নটো ভালেই কৰিছে। আমাৰ শিক্ষাৰ মান একে আছেনে, বাঢ়িছে নে কমিছে—সেইটো জানিবলগীয়া কথা। এই বিষয়ে বিশ্লেষণ কৰাৰ দৰকাৰ, সকলোৰে জনাৰ দৰকাৰ। চাবলৈ গ'লে আমি যি দৰে, যি শিকিছিলোঁ, সেইবোৰৰ লগত আমাৰ মগজ, মন, চিত্ত, জাগতিক জীৱন—এই সকলোবোৰৰ সম্পৰ্ক আছিল। বিশেষকৈ জীৱনটোৰ কথা তুলি ধৰাৰ চেষ্টা কৰাৰ, আমাৰ জীৱনটোৰ মাজেদি সাধাৰণ মানুহো আগবাঢ়িবলৈ প্ৰেৰণা দিয়াটো উচিত বুলি ভাবিছিলোঁ। আমাৰ দিনৰ শিক্ষাই আমাক এনেধৰণৰ বোধ দিছিল।

**প্ৰশ্ন ঃ আপোনাৰ জন্ম ১৯২১ চনৰ ৪ ডিচেম্বৰ। আপোনাৰ প্ৰথম কবিতাপুথি 'এই কুঁৱলীতে' প্ৰকাশ পাইছে ১৯৭৯ চনত। তেতিয়া আপোনাৰ বয়স ৫৮ বছৰ। আপুনি 'আৱাহন'ত লিখিছে, 'পছোৱা'ত লিখিছে, 'ৰামধেনু'ত 'পদাতিক', 'পোহৰৰ গান', 'বিশ্বৰূপা', 'পঞ্চাশ নিযুতৰ প্ৰাৰ্থনা' আদি সুন্দৰ কবিতা ৰচনা কৰিছে। পুথি আকাৰে ইমান পলমকৈ কবিতাসমূহ সংকলিত হোৱাৰ অন্তৰ্নিহিত বা বাহ্যিক কিবা কাৰণ আছেনে ?**

**উত্তৰ ঃ** এইটো হয়। এইটো এটা কথা হ'ল কি—বাস্তৱিকতে প্ৰথম অৱস্থাত এলাহে কিছু লগ লৈছিল। লিখা 'আৱাহন'তে আৰম্ভ কৰিছোঁ। তাৰ পিছত 'পছোৱা'। পৰৱৰ্তী সময়ত অন্যান্য আলোচনীতো লিখা-মেলা কৰিছোঁ। তাৰ মাজতো মাজে মাজে এলাহে লগ দিছিল। কিন্তু মই লাহে লাহে এই কথা বুলি আৰু তাৰ সংশোধন কৰিছিলোঁ।

**(খ) আৰ্থিক দিশটোৱে প্ৰভাৱিত কৰা নাছিল ?**

**উত্তৰ ঃ** সেইটো এক নম্বৰ কথা। টকা-পইচা নাই। দেউতাই বাগানত কাম কৰি অৰ্থ উপাৰ্জন কৰিছিল। ৮০ টকামান দৰমহা পাইছিল। চলা টান হৈ পৰিছিল। টকা-পইচাৰ অভাৱে দিগদাৰি কৰিছিল।

**প্ৰশ্ন ঃ কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টৰ সম্পাদিত 'জয়ন্তী'ত আলোচনীত আপুনি কিয় লিখা নাছিল ?**

**উত্তৰ ঃ** 'জয়ন্তী'ত লিখাৰ ইচ্ছা আছিল। দুৰ্ভাগ্য—ঘৰুৱা জঞ্জালে অসুবিধাৰ সৃষ্টি কৰিছিল। বীৰেনে লিখিছিল। কোনো কোনো কাৰণ নাই, বেয়া ভাব যে আছিল তেনে নহয়। আমাৰ ঘৰতে সাহিত্যৰ খুব বেছি চৰ্চা হৈছিল। কিন্তু মোক ঘৰুৱা বিষয়ে দিগদাৰী কৰিছিল।

**প্ৰশ্ন ঃ আপুনি অসমীয়া সাহিত্যৰ এগৰাকী শক্তিশালী আৰু আনহাতে কাব্য-সমালোচকো। কবিতাৰ কথা, কবি আৰু নেপথ্য, 'মূল আৰু ফুল', 'মহৎ ঐতিহ্য'কে আদি কৰি সমালোচনামূলক গ্ৰন্থ ৰচনা কৰিছে। দুয়োটা দিশ কেনেকৈ চলাই নিছে? কিবা অসুবিধা পাইছেনে ?**

**উত্তৰ ঃ** পৰিশ্ৰম কৰিছোঁ। পৰিশ্ৰম কৰাৰ লগতে কবিতা আৰু আমাৰ নিজৰ সাহিত্যক কেনেকৈ আগবঢ়াই নিম সেই বিষয়ে চিন্তা-চৰ্চা কৰিছিলোঁ। আমাৰ ঘৰতে সেইবোৰৰ মেল বহিছিল। সেই দিশবোৰৰ আলোচনা হৈছিল। অসুবিধা পোৱা নাই, দুয়োটাকে অসুবিধা নোহোৱাকৈ আগবঢ়াই নিব পাৰিছিলো।

**প্ৰশ্ন ঃ (ক) 'মহৎ ঐতিহ্য' নামৰ গ্ৰন্থখনিৰ বাবে ২০০২ চনত আপুনি সাহিত্য অকাডেমী বঁটা লাভ কৰিছে। গ্ৰন্থখনি ডান্টেৰ 'ডিভাইন কমেডি'ৰ পৰা আৰম্ভ কৰি, কবি এলিয়াটৰ সমাজবোধ, 'ৰবীন্দ্ৰনাথ আৰু জাতীয়তাবাদ'—আদি ১১ টি প্ৰবন্ধ সামৰি লৈছে? প্ৰবন্ধৰাজি নিৰ্বাচনত 'ঐতিহ্যই' বিশেষভাৱে অন্তলীন ধাৰাৰে কাম কৰিছে নহয় জানো ?'**

**উত্তৰ ঃ** এটা সময়ত যিবিলাকে লিখিছিল—যেনে ডাঃ আৰাগ, চি.ডে.লুই (C. Day. Lewis) আদি সাহিত্যিকসকলৰ পুৰণি বস্তুবোৰৰ মহিমা কি—সেইবোৰ কিদৰে বাহিৰলৈ উলিয়াই দিছিল—সেইবোৰ কথা মন কৰিছিলোঁ। আমি সেইবাবে চেষ্টা কৰিছিলোঁ যে সাহিত্য হিচাপে গ্ৰন্থখন কিছু মূল্যবান হওক। সেইখন, তাৰ প্ৰবন্ধৰাজি ৰচনা কৰোঁতে গৱেষণাৰ দৰে আৰম্ভ কৰিছিলো।

**(খ) এক কথাত 'মহৎ ঐতিহ্য' বুলি ক'লে কি হ'ব ? সকলো ঐতিহ্য মহৎ নে ?**

উত্তৰ ঃ সকলো ঐতিহ্য মহৎ নহয়। ঐতিহ্যৰ এটা নিজা তাৎপৰ্য, বল আছে। বেছিভাগকে ঐতিহ্য বুলিব পাৰি, কিন্তু মহৎ ঐতিহ্য বুলিব নোৱাৰি। বেছিভাগ ঐতিহ্যবে কিন্তু ঐতিহ্য বল নাইকিয়া বুলিব পৰা নাযায়। বিভিন্ন সাহিত্যত এনে ঐতিহ্য বল আছে।

**প্ৰশ্ন ঃ ১৯৯৭ চনতে 'মহৎ ঐতিহ্য' গ্ৰন্থখন প্ৰকাশ পাইছে। গ্ৰন্থখনিৰ পাতনিত লিখিছে—'আমাৰ মানুহ ক্ৰমে ঐতিহ্য বিমুখ হৈ পৰিছে। মোৰ কেতিয়াবা অনুভৱ হয়, এটা ভয়াবহ সাংস্কৃতিক সংকটৰ গৰাহত পৰি আমাৰ জীৱন আৰু মন-বিপন্ন হৈ পৰিছে'—এই বিষয়ে আপোনাৰ ধাৰণা একেই আছেনে?**

উত্তৰ ঃ সেইটো ভাবি চাবলগীয়া কথা। আজিৰ মানুহ বিপন্ন হৈছে। ঐতিহ্য বিমুখ হৈছে। আমি এতিয়া অসমীয়া সাহিত্যৰ কথাকে ধৰোঁ। অসমীয়া সাহিত্য যি ধৰণে লিখা হৈ আছে, তেনেদৰে লিখা হৈ থাকিবই। আমি ঐতিহ্যক অদৰকাৰী বুলি ধৰিব নোৱাৰোঁ। ঐতিহ্যই আমাক জীৱন দিয়ে, বাট দেখুৱায়। দূৰদৰ্শী চিন্তাৰ বাবে আগবাঢ়িবলৈ আমাক উদগণি দিয়ে।

**প্ৰশ্ন ঃ চুটিগল্পৰ ক্ষেত্ৰত আপুনি লিখিছে 'বৰ্তমান আমাৰ গল্প-সাহিত্যৰ বৈচিত্ৰ আৰু গভীৰতা নাই বুলি কোৱাৰ মোৰ সাহস নাই, তথাপি আজি এটা নতুন প্ৰয়োজনে দেখা দিছে বুলি মাজে মাজে মই অনুভৱ কৰিছো। এই প্ৰয়োজনটোৱেই হ'ল ঐতিহ্য জিজ্ঞাসা আৰু উন্নয়নশীল চেতনাৰে গল্পক এটা নতুন মাত্ৰা দিবলৈ চেষ্টা কৰা।' যি প্ৰয়োজন আপুনি অনুভৱ কৰিছিল সেই প্ৰয়োজন পৰৱৰ্তী গল্পকাৰসকলে পূৰণ কৰিব পাৰিছেনে?**

উত্তৰ ঃ ক'বলৈ টান হৈছে। দুটা কথা—এটা হ'ল ঐতিহ্যৰ কথা আৰু তাৰ ভিত্তিত উত্তৰণ। ঐতিহ্য মানে যে চিৰকাল তাকে মানি থাকিব লাগিব সেইটো কথা নহয়। নতুন পথ, সময়ৰ লগে লগে তাৰ গতি কেনেকুৱা, মানুহবোৰ কোনফালে গৈছে—এইবোৰ কথা বিচাৰ কৰিব লাগিব। নহ'লে ঐতিহ্যক লোৱাৰ বা গ্ৰহণ কৰাৰ কথাও নাই। সেই ঐতিহ্যক মানুহৰ চেতনাত জগাই তুলিব লাগে। বহুতে এনেদৰে লোৱা নাই, ভালকৈ বিষয়টো ফঁহিয়াই চোৱা নাই।

**প্ৰশ্ন ঃ আধুনিকতা সম্পৰ্কত আপুনি এটি নিবন্ধত লিখিছে—'আধুনিকতাবাদৰ চৰিত্ৰ আত্মকেন্দ্ৰিক, বিচ্ছিন্নতাই ইয়াৰ ধৰ্ম।'—কথাষাৰ কেনেধৰণে বিশ্লেষণ কৰিব?**

**উত্তৰ ঃ** হয়, আধুনিকতাবাদৰ কথা নকওঁ, আধুনিকতা বুলিলে আমি কি বুজোঁ? বৰ্তমান কালত সাহিত্যই যি গতিবেগ লৈছে—তাৰ ভাল-বেয়া জানিব লাগিব। নহ'লে সেই দিশত আগবাঢ়িব নোৱাৰি। আধুনিকতাবাদৰ চৰিত্ৰ আত্মকেন্দ্ৰিক, বিচ্ছিন্নতাই ইয়াৰ ধৰ্ম। এই বাবে লোক-জীৱনৰ প্ৰতিও বহু ক্ষেত্ৰত উদাসীন। এনে উদাসীনতাই আমাক ছিন্নমূল কৰিছে।

**প্ৰশ্ন ঃ 'জীৱনৰ অৰ্থহীনতা বা শূন্যতাৰ ধাৰণা গল্প-উপন্যাসৰ ভেটি হোৱাটো আমাৰ যুগৰ বাবে মংগলজনক নহয়' 'মহৎ ঐতিহ্য' নামৰ গ্ৰন্থখনৰ চুটিগল্পত 'ঐতিহ্য জিজ্ঞাসা আৰু উত্তৰণশীল চেতনা' নামৰ প্ৰবন্ধত আপুনি এই কথা উল্লেখ কৰিছে। আমাৰ অসমীয়া গল্প, উপন্যাসত তাৰ ব্যতিক্ৰম ঘটিছেনে?**

**উত্তৰ ঃ** এইটো কথা আপোনালোকেও সমৰ্থন কৰিব লাগিব। মই ভাবোঁ জীৱনৰ বাবে যদি অৰ্থহীন হয়, ক্ষতিকাৰক হয়, তেতিয়াহ'লে ক্ষতিটো বহু ডাঙৰ হ'ব। সেই সময়তে আমি মানুহক গঢ় দিব লাগিব। মানুহৰ কাম আছে। মানুহৰ মনুষ্যত্বক জীয়াই ৰাখিব লাগিব। নহ'লে সাহিত্য মংগলজনক নহয়। সেই কথাত মন দিয়া যুগুত।

**প্ৰশ্ন ঃ ৰামধেনু যুগৰ পাঠক কেনেকুৱা মনোভাৱসম্পন্ন আছিল?**

**উত্তৰ ঃ** ৰামধেনু যুগৰ পাঠকসকল আছিল দীক্ষিত পাঠক। অনুসন্ধিৎসু কৌতূহলী। বহুলভাৱে, সকলো দিশ সামৰি তেওঁবিলাকে চিন্তা কৰিব পাৰিছিল। অধ্যয়নৰ বিস্তৃতি আছিল। সৰ্বোপৰি, তেওঁবিলাকৰ চিন্তাত একধৰণৰ উদাৰতাও আছিল। এনে দীক্ষিত পাঠকৰ বৌদ্ধিক জিজ্ঞাসাই লেখৰ সৃষ্টি, কল্পনাক দিব পাৰিছিল এক ধৰণৰ স্বতন্ত্ৰ। ৰামধেনু যুগৰ সৃষ্টিৰ বেলিকা এই পাঠকৰ অৱদান কম নাছিল।

**প্ৰশ্ন ঃ 'ৰামধেনু' আলোচনী আৰু বৰ্তমানৰ আলোচনীৰ চিন্তাজগতত কিবা পাৰ্থক্য আছেনে?**

**উত্তৰ ঃ** ৰামধেনুৰ বহু দিনলৈ সম্পাদকৰ দায়িত্ব পালন কৰিছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। প্ৰকৃতাৰ্থত যিহৰ বাবে এখন আলোচনী উলিয়াব লাগে আৰু তাৰ প্ৰভাৱ পেলাব লাগে—সেইটো আছিল সেই যুগৰ আলোচনীয়ে বিচাৰিছিল। এতিয়া সেই চিন্তাধাৰা প্ৰায় নাইকিয়া হ'ল। সেই সময়ত মানুহৰ মংগলৰ বাবে মানুহক এটা বৃহত্তৰ পৰ্যায়লৈ লৈ যোৱা বাবে এটা আগ্ৰহ আছিল। এতিয়া সেই দৃষ্টিভংগীৰ অভাৱ পৰিলক্ষিত হৈছে।

**প্ৰশ্ন ঃ ৰামধেনুৰ পাততে আপুনি অনুবাদৰ চৰ্চা আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত কৌশাম্বীৰ 'প্ৰাচীন ভাৰতৰ সংস্কৃতি আৰু সভ্যতা' নামৰ গ্ৰন্থৎও অনুবাদ কৰিছে। আপোনাক সুধিব খুজিছোঁ, কবিতাৰ অনুবাদ কেনে হ'ব লাগে?**

**উত্তৰ ঃ** কবিতাৰ অনুবাদ বুলিলে আক্ষৰিক অনুবাদ নহয়। এটা বেলেগ হেৰি! আছে। যেনে ধৰক—নীলমণি ফুকনৰ কবিতা। কবিতাত তেওঁ এটা বিশেষ দৃষ্টি পেলায়। এই দৃষ্টিয়ে পাঠকৰো মানসিক, আন্তৰিক—এই সকলোবোৰ দিশত প্ৰভাৱ পৰে। ঘঁৰিয়াল বিষয়ক এটা কবিতা লিখিছিল য'ত জীৱনৰ নানান বৈষম্য প্ৰকাশ পাইছে। কবি নীলমণি ফুকনৰ কবিতা সম্পৰ্কত আলোচনা কৰিছে ডঃ হীৰেন গোঁহায়ে 'সাগৰ তলিৰ শংখত'। সেইটোৱেই বেলেগ ৰূপ। কবিতা হৈছে এটা আৰ্ট। আৰ্টক আৰ্টৰ পৰ্যায়লৈ নিব লাগিব। তেতিয়াহে সঁচা অনুবাদ সম্ভৱ হৈ উঠিব।

**প্ৰশ্ন ঃ 'ৰামধেনু'ৰ কবিতা আৰু তাৰ পৰৱৰ্তী সময়ৰ কবিতাত বিষয় আৰু আংগিকৰ বিশেষ পাৰ্থক্য আছেনে?**

**উত্তৰ ঃ** পাৰ্থক্য আছে। জীৱনক লৈয়েই সাহিত্যৰ গুৰি। 'ৰামধেনু'ত প্ৰধানকৈ জীৱনক লৈয়ে কবিতা লিখা হৈছিল। কবিতা হ'ল সৃষ্টিশীল সাহিত্য। সৃষ্টিশীল সাহিত্য হিচাপে তাক অপূৰ্ব কলা-কৌশলেৰে দাঙি ধৰাটো 'ৰামধেনু'ৰ কবিতাৰ মূল উদ্দেশ্য আছিল। পৰৱৰ্তী কবিতাত সেইটো নাই। যেনে—'জেংৰাই ১৯৬৩' (কবি অজৎ বৰুৱা)। এইটো ব্যক্তিগত মননশীল কবিতা। 'ৰামধেনু'ত মানৱতাবাদ মুকলি হৈ আছিল। কবি নৱকান্ত বৰুৱাই 'হাত'ক লৈ এটা কবিতা লিখিছিল। নৱকান্তৰ প্ৰতিভা অনন্য আছিল। নৱকান্তই কবিতাটোত লিখিছে—'হাত, দুখন হাত, এখন মানুহৰ, এখন দেৱতাৰ হাত।' কি সুন্দৰ! মানুহৰ পৰা তেওঁ কি বিচাৰিছিল। প্ৰথম মানুহ, তাৰ পিছতহে দেৱতা। কি সুন্দৰ।

**প্ৰশ্ন ঃ 'ৰামধেনু'ৰ সময় আৰু পৰিৱেশে আপোনাক দুৰ্ভগীয়া মানুহসকলৰ কথা লিখিবলৈ বাধ্য কৰিছিল বুলি আপুনি উল্লেখ কৰিছে। কেনেবোৰ পৰিৱেশ বিশেষভাৱে উল্লেখ কৰিব পাৰি?**

**উত্তৰ ঃ** আচলতে আমাৰ মানুহ দুৰ্ভগীয়াই। মানুহৰ মানসিক, জৈৱিক ধ্যান-ধাৰণাবোৰৰ দৃষ্টিভংগী বহল নহ'ল। নীলমণি ফুকনে অৰ্থহীন মানুহৰ বাবে, শূন্য মানুহৰ বাবে কবিতা ৰচনা কৰিছে। মানুহৰ কাৰণে তেওঁৰ চিন্তা। নৱকান্ত বৰুৱা, নীলমণি ফুকনৰ মানুহৰ বাবে এটা সুন্দৰ চিন্তা আছে।

**প্রশ্ন ঃ নৱকান্ত বৰুৱা আপোনাতকৈ ৮ বছৰমানৰ সৰু। নৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কত আপুনি যথেষ্ট লিখা-মেলাও কৰিছে। তেওঁৰ প্ৰতি আপোনাৰ বিশেষ প্ৰীতি আছে। কিন্তু, আমি মন কৰিছোঁ নৱকান্ত বৰুৱাই শেহৰ পিনে দৰ্শনৰ ৰূপান্তৰো ঘটাইছিল। বুদ্ধ দৰ্শনৰ প্ৰতি তেওঁৰ আকৰ্ষণ বাঢ়িছিল। আপোনাৰ কবিতাৰ দীঘলীয়া পৰিক্ৰমাত মূল দৰ্শন, চিন্তা, দৃষ্টিভংগী প্ৰায় একে আছে। হয়নে?**

**উত্তৰ ঃ** হয়! মই নৱকান্ত হ'ব পৰা নাই। নৱকান্তই যিটো কৰিছে সেইটোৰ প্ৰয়োজন আছে। মানুহৰ ক্ষেত্ৰতো। মানুহ শ্ৰেষ্ঠ, খাবলৈ নোপোৱা মানুহৰ অৱস্থা তেওঁ উন্নত কৰিবলৈ চেষ্টা কৰিছে। বুদ্ধ দৰ্শনৰ মূল কথা এইটোৱেই। সকলো মানুহে সকলো কথা আয়ত্ব কৰিব নোৱাৰে। আমাৰ সময়ৰ মানুহৰ, মানুহৰ প্ৰতি আন্তৰিকতা সৰহভাগৰে আছে।

**প্ৰশ্ন ঃ আমি অনুভৱ কৰিছোঁ আপোনাতকৈ বয়সত ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ৩ বছৰৰ সৰু হ'লেও আপোনাৰ জীৱনত, সাহিত্য সাধনাত এইগৰাকী ভাতৃৰ গভীৰ প্ৰভাৱ আছে?**

**উত্তৰ ঃ** বীৰেনৰ কথাটো কি হ'ল—গান্ধীৰ শিষ্য নাছিল, মাৰ্ক্সবাদৰ কথা পঢ়িছিল। সেই দৃষ্টিৰ ছাঁ সাহিত্যত পৰিছে। মই এখন কিতাপ লিখিছিলোঁ—উত্তৰ ভাৰতৰ মানুহৰ সম্পৰ্কত কলিকতাৰ এটা পুথি প্ৰকাশন প্ৰতিষ্ঠানে ছপাইছিল। মানুহে এটা গোষ্ঠীতে যে খুঁটি মাৰি থাকিব সেইটো নহয়। এইটোও ঠিক 'মৃত্যুঞ্জয়'ত গান্ধীবাদৰ প্ৰভাৱো পৰিছে। আমাৰ ক্ষেত্ৰতো সেইটো হৈছে। (আবেগিক হৈ) 'আচলতে গান্ধীক আমি মাৰি পেলালোঁ!'

হ'লেও সাহিত্য সাধনাত প্ৰভাৱ আছে। আমাৰ গাঁওখনৰ নাম ঢেঁকীয়াখোৱা। এসময়ত আমাৰ ঘৰৰ সা-সম্পত্তিবোৰৰ সম্পৰ্কত আলোচনা হ'ল—কি কৰা যায়। সি ক'লে—'আমাৰ মাটি-বাৰী যি য'ত আছে, যিয়ে খাই আছে তাক দি দিয়া।' (কান্দি দিয়ে)। বীৰেনৰ প্ৰস্তাৱ মানি ল'লোঁ। পিছত, তাৰ মৃত্যুৰ পিছত গাঁওবাসীয়ে 'স্কুলঘৰ' বীৰেনৰ নামত দি দিলে। ৰাইজক আমি মাটি দি দিলোঁ। তাৰ এইবোৰ কথা ভাল বুলি ভাবিছোঁ।

**প্ৰশ্ন ঃ মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৱে আপোনাৰ জীৱনৰ ডেকা কালছোৱাত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল—সেই কথা আপুনি লিখিছে।**

এতিয়াও গান্ধী দৰ্শনৰ দ্বাৰা আপুনি প্ৰভাৱিতনে? নে এই ক্ষেত্ৰত কাৰ্ল মাৰ্ক্সৰ প্ৰভাৱ অধিক? দুয়োটা দৰ্শনৰ সমাহাৰত সাহিত্য-সাধনা আগবঢ়াই নিব পাৰিনে?

**উত্তৰ ঃ** ঠিকেই আছে। মাৰ্ক্সীয় দৰ্শন আৰু গান্ধীদৰ্শন দুয়োটাই আছে। এই কথা মিলাব পৰা হৈছে 'মৃত্যুঞ্জয়'ৰ চিন্তা-দৰ্শনৰ পৰা। (মহদা গোঁসাইৰ প্ৰসংগও উল্লেখ কৰে আৰু কয়—কম মানুহ নাছিল।) গান্ধীকো মই এৰাই চলিব নোৱাৰিলোঁ। মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱো পৰিল। মাৰ্ক্সেও সঁচা কথা কৈছে। দুয়োটাই সত্য। দুয়োটাৰ সমাহাৰত ভাল সাহিত্য ৰচনা কৰিব পাৰি।

**প্ৰশ্ন ঃ ব্যক্তিগত জীৱনৰ প্ৰভাৱতকৈ আপোনাৰ কবিতাত মানৱতাবাদী দৰ্শনেই অধিক প্ৰাধান্য পোৱা বুলি মনে ধৰে?**

**উত্তৰ ঃ** আচলতে মানৱতাবাদী দৰ্শনেই সকলোৰে মূল। মাৰ্ক্স আৰু গান্ধীৰ দৰ্শনো সেইটোৱেই। মানৱতাবাদী দৰ্শনেৰেই সাহিত্য সাধনা কৰিছোঁ।

**প্ৰশ্ন ঃ কবিতাত প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে দুআষাৰ কওকচোন।**

**উত্তৰ ঃ** কবিতাত প্ৰতীক বা চিত্ৰকল্প যি বোলোঁ সেইবিলাক লগৰীয়া বস্তু, সংগী। এইবোৰ নাথাকিলে কবিতা—কবিতাই নহয়। প্ৰতীকে প্ৰাণ দিয়ে, বাট দেখুৱায়। কবিতাত প্ৰতীক বা চিত্ৰকল্পৰ বিশেষ প্ৰয়োজন আছে, না কৰি দিব নোৱাৰি।

**প্ৰশ্ন ঃ জীৱন সম্পৰ্কে আপোনাৰ দৃষ্টিভংগী?**

**উত্তৰ ঃ** জীৱন সম্পৰ্কত চিধা-চিধি ক'বলৈ টান। জীৱনক বাদ দি, মানুহক বাদ দি, ঐতিহ্যক বাদ দি 'জীৱন' চলাব নোৱাৰি। আমাৰ পূৰ্বপুৰুষসকলে কেনেদৰে কাম কৰিছিল, সেই ঐতিহ্য জানিব লাগিব। বিশ্লেষণ (analysis) কৰিব লাগিব। তেনেকৈ জীৱনটোক চাব পাৰি।

**প্ৰশ্ন ঃ শিল্পী-সাহিত্যিকৰ কৰণীয় কি?**

**উত্তৰ ঃ** শিল্পী-সাহিত্যিকৰ কৰণীয় কি? মই 'কালপুৰুষ ছাঁ' নামেৰে এটা গল্প লিখিছিলোঁ—বীৰেনৰ মৃত্যুৰ পিছত লিখা কালপুৰুষৰ 'ছাঁ' মানে মৃত্যু, মৃত্যুৰ কথা লিখিছোঁ। চৰিত্ৰটো অন্যভাৱে দাঙি ধৰিছোঁ। মেডিকেলত মৃত্যুৰ সময়ত তাৰ ওচৰতে আছিলোঁ—তাক খুব ভাল পাইছিলোঁ। (শোকত ভাগি পৰে)। শেষ সময়। মেডিকেলত পৰি আছে। প্ৰথম— আগদিনা বেয়া, পিছদিনা অলপ ভাল পাইছে। উঠি বহিল। সিদিনাৰ বাতৰিকাকতখন সাধিলে। পঢ়ি শেষ কৰিলে। (এনেতে সেই

সময়ৰ ৰাজনৈতিক ক্ষেত্ৰৰ মানুহেও হেনো লগ ধৰিব আহিছিল)। তাৰ পিছত এজনী মাইকী মানুহে বহুত কিতাপ হাতত লৈ বেচিব আহিছে। কিতাপ লৈ অহা মানুহজনীক দেখি ক'লে—'কিবা এখন লোৱা'। মই এতিয়া কি কৰোঁ মোৰ হাতত পইচা নাই। তাক ক'লোঁ—সি মনে মনে থাকিল। বেয়া পালে। পিছদিনা মৃত্যু। 'কাল-পুৰুষৰ ছাঁ' —ক'ত লিখিছোঁ মনত নাই।

**প্ৰশ্ন ঃ প্ৰাপ্তি আৰু অপ্ৰাপ্তি সম্পৰ্কত কিবা ক'ব?**

**উত্তৰ ঃ** মই কিবা এটা পাম—অৰ্থাৎ নিজৰ কাৰণে মই লিখা নাই। নিজৰ উপকাৰ হোৱাক প্ৰাপ্তি নোবোলে—আনৰ উপকাৰ হোৱাটোৱেই প্ৰাপ্তি। বিষ্ণু ৰাভাদেউৰ জীৱন—দুখ কৃত জীৱন। সেইটো নকৰিলে He can not be a human. মানুহৰ প্ৰতি মানুহৰ যি আন্তৰিকতা। মনুষ্যত্ব সেইটো জীয়াই ৰাখিবলৈ তেওঁ মানুহ হ'ব লাগে—সেইটোৱেই ডাঙৰ কথা। মই আপোনাক সঁচা কথা কৈছো— এই পৃথিৱীৰ দৰিদ্ৰ—যাৰ কোনো আশ্ৰয় নাই যি মানুহ মানুহৰ শাৰীলৈ উঠিব নোৱাৰে, উঠিবলৈ শক্তি নাই শক্তি আমি কাঢ়ি আনিছোঁ—এইটোৱেই ডাঙৰ কথা- এইটোৱেই অপ্ৰাপ্তি। দিনে দিনে ই আৰু বাঢ়িছে।

**প্ৰশ্ন ঃ কেনেধৰণৰ কথাই আপোনাৰ অন্তৰৰ বিষাদবোধৰ সৃষ্টি কৰে?**

**উত্তৰ ঃ** আচলতে ওপৰত আলোচনা কৰা কথাবোৰে বিষাদৰ সৃষ্টি কৰে। বিষাদৰ কথা ক'লে বীৰেণৰ মৃত্যুৰ কথা মনত পৰে। মোৰ সন্মুখতে ঢুকাইছে। (শোকত ভাগি পৰে) চকুলোৰ কাৰণে, মানুহৰ কাৰণে মানুহে কান্দে—কাৰণ পৱিত্ৰ মানুহ। মানুহৰ দুখ, মানুহৰ মিছা আক্ৰোশ আৰু আনক অন্যায়ভাৱে বঞ্চিত কৰিলে বেয়া পাওঁ, দুখ পাওঁ।

**প্ৰশ্ন ঃ সাম্প্ৰতিক কবিসকলে সঠিক বাটেৰে আগবাঢ়িছে বুলি ভাবেনে?**

**উত্তৰ ঃ** জটিল প্ৰশ্ন সুধিছে। টান অলপ। আমাৰ বৰ্তমানৰ সময়খিনিকো জুই লগা সময় বুলি ক'ব পাৰি। ইয়াত মানুহৰ প্ৰকৃত দুখীয়া মানুহৰ ভালদৰে জীয়াই থকাৰ সুবিধা নাই। তেনে মানুহৰ কথা দাঙি ধৰাৰ প্ৰয়াস কৰিব লাগে।

মানুহৰ জীৱন যদি শূন্য হয়, নিৰন্ন হয়, মানুহ কেনেকৈ জীয়াই থাকিব? মানুহৰ কথা সাহিত্যত লিখিব লাগে। বিষ্ণুপ্ৰসাদ ৰাভাৰ—'এয়ে মোৰ শেষ গান' কিমান ভাল লাগে। তাকে লৈ বীৰেনে লিখিলে বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি। কষ্টত কটাইছে মানুহে। যিবিলাক মানুহে আনক বঞ্চিত কৰে—তাক নিন্দা কৰিব লাগে।

**প্ৰশ্ন ঃ অসমীয়া সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কে আপুনি আশাবাদীনে ?**

**উত্তৰ ঃ** বৰ টান কথা। আশা কৰোঁ—ভৱিষ্যৎ সুন্দৰ হওক। ভাষা যদি সুন্দৰ হয়, মানৱীয় আনন্দ যদি দান কৰিব পাৰে তেতিয়া ভৱিষ্যৎ সুন্দৰ হ'ব। ....... দুৰ্ভাগ্য, অসমত এতিয়া টকা-পইচা এইবোৰক লৈ ইটোৱে-সিটোক মাৰিছে—কেনেকৈ আপুনি সহ্য কৰে। মানুহক মানুহে মাৰে!

**প্ৰশ্ন ঃ অসমীয়া আলোচনীয়ে বৌদ্ধিক আৰু সামাজিক দিশত কেনে ভূমিকা পালন কৰিছে?**

**উত্তৰ ঃ** কৰিছে। কিছু দূৰলৈ কৰিছে, নাই কৰা বুলি ক'ব নোৱাৰি। অন্তৰ খুলি অৱদান দিছে। কিন্তু তাৰ মাজতো আৰু কিছু কৰাৰ প্ৰয়োজনীয়তা আছে। যিবিলাক মানুহৰ দুখ-দুৰ্দশা, মাৰ্ক্সেও যিটো কৈছিল বা গান্ধীয়েও যিটো কথা কৈছিল, যেনে—ৰাম-ৰহিম—একে লগ হোৱা—সেইবোৰ কথা প্ৰকাশ কৰিব লাগিব। তেওঁলোকে অন্যায় কৰাটো সহ্য কৰিব নোৱাৰিছিল। এইবোৰ দিশ আলোচনীবোৰে বিশেষভাৱে ফুটাই তুলিব লাগে। মই সেইটো বিচাৰোঁ। নহ'লে জগত কেনেকৈ থাকিব?

**প্ৰশ্ন ঃ এঠাইত আপুনি লিখিছে—নতুন ধাৰণাৰে পুঁজিবাদ আহিছে? কেনেদৰে?**

**উত্তৰ ঃ** (বহু সময় ভাবি) এতিয়া ধৰক—আমি ৰাজনীতিৰ ক্ষেত্ৰখনৰ কথাই কওঁ—প্ৰকৃততে কি হৈছে। গান্ধী আৰু ৰাজনৈতিক দলৰ ধ্যান-ধাৰণা বাস্তৱতে একে নহয়। ৰামে ৰহিমক, ৰহিমে ৰামক মাৰে। ৰাজনৈতিক দলসমূহ ধনিক লবীৰ হাতত। এনেবোৰ কথাৰ পৰা ভাবিব পাৰি—নতুন কৌশলেৰে পুঁজিবাদ আহিছে।

**প্ৰশ্ন ঃ 'কবিতাৰ কথা' নামৰ গ্ৰন্থখনত এটা কথা কোৱা হৈছে—'সমাজ চেতনা আৰু শিল্প গুণৰ উভয়ৰ সমন্বয়তহে সাৰ্থক কবিতাৰ জন্ম হয়।' তাৰ উত্তৰ হিচাপে গাৰ্থিয়া লোৰ্কা আৰু পাবলো নেৰুদাৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। এই সম্পৰ্কত কি হ'ব?**

**উত্তৰ ঃ** বহুতে ক'ব পাৰে সামাজিক চেতনা নহ'লেও কবিতা, কবিতা হৈ পৰে। কিন্তু সেইটোৱে কলাৰ মূল উদ্দেশ্য সাধন নকৰে। চেতনা, মনন দৃষ্টিত সুমুৱাই দিব লাগিব। শিল্প গুণো লাগিবই। তেনেকৈ আমি ভাবিছোঁ।

**প্ৰশ্ন ঃ 'এই পৃথিৱীখনৰ গভীৰ অসুখ থাকিব পাৰে, তথাপি মানুহ পৃথিৱীৰ কাষত ঋণী। সমালোচনাত সমালোচকে কেৱল নেদেখে, আনকো তেওঁ দেখুৱাবলৈ চেষ্টা কৰে।'**

**উত্তৰ ঃ** হয়, এই দুটা কথাক মই লিখাৰ মাজক গুৰুত্ব দিওঁ। মানুহ পৃথিৱীৰ ওচৰত ঋণী। পৃথিৱীখনেই মানুহৰ তত্ত্বাৱধায়ক। মানুহে যদি অন্যায় কৰে তেতিয়া পৃথিৱীখনৰ উপায় কি? সমালোচকে আনকো দেখুৱাবলৈ যত্ন কৰে। আনকো দেখুৱাবলৈ চেষ্টা কৰাটো ভাল কাম। দুখীয়া মানুহ এজন শূন্য—একো নাই তেওঁৰ। তেওঁক সহায় কৰিব লাগিব। মানুহ তেওঁ। সমালোচকে সেই কথা আনক বুজাই দিয়াত সহায় কৰে।

**প্ৰশ্ন ঃ 'শিল্পীৰ মনে যি ভাল দেখে তাক কৰিলেই শিল্প মহৎ নহয়'—শিল্প মহৎ হ'বলৈ কোনবোৰ দিশত গুৰুত্ব দিব লাগিব?**

**উত্তৰ ঃ** শিল্পৰ মহত্ত্ব—মনুষ্যত্বৰ গুণ গান কৰাত। সেইবোৰত গুৰুত্ব দিব লাগে। তাতেই মহত্ত্ব। কেৱল খোৱা-বোৱাক দেখুৱাই দিয়াই শিল্পৰ বিষয় নহয়। শিল্পৰ, কলাৰ, স্বাভাৱিক জীৱন যাত্ৰাৰ, জীৱনক জীয়াই ৰাখিবলৈ শুদ্ধ ৰূপ দি, সুখ-সুবিধা আনি দিয়া কাম কলাই কৰিব লাগে। কলাৰ যদি সেই গুণ নাথাকে, সেই কলা 'শিয়াল' হ'ব। শিয়ালৰ যিটো—সেইটো।

**প্ৰশ্ন ঃ সমাজ জীৱনৰ কথা নকওঁ—আমাৰ সাহিত্যত পাশ্চাত্যৰ ৰেহ-ৰূপৰ অন্ধ অনুকৰণ ঘটিছে নেকি?**

**উত্তৰ ঃ** কিছু ক্ষেত্ৰত হৈছে। মই এটা কথা লিখিছোঁ (পাহৰি, বহু সময় ভাবি) পাশ্চাত্যৰ সকলো কথাই আমি অনুকৰণ কৰিব লাগিব—এনে কথা নাই। পাশ্চাত্যৰ এনেকুৱা কিছুমান দিশ আছে যাৰ আচলতে গ্ৰহণ কৰিব নোৱাৰি আৰু এনে দিশ আছে য'ত মূৰ্ত জীৱনৰ ছবি আমাক দিব পাৰে। তেনে ক্ষেত্ৰতহে আমি গুৰুত্ব দিব লাগে। এইটো সত্য পাশ্চাত্য দৰ্শনক উলাই কৰা বিষয় নহয়।

**প্ৰশ্ন ঃ 'ৰবীন্দ্ৰনাথ আৰু জাতীয়তাবাদ' নামৰ প্ৰবন্ধটিত আপুনি লিখিছে—এইজন ৰবীন্দ্ৰনাথ কেৱল জাতীয়তাবাদী নহয়, তেওঁ মহৎ বিশ্ব নাগৰিকো।'—ইয়াৰ আঁত ধৰি আপোনাক সুধিছোঁ—জাতীয়তাবাদী আৰু মানৱতাবাদী দুয়োটা ধাৰণা একেলগে আগবঢ়াই নিব পাৰিবনে?**

উত্তৰ ঃ জাতীয়তাবাদ যদি সংকীৰ্ণ নহয়, তেতিয়া তাক গ্ৰহণ কৰিব পাৰি। সেই জাতীয়তাবাদত আন্তৰিকভাৱে বহল দৃষ্টিভংগী থাকিব লাগিব। ৰবীন্দ্ৰনাথৰ চিন্তা অকল জাতীয়তাবাদী নহয়, মানৱতাবাদীও। তেওঁ বিশ্ব নাগৰিকো।

প্ৰশ্ন ঃ সামাজিক ক্ষেত্ৰত আজি যি পৰিৱৰ্তন হৈছে সেয়া মানুহৰ হিতৰ বাবে হৈছে বুলি ভাবেনে?

উত্তৰ ঃ একাষাৰতে ক'ব নোৱাৰি। কাৰণ, ৰাজনীতিবিদৰ পৰা কি আশা কৰিব পাৰি? দলবোৰ বিভিন্ন হ'ল—দলবোৰৰ মাজত একোটা বিষয় লৈ মতৰ বিভাজন হৈ কাজিয়াৰ সূত্ৰপাত হয়। মানুহৰ হিতৰ বাবে আচলতে এইবোৰ ক্ষেত্ৰত একো হোৱা নাই।

প্ৰশ্ন ঃ 'মানুহৰ শেষ আশ্ৰয় মাটি। মানুহ তাত চিৰকালৰ বাবে হেৰাই যায়। সেই চেতনা যাৰ মনলৈ আহে, সি কেতিয়াও বেয়া কাম কৰিব নোৱাৰে। বিজ্ঞ পাঠকে এই কথা জানে।' এই কথা আপুনি আপোনাৰ লেখাত উল্লেখ কৰিছে। পাঠকৰ বিজ্ঞৰূপক আপুনি সন্মান জনাইছে। কিন্তু পাঠকৰ বাহিৰতো এখন সমাজ জীৱন আছে। সেইসকলৰ চেতনাক পল্লৱিত কৰিবলৈ কি কৰা উচিত?

উত্তৰ ঃ তেওঁলোকৰ বাবে অন্য বাণী হ'ব নোৱাৰে। যি খুচি তাকে কৰি থাকা—এনে ধাৰণাক প্ৰশ্ৰয় দিব নোৱাৰি। তেওঁলোকৰ বাবে এটা সুকীয়া পৰামৰ্শ আগবঢ়াব লাগিব। জগত কেনেকুৱা হৈছে তেওঁলোকক বুজাব লাগিব। মানুহ এটা সময়ত 'শিয়াল' হৈ যায়, আপুনি জানেনে এইটো—অৰ্থহীনভাৱে টেঙৰ হোৱা। তেনেদৰে টেঙৰ হোৱা মানুহক নিন্দা কৰিব লাগিব। শিয়ালে মানুহৰ মূল্য নুবুজে। শিয়ালৰ দোষ-গুণ বুজাই দিব লাগিব। লোভ কৰা উচিত নহয়—বিশেষভাৱে সেইটো বুজাব লাগিব।

প্ৰশ্ন ঃ মোৰ শেষ প্ৰশ্ন—আজি ২২ জুলাই, ২০১৬। কিমান দিন আপুনি কবিতা লিখিব পৰা নাই।

উত্তৰ ঃ মই এতিয়া লিখি আছোঁ বুলি ক'ব নোৱাৰোঁ। দুই-এটা লিখিছোঁ যদিও, পৰিপাটী হোৱা নাই। নতুন কবিতা এটা 'গৰীয়সী'ৰ পাঠকৰ বাবে দিবলৈ সম্পাদকে অনুৰোধ জনাইছিল। তেখেতে দহ দিন সময় বিচাৰিছিল। কিন্তু সেই সময়ৰ ভিতৰত সেয়া বাস্তৱত সম্ভৱ নহ'ল ....। ○

# আমাৰ অতিকৈ প্ৰিয় ছাৰ- অধ্যাপক নলিনীধৰ ভট্টাচাৰ্যদেৱ

ড° নবীন চন্দ্ৰ শৰ্মা

অধ্যাপক ভট্টাচাৰ্য মহোদয়ে আৰ্য্য বিদ্যাপীঠ কলেজত অধ্যাপক স্বৰূপে নিয়োজিত হৈছিল খুব সম্ভৱ খ্ৰীঃ ১৯৬১ চনত। এই চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে তিনি বছৰীয়া ডিগ্ৰী ক'ৰ্চ চলাবলৈ লৈছিল। এই সন্দৰ্ভত তিনিওটা শ্ৰেণীতে সাধাৰণ ডিগ্ৰী, অনাৰ্ছ আদি শ্ৰেণীসমূহত পঢ়ুৱাবলৈ প্ৰয়োজন হৈছিল অভিজ্ঞ অধ্যাপক-অধ্যাপিকাৰ। ভট্টাচাৰ্য মহোদয়কো বিশিষ্ট অধ্যাপক স্বৰূপে নিৰ্বাচন কৰা হৈছিল আৰু আৰ্য বিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগৰ এগৰাকী সন্মানীয় অধ্যাপকস্বৰূপে নিৰ্বাচন বা মনোনীত কৰি অতি সোনকালে কলেজত যোগ দিবলৈ অনুৰোধ কৰা হৈছিল আৰু সেই অনুৰোধ ৰাখি তেখেতে আৰ্য্য বিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগত যোগ দিছিল। সেই সময়ত আমাৰ বাবে অধ্যাপক ভট্টাচাৰ্য ছাৰ বৰ পৰিচিত নাছিল। লাহে লাহে তেখেতে নিজৰ প্ৰতিভা আৰু গুণাৱলীৰ মাধ্যমেৰে সৰ্বজনৰ মাজত পৰিচিত হৈছিল। ছাৰৰ দুজন পুত্ৰই আমি চাকৰি কৰা আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সপ্তম-অষ্টম শ্ৰেণীত পঢ়িছিল। অধ্যাপক ভট্টাচাৰ্য ছাৰে গুৱাহাটীৰ ৰূপনগৰত গৃহ নিৰ্মাণ কৰি পুত্ৰ-কন্যা-পত্নীৰ সৈতে থাকিবলৈ লৈছিল আৰু কাব্য-কবিতা ৰচনাত আত্ম নিমগ্ন হৈছিল।

আমাৰ ছাৰ এনে এগৰাকী মহান অধ্যাপক আছিল যে আমি কোনো এটা বিষয় ভালকৈ নুবুজালৈকে বুজাইছিল — আমি বুজিবলৈ সক্ষম হৈছিলো। তেতিয়াহে তেখেত সন্তুষ্ট হৈছিল। আমি কোনো কথা বুজি নাপালে ছাৰক প্ৰশ্ন কৰিছিলো — ছাৰে বেয়া নাপায়, ছাৰক যিমান প্ৰশ্ন কৰা যায় সিমান ভাল পায়।

ছাৰে মাজে সময়ে দুখন-এখন তামোল খাইছিল; কিন্তু কোনোদিনে ধোঁৱা খোৱা দেখা নাছিলো। ক্লাছ কৰি থকা সময়ত তেখেতে কেতিয়াও তামোল খোৱা নাছিল। ছাৰৰ মাজু ভায়েক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চাৰিত্ৰিক বৈশিষ্ট্যতো দদায়েকৰ গুণৰাজিৰ প্ৰতিফলন দেখা যায়। নলিনীধৰ ভট্টাচাৰ্য ছাৰ আছিল নিষ্ঠাবান শিক্ষক (অধ্যাপক) আৰু প্ৰথম শ্ৰেণীৰ কবি। ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰি আমাৰ অসম তথা ভাৰত মাতৃক ধন্য কৰিছিল। আমি যে তেখেতৰ তত্ত্বাৱধানত পঢ়িব পাৰিছিলো — ইয়াতকৈ আৰু কি আনন্দ হ'ব পাৰে? জয়তু আমাৰ শ্ৰদ্ধেয় ভট্টাচাৰ্য ছাৰ। তেখেতৰ স্মৃতি সমাজৰ বুকুত-মনত সজীৱ হৈ থাকক। ○

# আত্মীয়তাৰ সম্পৰ্ক অনুভৱ কৰা মোৰ শ্ৰদ্ধেয় ব্যক্তিগৰাকী

**ড° শিৱনাথ বৰ্মন**

মই আৰ্য্য বিদ্যাপীঠ কলেজত পদাৰ্থ বিজ্ঞানৰ শিক্ষকৰূপে সোমাইছিলো ১৯৬৮ চনত। কলেজখনত সেই সময়ত অধ্যক্ষ গিৰিধৰ শৰ্মাৰ উপৰিও আছিল আৰু দুগৰাকী ধুতী পৰিহিত উল্লেখনীয় অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য আৰু নীলমণি ফুকন। তেওঁলোকৰ লগত মোৰ পূৰ্ব পৰিচয় নাছিল, তেওঁলোকক জানিছিলো তেওঁলোকৰ লেখাৰ মাজেদি। ভট্টাচাৰ্য ছাৰে তেওঁৰ অনুজ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত ৰামধেনুত প্ৰবন্ধ, কবিতা লিখিছিল। স্কুলীয়া কালতে সেইবোৰ পঢ়াৰ সৌভাগ্য মোৰ হৈছিল। কলেজত সোমোৱাৰ পিছত ছাৰক সোঁ শৰীৰে দেখা পোৱাত মন পুলকিত হৈছিল। কলেজত সোমোৱাৰ এবছৰ মানৰ ভিতৰতে ছাৰ আৰু ফুকনদাৰ সৈতে মোৰ আত্মীয়তাৰ সম্পৰ্ক গঢ়ি উঠিছিল। আমি সঘনে মিলিত হৈছিলো। হয় বুৰঞ্জী বিভাগৰ, নহয় অসমীয়া বিভাগৰ বহা কোঠাত। এইখিনিতে ইংৰাজী বিভাগৰ প্ৰয়াত অধ্যাপক উদয় দত্তৰ নামো ল'ব লাগিব। সাহিত্য ৰসিক দত্তয়ো আমাৰ কথা-বাৰ্তাত প্ৰায়ে ভাগ লৈছিল।

সাহিত্য আছিল ভট্টাচাৰ্যদেৱৰ ধ্যান তেওঁৰ প্ৰাণ। সেইবুলি সাহিত্য তেওঁৰ বাবে কিছুমান ৰঙীন শব্দৰ ফানচু নাছিল, গুণগত মান অক্ষুন্ন ৰাখি সাহিত্যিক সমাজৰ ৰূপান্তৰৰ এবিধ পৰোক্ষ আয়ুধ হিচাপে ব্যৱহাৰ কৰাৰ প্ৰতি তেখেত সদায় আগ্ৰহী আছিল। সুন্দৰৰ সৈনিক আছিল তেওঁ। দৰিদ্ৰ দলিতজনৰ ব্যথাই তেখেতক ব্যথিত কৰিছিল, বিষন্ন কৰিছিল। এনে বিষমীকৃত সাজৰ ওৰ পেলাই এখন সুন্দৰ সমাজ গঢ়াৰকল্পনাত তেখেতৰ মন আছিল সদা তগবগ। ক'বলৈ গ'লে ইয়েই তেওঁৰ লিখাৰ মূল প্ৰেৰণা আছিল।

আৰ্তজনৰ আৰ্তিত সমব্যথী হ'ব পৰা হেতুকেই ভট্টাচাৰ্যদেৱ আছিল উপনিষদ 'তেন ত্যক্তেন ভুঞ্জীথাঃ' আদৰ্শত বিশ্বাসী। ই আজিৰ যুগত কম কথা নহয়। বৰ্তমানৰ ভোগবাদী ভৱ সমুদ্ৰত কক্‌বকাই তেওঁৰ অনেক সতীৰ্থ যেতিয়া দিশহাৰা হৈ পৰিছে, তেনে সময়তো ভট্টাচাৰ্যদেৱ নিজৰ তিতিক্ষু আদৰ্শত অটল-অবিচল হৈ আছিল। ইয়েই সূচায় কেনে ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী আছিল তেওঁ।

ভট্টাচাৰ্যদেৱে কামনা কৰিছিল সাম্প্ৰতিক সমাজৰ সমস্ত মলি ধুই নিকা কৰিব পৰা এক সৰ্বাত্মক বিপ্লৱ। কিন্তু বিপ্লৱ তেওঁৰ বাবে বীভৎসতাৰ নামান্তৰ নাছিল, নাছিল কোনো নৰ হনন যজ্ঞৰ সমিধ। শাস্ত্ৰ অথবা শঠতাৰ নহয়, বৰং প্ৰেম, কৰুণা আৰু সততাৰ পথেৰে নিজৰ কল্পিত সমাজত উপনীত হোৱাৰ তেওঁ পক্ষপাতী আছিল। বজ্ৰমুষ্টিবদ্ধ ৰাজনৈতিক বিপ্লৱী এচামৰ দৰে উপায়ক তেওঁ উপেয়ৰ পৰা পৃথক কৰি নাচাইছিল। বিনয়, মমতা, ক্ষমা আদি মানবীয় গুণবোৰক বিপ্লৱৰ পৰিপন্থী বুলি তেখেতে কাহানিও ভবা কৰা নাছিল।

প্ৰয়াত ভট্টাচাৰ্য, কোৱা বাহুল্য যে নিজেও এগৰাকী সৰ্বতোপ্ৰকাৰৰ মানবীয় গুণসম্পন্ন, নিৰঞ্জন চৰিত্ৰৰ পুৰুষ আছিল। স্বাৰ্থপৰতা, হিংসা, ক্ৰোধ, বৈৰিতা আদি আসুৰিক গুণাৱলীৰ পৰা তেখেত বহুযোজন আঁতৰত আছিল। আক্ষৰিক অৰ্থতে তেখেত আছিল নলিনী। নলিনীদলত যেনেকৈ পানী লাগি নাথাকে, তেনেকৈ তেখেতৰ চৰিত্ৰ আছিল সকেলা প্ৰকাৰৰ কলুষ-কালিমাৰ পৰা মুক্ত। অৱজ্ঞাৰ অৱমাননাৰ কেতিয়াবা আনকি ঘৃণাৰ বানো তেখেতলৈ মৰা হৈছিল, সেইবোৰে তেখেতৰ হৃদয়ত আঘাত হানিবলৈ পৰা নাছিল, নলিনীদলগত জলৰ দৰে সেইবোৰ বাৰে বাৰে পিছলি গৈছিল।

ছলে-বলে কৌশলেৰে হ'লেও খ্যাতি আৰু ক্ষমতাৰ আসনত বহিবলৈ সমাজৰ মুধত বহিবলৈ ভট্টাচাৰ্যদেৱে কাহানিও যত্ন কৰা নাছিল, সেইটো তেখেতৰ স্বভাৱৰে পৰিপন্থী আছিল। কোনো ধৰণৰ বৈষয়িক লক্ষ্য সন্মুখত নাৰাখি সত্য আৰু সততাৰ পথেৰে নিজ কৰ্মত প্ৰবৃত্ত হৈ থকাটোৱেই তেখেতৰ স্বভাৱ আছিল। তেখেতৰ ব্যক্তিত্বতেই হওক বা সাহিত্য কৰ্মতেই হওক, কোনো ধৰণৰ তীক্ষ্নতা মই অনুভৱ নকৰিছিলো। তেখেতৰ ব্যক্তিত্বই আমাক দহা নাছিল, দিছিল জাৰকালিৰ পুৱাৰ ৰ'দৰ উম।

নলিনীধৰ ভট্টাচাৰ্যক মই যোৱা প্ৰায় আঢ়ৈকুৰি বছৰ ধৰি ওচৰৰ পৰা পাই আহিছিলো। তেখেতৰ সান্নিধ্যত বহুকাল থাকি মোৰ এই ভাব দৃঢ়মূল হৈছে যে সাহিত্যিক নলিনীধৰ আছিল মহৎ, কিন্তু তাতোকৈও মহৎ আছিল তেখেতৰ ব্যক্তিত্ব। মনীষাক মহত্ত্বৰ নামান্তৰ বুলি বহু সময়ত ভুলকৈ ভবা হয়। ভট্টাচাৰ্যদেৱৰ মনীষা কিমান তাৰ জোখ লোৱাই ল'ব। তেখেততকৈ অধিক মনীষাসম্পন্ন ব্যক্তি সমাজত হয়তো অনেক আছে, কিন্তু তেখেতৰ দৰে মহৎ ব্যক্তিত্বৰ অধিকাৰী লোক মই মোৰ জীৱনত খুব কমেইহে পাইছো। তেখেতৰ ব্যক্তিত্বত মই সদায় অনুভৱ কৰিছিলো শুভ্ৰতা তথা কল্যাণময়তাৰ এক মৃদু প্ৰভা।

ভট্টছাৰৰ আশীবছৰ পুৰ্তি উপলক্ষে তেখেতক কটন কলেজৰ চুডমাৰ্চন হলত এখন সম্বৰ্দ্ধনা সভা পতা হৈছিল। সেই উপলক্ষে মই সম্পাদনা কৰিছিলো 'সুন্দৰৰ সৈনিক' নামেৰে এখন অভিনন্দন গ্ৰন্থ। তাত প্ৰকাশ পাইছিল তেখেতৰ বিষয়ে মোৰ এটা সংস্কৃত কবিতা। সেই কবিতাটোৰেই মোৰ এই খুদীয়া প্ৰবন্ধটিৰ সামৰণি মাৰিব খুজিছো।

**জীৱতু পৰমানন্দে**

মিতবাক স্মিতহাস্ গম্ভীৰ ধীৰ।
অচপলচলন চাৰুন্নত শিৰ।।
ভাসামণ্ডিতানন নিঃশঙ্ক নয়ন।
আশাস্পন্দিতমন জ্যোতির্গীতিগায়ন।।
জয়েষু পৰাজয়েষু ত্বমণুদ্বিগ্নমনা।
ধনধান্য লোভলাভ ৰহিত কামনা।।
দৰিদ্ৰ দলিত দুঃখে ৱিগলিত হৃদি।
সমসমাজস্বপ্নে সৰ্বদা হ্লাদী।।
নিতৰাং তৱ কাঙ্খা চৰাচৰ পুণ্যম্।
গণয়সি শংসাং যেন মহাশূণ্যম্।।
কাময়সে ন কৱিতাং আত্মৰতিহেতু।
মুশসি সাহিত্যং মহামিলন সেতু।।
ভট্টাচাৰ্য নলিনীধৰ ত্বমহং ৱন্দে।
জীৱতু শতবৰ্ষাণি পৰমান্দে।। ❍

# অসমীৰ আকাশৰ তিৰবিৰ ভোটাতৰা সাহিত্যাচাৰ্য নলিনীধৰ ভট্টাচাৰ্য আৰু 'মূল আৰু ফুল'

**বিষ্ণুৰাত শৰ্মা**

যোৱা বছৰৰ এক ছেপ্টেম্বৰৰ দিনা আমাৰ সাহিত্য জগতত গভীৰ শূন্যতাৰ সৃষ্টি কৰি ৯৫ বছৰীয়া অসমীয়া জাতিৰ নমস্য সাহিত্যিক নলিনীধৰ ভট্টাচাৰ্যৰ মহাপ্ৰস্থান ঘটে। লগে লগে অন্ত হ'ল আমাৰ সাহিত্যৰ এটা ঘটনাবহুল যুগৰ; বিৰল মানৱীয় আভাৰে দীপ্তিমান, অপৰিমেয় পৰিশ্ৰম, বিৰামহীন অন্বেষাৰে উদ্দীপিত আপোচবিহীন-ইস্পাতদৃঢ় এক মহাজীৱনৰ অৱসান ঘটিল। সাহিত্যৰ অনলস সাধনা, মহান মানসিক মাহাত্ম্য তথা বিৰল সমাজ চেতনাৰ সু-সমন্বয় ঘটিছিল তেখেতৰ বিশাল মানৱতাবাদী ব্যক্তিত্বত। ক'ব পাৰি তেখেতৰ হৃদয়ে প্ৰতিভাক উজ্জ্বল কৰি তুলিছিল। এনে এজন মহান মানৱতাবাদী আৰু আন্তৰ্জাতিকতাবাদীৰ মৃত্যুৱে সমগ্ৰ পৃথিৱীকে দুখীয়া কৰি থৈ গ'ল। ক'বৰ মন যায় আজিও অসমৰ আকাশত তেখেত এটা ভোটাতৰা হৈ পোহৰ বিলাই আছে।

মৃত্যুৰ সময়লৈকে তেখেতে কলম এৰা নাছিল। বয়সে দুৰ্বল কৰিলেও বেলিয়ে আটে মানে কাচিয়ে কাটে মানে কলম চলাই গৈছিল। মোৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেখেতে নিজৰ লেখাৰ বিষয়ে এবাৰ লিখিছিল — 'মোৰ লেখাৰ উৎস অন্তৰ্বেদনা বুলি ধৰিব পাৰি। লেখাৰ সৃষ্টি বেদনাৰ পৰা হয়। অৱশ্যে মানুহৰ দুখ-কষ্ট দেখি অন্তৰত যি দুখ পাওঁ বা পাইছিলো সিয়েই সৃষ্টিৰ কাৰণ হ'ল। ধৰা সৰুতে বাগানত বনুৱাসকলৰ ওপৰত যি নিৰ্যাতন দেখিছিলো তেনেধৰণৰ অমানৱীয় অত্যাচাৰ আমি সৰুতে ক'তো দেখা নাছিলো। ........ দষ্টয়েভস্কিৰ দৰে মনে মনে কৈছিলো — (I bow down to the suffering humanity) তেখেতক ঈশ্বৰ বিশ্বাসতকৈ (cosmic law) য়ে বিস্ময়বিমুগ্ধ কৰে বুলি তেখেতে এঠাইত

উল্লেখ কৰিছে। তেখেতে লিখিছে — (cosmic law) মানে মই ভাবো বিশ্ব ব্ৰহ্মাণ্ডখন যিভাবে চলি আছে সেই লোৰ সজাতো এটা নিৰ্দিষ্ট নিয়ম বা শক্তি আছে। বিশ্বব্ৰহ্মাণ্ডক বিশ্বপ্ৰকৃতিও বুলিব পাৰি। এইবোৰক যি শক্তিয়ে চালনা কৰে তাকে ঈশ্বৰ বুলিব পাৰি। প্ৰকৃতি শক্তিমান। আইনষ্টাইনে এই শক্তিমানক আমাৰ পৰম্পৰাক্ৰমে চলি অহা ঈশ্বৰ বুলি ধাৰণা কৰিছে....' মাতৃভাষাত শিক্ষাদানৰ বিষয়ে তেখেতে কয় — 'স্কুল পৰ্যায়ত ইংৰাজী মাধ্যম কৰাৰ মই পক্ষপাতী নহয়। মাধ্যম অসমীয়াই হোৱা উচিত। তাহানি বাণীকান্ত কাকতি অসমীয়া মাধ্যমতে পঢ়া মানুহ। অথচ ইংৰাজীৰ জ্ঞান আছিল যথেষ্ট আৰু প্ৰশংসনীয়..... সকতেই ইংৰাজী মাধ্যমত দিলে অসমীয়াও শিকা নহয়। অসমীয়া সংস্কৃতিনো কি তাকো আমি পাহৰি যাওঁ। তদুপৰি সম্বন্ধবাচক শব্দবোৰক আমি পাহৰি যাব লগা হয়.....'

তেখেতে আন এটা প্ৰশ্নৰ উত্তৰত কৈছিল — 'অসমত সাংস্কৃতিক বিপ্লৱ হ'ব বুলি মই ভাবিব পৰা নাই। সেই বিপ্লৱ হ'বলৈ জনতাক আমি প্ৰবুদ্ধ কৰিব পাৰিব লাগিব। আমাৰ সমাজত পুঁজিবাদৰ প্ৰভাৱ থাকে মানে সমাজলৈ প্ৰলিতেৰিয়তৰ আধিপত্য আমি আনিব নোৱাৰো। আচলতে তেওঁলোকক এতিয়া প্ৰান্তলৈ ঠেলি দিয়া হৈছে। বুৰ্জোৱাসকল বা ধনীসকলেই কামত আগভাগ লৈছে। তেওঁলোকে পৰিৱৰ্তন নিবিচাৰে। সাংস্কৃতিক সমতা অনাটো বোধকৰো সম্প্ৰতি আটাইতকৈ টান কাম হ'ব। আমাৰ সমাজত এলিতসকলেই কাম কৰে। কিন্তু তেওঁবিলাকে সাম্য নিবিচাৰে। অচিৰেই আমাৰ দেশলৈ সমাজবাদ আহিব বুলি মই নাভাবো।' 'অসমত সমাজবাদ প্ৰতিষ্ঠা কৰিব পৰা এটা বিপ্লৱ অচিৰেই ঘটিব বুলি আপুনি আশাবাদীনে?' — এই প্ৰশ্নৰ উত্তৰত তেখেতে কয় —'আশাবাদী নহয়। আমাৰ লক্ষ্য সমাজবাদেই হ'ব লাগিব। তেহে মানুহৰ মংগল হ'ব। কিন্তু ৰুছ দেশত কি হ'ল? চীন দেশৰো চৰিত্ৰ বেলেগ যেন দেখা গৈছে। কিউবা, ভেনিজুৱেলা এইবোৰ দেশে আমেৰিকাৰ সাম্ৰাজ্যবাদী কৌশলক চেৰ পেলাব পাৰিবনে? ভাৰততো বিদেশী স্বাৰ্থৰ অনুপ্ৰৱেশ ঘটিছে। পোনপটীয়াভাৱে বিদেশীসকলে নিজা সম্পদ কামত খটুৱাবলৈ সুযোগ পাইছে। মই এফ ডি আইৰ কথা কৈছো। ইয়াত বিপ্লৱ হ'ব জানো? শেহতীয়া পুঁজিবাদৰ প্ৰভাৱত আমাৰ দেশত ভাল কাম কৰিব পৰা নাই। আচলতে নোৱাৰেও।'

ভাৰতৰ সমাজ ব্যৱস্থাৰ গভীৰ বিশ্লেষণ কৰি আন এঠাইত তেখেতে লিখিছে — '........ দেখাত এতিয়া উত্তৰ ঔপনিবেশিক কাল আৰু এতিয়া যি পুঁজিবাদ

(late capitalism) আহিছে ইয়াৰ চৰিত্ৰ অলপ বেলেগ বুলি কোনো কোনো চিন্তাবিদে কয়। বিশ্বায়ন, গোলকীকৰণ এইবিলাকৰ দিন হৈছে। ইয়াৰ পৰা কিবা পৰিবৰ্তন আশা কৰিব পাৰিনে? বৰ বেছি হ'লে পাৰমাণৱিক অস্ত্ৰৰ দিনত যুদ্ধ হয়তো নহ'ব পাৰে, হয়তো মানুহে শান্তি বিচাৰিব পাৰে, কিন্তু তাতকৈ আৰু একো নহ'ব যেন অনুমান হৈছে। বিশ্বায়নৰ অৰ্থ বিশ্ববোধ নহয়....' ডি এইচ লৰেন্সৰ 'লেডি চাতাৰ্লিজ লাভাৰ' আৰু টলষ্টয়ৰ 'আন্না কাৰেনিনা'ৰ তুলনা কৰি তেখেতে কয় — '..... কেৰেনিনা আৰু ব্ৰনস্কিৰ ভুল কৰ্মই দেখুৱায় যে পুৰণিয়েই হওক নতুনেই হওক দুয়োখন সমাজৰ ৰীতি-নীতিয়ে তিৰোতাৰ মৰ্যাদাৰ প্ৰশ্ন বিবেচনা নকৰে। লৰেন্সৰ লেডী চাতৰ্লিৰো শেষত মৰ্যাদা হানি হৈছে। কাৰণ তেওঁ যৌন সম্ভোগ কৰি মাতৃ হোৱাৰ লগে লগেই আকৌ স্বামীৰ শৰণ লৈছে। ইংলেণ্ড পুঁজিবাদী দেশ। তাত তিৰোতাৰ মৰ্যাদা কম। অৱশ্যে টলষ্টয়ৰ আন্নাই যৌন সম্ভোগৰ বাবে হাবাথুৰি খোৱা নাছিল। ব্ৰনস্কিও শেষত আঁতৰি গ'ল। কিন্তু লৰেন্সৰ অলিভাৰে তেনে কৰা নাছিল। লৰেন্সৰ উপন্যাস অশ্লীল, অসংযত যৌন সম্ভোগৰ দলিল। কিন্তু টলষ্টয়ৰ আন্নাত সেই অশ্লীলতা দেখা নাযায়।'

এই লেখকৰ 'ইভান তুৰ্গেনেভৰ 'পিতা-পুত্ৰ' আৰু ফিঅডৰ দষ্টয়েভস্কিৰ 'ক্ৰাইম এণ্ড পানিশ্চমেণ্ট'ৰ ভিতৰত আপুনি কোনখনক ওপৰত ধৰে?' — প্ৰশ্নৰ উত্তৰ নলিনীধৰ ভট্টাচাৰ্যই কৈছিল — 'ঔপন্যাসিক হিচাপে দুয়োজনেই শক্তিশালী আৰু বিশ্ববিশ্ৰুত। কিন্তু দষ্টয়েভস্কিৰ পৰিকল্পনাত নিহিলিজিম বিৰোধী চিন্তাই গঢ় লৈছিল। সেই দিশৰ পৰা দষ্টয়েভস্কিক আগস্থান দিব পাৰি। অৱশ্যে বাজাৰভৰ মাক-দেউতাকে তাৰ কবৰত ফুলি উঠা ফুলবোৰ দেখি কৈছিল — প্ৰেম চিৰন্তন, জীৱন চিৰন্তন। এনেবোৰ কথাই তুৰ্গেনেভৰ পৰিকল্পনাতো মানৱ প্ৰীতিৰ চিন্তা আছিল বুলি ক'ব পাৰি।'

মই সোধা আন এটা প্ৰশ্ন তেখেতে ভাল পাইছিল। প্ৰশ্নটো আছিল — 'ৰুছ দেশত সমাজতন্ত্ৰৰ পতন সম্পৰ্কে বহুতে বহু ব্যাখ্যা দিয়ে। বহুতে ষ্টেলিনৰ দিনতে কেৰোণ সোমোৱা বুলি কয়। বহু চিন্তাবিদে গৰ্বাচভৰ দিনতেই ইয়াৰ হঠাৎ পতন ঘটে বুলি কয়। আপুনি এই বিষয়ে কি ক'ব? যদি গৰ্বাচভৰ দিনত হঠাৎ সমাজবাদী ৰাষ্ট্ৰখনৰ পতন ঘটে বুলি ভাবে, কিয় দেশখন হঠাৎ থানবান হৈ গ'ল?' তেখেতৰ উত্তৰ — 'এই সম্পৰ্কে ময়ো অজ্ঞ বুলি ধৰিবা। ষ্টেলিনৰ দিনত কেৰোণ সোমাল বুলি বহুতে কয়। অৱশ্যে গৰ্বাচভৰ কথাটো বিশ্বাসযোগ্য নহয় যেন লাগে। ছোভিয়েট

দেশৰ ৰাজনীতিত কেৰোণ আগতেই ধৰিছে বুলি মোৰ বিশ্বাস। অশোক মিত্ৰৰ কেইটামান কথা বিশ্বাসযোগ্য যেন লাগে। তেওঁ কৈছে, সমাজবাদী দেশত চি. পি. এছ. ইউৰ সদস্যসকলে জীৱন ধাৰাৰ পৰিৱৰ্তন কৰি elite ষ্টাইল ল'লে। আদৰ্শৰ ব্যাখ্যা কৰাত বা কাৰ্যকৰীকৰণ কৰাত অৱহেলা কৰিবলৈ ধৰিলে। যি আদৰ্শক মনে-চিতে গ্ৰহণ কৰা হয় তাৰ লগত এক হ'লেহে দেশৰ উন্নয়নত অৰিহণা যোগাব পাৰি। বিপ্লৱৰ পাছৰ তৃতীয় পুৰুষৰ মানুহে সমাজতান্ত্ৰিক বিপ্লৱৰ মূল্য বুজাত ব্যৰ্থ হ'ল। তাৰ ঐতিহাসিক মূল্যৰ কথাও তেওঁবিলাকে নাভাবিলে। আমেৰিকাৰ লগত ৰুছ দেশে প্ৰতিযোগিতাত নামিল। তেওঁ লিখিছে — (Things do not change drestically so long as there was an attempt to complete with U.S.A.) মহাকাশ গৱেষণাত ৰুছ দেশ কিছু আগবাঢ়িল। প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো দুয়ো পক্ষৰ শক্তি প্ৰায় সমান সমান হ'ল। অলিম্পিক খেলাতো ৰুছ দেশে মেডেল পাবলৈ ধৰিলে — সম্ভৱতঃ এইবোৰত লাগি থাকোতে সমাজবাদী প্ৰমূল্য কমিল আৰু জীৱনচৰ্যাবো সলনি ঘটিল। এইবোৰত নালাগি যদি শান্তিৰ বাবে যত্ন কৰিলেহেঁতেন দেশখনৰ মানুহ উপকৃত হ'লহেঁতেন। বাইজকো শান্তিৰ কথা কোৱা নহ'ল। আদৰ্শত লাগি থাকি যদি ৰুছ দেশে শান্তিৰ বাতাবৰণ এটা আনিব পাৰিলেহেঁতেন, তেনেহ'লে ফলাফল বোধহয় বেলেগ হ'লহেঁতেন। প্ৰতিযোগিতাতকৈ আদৰ্শগত দিশত দৃঢ় খোপনি লোৱাহেঁতেন আৰু শান্তিৰ বাতাবৰণ আনিব পৰাহেঁতেন ৰুছ দেশৰ পতন বোধহয় নহ'লহেঁতেন।' তেখেতে আন এঠাইত লিখিছে — 'আজিৰ ৰুছ দেশত টলষ্টয়, তুৰ্গেনিভ, দষ্টয়েভস্কি, পুস্কিন, গগল চেখভৰ আদিৰ দৰে কীৰ্তিমান লেখক নোহোৱাৰ গুৰিতে হ'ল এটা আদৰ্শৰ অভাৱ।'

মোৰ প্ৰশ্ন 'আপোনাৰ সমালোচনাই আমাৰ দৰে বহু তৰুণৰ দিক নিৰ্ণয় কৰিছে, আনহাতে আপোনাৰ কবিত্ব প্ৰতিভাও বিৰল। আপুনি নিজকে মূলতে এজন সমালোচক বুলি ভাবেনে, কবি বুলি ভাবে?' তেখেতৰ উত্তৰ — 'তোমাৰ প্ৰশংসাৰ বাবে ধন্যবাদ। কিন্তু তোমাৰ বিচাৰ নিৰ্ভুল বুলি মই ক'ব নোৱাৰিম।' 'আপুনি বহু তৰুণৰ দিক নিৰ্ণয় কৰিছে' বা কবিত্ব প্ৰতিভাও বিৰল এনেবোৰ মন্তব্যৰ মই যোগ্য নহয়। মই কবিতাও লিখিছো, সমালোচনাও কৰিছো। মই যেনেকৈ পাবো বা ভাবো তাকে শব্দৰে সজাইছো। মোৰ মানস সন্তান বুলি মই দুয়োটাকে ভাল পাওঁ। মোৰ প্ৰশ্ন — ননী আছনে ঘৰত কবিতাটো আপোনাৰ শ্ৰেষ্ঠ কবিতা বুলি বহুতে কয়। আপোনাৰ মতামত? তেখেতৰ উত্তৰ — কোনোৱে ননী আছনে ঘৰত কবিতাটো

ভাল হৈছে বুলি কয়। মইনো কি মতামত দিম? ভাল বুলি ক'লে আনন্দ পাওঁ। তথাপি কওঁ কবিতাৰ প্ৰসংগই সেই সময়ত ভয়াবহ আৰু কৰুণ ৰূপ লৈছিল। প্ৰকাশভংগী মৰ্মস্পৰ্শী আৰু ব্যঞ্জনাময় — এইবোৰ গুণ কবিতাটোত বিচাৰিলে ওলাব পাৰে। মোৰ প্ৰশ্ন — আপোনাৰ মতে সুখৰ সংজ্ঞা কি? টকা-পইচা, খ্যাতি-সন্মান নে আন কিবা? তেখেতৰ উত্তৰ — 'সুখ আনে মনে। ধন-ঐশ্বৰ্য, সন্মান, খ্যাতিৰ সুখ দুদিনীয়া, অস্থায়ী। চৌদিশৰ সামাজিক পৰিৱেশক বুজা, তাৰ সংস্পৰ্শলৈ অহা, তাৰ বেয়াখিনিৰ পৰিৱৰ্তন অনা — এইবিলাকত মানুহৰ শান্তি আছে। যিয়ে প্ৰকৃততে মনক, হৃদয়ক, বৌদ্ধিক চেতনাক একগোট কৰি মনক শান্তি দিয়ে।' তেখেতক সুধিছিলো অভিধান আৰু অসমীয়া বানানৰ সৰলীকৰণৰ বিষয়ে আন এক প্ৰশ্ন — 'আপুনি ড° দেৱব্ৰত শৰ্মাৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা দুই লাখতকৈও অধিক শব্দৰে সমৃদ্ধ চাৰি খণ্ডৰ অসমীয়া জাতীয় অভিধানৰ অন্যতম উপদেষ্টা। নতুন যুগ সৃষ্টি কৰা এই বিশাল অভিধানখনৰ উপদেষ্টা হিচাপে আপোনাৰ সামগ্ৰিক মতামত জনাবনে?' তেখেতৰ উত্তৰ — 'অসমীয়া জাতীয় অভিধানৰ সৰলীকৰণৰ প্ৰস্তাৱ মই আদৰণীয় বুলি ভাবো। কিন্তু গোটেই কথাটোত ৰাইজৰ সমৰ্থন লাগিব। আমাৰ ভাষাবিদসকলক লৈ ৰাইজৰ লগত মুকলিভাৱে মাজে মাজে আলোচনা-বিলোচনা কৰিব লাগিব। উজনি-নামনি বিজ্ঞানসন্মতভাৱে চিন্তা কৰা লোকসকল মিলি এটা অনুকূল চৰ্চা কৰি জনসাধাৰণৰো সন্মতি আদায় কৰিলে মোৰ বোধেৰে আমাৰ কাম সহজ হ'ব। আন ভাষাৰ পৰা শব্দ গোটালে আমাৰেই লাভ। কিন্তু সেয়া যুক্তিযুক্ত হ'ব লাগিব। ণত্ববিধি আৰু ষত্ববিধিৰ কাম আমাৰ ভাষাত নাই। এইবোৰ কথা মিলিজুলি চৰ্চা কৰিলে আমাৰ কাম হ'ব বুলি মোৰ ধাৰণা।'

সাহিত্যচাৰ্য নলিনীধৰ ভট্টাচাৰ্য অসমীয়া সাহিত্যৰ এজন মহৎ কবি। উপেন্দ্ৰনাথ শৰ্মাই নলিনীধৰ ভট্টাচাৰ্যৰ কাব্যালোচনা ঃ এটি মূল্যায়ন প্ৰবন্ধত লিখিছে — ভট্টাচাৰ্যৰ অধ্যয়নৰ পৰিসৰ বহল। প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত তেওঁৰ দখল আছে। তেওঁৰ ৰুছ আৰু ফৰাচী সাহিত্যৰ ক্লাছিক উপন্যাসৰ ভাঙনিও কৰিছে। ভাৰতৰ নাট্য শাস্ত্ৰৰ পৰা আৰম্ভ কৰি এলিয়টৰ ট্ৰেডিশ্যন এণ্ড ইনডিভিজুৱেল টেলেণ্টলৈকে এক বিস্তৃত এলেকাৰ কাব্যতত্ত্বৰ সূক্ষ্ম কথাবোৰো তেওঁ ফঁহিয়াই চাইছে।....... ৰোমাণ্টিক কবিসকলৰ দুৰ্বলতাৰ প্ৰতিও তেওঁ সজাগ। আন্তৰিকতা, সুস্থ ৰুচিবোধ আৰু সুগভীৰ সমাজ চেতনা তেখেতৰ কবিতাত সদায় বিদ্যমান। তেখেতৰ কবিতাত এখন ৰঙীন শান্তিপূৰ্ণ সমাজৰ আকুল আকাংক্ষা ফুটি উঠে।

আধুনিক অসমীয়া কাব্য সাহিত্যৰ প্ৰগতিশীল ধাৰাটোলৈ যথেষ্ট অৱদান আগবঢ়োৱা এইজন কবিৰ মৰ্মস্পৰ্শী কবিতা ননী আছনে ঘৰত ৰ বিষয়ে হীৰেন্দ্ৰনাথ দত্তই লিখিছে — কবিয়ে আশাৰ চাকিটি জ্বলাই ৰাখিবলৈ অহৰহ খাটি আছে, ননী আছনে ঘৰত কাব্যসংকলনখনৰ নিৰ্যাস তাতেই নিহিত। এই সংক্ৰান্তত কেইটামান উদ্ধৃতি আগবঢ়াব খুজিছো ঃ

'তই উভতি আহ অ' সোণ সূতাডাল নিছিঙিবি
মাজ নিশাও দুৱাৰ খুলি থৈছো
তই মৰুভূত সোমাইছগৈ, তাত নৈ শুকায়
আহ অ' উভতি আহ
কোনেও নুশুনা উচুপনিবোৰ শুনহি..... (ননী আছনে ঘৰত)

এইজন মহৎ কবি নলিনীধৰ ভট্টাচাৰ্যই নিজৰ কবিতা সম্পৰ্কে কয় — মোৰ কবিতা অন্তৰ্মুখী নহয়, মোৰ কবিতাৰ বাহিৰৰ লগত সম্পৰ্ক আছে,..... জীৱনৰ অৰ্থহীনতাৰ স্তাৱকসকলতকৈ যিসকলে জীৱনক অৰ্থবহ কৰি তোলাৰ বাবে শব্দ শিল্পৰ সাধনা কৰি গৈছে সেইসকল অসমীয়া লেখক মই বেছি ভাল পাওঁ। 'সৰল গছৰ দৰে সৰল, শালগছৰ দৰে দৃঢ়' আধুনিক অসমৰ প্ৰায়বোৰ বিপদৰ সময়ত আৰু সমাজৰ অশুভ শক্তিৰ বিৰুদ্ধে সদায় মাত মাতি অহা এইজন মহান মনিষীৰ বিষয়ে ড° হীৰেন গোহাঁয়ে লিখিছিল — 'তেওঁৰ স্বভাৱসিদ্ধ মৃদুতাৰ বাবে নলিনীধৰ ভট্টাচাৰ্য সকলো মহলতে জনপ্ৰিয়। কিন্তু সেইবাবেই এই ধাৰণা কৰা ভুল হ'ব যে তেওঁৰ কোনো নীতি আৰু দৃঢ় মতাদৰ্শ নাই। মতাদৰ্শৰ নামত মতান্ধ বিভেদ আৰু বিতৰ্কৰ প্ৰতি তেওঁ নিস্পৃহ। কিন্তু তেওঁৰ সকলো কাম-কাজ আৰু ৰচনাৰ মাজত প্ৰাণ প্ৰবাহৰ দৰে সক্ৰিয় হৈ আছে গণতান্ত্ৰিক আৰু সমাজবাদী আদৰ্শৰ প্ৰতি নিষ্ঠা। তদুপৰি নবীন লেখক-লেখিকাৰ প্ৰতি তেওঁ সদায় প্ৰেৰণা আৰু নৈতিক সমৰ্থনৰ উদাৰ উৎস।'

### নলিনীধৰ ভট্টাচাৰ্যৰ মহৎ কৃতী ঃ 'মূল আৰু ফুল'

'মূল আৰু ফুল' তেখেতৰ প্ৰথম আৰু গভীৰতম প্ৰবন্ধ সংকলন। এই কিতাপখনেই তেখেতৰ প্ৰগাঢ় অধ্যয়ন আৰু প্ৰখৰ মননশীলতাৰ পৰিচয় দাঙি ধৰে। 'বিদ্রুৰ উৎস শ্ৰম' টলষ্টয়বাদ আৰু টলষ্টয়ৰ উপন্যাস, আমাকো লাগে সাংস্কৃতিক বিপ্লৱ, কীৰ্তনৰ উপাখ্যানৰ উৎস আদি ১৯৮৩ চনত প্ৰকাশিত সংকলনটোৰ কেইটামান অত্যন্ত শক্তিশালী সমাজবাদী আদৰ্শৰে লিখিত প্ৰবন্ধ। বিদ্রুৰ উৎস শ্ৰম

ভট্টাচাৰ্যৰ মানৱ সমাজৰ বস্তুবাদী গভীৰ ব্যাখ্যা থকা প্ৰবন্ধ। ভাববাদীসকলৰ মতে পৃথিৱীৰ সকলো বস্তুৰ উৎসৰ গুৰিতে আছে মানুহৰ মন। এই যুক্তিক খণ্ডন কৰি বস্তুবাদী ইতিহাসবিদসকলে অত্যন্ত বিজ্ঞানসন্মতভাৱে দেখুৱাইছে যে শাৰীৰিক শ্ৰমেই সকলো বস্তুৰ সৃষ্টিৰ আঁৰত লুকাই থকা চিৰন্তন সত্য। শাৰীৰিক শ্ৰমৰ বাবেই মানুহৰ মগজুটো যে আন জীৱৰ পৰা পৃথক হৈ উন্নত হৈ পৰে তাক ফ্ৰেডেৰিক এংগেলছ লুই মৰগান, ৰবাৰ্ট বিফল্ট আদি সমাজতাত্ত্বিকসকলে অকাট্য যুক্তিৰে দেখুৱাইছে। আমাৰ সাতামপুৰুষীয়া হিয়াৰে আমঠু বিহু উৎসৱৰ মূলতে যি আদিম অৱস্থাৰ শাৰীৰিক শ্ৰম নিহিত হৈ আছিল সেই কথা দেখুৱাবলৈ নলিনীধৰ ভট্টাচাৰ্যই আবেগবৰ্জিত, যুক্তিসমৃদ্ধ ভাষাত তেখেতৰ বিহুৰ উৎস শ্ৰম প্ৰবন্ধত অশেষ যত্ন কৰিছে। তেখেতে সুচিন্তিতভাৱে লিখিছে — এংগেলছৰ মতে মাংস খোৱাৰ পৰাই প্ৰাক মানৱৰ মগজু সবল হ'ল। মগজু সবল হোৱাৰ পৰা ইন্দ্ৰিয়বোৰ বিকাশ ঘটিল। হাতখনেই প্ৰথম ইন্দ্ৰিয়, তাক কামত লগোৱাৰ পৰাই প্ৰাগ ঐতিহাসিক জীৱৰ বিকাশ আৰম্ভ হৈছিল। সহানুভূতি বলিষ্ঠ হৈ পৰিছিল। দুখ, শোক, ভয়, বিস্ময়ৰ ভাব প্ৰকাশ কৰিবলৈ তেওঁলোকে নানান ইংগিত অথবা মাতৰ সহায় লোৱাত কাণ, মুখ বলিষ্ঠ হৈছিল। এইদৰে হাত, মগজু, ভৰি, কাণ, মুখৰ পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ মূলতে আছিল সমূহীয়া শ্ৰম আৰু সম্পৰ্ক।

উল্লেখযোগ্য যে অসমীয়া বিহুৰ দৰে নৃত্যগীত থকা অনুষ্ঠান পৃথিৱীৰ বহু ঠাইতে এতিয়াও বিদ্যমান। আদিম সমাজখনে পৃথিৱীৰ প্ৰায়বোৰ প্ৰাকৃতিক ঘটনাক অলৌকিক বুলি ভাবিছিল। যৌথ শ্ৰমৰ যোগেদি যি খেতি-বাতি হৈছিল সেই খেতি ভাল হ'বলৈ তেওঁলোকে অলৌকিক দেৱতা বিশেষকৈ আকাশ আৰু পৃথিৱীক প্ৰাৰ্থনা কৰিছিল। তাৰ লগত জড়িত আছিল স্ত্ৰী-পুৰুষৰ যৌন আকৰ্ষণ। তেওঁলোকে নিজৰ দৰে আকাশ আৰু পৃথিৱীৰ সংগমৰ ফলতে খেতি উৎপন্ন হৈছিল বুলি ভাবিছিল। এই বাচ-বিচাৰহীন যৌন সম্পৰ্কৰ দিনতে পোনপ্ৰথমে বিহু নৃত্যৰ আৰম্ভণি হৈছিল। এনেবোৰ অনেক সূক্ষ্ম বৈজ্ঞানিক যুক্তিনিৰ্ভৰ ইতিহাসৰ বস্তুবাদী বিশ্লেষণেৰে সমৃদ্ধ হৈছে নলিনীধৰ ভট্টাচাৰ্যৰ বিখ্যাত প্ৰবন্ধ বিহুৰ উৎস শ্ৰম। উল্লেখযোগ্য যে ফ্ৰেডেৰিক এংগেলছৰ (parts played by labour in the transition from ape-to-man) কিতাপখনেই নলিনীধৰ ভট্টাচাৰ্যকে ধৰি বহু বস্তুনিষ্ঠ গৱেষকক যুক্তিৰ মেৰপাকত আবদ্ধ কৰি ৰাখিছে। আবেগৰ ৰিপৰীতে যুক্তিৰ কষটিশীলাত পৰীক্ষিত হৈছে চেতনা।

Robert granes ৰ The Greek myths দামোদৰ দেৱ কৌশাম্বীৰ ভাৰতৰ ইতিহাস, ঋকবেদ, সংহিতা আদিৰ ওপৰত ভিত্তি কৰি নলিনীধৰ ভট্টাচাৰ্যই লিখা কীৰ্তনৰ উপাখ্যানৰ উৎস এটা অকাট্য যুক্তিভৰা বলিষ্ঠ প্ৰবন্ধ। নলিনীধৰ ভট্টাচাৰ্যই কৃষ্ণক একেবাৰেই আৰ্য বুলি পোনতে ক'ব বিচৰা নাই। কৃষ্ণ ষোড়শ গোপিনীৰ কথাটোত তেওঁ আদিম মাতৃপ্ৰধান জনগোষ্ঠী কিছুমানক পিতৃপ্ৰধান জাতি এটাৰ অন্তৰ্ভূক্ত বা তলতীয়া হোৱা বুজাইছে। নলিনীধৰ ভট্টাচাৰ্যই লিখিছে — কীৰ্তনৰ উপকথাসমূহৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে কৃষ্ণ। এই কৃষ্ণ কোন? ঋকবেদত কৃষ্ণ ইন্দ্ৰৰ শত্ৰু। মনকৰিবলগীয়া যে পিছৰ পৌৰাণিক আখ্যানবোৰতো তেওঁ কলীয়া কৃষ্ণ হৈয়েই ৰ'ল আৰু ইন্দ্ৰৰ লগতো তেওঁৰ শত্ৰুতা বৰ্তি থাকিল। কৃষ্ণ মূলতঃ আৰ্য নহয়, কিন্তু তেওঁক আৰ্যৰ শাৰীলৈ উঠি ঋষিৰ পৰ্যায়ভূক্ত হৈছিল। তেওঁ সংস্কৃত জানিছিল। ঋকবেদত বিষ্ণুৰ নামো উল্লেখ আছে। সাধাৰণতে তেওঁ ইন্দ্ৰৰ বন্ধু; কিন্তু কেতিয়াবা দুয়োৰে ভিতৰতে চুৰ্চুৰীয়া সংঘৰ্ষ লগাৰ বতৰাও পোৱা যায়। কিন্তু এই বিষ্ণুক ভাৰতৰ বাহিৰৰ আৰ্য বুলিও ধৰিব নোৱাৰি। তথাপি ইন্দ্ৰ আৰু কৃষ্ণৰ বিৰোধৰ উপাখ্যান ভাৰততে থাকি গ'ল।

বিশ্ব সাহিত্যত সৰ্বকালৰ বাবে লিঅ' টলষ্টয়ৰ দৰে মহান প্ৰতিভা আৰু নাই। — কথাষাৰ কৈছিল বিশ্ব সাহিত্যৰ আন এক মহাপ্ৰতিভা ফিঅদৰ দষ্টয়েভস্কিয়ে। বিশ্ব সাহিত্যত সৰ্বকালৰ শ্ৰেষ্ঠ দহ-বাৰজনৰ ভিতৰত পৰা মনিষী টলষ্টয়ৰ শিল্প প্ৰতিভাৰ বিশালতাৰ আগতে আনকি অনন্য সাধাৰণ সাহিত্যাকাশৰ জেউতিও মোলান পৰিছিল। এই লিঅ' নিকলেইভিচ টলষ্টয়ৰ জীৱন আৰু সাহিত্যক অনন্য ৰূপত বাংময় কৰি তুলিছিল নলিনীধৰ ভট্টাচাৰ্যই তেখেতৰ বিখ্যাত টলষ্টয়বাদ আৰু টলষ্টয়ৰ উপন্যাস প্ৰবন্ধত। তেখেতে আবেগবৰ্জিত, যুক্তিসমৃদ্ধ ভাষাত টলষ্টয়ক দাণ্ডি ধৰিছে এনেদৰে — কলা কলাৰ বাবে নহয়, জীৱনৰ বাবেই সি উৎসৰ্গিত হোৱা উচিত। টলষ্টয়ে এনে এক কলাদৃষ্টিকে গ্ৰহণ কৰিছিল। বস্তু বিশ্বৰ কালসন্মত আৰু কলাবিৰোধী দুটা বাস্তৱৰূপ একেলগে আৱিষ্কাৰ কৰি জীৱন্ত কৰি তোলাই টলষ্টয়ৰ বাস্তৱধৰ্মী সাহিত্যৰ লক্ষ্য আছিল। শোষক শ্ৰেণীৰ বিৰুদ্ধে তেওঁৰ প্ৰচণ্ড অভিযোগ আছিল। এজন শোষিত কৃষকৰ দৰেই তেওঁলোকৰ আন্তৰিকতাত তেওঁ সন্দেহ প্ৰকাশ কৰিছে আৰু তেওঁলোকৰ অৰ্থহীন বিলাসী জীৱন-যাপনৰ চিত্ৰ তেওঁৰ নিপুণ হাতত নিৰ্ভুলভাৱে ফুটি উঠিছে। সমসাময়িক ৰাজনৈতিক পৰিস্থিতি, ধৰ্মীয়

ব্যৱস্থা, ব্যক্তিগত ভূ-সম্পত্তি আৰু পুঁজিবাদৰ বিৰুদ্ধে তেওঁৰ যি নিৰ্ভীক সমালোচনা সেইখিনি পোহৰলৈ আনিব নোৱাৰিলে টলষ্টয় চৰ্চা সম্পূৰ্ণ নহয়।

টলষ্টয়ৰ মহৎ উপন্যাসকেইখনত বিশেষকৈ 'ৱাৰ এণ্ড পিচ', 'আন্না কাৰেনিনা', 'ৰিজাৰেকচনা'ত তেওঁৰ নৈতিক আৰু আধ্যাত্মিক সংকট যেনেকৈ ফুটি ওলাইছে ঠিক তেনেকৈ সেই উপন্যাসবোৰত নৈতিক আৰু নান্দনিক সৃষ্টিৰ মাজেদি বৈপ্লৱিক পৰিবৰ্তনৰো ইংগিত দিয়া হৈছে। উল্লেখযোগ্য যে ৰুছ বিপ্লৱৰ মহান নেতা ভলাডিমিৰ ইলিচ লেনিনে ৰুছ লেখকসকলৰ ভিতৰত টলষ্টয়ৰ লেখা অতি আগ্ৰহেৰে পঢ়িছিল আৰু হিয়া উজাৰি প্ৰশংসা কৰিছিল। তেওঁ টলষ্টয়ৰ ৰচনাক বিপ্লৱৰ দাপোণ (Mirror of the revolution) আখ্যা দিছিল। অৱশ্যে অবক্ষয়ী সামন্তবাদক নগ্নৰূপত ধৰি তুলিলেও তেওঁৰ ৰচনাত বিদ্ৰোহৰ প্ৰাধান্য বেছি নথকাৰ বাবে লেনিনে টলষ্টয়ৰ লেখাক সমালোচনা কৰিছিল। 'আমাকো লাগে সাংস্কৃতিক বিপ্লৱ' প্ৰবন্ধত নলিনীধৰ ভট্টাচাৰ্যই বেংগলৰ নৱজাগৰণৰ (ৰেণেছাঁ) দৰে এটা সাংস্কৃতিক আন্দোলনে অসমীয়া স্থবিৰ জাতীয় সংস্কৃতিক আলোড়িত কৰি প্ৰগতিৰ বাট দেখুৱাব বুলি গভীৰ আশা পোষণ কৰিছে। ইয়াৰ উপৰিও চীন দেশত হোৱা সাংস্কৃতিক বিপ্লৱৰ কথাও উল্লেখ কৰিছে। ইয়াৰ উপৰিও 'মূল আৰু ফুল' প্ৰবন্ধ কিতাপখনত 'বিচ্ছিন্নতাবোধ আৰু সাহিত্য', 'কথাশিল্পী আৰু সময়', 'উপন্যাসত মাছ আৰু মানুহ', 'লোকগীতৰ মৰ্ম', 'সংযুক্তি আৰু বিযুক্তি', 'ৰবীন্দ্ৰনাথ আৰু আমি', 'সাহিত্য আৰু ৰাজনীতি', 'ঋকবেদৰ পটভূমি', 'শ্বেইক্সপীয়েৰৰ নাট আৰু সমাজচিন্তা' আদি কেইবাটাও গভীৰ জীৱন জিজ্ঞাসাভৰা প্ৰগতিশীল প্ৰবন্ধ আছে। প্ৰতিটোৱেই স্ব-মহিমাৰে মহিমামণ্ডিত।

শেষত আশা কৰিছো মহৎ মানৱীয় গুণৰাজিৰে বিভূষিত সাহিত্যাচাৰ্য নলিনীধৰ ভট্টাচাৰ্যৰ স্মৃতি অসমবাসীয়ে আৰু তেখেতৰ উত্তৰসুৰীসকলে জীৱন্ত কৰি ৰাখিব। তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছো এটা প্ৰাসংগিক কবিতাৰ পংক্তিৰে—

"The heights by great men reached and kept
Were not attained by sudden flight;
But they while their companions slept
Were toiling upward in the night." ❍

# নলিনীধৰ ভট্টাচাৰ্যৰ কবি মানস

ড° মহেশ্বৰ কলিতা

আধুনিক কবিসকলৰ সৰহ সংখ্যকৰে কবি মানসত ৰাজনীতিৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। তেওঁলোকৰ সৃষ্টিয়ে ৰাজনীতিৰ উৰ্দ্ধত অৱস্থান কৰিব নোৱাৰে। সমাজ বাদ দিও এই কবিসকলে কাব্য চিত্ৰ অংকন কৰিব নোৱাৰে। আনহাতে য'ত সমাজ আছে, তাত ৰাজনীতিও আছে। কলা হ'ল জীৱনৰ গৱেষণা। জীৱন সংপৃক্ত হৈ থাকে সমাজত আৰু ৰাজনীতিৰ পোখা মেলে সমাজতে। প্ৰখ্যাত স্কটিছ কবি, জীৱনীকাৰ আৰু সাংবাদিক এলাণ্ড ব'ল্ডে (Alan Norman Bold (1943-1998) তেওঁৰ সম্পাদিত ছ'চিয়েলিষ্ট ভাৰ্চেছ (The Penguin Book of Socialist Verses, Penguin, 1970) নামৰ সংকলনখনৰ সূচনা (Introduction)ত লিখিছে—

"Art is a research into life, and life is contained in societies, and societies are governed by political institutions. This makes a political choice imperative for thinking individuals. The choice may be to opt out of politics (as far as this is possible) but it will still be a choice. Or it may be to accept that 'whatever is, is right'. Or it may be dissent. These choices and the implications involved in them are part of the research into life that is art." (https:// archive.orgrThe-Penguin-Socialist-Verse)

অসমীয়া প্ৰগতিশীল কবিতাৰ বিকাশ যাত্ৰাৰ অন্যতম কাণ্ডাৰী আছিল নলিনীধৰ ভট্টাচাৰ্য (১৯২১-২০১৬)। যোৱা শতিকাৰ চল্লিশৰ দশকৰ, কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য সম্পাদিত, শক্তিশালী প্ৰগতিশীল সাহিত্য আলোচনী জয়ন্তী (১৯৪৩-৪৬)য়ে আৰম্ভ কৰা কাব্য আন্দোলনটোৰ বিকাশত হেম বৰুৱা

সম্পাদিত পছোৱা (১৯৪৮-৪৯) আলোচনীয়ে বৰঙণি আগবঢ়ায়। এই পছোৱাতে কবি হিচাপে আত্মপ্ৰকাশ কৰা ভট্টাচাৰ্যৰ সুদীৰ্ঘ কাব্য পৰিক্ৰমাৰ ৰূপ-ৰস বিশ্লেষণ কৰিলে দেখা যায় — ভাৰতবৰ্ষ তথা বিশ্বৰ সাম্যবাদী ৰাজনৈতিক আন্দোলনৰ উত্থান-পতন বিজড়িত আশা-নিৰাশা, সংগ্ৰাম-সহযোগিতাই তেওঁৰ কাব্য ভাবনা সমৃদ্ধ কৰিছিল। সৰল ভাষাত ক'বলৈ হ'লে ভট্টাচাৰ্যৰ কাব্য-কলা-ভাবনাত ৰাজনীতি জড়িত হৈ আছিল। এই ৰাজনীতি হ'ল জনতাৰ ৰাজনীতি। ইংৰাজী সাহিত্যৰ প্ৰখ্যাত কবি ডব্লিউ এইচ অডেনৰ কবিতাৰ আলোচনা প্ৰসংগত এলাগু ব'ল্ডে লিখিছে —

"It would be a mistake to try to fuse poetry and politics in order to be an Auden. To take the politics from his poetry would be to place the reader at a second remove from reality. The function of politics in poetry is to show the reader how events external to his inviolability as an individual continually impinge on his behaviour. Auden's aim was more one of telling the reader which faction to vote for."

নলিনীধৰ ভট্টাচাৰ্য এগৰাকী thinking poetic individual গতিকে তেওঁৰ কাব্য ভাবনাতো দেখা যায় Political choice আৰু এই Choice ৰ লগত সংপৃক্ত হৈ আছে এটি ৰাজনৈতিক দৰ্শন-সাম্যবাদ। গতিকে ভট্টাচাৰ্যৰ কবিতা তেওঁৰ ৰাজনৈতিক চিন্তা-চেতনাৰ পৰা সম্পূৰ্ণ পৃথক কৰি বিচাৰ কৰিব পৰা নাযায়। তেনে পথ ল'লে তেওঁৰ কবিতাৰ প্ৰকৃত সোৱাদৰ পৰা পাঠক সমাজ বঞ্চিত হ'ব।

জয়ন্তী আৰু পছোৱাৰ কবিসকলৰ কৈশোৰ আৰু যৌৱন পাৰ হৈছিল পৰাধীন ভাৰতবৰ্ষত। পুঁজিবাদী শক্তিৰ শোষণ, নিৰ্যাতন আৰু অত্যাচাৰ তেওঁলোকে ওচৰৰ পৰা লক্ষ্য কৰিছিল। প্ৰখ্যাত সমালোচক মাৰকুইজ গ্ৰাহামে ১৯২৯ চনত An Anthology of Revolutionary Poetry শীৰ্ষক গ্ৰন্থখন সংকলন আৰু সম্পাদনা কৰে। এই গ্ৰন্থখনত সংকলিত হৈছে নতুনকৈ স্বাধীনতা লাভ কৰা কুৰিখন দেশৰ নিৰ্বাচিত কবিৰ কবিতা — যিবোৰত প্ৰকাশ পাইছে সংগ্ৰাম আৰু স্বাধীনতাজনিত সংঘাত, সম্প্ৰীতি, আশা-নিৰাশাৰ ছবি। গ্ৰন্থখনৰ সূচনা (introduction)ত প্ৰখ্যাতকবি, সমালোচকদ্বয় Lucia Trent and Ralph Cheyney উক্ত কবিসকলৰ কাব্য চৰ্চাৰ পৰিৱেশ সম্পৰ্কে লিখিছে —

"The world is tumbling about our ears. The old order has collapsed. 'The World War brought to an end the illusionment of bourgeois idealism." We stand among falling dabris. America is becoming or has become industrialized. Individualism of the pioneers has fallen away before standardization. The trust has risen and capitalism expanded. Youth is more a are and articulate. Women are less willing to be dominated by men." (http://www.english.illinois.edu)

চল্লিশৰ দশকৰ অসমৰ কবিসকলৰ সন্মুখতো আছিল পুঁজিবাদী ইংৰাজ শক্তিয়ে চলোৱা লাঞ্ছনা-বঞ্চনাৰ চিত্ৰ। দ্বিতীয় মহাযুদ্ধৰ বিভীষিকা তেওঁলোকে ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছিল। এহাতে পৰম্পৰাগত মূল্যবোধৰ অৱক্ষয় হৈছে, আনহাতে বুৰ্জোৱা, চৰম বস্তুবাদী, ব্যক্তিকেন্দ্ৰিক সমাজৰ উত্থান হ'ব ধৰিছে। এনে অৱস্থাত শ্ৰেণী বৈষম্যই সমাজত সংঘাত আৰু অশান্তি সৃষ্টিত অবিহণা যোগাইছিল। কেৱল আশাৰ বেঙনি প্ৰকাশ পাইছিল মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনৰ মাজেৰে। এই আন্দোলন অহিংস আছিল যদিও অনেক সংঘাত, অশান্তি, হত্যা-হিংসাৰ মাজেৰে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। স্বাভাৱিকতে এই স্বাধীনতাক লৈ সচেতন কবি-সাহিত্যিকসকলৰ সৰহভাগেই আশাবাদী নাছিল। সামাজিক আৰু অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন বুলি তেওঁলোকে যুক্তি দৰ্শাইছিল। তেনে পৰিৱেশতে নলিনীধৰ ভট্টাচাৰ্যই কাব্য ক্ষেত্ৰত খোজ দিছিল। পছোৱাত প্ৰকাশ পোৱা তেওঁৰ প্ৰথম কবিতা মোৰ দেশত প্ৰকাশ পাইছে স্বাধীন ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক অসাম্য আৰু অশান্তিৰ কথা ঃ

ভেদাভেদ, কলহ, তিক্ততা
দীনতা, হীনতা
আছে মাথোঁ চৌদিশ চৌৰাই
শস্য-শ্যামলা দেশৰ বুকুত।

কবিয়ে লক্ষ্য কৰিছে যে দেশে স্বাধীনতা লাভ কৰিলেও জনতাৰ জীৱনলৈ কোনোধৰণৰ পৰিৱৰ্তন অহা নাই। তেওঁলোকৰ জীৱন পৰাধীন যুগৰ দৰেই নিৰাশাৰ কুঁৱলীৰে ভৰা। শ্ৰেণী-বৈষম্যৰ কলা হাতোৰাৰ চেপাৰ পৰা তেওঁলোক মুক্ত হোৱাৰ

লক্ষণো প্ৰকাশ পোৱা নাই। জুই লগা দেশত তেওঁলোকে এতিয়াও খণ্ড পৃথক জীৱন-যাপন কৰি আছে।

সৌ মানুহটোৰ
মাটিৰ মানুহটোৰ জীৱন আকাশ
নিৰাশাৰ কুঁৱলীৰে ভৰা;
জুই লগা দেশ — খণ্ড পৃথক জীৱন
হেৰাল সংহতি, ভাগি গ'ল সোণৰ সপোন। (মোৰ দেশ, পছোৱা, প্ৰথম বছৰ, তৃতীয় সংখ্যা ১৯৪৮)

দেশৰ এনে দুৰৱস্থাই কবিক অৱশ্যে নিৰাশ কৰিব পৰা নাই। কাৰণ, তেওঁ লক্ষ্য কৰিছে যে সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ বাবে জনতা সংগ্ৰামমুখী হৈছে।

তথাপিতো
তেজ ৰঙা পথৰ মাজত
দেখো সমদল
জনতাৰ বিশাল বাহিনী
মৰি মৰি জী উঠে, আগবাঢ়ে
নাই বিভীষিকা — নাই ভয় দীপ্ত পদধ্বনি।

ডেকাকালৰ আবেগ-অনুভূতি, আশা-নিৰাশা পৰিপক্ক বয়সত যুক্তি আৰু অভিজ্ঞতাৰ তুলাচনীৰে জুখি কবিয়ে তেওঁৰ কাব্য ভাবনাক নতুন মাত্ৰা প্ৰদান কৰিছে। অৱশ্যে তেওঁ কেতিয়াও আদৰ্শ পথৰ পৰা আঁতৰি যোৱা নাই। সময়ৰ পৰিবৰ্তনে তেওঁৰ পথ কণ্টকময় কৰি তুলিছে। তেওঁ আশাবাদী যদিও কেতিয়াবা নিৰাশাতো ভোগে। 'চেৰাশালিৰ মালিতা' আৰু 'ননী আছনে ঘৰত' নামৰ সংকলন দুখনৰ কবিতাবোৰ পঢ়িলে এই কথা বুজিব পৰা যায়। তলৰ পংক্তিটোলৈ লক্ষ্য কৰক ঃ

লুইতেহে জানে ইতিহাস
ইয়াত নাই আহিনৰ গেৰুৱা আকাশ
বৰ্ষাই আনে মাথোঁ চকুলোৰ বান। (গুৱাহাটী, চেৰাশালিৰ মালিতা, ১৯৮৩)○

# গানৰ গদ্য আৰু নলিনীধৰ ভট্টাচাৰ্য

ড° পংকজ জ্যোতি গগৈ

প্ৰথিতযশা কবি, সাহিত্য সমালোচক, নিবন্ধকাৰ আৰু মানৱদৰদী সাহিত্য সাধনাত ব্ৰতী নলিনীধৰ ভট্টাচাৰ্য এগৰাকী সাৰ্থক গীতিকাৰো। তেখেতৰ কবিতাৰ তুলনাত গীতৰ সংখ্যা যথেষ্ট কম হ'লেও গীতকেইটা অতি উচ্চ মানৰ শব্দশৈলী, হৃদয়স্পৰ্শী ব্যঞ্জনা, আদৰ্শবাদ আৰু গভীৰ জীৱনবোধেৰে সিক্ত। ঔপনিবেশিক যুগৰ পৰা উত্তৰ-বিশ্বায়নৰ যুগলৈকে কবিৰ জীৱনৰ এক সুদীৰ্ঘ পৰিক্ৰমা। জীৱনৰ বিভিন্ন স্তৰত দেখা পোৱা ক্ষয়িষ্ণু সমাজখনত ঘটা অলেখ পৰিবৰ্তন আৰু চৌপাশৰ বিক্ষিপ্ত ঘটনাই তেওঁৰ অনুভূতিশীল চেতনাত কঁপনি তুলিছে আৰু তেওঁৰ কাপেৰে নিগৰি আহিছে একোটা পুৰঠ গীত। জীৱনৰ শেষৰফালে অৰ্থাৎ আশীৰ দশক মানৰ পৰাহে তেওঁ গীত লিখাত হাত দিছে। সেয়েহে তেওঁৰ গীতত যৌৱনৰ উল্লাস উদ্দীপনা আৰু 'তুমি' 'তুমি' ভাৱনাই উন্মনা কৰা আৱেগৰ মেদবহুলতা নাই। আছে বাস্তৱ জীৱনৰ ছবি, এৰি অহা দিনৰ সোঁৱৰণ আৰু বঞ্চিত, শোষিত আৰু নিষ্পেষিত মানুহৰ মুক্তিৰ প্ৰাৰ্থনা। মানুহৰ হৃদয়হীনতা, হিংসা, অসূয়া, ৰক্তক্ষয় আৰু মূল্যবোধৰ চৰম অৱক্ষয়ে তেওঁক ব্যথিত কৰিছে। অথচ তেওঁ হতাশ হোৱা নাই। নতুন সূৰ্যোদয়ৰ বাবে বাট চাই ৰোৱা তেওঁ এগৰাকী আশাবাদী গীতিকাৰ। বাস্তৱ সত্যৰ দৰে তেওঁৰ গীতবোৰ গদ্যময়, অথচ সূক্ষ্ম অনুভূতি, নিজস্ব লয় আৰু ছন্দৰে পৰিপুষ্ট গীতিময়তাও সমানে বিৰাজমান।

তেখেতৰ ভাতৃ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ স্মৰণত ৰচনা কৰা গীতটোৱে আমাক বাৰুকৈয়ে আহ্লাদিত কৰে। দোহৰা প্ৰয়োজন নাই যে সদ্যস্বাধীনোত্তৰ কালত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশ পোৱা ৰামধেনু আলোচনীয়ে অসমীয়া সাহিত্য চৰ্চাৰ এক নতুন আন্দোলন গঢ়ি তুলিছিল। অসমৰ সমাজ, সাহিত্য

আৰু সাংস্কৃতিক জীৱনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ অৱদান সৰ্বজনবিদিত। গীতিকাৰে ভাইটি বীৰেন্দ্ৰ কুমাৰৰ অনুপস্থিতি বাৰুকৈয়ে উপলব্ধি কৰিছে আৰু সবিনয়ে স্বীকাৰ কৰিছে যে তেওঁৰ উপস্থিতিয়ে গীতিকাৰক উত্তৰণমুখী কাম-কাজত ব্ৰতী হ'বলৈ প্ৰেৰণা দিয়ে।

এতিয়া বহুত ৰাতি
জ্বলা নাই কতো আকাশ বাতি
ৰুক্ষ শুকান মৰুভূত এয়া
বালিডাঁহীৰ ঘাটি
এতিয়া বহুত ৰাতি....

(উৎস ঃ হে পৃথিৱী আই শ্ৰাব্য এলবাম)

উল্লেখ্য যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' নামৰ জনপ্ৰিয় কবিতাটিয়ে অসমৰ সমাজ জীৱনক বিষ্ণুৰাভাৰ এক গণমুখী ভাবমূৰ্তি নিৰ্মাণ কৰাত এক বিশেষ ভূমিকা পালন কৰিছে। একেদৰে 'ৰাজপথে ৰিঙিয়াই'ৰ নিচিনা উপন্যাস তেখেতৰ জনমুখী সাহিত্য সাধনাৰ উজ্বল নিদৰ্শন। এইবিলাকৰ উত্থাপন আৰু গুৰু গভীৰ শব্দচয়নৰ মাজেদি গীতিকাৰে আমাৰ মাজত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক পুনৰ এবাৰলৈ উদ্ভাসিত কৰি তুলিছে।

আহ অ' ভাইটি আহ
মোৰ যে বাঢ়িব সাহ
সেই তাহানিতে তই হাঁহিছিলি
পুৰণি দৈন্য পুৰি
তোৰ গানৰ বিষ্ণুৰাভা পুৰা আহিছিল ঘূৰি
আহ অ' ভাইটি ঘাটি ভাঙিবৰ হ'ল
কাম যে বহু বাকী ৰ'ল......
আহোঁ বুলি তই কিয় অহা নাই
তোৰ জনতাই আছে বাট চাই
ৰাজপথে ৰিঙিয়াই।

(উৎস ঃ হে পৃথিৱী আই শ্ৰব্য এলবাম)

ভট্টাচাৰ্যদেৱ ৰাজনৈতিকভাৱে নিষ্ক্ৰিয় আৰু নিৰ্লিপ্ত, কেৱল সাহিত্য সাধনাত ব্ৰতী বিশুদ্ধ সাহিত্যিক নহয়। তেওঁৰ ৰাজনৈতিক প্ৰজ্ঞা অতি দীপ্ত আৰু আদৰ্শৰ ওপৰত গভীৰভাৱে বিশ্বাসী। তেখেতৰ 'বলিয়া হাতী' শীৰ্ষক গীতটো আপাত দৃষ্টিত তেনেই সহজ সৰল যেন লাগিলেও ইয়াৰ এক ৰাজনৈতিক বাৰ্তা থকা যেন অনুভৱ হয়।

কোনে মেলি দিলে বলিয়া হাতী
এন্ধাৰ দুপৰ ৰাতি.......
গছকি আমাক গুচি গ'ল ৰাতি
অ' বলিয়া হাতী.....
সাউদে মেলিছে বলিয়া হাতী

বলিয়া হাতীৰ উপমাই হয়তো প্ৰতীকি অৰ্থত বৰ্তমান সময়ৰ আদৰ্শহীন, পথভ্ৰষ্ট, স্বাৰ্থম্বেষী, পেছাদাৰী ৰাজনৈতিক মহলটোৰ ইংগিত বহন কৰিছে, যি জনতাক ভৰিৰে গছকি যাবলৈও কুণ্ঠাবোধ নকৰে। গীতটোৰ শেষৰফালে উল্লেখ কৰা হৈছে যে 'সাউদে মেলিছে বলীয়া হাতী'। ইয়াত সাউদ শব্দটো হয়তো বৃহৎ পুঁজিপতি আৰু বণিক গোষ্ঠীৰ প্ৰতীক হ'ব পাৰে যাৰ হাতৰ পুতলা হৈ বলীয়া হাতী সদৃশ ৰাজনৈতিক মহলে ৰাইজৰ ওপৰত আতিশয্য চলাইছে। আন এটি গীতত তেওঁ সোৱণশিৰীৰ পাৰৰ সহজ সৰল মানুহবোৰৰ কথা কৈছে।

অ' মোৰ সোৱণশিৰীৰ
তই যে সোণ কমোৱা
তোৰ সোণৰ মানুহ নিৰ্বাক অসহায়
সুৰীয়া সঁফুৰা উটি গুচি যায়
আকাশ তেজেৰে ধোঁৱা

সোৱণশিৰীৰ কথাৰে হয়তো তেওঁ বৃহৎ নদীবান্ধৰ স্বপ্নই নৈপৰীয়া সহজ-সৰল মানুহবোৰৰ জীৱনলৈ ভৱিষ্যতে আহিব পৰা ভয়াবহতাৰ ইংগিত দিব বিচাৰিব পাৰে। তেখেতৰ 'তেজেৰে ৰাঙলী হ'ল গোটেইখন' আদিৰ দৰে গীতত অসমৰ সমসাময়িক সমাজত দেখা দিয়া হিংসা, সন্ত্ৰাস, নিজৰ জাতি-জনজাতিৰ মিতিৰ কুটুম্বৰ মাজত হোৱা সংঘাত আৰু ৰক্তপাতে তেখেতৰ হৃদয়ত তোলা হাঁহাকাৰবোৰৰ প্ৰতিফলন ঘটাইছে। মুঠতে তেওঁৰ গীতত আছে সমাজমুখী চেতনা, সাম্য প্ৰতিষ্ঠাৰ

হেঁপাহ আৰু ভৱিষ্যমুখী গভীৰ আশাবাদ। মৃত্যুৰ গীতাৰত যেন তেওঁ গাব খোজে জীৱনৰ গান। তথাপিও এটা কথা স্বীকাৰ কৰিব লাগিব যে তেওঁৰ গীতৰ কথাত প্ৰচুৰ সম্ভাৱনা আৰু জীৱনমুখী অনুৰণন থাকিলেও সেইবোৰ জনপ্ৰিয় গীতৰ জাতত উঠা নাছিল, কাৰণ গীত এটা কেৱল এজন গীতিকাৰেই জনপ্ৰিয় কৰি তুলিব নোৱাৰে। তাৰ বাবে প্ৰয়োজন হয় সুৰকাৰ, গায়ক আৰু সংগীত ব্যৱস্থাপনাৰ যৌথ প্ৰচেষ্টা। নিৰ্মল প্ৰভা বৰদলৈৰ গীতবোৰ যেনেদৰে জয়ন্ত হাজৰিকাৰ সুৰ আৰু কণ্ঠত প্ৰতিষ্ঠাপিত হৈছিল বা একেদৰে নৱকান্ত বৰুৱাৰ গীতবোৰ যিদৰে বীৰেন্দ্ৰ নাথ দত্তৰ কণ্ঠত জনপ্ৰিয় হৈ উঠিছিল, তেনেদৰে ভট্টাচাৰ্যদেৱৰ গীতবোৰৰ প্ৰতিষ্ঠাৰ বাবেও একোজন জনপ্ৰিয় আৰু নিপুণ সংগীত শিল্পীৰ প্ৰয়োজন আছিল। আনহাতে এই কথাও স্বীকাৰ কৰিব লাগিব যে তেওঁ গীত লিখা সময়লৈকে অসমৰ জীৱনমুখী আৰু সমাজমুখী গীতৰ ধাৰাটো ইতিমধ্যে বজৰুৱা সংস্কৃতিয়ে হাইজেক কৰি পেলাইছিল। সেয়েহে তেখেতৰ গীতৰ পৃথিৱীত প্ৰৱেশ কৰিব পৰা শ্ৰোতাগণৰ সংখ্যাও লাহে লাহে কমি আহিছিল। তথাপিও আমাৰ বাবে সুখৰ কথা এয়াই যে তেওঁ জনপ্ৰিয়তাৰ হিচাপ-নিকাচলৈ কোনো দিন কাণসাৰ দিয়া নাছিল আৰু হৃদয়ৰ তাৰণাত স্বতঃস্ফূৰ্ত অনুভূতিৰে গীত ৰচনা কৰিছিল। তেওঁৰ সমগ্ৰ জীৱনৰ দৰেই গীতবোৰো আমাৰ বাবে এক আদৰ্শৰ স্তম্ভ স্বৰূপ। অনাগত দিনত এইবোৰে হয়তো আমাক শুভ উত্তৰণৰ বাট এটা দেখুৱাব পাৰে।○

# সমাজবাদী আদৰ্শনিষ্ঠ কবি নলিনীধৰ ভট্টাচাৰ্য

## ৰজনীকান্ত শৰ্মা

১৯৬৫ চন। মই আৰ্য্যবিদ্যাপীঠ কলেজৰ ছাত্ৰ। প্ৰথম বাৰ্ষিক স্নাতক (কলাত) নাম লগাইছো। অসমীয়া কবিতা পঢ়ুৱাবলৈ আহিল শুভ্ৰ খাদীবস্ত্ৰ পৰিহিত ধীৰস্থিৰ, প্ৰশান্ত ব্যক্তিত্বৰ অধিকাৰী, মিঠাবৰণৰ অধ্যাপকজন। হাতত দুখনমান কিতাপ। তেতিয়ালৈকে তেখেতৰ লগত আমাৰ পৰিচয় হোৱা নাছিল। নামটো পৰ্যন্ত নাজানিছিলো। শ্ৰেণীৰ ৰুটিনত N.B. লিখা আছে। হাতত মৰহা ফুলৰ কৰণি লৈ প্ৰবেশ কৰিলে এন বি ছাৰ। আন ছাৰ-বাইদেউসকলৰ পৰা সম্পূৰ্ণ ব্যতিক্ৰম যেন লাগিল। আমি প্ৰায় কুৰিজন মান ছাত্ৰ-ছাত্ৰী, সকলোৱে ছাৰৰ পৰিচয় জানিবলৈ ইচ্ছুক কিন্তু কোনো এজনেও সাহস কৰা নাই। শ্ৰেণীত প্ৰবেশ কৰিয়েই ছাৰে ৺বলীনাৰায়ণ বৰাদেৱৰ কবিতা এটা গলগলীয়া মাতেৰে পঢ়াই সিদিনাখনলৈ সামৰিলে। প্ৰথম দিনাখনেই ছাৰে আমাৰ সকলোৰে মন-প্ৰাণ চুই গ'ল। পিছত জানিব পাৰিলো সেইজনেই নলিনীধৰ ভট্টাচাৰ্য ছাৰ। শ্ৰেণীত একমিনিটো পলমকৈ উপস্থিত নোহোৱা, অবাবত কথা নোকোৱা ভট্টাচাৰ্য ছাৰৰ 'তাজমহল' কবিতাৰ আবৃত্তি আজিও কাণত ৰিণ ৰিণকৈ বাজি আছে। No Melody, no poetry কথাষাৰ ছাৰে শ্ৰেণীত পুৰণি কবিতা পঢ়ুৱাৰ সময়ত উপলব্ধি কৰিছিলো।

আৰ্য্যবিদ্যাপীঠ কলেজত পঢ়াৰ সময়তে চাৰৰ লগত মোৰ প্ৰথম চিনাকি হয়। লাহে লাহে ছাৰৰ ওচৰ চাপিবলৈ সুবিধা পাও। দ্বিতীয় বাৰ্ষিকত কলেজ আলোচনী 'এৰিয়ান' সম্পাদনাৰ দায়িত্ব মোৰ ওপৰত পৰে। আলোচনীৰ বিভিন্ন গল্প, কবিতা, প্ৰবন্ধ ছাৰে প্ৰকাশৰ উপযোগী হোৱাকৈ শুধৰাই দি মোক উৎসাহিত কৰিছিল।

৺নলিনীধৰ ভট্টাচাৰ্য মোৰ শুভাকাঙ্খী আছিল। বিগত ৫০ বছৰ ধৰি মই ছাৰক ওচৰৰ পৰা পাইছো। ছাৰ আৰু মই দুয়ো ৰূপনগৰবাসী। চাৰৰ অৱসৰৰ পিছত সদায়

সান্ধ্যভ্ৰমণ কৰিছিল। ছাৰক লগ পালেই ঘৰৰ কুশল বাৰ্তাৰ লগতে সাহিত্য-সংস্কৃতি, ৰাজনীতি-সমাজনীতি আৰু দুৰ্নীতিৰ কথা পাতো। অসম আন্দোলনৰ কথা স্মৰণ কৰো কি ভয়াৰ্ত্ত দিন আছিল। চাৰৰ ফটাশিলৰ চিএৰ সেই সময়ৰ সাক্ষী।

২০০৬ চনৰ ১৮ জুনত মোৰ সৰুভাই ঁচন্দ্ৰকান্ত শৰ্মাৰ স্মৃতিত এটি ব্যক্তিগত পুথিভঁৰাল স্থাপন কৰো। বামপন্থী চিন্তাধাৰাৰে পৰিপুষ্ট ঁচন্দ্ৰকান্ত' ছাৰে প্ৰেৰণা যোগাইছিল। সময় সুবিধা উলিয়াই ছাৰে 'চন্দ্ৰকান্ত' পুথিভঁড়াললৈ আহিছিল। দুই এখন প্ৰয়োজনীয় কিতাপ পঢ়িবলৈ নিছিল। ৰচনাৱলীৰ দৰে ডাঙৰ কিতাপ হ'লে মই দি আহিছিলো। একাপ চাহ যাঁচিলেই চাৰে কৈছিল— অ' ৰঙাচাহ একাপ খাব পাৰো। লগত ব্ৰিটেনিয়া বিস্কুত এখনহে দিবা। ঘৰলৈ উভতি যাওঁতে এন্ধাৰ নামিলে মই ছাৰৰ সঙ্গ দিছিলো।

স্নাতকোত্তৰ পাঠ অন্ত কৰি কিছুদিন আৰ্য্যবিদ্যাপীঠ কলেজত মোৰ শিক্ষাগুৰুসকলৰ লগত একেলগে শিক্ষকতা কৰাৰ সুবিধা পাইছিলো। ছাত্ৰ অৱস্থাৰ পৰা পাইছিলো মুৰব্বী অধ্যাপক দুৰ্গেশ্বৰ শৰ্মা ছাৰে সদায় হাস্যৰস সৃষ্টি কৰি শ্ৰেণীত পাঠদান কৰিছিল। ছাৰে কৈছিল, গভীৰ চিন্তাগধুৰ প্ৰবন্ধকো সহজ-সৰলভাৱে পাঠদান কৰি ছাত্ৰ-ছাত্ৰীৰ মন জয় কৰিবলৈ হ'লে মাজে মাজে লঘু উদাহৰণেৰে আনন্দমধুৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিবা। তাৰ বিপৰীতে ভট্টাচাৰ্য ছাৰে অতি ভাৱগধুৰ কবিতাকো ছাত্ৰ-ছাত্ৰীক সহজভাৱে বুজাই দিছিল। ব্যক্তিগত অসুবিধাৰ বাবে কলেজৰ পৰা আঁতৰি আহিবলগা হ'ল, সঁচা কিন্তু শৰ্মাছাৰৰ সেই হাঁহিটো আৰু ভট্টছাৰৰ গহীন-গম্ভীৰ মুখখন সদায় স্মৃতিৰ পটত জিলিকি থাকিল।

ভট্টাচাৰ্য ছাৰৰ লেখাত সমাজৰ শোষিত মানুহৰ মুক্তিৰ গান বাজি উঠে। মানৱতাবাদী, সমাজবাদী আদৰ্শৰ প্ৰতি ছাৰৰ গভীৰ নিষ্ঠা। সাম্যবাদী চিন্তাধাৰাৰে কেনেকৈ প্ৰভাৱিত হ'ল বুলি সোধাত ছাৰে কৈছিল— মোৰ জন্ম যোৰহাটৰ মেলেংকাঠ গাঁৱত যদিও দেউতাৰ কৰ্মক্ষেত্ৰ আছিল চাফ্ৰাই বাগান। গাঁৱত শৈশৱ আৰু কৈশোৰ কাল পাৰ কৰিছিলো।

বাগানৰ বনুৱা শ্ৰেণীৰ লোকৰ অবৰ্ণনীয় দুখ-কষ্ট দেখি মনত বৰ বেজাৰ লাগিছিল। গাঁৱতো সেই একেই অৱস্থা। দুখীয়া মানুহৰ ওপৰত নিৰ্যাতন চলিছিল। দুবেলা-দুমুঠি খাবলৈ নোপোৱা গাঁৱৰ দুখীয়া মানুহৰ ওপৰত চলা অত্যাচাৰ প্ৰত্যক্ষ কৰিছিলো। খাজনা দিব নোৱাৰা বাবে মৌজাদাৰে, মাটিৰ হাকিমে খেতিৰ মাটি, ঘৰৰ ভেটি কাঢ়ি নিয়া দৃশ্যই মোক বৰকৈ ব্যথিত কৰিছিল।

বাগানৰ ওচৰতে থকা লোকেল বোৰ্ডৰ অধীনৰ এখন পাঠশালা স্কুলত মই আৰু মোৰ ভাই বীৰেন (প্ৰয়াত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য) পঢ়িছিলো। কিন্তু বাগানত পঢ়াৰ কোনো পৰিৱেশ নাছিল। কেৱল বনুৱাৰ হাই-কাজিয়া, চাহাবৰ অত্যাচাৰ, মাৰপিটৰ যন্ত্ৰণাত বনুৱাৰ চিঞৰ-বাখৰ শুনি মৰ্মাহত হৈছিলো। মাজে মাজে গাঁৱলৈ আহো। গাঁৱতো সেই একে অৱস্থা। অভাৱ-অনাটনত মানুহ জুৰুলা হৈছিল। আহিন-কাতি মাহত চাউলৰ অভাৱত কেতিয়াবা আমাৰ ঘৰৰ আখললৈ জুই যোৱা নাছিল। ভীমকল খাই স্কুললৈ গৈছিলো। গাঁৱতো শিক্ষাৰ পৰিৱেশ নাছিল যদিও বৌটিয়ে ৰামায়ণ, মহাভাৰত পঢ়ি শুনাইছিল। শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি আছিল। কাকজান হাইস্কুলত এখন হাতেলিখা আলোচনী উলিয়াইছিলো। বীৰেনে আগভাগ লৈছিল। কাকজান হাইস্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰি যোৰহাটৰ জে বি কলেজত ভৰ্তি হওঁ। দেউতাই ষাঠি নে সত্তৰ টকা দৰমহা পাইছিল। ঘৰ-সংসাৰ চলাই হাতত যি ৰয় সেইখিনিৰে মোৰ আৰু বীৰেনৰ পঢ়া-শুনাত খৰচ কৰিছিল। ইণ্টাৰমিডিয়েট পাছ কৰি মই কাকজান স্কুলত কুৰি টকাৰ দৰমহাৰ চাকৰিত সোমাও। জে বি কলেজত পঢ়ি থাকোতে হেম বৰুৱাক লগ পাইছিলো। তেওঁ ইংৰাজী-অসমীয়া পঢ়ুৱাইছিল। তেওঁৰ বৌদ্ধিক জিজ্ঞাসা আৰু নিপীড়িতৰ প্ৰতি সহানুভূতিয়ে মোক অনুপ্ৰাণিত কৰিছিল। মোৰ প্ৰথম লেখা ইংলেণ্ডৰ জনতাৰ কবিজন মেছফিল্ডৰ Consecration ৰ অনুবাদ 'মোৰ গান' হেম বৰুৱাই চাই দিছিল। সেইটো পিছত আৱাহনত প্ৰকাশ হয়। 'দুখীয়ালৈ' নামৰ কবিতাটো আৱাহনতে প্ৰকাশ হৈছিল।

গাঁৱত থাকোতে আমি বকুল বনৰ কবি আনন্দ বৰুৱাক লগ পাইছিলো। তেওঁ আমাক পঢ়া-শুনাৰ প্ৰতি উৎসাহ আৰু প্ৰেৰণা যোগাইছিল। তেওঁৰ ঘৰতে ৰবীন্দ্ৰনাথৰ গীতাঞ্জলি প্ৰথম পঢ়িছিলো। পাপৰিৰ কবি গণেশ গগৈৰ লগত তেওঁ আমাক পৰিচয় কৰাই দিছিল। তেওঁৰ সান্নিধ্য আমাৰ বাবে প্ৰেৰণাদায়ক আছিল।

বীৰেনে কাৰ্লমাৰ্ক্সৰ 'ডাচকেপিটেল' পঢ়া দেখিছিলো। সি পঢ়া-শুনাত বৰ ছিৰিয়াছ আছিল। ডাচকেপিটেলৰ কিছু অংশময়ো পঢ়িছিলো। পিছত বীৰেনে ৰামমোহন লোহিয়া, জয়প্ৰকাশ নাৰায়ণ, হেম বৰুৱা আদিৰ ওচৰ চাপি 'গণতান্ত্ৰিক সমাজবাদ'ৰ চিন্তা-চৰ্চাত মত্ত হ'ল। গাঁৱত থাকিয়েই মই বীৰেনৰ বাবে লিখা-পঢ়াৰ সুবিধা পাইছিলো। বীৰেনে সম্পাদনা কৰা 'ৰামধেনু'ত বৰিচ পেষ্টাৰনেকৰ 'ডঃ ঝিভাগো'ৰ অনুবাদ প্ৰকাশ হৈছিল। টুৰ্গেনিভৰ ফাদাৰ্ছ এণ্ড ছনছৰ অনুবাদ 'পিতা-পুত্ৰ' নৱযুগ আলোচনীত প্ৰকাশ হৈছিল।

১৯৬০ চনত শ্বিলঙৰ ছেন্ট এণ্টনী কলেজত আঢ়ৈ বছৰ কাল শিক্ষকতা কৰি গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ কলেজত যোগ দিওঁ। আৰ্য্য বিদ্যাপীঠ কলেজত সাহিত্য-সংস্কৃতিৰ চৰ্চাত লাগি থকা কবি নীলমণি ফুকন, ইমদাদ উল্লাহ, শিৱনাথ বৰ্মন, গণেশ দাস আদিক লগ পাওঁ। ফুকনৰ লগত সাহিত্য-সংস্কৃতিৰ আলোচনা কৰি উপকৃত হৈছিলো। শিৱনাথ বৰ্মনৰ সংস্পৰ্শত বহু কথা শিকিছিলো।

১৯৬৫ চনত মই আৰ্য্য বিদ্যাপীঠ কলেজৰ বি এ মহলাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। তেতিয়াৰ পৰাই ছাৰৰ সংগ পাইছো। ধীৰ-স্থিৰ, শান্ত সমাহিত, অপ্ৰয়োজনীয়ভাৱে এটা শব্দও উচ্চাৰণ নকৰা অসীম ব্যক্তিত্বৰ অধিকাৰী ছাৰৰ জ্ঞানৰ গভীৰতা দেখি বিস্মিত হৈছিলো। ষাঠিৰ দশকত পশ্চিমবংগত মূৰ দাঙি উঠা নক্সালবাদী আন্দোলনৰ আদৰ্শই অসমৰ এচাম শিক্ষিত যুৱকক চুই গৈছিল। ছাৰো সেইসকলৰ বাহিৰত নাছিল। আমি ছাৰক লিখা-মেলাৰ কথা ক'লে ছাৰে প্ৰায়েই কৈছিল— লিখিলে কি হ'ব ? পঢ়া-শুনা কৰা মানুহ ক'ত ? পিছত অৱশ্যে কেবাজনো সতীৰ্থ আৰু ছাত্ৰ-ছাত্ৰীৰ অনুৰোধত দুই-এটা প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰিলে।

১৯৭৯ চনত ছাৰৰ প্ৰথম কবিতা পুথি 'এই কুঁৱলীতে' কেইজনমান গুণমুগ্ধ ছাত্ৰই প্ৰকাশ কৰিছিল যদিও ধনৰ অভাৱত কেইখনমানহে কিতাপ প্ৰেছৰ পৰা উলিয়াই আনে। প্ৰথম গ্ৰন্থ প্ৰকাশত ছাৰ আনন্দিত হৈছিল কিন্তু সুহৃদ পাঠকবৃন্দই পঢ়িবলৈ নোপোৱাৰ বেদনাত মনত বেজাৰ লাগিল।

১৯৭৬ চনত আমি এটা সৰু প্ৰেছ স্থাপন কৰিছিলো। ১৯৭৯ চনত আৰম্ভ হোৱা অসম আন্দোলনৰ সময়ত প্ৰেছ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। তেতিয়াই প্ৰগতিশীল গ্ৰন্থ প্ৰকাশ কৰাৰ মানসেৰে 'চেতনা প্ৰকাশ' স্থাপন কৰি দুই এখন গ্ৰন্থ প্ৰকাশ কৰাৰ দিহা কৰো। পিছত বন্ধুবৰ ডঃ শিৱনাথ বৰ্মনৰ 'স্বদেশ আৰু স্বমত' নামৰ কিতাপখন প্ৰকাশ কৰি উলিয়াও। অসম আন্দোলনৰ ভৰপকতে হোমেন বৰগোহাঞিৰ সম্পাদনাত 'পষেকীয়া লোকায়ত' আলোচনী চেতনা প্ৰকাশে উলিয়াইছিল। 'লোকায়ত'ত ছাৰে কবিতা, প্ৰবন্ধ, গ্ৰন্থ সমালোচনা আদি লিখিছিল। 'লোকায়ত' আন্দোলনবিৰোধী বুলি বহুতো পাঠকে পঢ়িবলৈ ইচ্ছা কৰা নাছিল। তথাপি লোকায়তৰ প্ৰতি এচাম পাঠকৰ মৰম-স্নেহ দেখি অভিভূত হৈছিলো। সেই সময়তে ছাৰে এদিন প্ৰেছলৈ গৈ তেখেতৰ কবিতা পুথি এখন উলিয়াবলৈ ক'লে। ছাৰৰ কথা পেলাব নোৱাৰো। পিছে আৰ্থিকভাৱে বৰ দুৰ্বল। ধাৰ লৈ প্ৰেছৰ কৰ্মীক দৰমহা দিবলগা হৈছিল। আমাৰ প্ৰেছৰ

আখৰবোৰো পুৰণি আছিল। সেই আখৰেৰে ছপালে কিতাপখন ভাল নহ'ব বুলি কৈছিলো। কিন্তু ছাৰে 'হ'ব দিয়া' বুলি কোৱাত মই বাধ্য হ'লো। দুমাহমানৰ ভিতৰত ছপা কাম সম্পূৰ্ণ হ'ল। ছাৰে নিজে প্ৰুফ চাই দিছিল। ছাৰৰ দ্বিতীয় কাব্যগ্ৰন্থ 'চেৰাশালিৰ মালিতা' ওলাল। ছপা অপৰিষ্কাৰ, বেটুপাত আৰ্য্য বিদ্যাপীঠ কলেজৰ অধ্যাপক ভূপেন ভট্টাচাৰ্যই কৰি দিছিল। বেটুপাত মনোগ্ৰাহী নহ'ল। মই বেটুপাত অন্য শিল্পীৰ দ্বাৰাই অঁকাব বিচাৰিছিলো। কিন্তু ছাৰে ক'লে— ভূপেনে বৰ আগ্ৰহ কৰি আঁকি দিছে, তেওঁ বেয়া পাব। থাওক দিয়া, এনেকৈয়ে হ'ব। এনেকৈ ছাৰৰ 'চেৰাশালিৰ মালিতা' ওলাল। কিতাপখন বিক্ৰী হ'ল। মই দৃঢ়ভাৱে আজিও বিশ্বাস কৰো ছাৰৰ কিতাপ বাবেহে বিক্ৰী হৈছিল। 'চেৰাশালিৰ মালিতা' প্ৰকাশ কৰি মই দোষী অনুভৱ কৰিছিলো বাবে একে বছৰতে ছাৰৰ তৃতীয় কাব্যগ্ৰন্থ 'আহত সপোন' প্ৰকাশ কৰি উলিয়াও। দুয়োখন কবিতা গ্ৰন্থ পাঠক সমাজে গ্ৰহণ কৰে। ১৯৯৫ চনত ছাৰে এদিন মোক সুধিলে আৰু এখন কবিতা পুথি কৰিবা নেকি? মই আগ্ৰহ প্ৰকাশ কৰিলো। তিনি মাহমানৰ ভিতৰত পুৰণি আলোচনী বাতৰিকাকতৰ টোপোলা এটা নি তাৰ পৰা কবিতাবোৰ কম্পোজ কৰিবলৈ ক'লে। ১৯৯৬ চনৰ ছাৰৰ চতুৰ্থখন কাব্যগ্ৰন্থ 'ননী আছনে ঘৰত' প্ৰকাশ হৈ ওলাল। কিতাপখন পাঠক সমাজে আদৰি ল'লে। অসম সাহিত্য সভাৰ 'ছগানলাল জৈন পুৰষ্কাৰ' লাভ কৰিলে কিতাপখনে।

ছাৰৰ 'কবিতাৰ কথা' গ্ৰন্থখন প্ৰকাশৰ অন্তৰালত এটা মনোৰম কাহিনী আছে। চেতনা প্ৰকাশে গুৱাহাটী গ্ৰন্থমেলাত ভাগ লৈছিল। ১৯৯১ চনত এজন পাঠকে কবিতা সম্পৰ্কীয় অৰ্থাৎ কবিতাৰ ওপৰত পুংখানুপুংখ আলোচনাৰ গ্ৰন্থ এখন বিচাৰিলে। দুখনমান গ্ৰন্থ দেখুৱালো, নাই, পাঠকজনৰ মনঃপুত নহ'ল। পাঠকজনৰ লগত হোৱা কথা-বতৰাৰ অন্তত তেখেতৰ মনৰ ভাব উপলব্ধি কৰিবলৈ সক্ষম হ'লো। তেখেতক সান্ত্বনা দিয়াৰ ছলেৰে ক'লো আপুনি বিচৰা গ্ৰন্থখন অহাবাৰ আপোনাক দিম। গ্ৰন্থমেলা শেষ হোৱাৰ পিছত দুটা বহী আৰু এটা কলম লৈ ছাৰৰ ওচৰ পালোগৈ। কিন্তু ছাৰে কেবাটাও প্ৰবন্ধ লিখিব লগা আৰু কেবাখনো গ্ৰন্থ পঢ়িব লগা থকাৰ অজুহাতত মোৰ প্ৰস্তাৱিত গ্ৰন্থখন লিখিবলৈ অসুবিধা হ'ব বুলি ক'লে যদিও মই ছাৰক পতিয়ন নিয়াবলৈ সক্ষম হ'লো। ছাৰে সময় বিচাৰিলে। দুমাহমানৰ মূৰত খবৰ ল'লো, ছাৰে লিখাৰ কামত হাত দিয়া নাই। ছমাহমান পিছত অৱশ্যে কলম ধৰিলে। কেইপৃষ্ঠামান দি বাকীখিনি লাহে লাহে দিব বুলি ক'লে। মই স্বস্তিৰ নিশ্বাস এৰিলো। ছাৰে এবাৰ হাত দিছে যেতিয়া

কিতাপখন ওলাব। অলপ অলপকৈ আনি দুবছৰমানৰ মূৰত কিতাপখন উলিয়ালো। ১৯৯২ চনৰ গ্ৰন্থমেলাত পাঠকজন আহি উপস্থিত। গ্ৰন্থখন কোনে লিখিছে জানিব বিচাৰিছিল। ভট্টাচাৰ্য ছাৰে লিখি থকা বুলি শুনি তেওঁ ক'লে— 'আপুনি উপযুক্ত মানুহকে দায়িত্ব দিছে। কবিতাৰ ওপৰত তেখেতৰ অধ্যয়ন বিস্তৃত। নাই, বুজিছে— কবিতাৰ চিন্তাগধুৰ আলোচনা কৰিব পৰা লিখক নাই।'

১৯৯৩ চনত কবিতাৰ কথা ওলাল। ভট্টাচাৰ্য ছাৰে ভাৰতীয় ভাষা পৰিষদৰ পুৰস্কাৰ পালে। গ্ৰন্থখনৰ আদৰ বাঢ়িল। কিছু সংখ্যা বিক্ৰী হোৱাৰ পিছত এদিন দুহাজাৰ টকা ছাৰক দিবলৈ গ'লো। সেই মুহূৰ্ততে ছাৰে কোৱা কথাখিনি মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব— তোমাৰ বাবে 'কবিতাৰ কথা' লিখা হ'ল। নহ'লে নহ'লহেঁতেন। ভাৰতীয় ভাষা পৰিষদৰ পুৰস্কাৰো পালো। এতিয়া আৰু মোক তুমি টকা দিবলৈ আহিছা; নিদিলেও হ'লহেঁতেন। ছাৰৰ সৰল ব্যক্তিত্বৰ ওচৰত শিৰণত কৰিলো। ছাৰৰ আন এখন কবিতাৰ সমালোচনা 'কবিতা আৰু নেপথ্য' চেতনা প্ৰকাশে উলিয়াইছিল। যুগ্মভাৱে ছাৰে সম্পাদনা কৰা বিষ্ণু ৰাভাৰ জীৱন আৰু কৃতি আৰু সতীৰ্থৰ দৃষ্টিত বিষ্ণু ৰাভা গ্ৰন্থ দুখনো চেতনা প্ৰকাশে প্ৰকাশ কৰিছিল।

'চেতনা প্ৰকাশ' সম্প্ৰতি নাই। কিন্তু 'চেতনা প্ৰকাশে' প্ৰকাশ কৰা চিন্তাগধুৰ প্ৰগতিশীল গ্ৰন্থবোৰৰ কথা আজিও পাঠকৰ মুখে মুখে। শীলভদ্ৰই লিখিছিল 'চেতনা প্ৰকাশে ভাল লেখকৰ গ্ৰন্থহে প্ৰকাশ কৰে।' অধ্যাপক নলিনীধৰ ভট্টাচাৰ্যৰ ৰচনাৰাজিক পাঠকৰ আগলৈ উলিয়াই অনাৰ বাবে চেতনা প্ৰকাশে গৌৰৱ কৰে।

অধ্যাপক নলিনীধৰ ভট্টাচাৰ্যই কলম বন্ধ কৰা নাই। সাম্প্ৰতিক সময়ত চাৰিওপিনে নৈৰাশ্য বিৰাজ কৰাৰ সময়তো ছাৰ আশাবাদী। শুভদিন এদিন আহিব, মানুহৰ চেতনা জাগিবই।

ছাৰৰ প্ৰতিটো জন্মদিনতে (৪ ডিচেম্বৰ) আমি ছাৰৰ ঘৰলৈ গৈ শুভেচ্ছা জনাই প্ৰাৰ্থনা কৰিছিলো— পশ্যেম শৰদঃ শতম। জীবেম শৰদঃ শতম", 'শতায়ু লাভ কৰে কিন্তু নহ'ল ২০১৬ চনৰ ১ চেপ্তেম্বৰত ছাৰে চিৰদিনৰ বাবে বিদায় মাগিলে। ○

# কবি নলিনীধৰ ভট্টাচাৰ্যৰ সান্নিধ্যত

## ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

আমাৰ দেশৰ ডেকাসকলক দেখি মই কেতিয়াবা হতাশ হওঁ। তেওঁলোকৰ সৰহভাগেই এতিয়া অৰ্থ হিপ্পীবাদৰ কবলত পৰিছে। শিক্ষক হিচাপে মই তেওঁলোকক লক্ষ্য কৰিছোঁ—বেছিভাগৰেই বাস্তৱবোধ, সামাজিক চেতনাৰ ঘৰ শূন্য। এইবাবে তেওঁলোকক দয়া কৰি লাভ নাই, যদিও সামাজিক ব্যৱস্থাৰ বিৰুদ্ধেথিয় দিব পৰা শক্তি কেৱল ডেকাসকলৰহে থাকে। সেইবাবে মই ভাবোঁ, তেওঁলোকৰ নিৰাসক্ত মনে জীৱনক বুজিবলৈ যত্ন কৰা উচিত, সেই সম্পৰ্কে অভিজ্ঞতা আৰু সঠিক অধ্যয়ন কৰিব পাৰিব লাগে। দুখৰ বিষয়, আমাৰ দেশৰ পৰিবেশ এনেকুৱা যে তৰুণ শক্তি তেনেভাৱে উদ্বুদ্ধ হোৱাৰ প্ৰেৰণা ক'তো নাপায়। আমাৰ শিক্ষা ব্যৱস্থা আওপুৰণি আৰু জৰাজীৰ্ণ। ভাববাদী দৰ্শন, তত্ত্বসৰ্বস্ব বিজ্ঞানৰ মধুফল খাই আমাৰ ডেকাসকল জীৱনৰ পৰা আঁতৰি গৈছে। বিভিন্ন বিষয়সমূহৰ মাজত সমন্বয় নথকাত আমাৰ ডেকা একোজন বিদ্বান বিশেষজ্ঞ হৈ উঠে আৰু এটা সীমাবদ্ধ বৌদ্ধিক পৰিধিৰ মাজত জীৱন কটায়। এই বিদ্বান বিশেষজ্ঞসকল 'তৈয়াৰ' হয় কেনেকৈ? কথা মুখস্থ কৰি 'সহায়িকা'ৰ আশ্ৰয় লৈ আৰু পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰি বিশেষজ্ঞসকল সমাজলৈ ওলাই আহি অঠাই সাগৰত পৰেহি। প্ৰাচীন পন্থীসকলে বিদ্যালয়ক মন্দিৰ বুলি কয়, বিদ্বানসৰ্বত্ৰ পূজনীয় বুলি উচ্চস্বৰে ঘোষণা কৰে। কিন্তু প্ৰশ্ন হয়, এইবোৰ হোৱাৰ পিছতো বিদ্যালয় জানো মন্দিৰ হৈ থাকে? ডিগ্ৰী লাভৰ পিছত যাৰ অৱস্থা নাজল-নাখল, সেই বিদ্বান জানো সৰ্বত্ৰ পূজ্য? আজিও ডেকাসকল বিষণ্ণ। তেওঁলোকৰ অফুৰন্ত সময় আৰু শক্তি ব্যয় হয় উপৰুৱা অৰ্থহীন আনন্দত, পুঁজিবাদী ব্যৱস্থাৰ ফলশ্ৰুতি পাশ্চাত্যৰ হিপ্পীবাদৰ অন্ধ অনুকৰণ কৰাত, যৌন বিষয়ক চৰ্চাত আৰু পৰীক্ষাৰ আগে আগে দেৱী দৰ্শন কৰাত। আজৰি পৰত তেওঁলোক লাইব্ৰেৰীলৈ নাযায়, যায় পাণদোকানলৈ—তাত শুনে অজিৎ

ৱাডেকাৰৰ বেটিঙৰ কথা, কথা পাতে ৰাজেশ খান্নাৰ অভিনয় আৰু সাজপাৰ সম্পৰ্কে। সময় পালে 'হৰে কৃষ্ণ হৰে ৰাম' চাবলৈ যায় ঃ নহ'লে Free Love ৰ স্বপ্ন দেখে। এনেভাৱেই আজিৰ ডেকা মন অস্থিৰ হৈ পৰিছে। অন্ধকাৰ আৰ্থিক ভৱিষ্যতো এই অস্থিৰতাৰ অন্যতম ঘাই কাৰণ। এইসকল ডেকা কেতিয়াবা অস্থিৰ আৰু ক্ষুব্ধ হৈ দেশৰ যৌৱনৰ সমস্যাক অমানৱীয়ভাৱে অৱহেলা কৰা কৰ্তৃপক্ষৰ বিৰুদ্ধে যদি থিয় দিয়ে, তেন্তে বামপন্থী নেতৃত্বক দোষ দি লাভ কি?

আৰু এচাম তৰুণক লগ পাইছোঁ, যাৰ সামাজিক চেতনা, বাস্তৱবোধ নোহোৱা নহয়। তেওঁলোকে আজিৰ সমস্যাৰ গুৰি কাৰণ বিচাৰিব খোজে। সাহিত্যত কোনবোৰ ৰচনা প্ৰতিক্ৰিয়াশীল আৰু কোনবোৰ প্ৰগতিশীল তাৰ বিচাৰ লয়। তেওঁলোকৰ কিছুমান ৰুচিৱান—গণমাধ্যমসমূহৰ ভূমিকাকো এওঁলোকে সমালোচনা কৰে, অতীতৰ সাহিত্য-সংস্কৃতিত জীৱন্ত ঐতিহ্য বিচাৰি কিতাপৰ পাত লুটিয়ায়। কিন্তু দুখৰ কথা যে এইচাম তৰুণৰ সংখ্যা নিচেই তাকৰীয়া। এইচাম তৰুণৰ সংখ্যা বৃদ্ধি হ'লেহে আমাৰ দেশত সংস্কৃতিৰ ভূগোল সংকীৰ্ণ সীমা অতিক্ৰম কৰি বিপ্লৱী মানৱীয়তাবাদ, দেশপ্ৰেম আৰু আন্তৰ্জাতিকতাৰ সুসমন্বয় ঘটাব পাৰিব। তেতিয়াহে ৰূপান্তৰো সহজ হ'ব।

এই কথাখিনি মান্যবৰেষু কবি শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱে লিখিছিল আৰু বহুবছৰ আগেয়ে। লিখিছিল তেখেতৰ 'জীৱন সংগ্ৰাম' নামৰ এটি প্ৰবন্ধৰ জৰিয়তে। (প্ৰয়াত) দিলীপ শৰ্মাদেৱ (প্ৰথমে অসম প্ৰকাশন পৰিষদ, তাৰ পাছত চৰকাৰী জোখ-মাপ বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া হিচাপে অৱসৰ লয়)ৰ দ্বাৰা সম্পাদিত 'ক্ৰান্তি' নামৰ আলোচনীৰ জৰিয়তে (১৮৯৫ শক, ৰঙালী বিহু সংখ্যা)। অধুনালুপ্ত এই আলোচনীখনত কেইবাটাও মূল্যবান প্ৰবন্ধ থকা বাবেই মই বৰ সযতনে ৰাখি থৈছিলো। হঠাৎ সেইদিনাখন এই প্ৰবন্ধটি চকুত পৰিল পুনৰ। পঢ়িলো আকৌ এবাৰ। পঢ়ি উঠি ভাব হ'ল আলোচনীখনৰহে মৃত্যু হৈছে কিন্তু শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ প্ৰবন্ধটোৰ ভাবমূৰ্তি অলপো ম্লান হৈ যোৱা নাই, বৰঞ্চ এতিয়াৰ সময়োপযোগীহে হৈ উঠিছে। ক্ৰিকেটাৰ অজিৎ ৱাডেকাৰ বা অভিনেতা ৰাজেশ খান্না নাথাকিব পাৰে, কিন্তু সেই ঠাইত অৱস্থান কৰা নতুন মানুহবোৰৰ সৈতে আমাৰ বৰ্তমানৰ যুৱ সমাজৰ সম্পৰ্ক একেদৰেই অটুট আছে। ... সেইবাবেই নেকি যৌৱনত এই প্ৰবন্ধটিৰ জৰিয়তে আত্মসমালোচনা কৰিবলৈ আমি সুযোগ পাইছিলো।

'জীৱন সংগ্ৰাম' লিখা এই লেখকজনকে শেষত মই মোৰ জীৱন সংগ্ৰামত সহকৰ্মী হিচাপে পালো আমাৰ কৰ্মক্ষেত্ৰ 'আৰ্য বিদ্যাপীঠ' কলেজত। অৱশ্যে আমি

আমাৰ 'জীৱন সংগ্ৰাম' বুলি ক'লেও মান্যবৰেষু শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ দৃষ্টিত কিন্তু সেয়া জীৱন সংগ্ৰাম নাছিল। তেখেতৰ 'জীৱন সংগ্ৰাম' ধাৰণা আছিল সুকীয়া। 'ব্যক্তি আৰু সমাজ' সম্পৰ্কীয় সেই প্ৰবন্ধটিত তাৰ উল্লেখ এনেধৰণৰ—'.... আমাৰ দেশৰ পয়সত্তৰ ভাগ মানুহে যি অবৰ্ণনীয় দুখ-কষ্ট ভোগ কৰে, সেই দুখ-কষ্টক মই জীৱন সংগ্ৰাম বুলি নকওঁ; এটা মনোৰম জীৱনৰ স্বপ্ন পূৰণ কৰিবলৈ যি সংঘবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজন, তাকহে মই জীৱন সংগ্ৰাম বুলি ক'ব খুজিছো। জীয়াই থাকিবৰ বাবে যি দুখ আমি বৰণ কৰিছো, অথবা আমাৰ বহুতে কৰি আছোহঁক, তাক জীৱিকা সংগ্ৰামহে বুলিব পাৰি। এজন শিক্ষক হিচাপে মই জীৱিকাৰ সংগ্ৰামতহে লাগি আছোঁ, জীৱন সংগ্ৰামত লাগিব পৰা নাই। এই সচেতন হৈও মই নিষ্ক্ৰিয়, দেখি-শুনিও মই অক্ষম। যিবিলাকৰ বৰ্তমান জীৱনৰ বিৰুদ্ধে কোনো অসন্তুষ্টি নাই আৰু ভৱিষ্যতৰ সুস্থ সমাজ এখনৰ স্বপ্নও নাই, তেওঁলোকেনো কেনেকৈ জীৱন সংগ্ৰামত নামিব?'...

সত্তৰৰ দশকটো আৰ্য্য বিদ্যাপীঠ কলেজৰ এক সোণালী অধ্যায়। সেই দশকত ছাত্ৰ-ছাত্ৰীয়ে কটন কলেজত যেতিয়া 'ছীট' নাপায়, তেতিয়া পোনে পোনে তেওঁলোকে আৰ্য্য বিদ্যাপীঠ কলেজলৈ (বিশেষকৈ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী) ঢাপলি মেলিছিল। আনকি, বাইহাটা চাৰিআলি, হাজো, বোন্দা, দিগাৰু আদিৰ ছাত্ৰসকলেও চাইকেলেৰে দৈনিক অহা-যোৱা কৰিছিল। সেই দশকৰ ছাত্ৰ-ছাত্ৰীসকলে আৰ্য্য বিদ্যাপীঠ কলেজক নতুনকৈ নামকৰণ কৰিছিল 'নালন্দা বিশ্ববিদ্যালয় অৱ দ্য ইষ্ট' বুলিহে। তাৰ কাৰণ কেইবাটাও। প্ৰথমটো কাৰণ হৈছে, কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক (প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা) পণ্ডিত গিৰিধৰ শৰ্মাদেৱে নিজৰ চাকৰি ইস্তফা দি চেৰাপভাটী অঞ্চলত এখন কলেজ স্থাপন কৰিব খোজাটো। সেই সময়ত সেইটো এটা ডাঙৰ বিপ্লৱ। দ্বিতীয় কাৰণটো হৈছে বাইশটা বিভাগত একেলগে অনাৰ্ছ ক'ৰ্ছ খোলাটো। নালন্দা বিশ্ববিদ্যালয়ত যেনেকৈ কবি অশ্বঘোষ, নাগাৰ্জুন, বচুমিত্ৰ আদিৰ দৰেই এই তৃতীয় কাৰণটো কলেজখনত কেবাজনো গুণী-জ্ঞানী লেখকে অধ্যাপনা কৰাটো। অসমীয়া বিভাগত শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱ ইতিমধ্যে এক প্ৰথিতযশা লেখক আৰু কৃতী সমালোচক হিচাপে স্বীকৃত। বুৰঞ্জীৰ অধ্যাপক নীলমণি ফুকনদেৱ স্বনামধন্য কবি হিচাপে প্ৰতিষ্ঠিত। পদাৰ্থ বিজ্ঞানৰ অধ্যাপক ড° শিৱনাথ বৰ্মনদেৱে দৰ্শনক পদাৰ্থ বিজ্ঞানৰ দৃষ্টিৰে চাবলৈ চেষ্টা কৰিছে। সেই সময়ৰ অসমীয়া সাহিত্যৰ বাবে এক উল্লেখযোগ্য বিষয় হৈ পৰিছিল। আনহাতে অংকশাস্ত্ৰৰ মাননীয় দেৱানন্দ শইকীয়াদেৱে (প্ৰয়াত) তেওঁৰ বিভাগটোক স্নাতকোত্তৰ মহলালৈ উন্নীত কৰাত অগ্ৰগামী হৈ আছে।

আনকি, শইকীয়াদেৱৰ শ্ৰেণীত কটন কলেজৰ ছাত্ৰ আহিও মনে মনে ক্লাছ কৰি থকাৰ অলেখ উদাহৰণ আছিল। যেনেকৈ দাৰ্শনিক, কবি, তাৰ্কিক পণ্ডিতসকলে নালন্দা বিশ্ববিদ্যালয়ৰ গৰিমাক আৰু বেছি গৌৰৱান্বিত কৰিছিল তেনেদৰে ওপৰোক্ত ব্যক্তিসকল সান্নিধ্যই ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাসকলকো উপকৃত কৰিছিল। তদুপৰি অধ্যক্ষজন আছিল নিজেই এজন পণ্ডিত। সেয়েহে তেনে ব্যক্তিৰ সান্নিধ্যত আনো অনুপ্ৰাণিত হ'ব পাৰিছিল।

গুৱাহাটীৰ বাণীবাৰীস্থিত লক্ষ্মী প্ৰিণ্টিং প্ৰেছৰ পৰা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ (জ্ঞানপীঠ বঁটা বিজয়ী) সম্পাদনাত এসময়ত 'নৱযুগ' নামৰ সাপ্তাহিক বাৰ্তালোচনী প্ৰকাশ পাইছিল। তাতেই শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱে আৰম্ভ কৰিছিল ৰুছ ঔপন্যাসিক ইভান টুৰ্গেনিতৰ কালজয়ী উপন্যাস 'দুই পুৰুষ'ৰ অসমীয়া অনুবাদ। তেতিয়া আমি স্কুলৰ ছাত্ৰ আছিলো। স্কুলত থাকোতেই আমি বহুতেই সেই অনুদিত উপন্যাসৰ সোৱাদ পাইছিলো আৰু লগতে তেখেতৰ মসৃণ, সবল আৰু সাবলীল শব্দৰ সৈতেও আমি পৰিচিত হৈছিলো।

আমি অধ্যাপনা কৰিছিলো এই কলেজৰে 'উদ্ভিদ বিজ্ঞান' বিভাগত। কিন্তু আজৰি সময়ত আমাৰ প্ৰেৰণাৰ স্থল আছিল ক্ৰমে 'অসমীয়া বিভাগ, 'বুৰঞ্জী বিভাগ' আৰু 'পদাৰ্থ বিজ্ঞান বিভাগ'। কেৱল আমিয়েই নহয়, মান্যবৰেষু দুৰ্গেশ্বৰ শৰ্মা, ইংৰাজী বিভাগৰ সুৰজিৎ বৰুৱা, আদিও অসমীয়া বিভাগৰ শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ সান্নিধ্যত আছিল।

আমি, সুৰজিৎ বৰুৱা আৰু মাননীয় দুৰ্গেশ্বৰ শৰ্মাদেৱ এই তিনিওজন আছিলো ঘাইকৈ সেই আড্ডাৰ শ্ৰোতা। মই তৰ্কত যোগ নিদিছিলো এইবাবেই যে মই তেওঁলোকৰ সৈতে তৰ্কত লিপ্ত হ'বলৈ যি বুদ্ধি-বৃত্তিৰ প্ৰয়োজন, সেইখিনি নাই বুলি ভাবিছিলো। সেইটো আজিও স্বীকাৰ কৰো।

সাহিত্যৰ আড্ডাটো আৰ্য্য বিদ্যাপীঠ কলেজত আছিল তিনিকোণীয়া। ইয়াৰ কাৰণটো আছিল মূলতঃ সুকীয়া সুকীয়া ৰাজনৈতিক মতবাদ। মৃদুভাষী ড° শিৱনাথ বৰ্মনদেৱে বিষয়বোৰ জটিল কৰি তোলে। এই জটিলতাত অংশ লয় মান্যবৰেষু নলিনীধৰ ভট্টাচাৰ্যদেৱে আৰু মান্যবৰেষু নীলমণি ফুকনদেৱে। বিষয়ৰ ওপৰত ভদ্ৰভাৱেই তৰ্ক-বিতৰ্ক চলি থাকে। তাৰ পৰাই সেইসকলৰ লাভ হয়, যিসকলে নীৰৱে সেই ব্যাখ্যাবোৰ শুনি যায়। মান্যবৰেষু ড° শিৱনাথ বৰ্মনদেৱে অলপতে 'সাতসৰী' আলোচনীত তেখেতৰ সেই ৰাজনৈতিক চিন্তৰ কথা লিখিছে।

'.... সামাজিক, ৰাজনৈতিক দিশতো তেওঁ মধ্যম পন্থাৰ অনুগামী। সম্পূৰ্ণ মুক্ত সমাজ বা সম্পূৰ্ণ বন্ধ সমাজ—ইয়াৰ কোনোটোৰে তেখেত সমৰ্থক নাছিল। এই দুয়ো ৰাষ্ট্ৰ-ব্যৱস্থাৰ মাজত যিটো ব্যৱস্থা—সমাজবাদী গণতন্ত্ৰতহে তেখেত বিশ্বাসী।

বোধিবৃক্ষৰ সঁচ বোটল্য আৰু বিলোৱাত তেওঁ সদায় আগবণুৱা। সেয়ে তেখেতে Jack of all traders, master of none ত বিশ্বাসী।

মান্যবৰেষু ড° শিৱনাথ বৰ্মনদেৱৰ দৃষ্টিত—'যুক্তিবাদীয়ে সাহিত্যৰ আনন্দ উপভোগ কৰিব নোৱাৰে।' এনেবোৰ সমালোচনাত শ্ৰোতা হৈ থাকি আমি নিজকে বৰ গৌৰৱবোধ কৰিছিলো। গতিকে, মান্যবৰেসুক শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ অসমীয়া বিভাগত হোৱা সেই লেখকৰ আড্ডাই আমাৰ মনত সেই সময়ত এক উৎসাহৰ সৃষ্টি কৰিছিল। তেনেকৈয়ে তাৰ পাছত চেৰাপভাটী চ'কৰ গজা, খুৰ্মা, নিম্‌কী আৰু চাহেৰে আপ্যায়িত হৈ নিজৰ নিজৰ বিভাগলৈ প্ৰত্যাৱৰ্তন কৰা অভ্যাসটো লাহে লাহে আমাৰ মাজত নোহোৱা হৈ আহিল; যেতিয়া এই বৰেণ্য লেখকসকলে কলেজৰ পৰা এজন এজনকৈ অৱসৰ ল'লে। যেন সেইটো লেখকৰ আড্ডা নাছিল। ঠিক যেন সৰু এটা 'ভিয়েনা চাৰ্কলহে', .... য'ত আছিল আৰ্থাৰ নুৰাছ, গোডেল আদি মহামান্য ব্যক্তিসকল। যিটো চাৰ্ক'ল দ্বিতীয় বিশ্বযুদ্ধৰ নাৎসী বাহিনীৰ বিভিষীকাই থানবান কৰি পেলাইছিল... ?

এই সময়—সেই সময় নহয়। বৰ্তমান আমাৰ ৰাজ্যত লেখক, শিল্পীসকলৰ অৱস্থাও যেন সেই দ্বিতীয় বিশ্বযুদ্ধৰ নাৎসী বাহিনীৰ দ্বাৰা আক্ৰান্ত হোৱাৰ দৰেই। অথবা, ক'ব পাৰি আমি স্কুলত পঢ়া সেই 'মোৰ শেষ পাঠ' নামৰ প্ৰবন্ধটোৰ দৰেই। যিটো পাঠত আমি পঢ়িছিলো—দুৰ্ভগীয়া ফৰাচী ছাত্ৰ-ছাত্ৰীসকলৰ মৰ্মস্তুদ কাহিনী। বাহিৰত জাৰ্মান সৈন্যবাহিনীৰ বেগু বাজিছে। সিদ্ধান্ত হৈছে যে অহা কাইলৈৰ পৰা এই স্কুলত ফৰাচী ভাষা নচলে—চলিব জাৰ্মান ভাষা।

তেনেকৈয়ে আমাৰ ৰাজ্যতো কিছুমান স্কুলত স্কুলৰ পৰিচালনা সমিতিয়ে ছাত্ৰ-ছাত্ৰীসকলক জনাই দিছে যে অহা কাইলৈৰ পৰা তহঁতে তহঁতৰ মাতৃভাষা 'অসমীয়া' ক'ব নোৱাৰিবি। তহঁতে কথা পাতিব পাৰিবি মাত্ৰ 'ইংৰাজী'তহে।

সেই কাৰণেই মোৰ আজি আমাৰ সেই আৰ্য্য বিদ্যাপীঠ কলেজৰ অসমীয়া লেখকৰ আড্ডাটোলৈ মনত পৰিছে। তাৰ লগে লগে মনত পৰি গৈছে মান্যবৰেষু কবি নলিনীধৰ ভট্টাচাৰ্যদেৱে লিখা সেই প্ৰবন্ধটোলৈ, যাৰ নাম 'জীৱন সংগ্ৰাম'।○

# শিক্ষাগুৰু নলিনীধৰ ভট্টাচাৰ্য ঃ এক সোঁৱৰণ

ডঃ খগেশ সেন ডেকা

প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী আহৰণলৈকে শিক্ষা আহৰণৰ পৰিক্ৰমাত মোৰ জীৱনত যিসকল শিক্ষাগুৰুৱে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে, সেইসকলৰ ভিতৰত শ্ৰদ্ধেয় নলিনীধৰ ভট্টাচাৰ্য ছাৰ অন্যতম। ১৯৭১ চনৰ কথা। মই তেতিয়া গুৱাহাটীৰ সেই সময়ৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আৰ্য্য বিদ্যাপীঠ কলেজৰ প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ বিজ্ঞান শাখাৰ ছাত্ৰ। সকলোৰে মুখে মুখে শুনি অহা নলিনীধৰ ভট্টাচাৰ্য ছাৰক মই প্ৰথম লগ পাইছিলো শ্ৰেণীকোঠাত। চুৰিয়া পাঞ্জাবী পৰিহিত, এক শান্ত, সৌম্য, ঋষিতুল্য ব্যক্তিত্বৰ অধিকাৰী ভট্ট ছাৰে আমাক লক্ষ্মীনাথ বেজবৰুৱাৰ 'মিলাবামৰ আত্মজীৱনী' শীৰ্ষক পাঠটো অতি নিয়াৰিকৈ পঢ়ুৱাইছিল। তেতিয়াৰে পৰা ভট্ট ছাৰৰ প্ৰতি এক বিশেষ আকৰ্ষণ অনুভৱ কৰিছিলো।

আমাৰ দিনত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী আছিল এবছৰীয়া। পৰীক্ষা অনুষ্ঠিত কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তেতিয়া প্ৰতিষ্ঠা হোৱাই নাই। প্ৰাক বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত আশানুৰূপ ফল নোপোৱাত বিজ্ঞান শাখা এৰি তিনি বছৰীয়া স্নাতক মহলাৰ কলা শাখাত (১৯৭২-১৯৭৫ শিক্ষাবৰ্ষ ) নাম লগালো। এনেয়েও সৰুৰে পৰা সাহিত্যৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছিল। ঘৰুৱা পৰিবেশ, আমাৰ গাঁৱত ১৯৬০ চনতে প্ৰতিষ্ঠিত গ্ৰাম্য পুথিভঁৰালটো আৰু মই পঢ়া হাইস্কুলখনৰ উন্নতমানৰ পুথি ভঁৰালটো এই আটাইবোৰে মোৰ সাহিত্য অধ্যয়নৰ আকৰ্ষণত বিশেষ অৰিহণা যোগাইছিল। গতিকে বিশেষ চিন্তা নকৰি নামভৰ্তিৰ পাছত নিয়মানুসাৰে অসমীয়া বিষয়ত অনাৰ্ছ পাঠ্যক্ৰম পঢ়াৰ আশাৰে বিভাগীয় মুৰব্বীলৈ আবেদন জনালো। আবেদন সহজেই গ্ৰাহ্য হ'ল।

সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিয়ম অনুসাৰে অসমীয়া অনাৰ্ছ লোৱা ছাত্ৰ-ছাত্ৰীক সাধাৰণ অসমীয়া বা আৱশ্যিক অসমীয়া (এম আই এল) পঢ়িবলৈ দিয়া নহৈছিল। তাৰ পৰিৱৰ্তে তেওঁলোকে বিকল্প অসমীয়া (অল্টাৰনেটিভ এছমিছ) নামেৰে এক সুকীয়া পাঠ্যক্ৰম অধ্যয়ন কৰিব লাগিছিল। এই পাঠ্যক্ৰমত আছিল দুখন প্ৰশ্নকাকত। যাৰ লগত অসমীয়া ভাষাৰ কোনো পোনপটীয়া সম্পৰ্ক নাছিল। প্ৰথমখন দুবছৰীয়া প্ৰথম খণ্ডৰ পৰীক্ষাৰ বাবে আৰু দ্বিতীয়খন এবছৰীয়া দ্বিতীয় খণ্ডৰ বা চূড়ান্ত পৰীক্ষাৰ বাবে নিৰ্ধাৰিত আছিল। দেখাত কথাটো তেনেই সহজ। কিন্তু, পাঠ্যক্ৰমটোৰ পাঠ্যসূচী দেখি আমাৰ অন্তৰত ভয় উপজিছিল। নক'লেও চলে, অসমীয়া বিষয়টোৰ প্ৰতি শৈক্ষিক মহলৰ এচাম উন্নাসিকৰ ধাৰণা আজিও বৰ উন্নত নহয়। তেওঁলোকৰ মতে অসমীয়া এটা পঢ়িবলগীয়া বিষয়ে নহয়। গল্প, কবিতা, উপন্যাস আদি এনেয়েও পঢ়িব পাৰি। তাৰ বাবে বি. এ, এম. এ পঢ়াৰ কোনো আৱশ্যক নাই। কিন্তু সেই ধাৰণা অলপো যে শুদ্ধ নহয়, তাকে পঢ়োতাইহে বুজি পায়। ভূগোল, বুৰঞ্জীকে ধৰি সংস্কৃত-পালি-প্ৰাকৃত-অপভ্ৰংলৈকে বিশাল ক্ষেত্ৰ সামৰি অসমীয়া অনাৰ্ছৰ (এতিয়া মেজৰ) পাঠ্যক্ৰম। সেই পাঠ্যক্ৰম আয়ত্ব কৰা কিমান জটিল সেই কথা পঢ়োতাইহে বুজি পায়।

ভয় ওপজা বুলি এই কাৰণেই কৈছো, বিকল্প অসমীয়াৰ প্ৰথম প্ৰশ্ন কাকতৰ পাঠ্যসূচী আছিল বাংলা নতুবা ওড়িয়া অথবা হিন্দী কবিতা আৰু সংস্কৃত নাটক অভিজ্ঞান শাকুন্তলম্। আনহাতে দ্বিতীয় প্ৰশ্নকাকতত আছিল বাংলা অথবা হিন্দী সাহিত্যৰ বুৰঞ্জী। পঢ়ুৱাবলৈ শিক্ষক নাই। বিভাগত মাত্ৰ চাৰিগৰাকী অধ্যাপক। দুৰ্গেশ্বৰ শৰ্মা ছাৰ (বিভাগীয় প্ৰধান, পাছলৈ ডক্টৰ), নলিনীধৰ ভট্টাচাৰ্য ছাৰ, অঞ্জলি দাস বাইদেউ আৰু ৰাধা শৰ্মা ছাৰ। লগৰকেইজনে বাংলা কবিতা পঢ়িম বুলি ঠিৰাং কৰিলে। মই কিন্তু হিন্দী কবিতা পঢ়িম বুলি সিদ্ধান্ত ল'লো। বাংলাই পঢ়ো বা হিন্দীয়ে পঢ়ো ক্লাছৰ সম্ভাবনা সমূলি নাই। ইয়াৰ ওপৰত আকৌ ভূতৰ ওপৰত দানহৰ দৰে মহাকবি কালিদাসৰ অমৰ সৃষ্টি শকুন্তলা। কেনেকৈ পঢ়িম! হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা পৰ্যন্ত সংস্কৃত পঢ়িছিলো। নিচেই সীমিত জ্ঞান। মহাকবিৰ নাটখনৰ মূল পাঠো তেতিয়া সহজলভ্য নহয়। একমাত্ৰ আশ্ৰয় অতুল চন্দ্ৰ হাজৰিকাদেৱৰ ভাবানুবাদ শকুন্তলা নাটকখন। সৌভাগ্যৰ কথা আমাক উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহিল নলিনীধৰ ভট্টাচাৰ্য ছাৰ। ছাৰে বৰ নিয়াৰিকৈ নাটখনৰ সকলো দিশ সামৰি ক্লাছকেইটামান লোৱাতহে আমাৰ মুখলৈ পানী আহিল। বাকীখিনি কেতবোৰ প্ৰসংগ

পুথি আৰু বিভিন্ন কাকত-পত্ৰত প্ৰকাশিত প্ৰবন্ধ পাতিৰে কোনোমতে পৰীক্ষালৈ সাজু হ'ব পাৰিলো।

আন এটা কথা আমাৰ পাঠ্যক্ৰমত বিশেষ সাহিত্যিকৰ অধ্যয়ন শীৰ্ষক এশ নম্বৰৰ প্ৰশ্ন কাকতখনৰ বাবে নিৰ্ধাৰিত পাঠ্যক্ৰম আছিল শংকৰদেৱ অথবা বেজবৰুৱাৰ সম্পূৰ্ণ সাহিত্য কৃতী। এই ক্ষেত্ৰতো মই বাকীসকলক এৰি অকলে বেজবৰুৱাৰ বিষয়ে অধ্যয়ন কৰিছিলো।

মুঠতে শকুন্তলাৰ পাঠদান ছাৰৰ ওপৰঞ্চি কষ্ট। আমাৰ দিনত প্ৰাচ্য-পাশ্চাত্য সমালোচনাৰ এশ নম্বৰকৈ দুখন প্ৰশ্নকাকত, অলংকাৰৰ এশ নম্বৰৰ এখন কাকত, কথাগীতা আৰু ত্ৰিপুৰা বুৰঞ্জী পূৰ্ণাংগ পাঠ পঢ়িব লাগিছিল। ছাৰৰ ৰস, ধ্বনি, গুণ, ৰীতি, অলংকাৰ, কবিতা, নাটক, চুটিগল্প, উপন্যাস আদিৰ শিকনশৈলী, কথাগীতাৰ ব্যাখ্যা আজিও কাণত বাজি আছে। বেজবৰুৱাৰ বিশেষ অধ্যয়নতো মাজে মাজে ছাৰক আমনি কৰিছিলো। ছাৰে কেতিয়াও কোনো ক্ষেত্ৰতে না কৰা নাছিল। তেখেতে অকল শিক্ষকেই নাছিল, তেখেত আছিল যথাৰ্থতে গুৰু, জীৱনৰ পথ প্ৰদৰ্শক। পৰৱৰ্তী কালত অধ্যাপনা বৃত্তিত ছাৰৰ সেই গভীৰ অধ্যয়নপুষ্ট শিকনশৈলী মোৰ বাবে পাথেয় স্বৰূপ হৈছিল।

ছাৰে কবিতা লিখিছিল। সেইবোৰ তেখেতৰ অন্তৰৰ গভীৰ উপলব্ধিৰ অভিজ্ঞান। আমি পঢ়ি থকা দিনলৈ তেখেতৰ কোনো কাব্য সংকলন প্ৰকাশ পোৱা নাছিল। বিভিন্ন আলোচনীত প্ৰকাশিত তেখেতৰ কবিতাবোৰ আমি কলেজৰ পুথিভঁৰালত বহি বহি পঢ়িছিলো আৰু সেই বিষয়ে আলোচনা কৰিছিলো। ছাত্ৰ আছিলো ছয়গৰাকী আৰু ছাত্ৰী মাত্ৰ এগৰাকী। দ্বিতীয় বৰ্ষৰ আৰম্ভণিতে ছাত্ৰীগৰাকীৰ বিয়া হৈ গৈছিল। বাকীকেইজনৰ ভিতৰত আমি তিনিজনে মানে মই, প্ৰয়াত চন্দ্ৰ শৰ্মা (এইজনা সৰ্বৰহী আৰু প্ৰগতিশীল বন্ধু বিশ্ববিদ্যালয়তো মোৰ সহপাঠী আছিল। তেওঁৰ অকাল বিয়োগৰ দুখে আজিও মোক পীড়া দিয়ে।) আৰু আশুবোধ কলিতাই (পৰৱৰ্তী কালত গোৱালপাৰাৰ মৰনৈ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বিষয় শিক্ষক) ঠিক কৰিলো আমি এখন কবিতাৰ আলোচনী উলিয়াম। আমাৰ লগত সহযোগিতা কৰিলে প্ৰাগজ্যোতিষ কলেজৰ একে সময়ৰে অসমীয়া অনাৰ্চ্ছৰ ছাত্ৰ নীল শৰ্মাই (পাছলৈ বাণীকান্ত বি এড কলেজৰ অধ্যাপক। নীল শৰ্মা বিশ্ববিদ্যালয়ত অধ্যয়ন

কৰাৰ সময়ছোৱাত মোৰ সহপাঠীয়ে নহয় ছাত্ৰাবাসৰ ৰুমমেট তথা প্ৰকৃত বন্ধু আছিল। আমাৰ বন্ধুত্ব আজিও অটুট আছে।) কথা মতে কাম। কোৱা বাহুল্য যে চন্দ্ৰ শৰ্মা আছিল এই ক্ষেত্ৰত বিশেষ আগ্ৰহী আৰু আগবঢ়ুৱা। আমি প্ৰথমেই ওচৰ চাপিলো নলিনীধৰ ভট্টাচাৰ্য ছাৰৰ। আলোচনীখনৰ আন একো কবিতা এতিয়া মোৰ মনত নাই। কিন্তু ভট্ট ছাৰৰ সেই বিশেষ কবিতাটোৰ কথা আজিও মনত আছে। কবিতাটোৰ শিৰোনাম আছিল অনায়ত্ত। এৰা অনায়ত্ত! যাক আয়ত্ত কৰিবৰ পৰা হোৱা নাই। কবিতাটোৰ প্ৰথম পংক্তিটো আছিল এনেধৰণৰ

প্ৰহৰ ইমান ক্লান্ত

এতিয়াও অনায়ত্ত সেই সুৰ

যি সুৰত সৰা পাতে সুৰভি বিলায়।

ছাৰৰ কাব্যিক পৰিক্ৰমাৰ বিশাল ব্যাপ্তি, সাহিত্যৰ ওপৰত থকা অগাধ দখল অথবা তেখেতৰ দৃষ্টিভংগী ইত্যাদিৰ বিষয়ে আলোকপাত কৰিবলৈ মোৰ জ্ঞানৰ অভাৱ। এগৰাকী গুণমুগ্ধ ছাত্ৰৰ দৃষ্টিৰে মাত্ৰ তেখেতক উপলব্ধি কৰাৰ এই ক্ষুদ্ৰতম প্ৰয়াস। 'সৰাপাতে সুৰভি বিলায়।' ছাৰ এতিয়া আমাৰ মাজত নাই। কিন্তু তেখেতে বিলাই থৈ যোৱা সৌৰভ আজিও আমাৰ জীৱন গঢ়াৰ উৎস স্বৰূপ। ○

# ননীদালৈ মনত পৰে

## কামাখ্যা ভট্টাচাৰ্য

ননীদা (নলিনীধৰ ভট্টাচাৰ্য) বুলিলে মোৰ মানসপটত ভাঁহি উঠে এজন চুটি-চাপৰ মানুহ, পিন্ধনত চুৰিয়া-পাঞ্জাবী, ধীৰ-স্থিৰেৰে খোজ দিয়ে, সহজ-সৰল প্ৰণালীৰে জীৱন কটাই, সত্য-নিষ্ঠাৰে নিজৰ সৃষ্টিশীল কৰ্ম কৰি যায়, সকলোৰে লগত মিলিজুলি থাকি ভাল পায়। সেইজন ননীদাৰ লগতে মোৰ জীৱনৰ শৈশৱ, কৈশোৰ কটাইছিলো। পৰৱৰ্তী কালতো মোৰ আপদে-বিপদে পূৰ্বৰ দৰেই মোক অভয় প্ৰদান কৰিবলৈ কোনোদিনে পাহৰা নাছিল।

দেউতাই বাগানৰ চাকৰিত সামান্য দৰমহা পাইছিল। সেই দৰমহা পইচাৰে বাগানত এখন ঘৰ আৰু গাঁৱত এখন ঘৰ চলোৱা দেউতাৰ পক্ষে সম্ভৱ নাছিল। সেয়ে ননীদাই যোৰহাট জগন্নাথ বৰুৱা কলেজৰ পৰা ইণ্টাৰ মিডিয়েট পৰীক্ষা পাছ কৰাৰ পিছতেই কাকজান হাইস্কুলত শিক্ষকৰ চাকৰি এটা লৈ গাঁৱৰ ঘৰ চলোৱাৰ লগতে আমাক পঢ়ুৱাইছিল। কাকজানত শিক্ষকতা কৰি পোৱা সামান্য পইচাৰে আমাৰ পঢ়া-শুনা আৰু ঘৰ চলোৱা, দুয়োটা কাম নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে নিজ কৰ্মত আগবাঢ়ি গৈছিল আৰু তাৰ কাৰণে জীৱনত কোনো আক্ষেপ প্ৰকাশ কৰা দেখা নাছিলো। আমাকো তেনে কথা অনুভৱ কৰিবলৈ সুবিধা নিদিছিল। মাত্ৰ একান্ত মনে নিজৰ কাম কৰি যোৱা আমি দেখিছিলো।

শৈশৱত চফ্ৰাই বাগানত থাকোতে বাগানৰ পৰিৱেশতে ননীদা আৰু বীৰেনদাৰ জ্ঞানৰ ক্ষুধা অংকুৰিত হৈছিল। বাগানত মন মিলা কেইবাজনো বন্ধু পাইছিল। তেওঁলোকক পাই দুই ককাই-ভাই উৎসাহিত হৈছিল। বাগানৰ বাবুসকলে পঢ়িবলৈ অনা দৈনিক বাতৰি, অসমীয়া ন জোন, আবাহন আদি অসমীয়া কাগজ

পঢ়িবলৈ সুবিধা পাইছিল। ইয়াৰ উপৰিও বঙালী ভাষাৰ মাহেকীয়া মাসিক বসুমতী আৰু আনন্দবাজাৰ পত্ৰিকা পঢ়িবলৈ পাই উপকৃত হ'ব পাৰিছিল। সেইবিলাকে দুই ককাই-ভাইক সাহিত্যৰ আৰু বাহিৰা জ্ঞানৰ প্ৰতি আগ্ৰহ বঢ়াইছিল। গাঁৱত থাকোতেও বকুল বনৰ কবি প্ৰয়াত আনন্দ চন্দ্ৰ বৰুৱাৰ ঘৰত থকা পুথিভঁৰালটোৰ ব্যৱহাৰ কৰি নিজৰ জ্ঞান বৃদ্ধি কৰিবৰ কাৰণে সুবিধা পাইছিল। আনন্দ চন্দ্ৰ বৰুৱাই ব্যক্তিগতভাৱেও ননীদাক এইক্ষেত্ৰত দিহা-পৰামৰ্শ দি উৎসাহিত কৰিছিল।

কাকজান হাইস্কুলত শিক্ষকতা কৰি থাকিয়েই প্ৰাইভেটকৈ ননীদাই অসমীয়া বিষয়ত এম এ পৰীক্ষা দি সুখ্যাতিৰে পাছ কৰি ডিগ্ৰী লাভ কৰিছিল। ডিগ্ৰী লোৱাৰ পিছত শ্বিলঙৰ ছেইণ্ট এন্থনীজ কলেজত এটা শিক্ষকৰ চাকৰি পাবলৈ সক্ষম হয়। শ্বিলঙত কিছুদিন থাকি ননীদা গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ কলেজলৈ আহিল। তেতিয়াৰ পৰা ননীদাই গুৱাহাটীৰ বাসিন্দা হ'ল আৰু গুৱাহাটীত এখন বহল বৌদ্ধিক জগতৰ লগত পৰিচয় ঘটিল। তেতিয়াৰ পৰাই ননীদাই নিজৰ সৃষ্টিশীল কৰ্মত একাণপটীয়াকৈ লাগিবলৈ সুবিধা পালে। সেই সুবিধাৰে কবিতাৰ পৰা অনুবাদ সাহিত্যলৈ বহু অৱদান দি অসমীয়া সাহিত্য সমৃদ্ধ কৰি গৈছে। ননীদা পুথি সমালোচক হিচাবেও সাহিত্য জগতত এক বেলেগ পৰিচয় আছিল।

ননীদা স্থায়ীভাৱে গুৱাহাটীত বসবাস কৰাত গাঁৱৰ ঘৰ মাটিত আমাৰ সৰুজন খুৰা-খুৰী কিছুদিন আছিল। তেওঁলোক ঢুকুৱাৰ পিছত ঘৰ-বাৰী কিছুদিন এনেয়ে পৰি আছিল। আৰু ওচৰ-চুবুৰীয়া কিছুমানে তেওঁলোকৰ নিজৰ নিজৰ কামত লগাবলৈ ধৰিলে। তেতিয়া আমাৰ আটাইকেইজন ককাই-ভাইয়ে চিন্তা কৰি বাৰী-মাটিডো খৰ স্কুল এটা প্ৰতিষ্ঠা কৰিবলৈ দি দিয়া হ'ল। এতিয়া সেই মাটিত চাওখাট হাইস্কুলখন চলি আছে। আৰু আমাৰ বাৰ বিঘা মান ৰোৱতী মাটি আছিল। সেইবিলাক আধিয়াৰৰ হাতত আছিল। সেইবিলাক আজিও আধিয়াৰৰ হাততে আছে। আমি সেই মাটি ঘূৰাই লোৱাৰ কথা চিন্তা নকৰিলো। সেইবোৰ এতিয়া নাঙল যাৰ মাটি তাৰ বোলা কথাৰ মতে আধিয়াৰৰ লগতে আছে।

গাঁৱত থাকোতে ননীদাৰ হৈ মই বহুত কাম কৰিছিলো। মৌজাদাৰৰ ঘৰত আমাৰ মাটিৰ খাজনা দিয়াৰ পৰা গাঁৱৰ বেলেগ বেলেগ অনুষ্ঠান-প্ৰতিষ্ঠানত ননীদাৰ হৈ মই নিমন্ত্ৰণ ৰক্ষা কৰিছিলো। কিন্তু এটা কথা মনত পৰিলে আজিও অন্তৰত

বেদনা অনুভৱ কৰো। অনুমান ১৯৫৩-৫৪ চন মানৰ কথা। ননীদাৰ অসুস্থতাৰ কাৰণে স্কুললৈ যোৱা নাছিল। সেয়ে মাহৰ দৰমহাখিনি মোকে স্কুল পৰা আনিবলৈ পঠালে। সেই সময়ত ননীদাই দৰমহা পাইছিল পয়সত্তৰ টকা। স্কুলৰ সহকাৰী প্ৰধান শিক্ষক প্ৰয়াত গংগেশ্বৰ মহন্ত ছাৰে পয়সত্তৰ টকা মোৰ হাতত দি ৰচিদ এখন লিখি দিবলৈ ক'লে। মই লিখিলো হয়, কিন্তু 'ৰিচিভড' শব্দটোৰ বানান ভুল কৰি পেলালো। মহন্ত ছাৰে দেখিয়েই এইটো বীৰেনৰ ভায়েক নহয় বুলি কৈ পেলালে। মই তেতিয়া লাজ পোৱাৰ লগতে অন্তৰত দুখো লাগিছিল। ননীদাই স্কুলত যোগদান কৰাৰ পিছত মোক বানানটো ভুল হোৱাৰ কথাটোৰ বাহিৰে একো কথা কোৱা নাছিল।

ননীদাৰ বিয়াৰ কথা ৰিণিকি ৰিণিকি মোৰ মনত পৰে। বিয়াৰ দুই-এটা কথাহে মনত আছে। বিয়াত আমাৰ ঘৰত পুতলি বাইদেউ আৰু ভিনদেউ, প্ৰয়াত চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য, কুজিবালিৰ প্ৰয়াত গুৰুপ্ৰসাদ বৰঠাকুৰ আদি বহু মানুহৰ সমাগম হৈছিল। বিয়া ঘৰত এক উখল-মাখল পৰিৱেশ বিৰাজ কৰিছিল। জোৰণ বাইচাইকেলত গৈছিল। দৰা চিপাহীখোলাৰ দোকানৰ খেলিয়াৰ এখন ভেনেট গাড়ীত গৈছিল।

বিয়াৰ পিছত নবৌ কিছুদিন মাকৰ ঘৰ পীড়াকটাতে আছিল। সেয়ে আমি বিয়া হোৱাৰ পিছতো নবৌক দেখা নাছিলো। সেই কাৰণে এদিন গিৰিনদাই (প্ৰয়াত মাজুদাদা গিৰীন্দ্ৰ নাথ ভট্টাচাৰ্য) বাইচাইকেলত মোক নবৌক দেখুৱাবলৈ পীড়াকটালৈ লৈ গৈছিল। সেইদিনাহে নবৌক প্ৰথম দেখিবলৈ পাইছিলো। আমি যোৱাৰ সময়ত নবৌৱে তাঁতশালত গামোচা বৈ আছিল। সেই বোৱা গামোছা মোক আৰু গিৰীনদাক একোখনকৈ দিছিল। নবৌৰ মাকগৰাকী বৰ সাদৰী মাতৃ আছিল। তেওঁ আমাক মালভোগ ধানৰ চিৰাৰ লগত থমাদৈৰে জলপান খুৱাই অপ্যায়িত কৰিছিল। প্ৰখ্যাত মুক্তিযোদ্ধা মহেশ্বৰ বৰকটকীৰ নবৌ বৰজীয়ৰী আছিল।

পিছত ঘৰত থাকোতে যেতিয়া নবৌ পীড়াকটাৰ মাকৰ ঘৰলৈ গৈছিল তেতিয়া চৈ দিয়া গৰুগাড়ীত গৈছিল। পীড়াকটালৈ আমাৰ গাঁৱৰ পৰা সাত-আঠ কিঃমিঃ দূৰ কাৰণে খোজকাঢ়ি যোৱাত অসুবিধা, সেইহে তেনেদৰে যাবলগা হৈছিল। নবৌক থবলৈ গাড়ীৰ লগত ননীদাই মোক পঠাইছিল। ইও এক মোৰ জীৱনত বিচিত্ৰ অভিজ্ঞতা।

পৰিয়ালৰ জ্যেষ্ঠজন হিচাপে ননীদাই অভিভাৱকৰ দৰে পৰিয়ালটোৰ প্ৰতি দায়িত্ব বৰ নিষ্ঠাৰে পালন কৰিছিল আৰু পৰিয়ালটোক একতাৰ ডোলেৰে বান্ধি ৰখাত সফল হৈছিল। ককাই ভাই কেউজনৰ পৰিয়ালৰ প্ৰত্যেক ব্যক্তিকে খা-খবৰ লোৱা, বিহুৰে-সংক্ৰান্তিয়ে প্ৰত্যেকৰ ঘৰলৈ গৈ মাত এষাৰ লগোৱা কামটো জীৱনৰ শেষ বয়সলৈকে ননীদাই কেতিয়াও পাহৰা নাছিল।

ননীদাই গোটেই জীৱন দেশ আৰু মানুহৰ মংগলৰ কাৰণে চিন্তা কৰি এই পৃথিৱীৰ পৰা বিদায় মাগিছিল। তাৰ বিনিময়ত কিন্তু ননীদাই কিবা কাৰোবাৰ পৰা কাহানিও আশা কৰা পৰিলক্ষিত হোৱা নাছিল। মাথোঁ নিজ কৰ্মত আগবাঢ়ি গৈ আছিল। এই পৃথিৱীলৈ মানুহ অকলশৰে আহে আৰু অকলশৰে এদিন যায়গৈ। কিন্তু এগৰাকী মহৎ ব্যক্তিয়ে তেওঁৰ অসাধাৰণ জীৱন চানেকিৰে চিন্তা-চেতনাৰে এটি অনুৰণন সমাজক দি থৈ যায়। ননীদাই সেই কামটোকে ওৰেতো জীৱন কৰিছিল। সেইবাবে মোৰ ননী ককাইদেউ চিৰস্মৰণীয়, চিৰ শ্ৰদ্ধেয়।○

# ক'ত হেৰুৱালোঁ সেই শুৱলা শব্দ

## শৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

মই মোৰ ঘৰত ফুলসজ্জাৰ মাজত ৰখা মা-দেউতাৰ ফটোলৈ বেছি সময় চাই থাকিব নোৱাৰো। এক অনামী দুখে মন আবৰি ধৰে। ম'বাইলৰ উইকিপেডিয়াত আগতে দেউতা সম্পৰ্কত লিখা পঢ়ি আনন্দ অনুভৱ কৰিছিলো। দেউতা অন্তৰ্হিত হোৱাৰে পৰা নোৱৰা হ'লো। হয়তো ক্ৰমাৎ এনে পৰিৱেশ আঁতৰিব। সকলো স্বাভাৱিক হ'ব।

দেউতা আমাৰ বাবে আছিল — এজন সহজ সৰল আৰু মানৱদৰদী এক বিশাল হৃদয়ৰ মানুহ। এনে এজন লোকক পিতৃৰূপে পাই নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰিছিলো।

আমাৰ মা যেতিয়া দহ বছৰজুৰি ডিমেনচিয়া নামৰ ক্ষয়ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈছিল, তাহানিৰ সেই ঋজুদেহী, গাখীৰত সেন্দুৰ মিহলোৱা দেহৰ ৰঙৰ অধিকাৰী বাংঢালী, কৰ্মপটু মা এক নিস্ক্ৰিয়তাৰ অটল তলিলৈ ক্ৰমাৎ পৰ্যবসিত হ'বলৈ আৰম্ভ কৰিছিল — আনক চিনি নাপালেও তেওঁ চিনি পাইছিল আমাৰ দেউতাক। সেইগৰাকী মাৰ শাৰীৰিক সুস্থতা বৰ্তাই ৰখাৰ বাবে মনটো সক্ৰিয় হৈ থাকক বুলিয়েই তেখেত মাৰ কাষত সদায় আছিল। অকল থকাই নহয়, নিজৰ কষ্টক আওকাণ কৰিও নিজৰ পঢ়া-লিখাৰ মাজতে মাৰ লগত অহৰ্নিশে এগৰাকী ধাত্ৰী থকা সত্বেও নিজহাতে খুৱাই দিছিল, সময় মতে ঔষধ খাইছেনে নাই — তাৰ প্ৰতি সতৰ্ক দৃষ্টি দিছিল। একালত মা আছিল দেউতাৰ সোঁ হাত। নিজে বেছি পঢ়া-শুনা কৰিবলৈ সুযোগ নোপোৱা সত্বেও মায়ে দেউতাৰ সাহিত্য চৰ্চাৰ মোল বুজিছিল আৰু প্ৰতিমুহূৰ্ততে দেউতাক সুবিধা কৰি দিছিল। দুৰাৰোগ্য ৰোগটোৱে তেওঁকো সোনকালেই লৈ গ'ল। ৭৯ বছৰ বয়সত। গাঁৱৰ পৰা গুৱাহাটী মহানগৰীলৈকে

সুদীৰ্ঘ জীৱন পৰিক্ৰমাত দেউতাই কেইবাজনো আত্মীয়ৰ মৃত্যু দেখিছিল। আনকি অকালতে স্বৰ্গগামী হোৱা নিজৰ মাজু পুত্ৰৰো বিয়োগ ব্যথাৰ বোজা ল'বলগা হৈছিল। তথাপি অসীম ধৈৰ্যৰে সৃষ্টিৰ পথাৰখন শস্য-শ্যামলা কৰিবলৈ আজীৱন পিছ হোঁহকা নাছিল। বিষ্ণুৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱাকে আৰম্ভ কৰি প্ৰায়সকল মহীৰূহস্বৰূপ অসমীয়া সাহিত্যিকৰ ৰচনাৰ মাজলৈ তেখেত সোমাই গৈ সেইবোৰৰ নিৰ্মোহ বিচাৰি বিশ্লেষণ কৰিছিল। তদুপৰি নবীনসকলৰ বহুতকে বাট দেখুৱাইছিল অতি শালীন আৰু কোমল ভাষাৰে। নবীনৰ ওপৰত তেখেতৰ আস্থা আছিল প্ৰবল। তেখেতে লিখিছিল —

আজি মোক তোমালোকৰ কবি কৰা;
তোমালোক সূৰ্য এদিন উদয় হ'বা।

দেউতা নলিনীধৰ ভট্টাচাৰ্য আৰু খুবা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য দুয়ো শৈশৱতেই বাগিচাত চাহাবৰ চমতাৰ কোবত বনুৱাৰ তেজে তুমুৰলি হোৱা দেহ দেখিছিল। দেখিছিল ঢেকীয়াখোৱা গাঁৱত ভূমিহীন খেতিয়কৰ বিলৈ; শুনিছিল সেইসকলৰ আৰ্তনাদ। ফলত দুয়োৰে হৃদয়ত এক ক্ষোভৰ জন্ম হৈছিল। সেয়ে হৈ পৰিছিল বিপ্লৱী। 'আমি বহুৱাম জনতাৰ দৰবাৰ বুলি বীৰেন খুৱা হৈ পৰিছিল লোহিয়াপন্থী সমাজবাদী দলৰ সদস্য, দেউতা পিছে কোনো দলত নাছিল পিছে দৰিদ্ৰ বঞ্চিত, লাঞ্ছিতজনৰ কাষত সদায় থিয় হ'বলৈ লৈছিল। তেখেতৰ প্ৰথম কবিতাটোৱেই আছিল দুখীয়ালৈ। বীৰেন খুৱাই গাঁৱৰ জুৰুলা খেতিয়কৰ অৱস্থাৰ পটভূমিত লিখিছিল — আইনামৰ উপন্যাস। দেউতাৰ সাহিত্য চৰ্চাত পিছত ৰামধেনুৰ সম্পাদক হোৱা বীৰেন খুৱাই দিয়া প্ৰেৰণা, সেই সময়ত জেবি কলেজৰ অধ্যাপক হেম বৰুৱা আৰু গাঁৱৰে বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ পৰা পোৱা উৎসাহ-উদ্দীপনা আছিল স্মৰণীয়। সৰু কালতে সৰ্বসাধাৰণ দুৰ্দশাগ্ৰস্ত আৰু শোষিতসকলৰ প্ৰতি থকা দৰদেই তেখেতৰ হৃদয়ত জন্ম দিয়া ক্ষোভৰ উদ্‌গীৰণ হৈছিল জটায়ু কবিতাত।

মোক যদি দিয়া অলপ আয়ু
শেষ কৰি দিব পাৰো বাক্ষসৰ প্ৰাণবায়ু।

কলা কলাৰ বাবে এই নীতিক সমৰ্থন নকৰা অৰ্থাৎ বিৰোধিতা কৰা দেউতাই যিবোৰ প্ৰবন্ধেৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ নতুনত্ব আনিছিল, সচৰাচৰ সেই প্ৰবন্ধবোৰ চালিজাৰি চালে বস্তুবাদী এক দৃষ্টিভংগী জিলিকি উঠা দেখো।

উদাহৰণস্বৰূপে ঋগবেদৰ পটভূমি — শীৰ্ষক প্ৰবন্ধটোলৈ আঙুলিয়াব পাৰি। বেদ সম্পূৰ্ণ আধ্যাত্মিক আৰু অপৌৰুষেয় — বেদ ঈশ্বৰৰ বাণী — এনে প্ৰাচীন পন্থীসকলৰ মতবাদৰ বিৰুদ্ধে তেখেতে ঐতিহাসিক জড়তা আঁতৰাই বিচাৰ বিশ্লেষণ আগবঢ়াইছিল। তেখেতে এই আপাহতে সমৰ্থন কৰিছিল সংস্কৃত ব্ৰাহ্মণ হৈও সংস্কাৰমুক্ত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ বেদ সম্পৰ্কীয় আধুনিক বিচাৰশীল মন্তব্যক। সেইদৰে অন্য এক প্ৰবন্ধ কীৰ্তনৰ উপাখ্যানৰ উৎস। ইয়াত কীৰ্তন যে মাথোন আধ্যাত্মিকতাৰ বসতেই জন্ম হৈছে সেই কথা অস্বীকাৰ কৰি উপাখ্যানবোৰৰ উৎস বা ভেটিৰ সন্ধান কৰা হৈছে। ড° লক্ষ্মীনন্দন বৰাদেৱে এই প্ৰবন্ধটোৰ সম্পৰ্কত গৰিয়সীতে  সম্ভৱ উচ্চ প্ৰশংসা কৰা মনত পৰে।

এনেদৰে প্ৰাচ্য আৰু পাশ্চাত্যৰ বিষয়বস্তুৰ সম্পৰ্কত লিখা ভালেখিনি প্ৰবন্ধ নিজস্ব মতবাদেৰে জিলিকি আছে। মহৎ ঐতিহ্যৰ প্ৰবন্ধকেইটা তাৰেই নিদৰ্শন। কবিতা আৰু নেপথ্য আৰু কবিতাৰ কথা — তেখেতৰ দুখন কবিতা সম্পৰ্কীয় অনুপম গ্ৰন্থ। কবিতাৰ সংকলন যিকেইখন প্ৰকাশ হৈছিল — তাৰ ভিতৰত তেখেতৰ নিজৰ সম্ভৱ প্ৰিয় আছিল — দিনবোৰ সলনি নহ'ল শীৰ্ষক গ্ৰন্থখন। ক'ৰবাত উল্লেখ কৰিছে। 'ননী আছেনে ঘৰত' সংকলনৰ একে নামৰ কবিতাটি এটা প্ৰখ্যাত কবিতা। মাৰ মৃত্যুৰ পাছত তেওঁৰ স্মৃতিৰে লিখা কবিতাটোত বিখ্যাত প্ৰেমৰ কবিতা। ইয়াত ব্যক্তিগত প্ৰেমৰ পৰা সামাজিক প্ৰেমলৈ গুচি গৈছে কবি। দেউতাই বাৰাণসীৰ আশে পাশে নামৰ এক ভ্ৰমণ কাহিনীও লিখিছিল আৰু তেখেতে লিখা সুন্দৰ নৃত্যনাটিকাও উল্লেখযোগ্য। ভ্ৰমণ কাহিনীটো নবযুগ আলোচনীৰ কোনোবা এটা সংখ্যাত প্ৰকাশ পাইছিল। দেউতাৰ কিছু ৰচনা ডাঃ বীৰেন্দ্ৰ নাথ শৰ্মা, খনীন ডেকা, মিনু ভট্টাচাৰ্য আদিয়ে থুপাই সম্পাদনা কৰি প্ৰকাশ কৰি উলিওৱাটো আদৰণীয়। পিছে এতিয়াও বহু লেখনি আছে। শোণিত বিজয় দাসৰ দৰে উৎসাহী লোকে দেউতাৰ সমগ্ৰ ৰচনা উলিওৱা মনস্থ কৰি কাম হাতত লৈছিল। ওলালে নিশ্চয় প্ৰশংসনীয় কাম হ'ব।

পিতৃ প্ৰয়াত নলিনীধৰ ভট্টাচাৰ্য এজন মানৱদৰদী লোক আছিল আৰু সদায়েই তেখেতৰ ওচৰলৈ বিভিন্ন ঠাইৰ পৰা মানুহ আহিছিল। দেউতাই প্ৰাইভেটকৈ সুখ্যাতিৰে এম এ পাছ কৰি কাকজান হাইস্কুলৰ পৰা বিদায় ল'বৰ সময়ত মই সেইখন স্কুলৰে ক্লাছ ফ'ৰৰ ছাত্ৰ আছিলো। পিছৰ বছৰত আমিও গুৱাহাটীলৈ গুচি গৈছিলো। দেউতাই

যোগদান দিছিল গৈ শ্বিলঙৰ এন্থনী কলেজত। আমি গুৱাহাটীত থকা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ লগতে আছিলোঁগৈ। শ্বিলঙত প্ৰায় তিনি বছৰ কাম কৰি গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ কলেজত অধ্যাপনা কৰিবলৈ আহি দেউতা গুৱাহাটীৰ নিগাজী বাসিন্দা হৈছিলহি। মনত পৰে কাকজান হাইস্কুলত হোৱা বিদায় সভাৰ দিনা সেই হাইস্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক, একালৰ আমাৰ দেউতাৰ শিক্ষাগুৰু ক্ৰমে গোলাপ চন্দ্ৰ ঠাকুৰ আৰু সহকাৰী প্ৰধান শিক্ষক — গংগেশ্বৰ মহন্ত দেৱে উচুপিছিল।

দেউতাই ভালদৰে খোজ কাঢ়িব নোৱাৰা অৱস্থাতো হাতত ষ্টিক ডাল লৈ পিছফালে থকা মোৰ ঘৰলৈ আহি চিৰিৰে উঠি আহিছিল। উদ্দেশ্য আছিল—ভাল-বেয়াৰ খবৰ লোৱা। ৯২/৯৩ বছৰ বয়সতো মাতিলেই অতি ভাৱস্থিৰে নিষ্ঠাৰে সভা-সমিতিলৈ যাবলৈ উদ্‌গ্ৰীৱ হৈছিল। দেউতা যেতিয়াৰ পৰা প্ৰায় শয্যাশায়ী হ'ল, ধাত্ৰীৰ পৰিচৰ্যাৰ মাজত সোমাই পৰিল, আগতে অহা ভালেখিনি লোকৰ আহ-যাহ কমি গ'ল। হয়তো দেউতাৰ উচ্চাৰণৰ অস্পষ্টতা, ভৰি ভগাৰ পিছত হোৱা এক দুৰ্বহ অৱস্থা চাবলৈ বহুতে টান পাইছিল। পিছে দেউতাই সদায় বিচাৰিছিল মানুহ। মগজু তেতিয়াও সুস্থিৰ আছিল, স্মৃতি শক্তি অটুট আছিল। মই গ'লেই ঘণ্টা ঘণ্টা ধৰি তেখেতৰ ওচৰত কেতিয়াবা বহিছিলো। এদিন গৈ বহাৰ পিছতে মোক মেজত থকা কেইখনমান কিতাপৰ মাজৰ পৰা এখন বিশেষ কিতাপ আনিবলৈ ক'লে। মই হাতত লোৱাৰ পিছত কোনোবা এটা পৃষ্ঠা মেলি ল'বলৈ গৈ—অমুক পেৰাগ্ৰাফটো ডাঙৰকৈ পঢ়চোন বুলি ক'লে। মই অবাক হৈছিলো তেতিয়া ৯৫ বছৰ বয়সতো মনত থকা শক্তি দেখি। মই পঢ়ি যোৱাৰ লগে লগে—কথাবোৰৰ ব্যাখ্যাও কৰিলে। মাজে সময়ে মোকো কিবা-কিবি সুধিলে। কেতিয়াবা 'কাগজ-কলম গোটাই দে' বুলি কৈ কিবা-কিবি লিখিবলৈ মন কৰিছিল। লিখিছিল ও দেখিছিলো—সেই গোট গোট সৰু আখৰকেইটাৰ (কোনোবাই ১০ পইণ্টৰ আখৰ বুলিও কৈছিল) গঢ় ঠিকেই আছে। শাৰীবোৰহে বেঁকা হৈছে। পঢ়ি চাই কথাবোৰতো বিশেষ আঁসোৱাহ দেখা নাছিলো। এই সুস্থ মগজুৰ মানুহজন পিছে ক্ৰমাৎ দুৰ্বল হৈ গ'ল। মই তেতিয়া ল'ৰাৰ লগত বাংগালোৰত আছো। হঠাৎ এদিন দেউতাৰ অৱস্থা বেয়া বুলি ফোনযোগে খবৰ পাই পিছদিনা পুৱাৰ আকাশী যানেৰে গৈ দেউতাক জি.এন.আৰ.চি হস্পিতেলৰ আই.চি.ইউত মুমুৰ্ষ অৱস্থাত পাওঁগৈ। ১চেপ্টেম্বৰ সেইদিনা। ৰাতিলৈ ৪ বজাত সকলো শেষ হৈ গ'ল।

পৃথিৱীৰ শুৱলা শব্দবোৰৰ ভিতৰত 'মা', 'দেউতা'—এই দুটা শব্দৰ সমান শুৱলা শব্দ আছে নাই নেজানো। হয়তো নাই। আমি সেই শব্দ উচ্চাৰণ কৰি কাক মাতিম? সেই ভাগ্য হেৰুৱালো। লগে লগে হেৰুৱাই পেলাইছো—সেই নিৰ্ভাজ মৰম আৰু আন্তৰিকতা। যেনেদৰে দেউতা, মাৰ পোহৰ ছবিলৈ একে থৰে চালেই মনত শোকৰ জোঁৱাৰ উঠে,—তেওঁলোকে জীৱনকালত থকা সেই নিৰূপিত কোঠালীলৈও চাব নোৱাৰো। মোৰ মানসিকতা কেনেকুৱা মই নিজেই বুজি নেপাও, মই অসুস্থ হৈ, বেদনাজৰ্জৰ ৰূপত পৰি থকা মানুহক চাবলৈ টান পাওঁ। সকলো যেন সদায় সুস্থ হৈয়েই থাকক—এনে কামনা কৰো। মন মোৰ তেতিয়াহে সুস্থ হৈ থাকে। আকৌ মৃতদেহৰ কাষত থাকি মই চিঞৰি কান্দিবও নোৱাৰো। মা, দেউতা, মোৰ অকালতে হেৰোৱা ভাই 'গৌৰী'ৰ মৃতদেহৰ কাষত মই একেথৰে নিৰ্বাক, নিস্পন্দ হৈ কিমান সময় থিয় হৈ আছিলো ক'ব পৰা নাছিলো। কোনোবা কোনোবা আহি মোক কিবা-কিবি সান্ত্বনাও দিছিল, কিবা সুধিছিল যেন লাগিছিল,—মই উত্তৰ দিয়াৰো, সঁহাৰি জনোৱাৰো শক্তি হয়তো হেৰুৱাইছিলো। আন কাৰোবাৰ ক্ষেত্ৰত হয়নে নহয় নাজানো, হয়তো এনে বহুতৰে ক্ষেত্ৰত ভাবনা আহে, শোক উথলে। চকুলো সব্ সৰকৈ ওলায়, পিছে চিঞৰি কান্দিব নোৱাৰো। শেষত ভাবো—'কাৰোৱেই ইয়াৰ পৰা পৰিত্ৰাণ নাই; দকৈ ভাবি লাভ কি? এনেকৈ দুখ পাতলাওঁ।

দেউতাই—মুনীন বৰকটকীৰ প্ৰসংগ 'সমালোচনা' শীৰ্ষক প্ৰবন্ধত লিখিছিল—ওপৰে ওপৰে চালে জীৱনটো 'আয়ৰণি' যেন লাগে। পিছে জীৱনৰ এই ক্ষণিকতা মূল্যবোধ-যুক্ত কৰ্মেৰে উদ্ভাষিত হৈ উঠে। তেখেতে 'জীৱন বিজুলী ৰেখা'—বুলি কৈছিল। এই ক্ষণিকতাৰ মাজত আমি দেখিলো—তেখেতো কৰ্মৰ দ্বাৰা উজ্বলিল। মূল্যবোধ—যুক্ত কৰ্মৰ মাজেদি তেখেতে যি মূল্যবোধৰ চানেকি এৰি থৈ গ'ল—সেয়া আমাৰ পাথেয় হোৱা উচিত।

সাহিত্যিক সাংবাদিক প্ৰয়াত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ বিষয়ে লিখা এটা প্ৰবন্ধত দেউতাই লিখিছিল,—'মৃত্যুলৈ মোৰ ভয়। ই যে এক গভীৰ ক্ৰন্দন।' পিছে এই মৃত্যু সংগোপনে তেখেতৰ বাবেও ৰৈ আছিল। সময় বৰ নিষ্ঠুৰ। সকলোকে কালে সামৰি থ'ব। সেইবাবেই আমি ভবা উচিত ৰবাৰ্ট ফ্ৰষ্টৰ দৰে'—উড্‌চ আৰ লভ্‌লি ডাৰ্ক এণ্ড ডিপ্, বাট আই প্ৰমিজ টু কিপ এ' মাইলছ টু গ'—বিফৰ আই শ্লিপ.....

আমি নজনা অজান্তি মুলুকৰ ক'ৰবাৰ পৰলোকত যদি তুমি আছা—সুখেৰে থাকা। তাৰ পৰাই আশীৰ্বাদ দিবা। ○

# দেউতাৰ কথাৰে

## মিনু ভট্টাচাৰ্য

চাওঁতে চাওঁতে দেউতাবিহীন প্ৰায় এটা বছৰেই উকলিল। মোৰ বাবে এতিয়াও ই যেন এক সপোন, অৱিশ্বাস্য ঘটনা। মা আৰু মাজু দাদাক হেৰুওৱাৰ দুখ দেউতাৰ মুখলৈ চায়েই সহিবলৈ সক্ষম হৈছিলো; কিন্তু দেউতাৰ অবৰ্তমানত আজি যি শূন্যতা অনুভৱ কৰিছো; — কাক ক'ম কোনে পতিয়াব?

দেউতাৰ বিষয়ে লিখিবলৈ ল'লৈই অনেক কথাই মনটোক জুমুৰি দি ধৰেহি। কোনটো এৰিম, কোনটো ধৰিম? প্ৰথমতে আজি মনত পৰিছে আমাৰ ঢেঁকীয়াখোৱাৰ ঘৰখনৰ কথা। অৱশ্যে সৰু হৈ থকা বাবে দুই-এটা কথাহে মনত আছে। শুধ বগা ধুতী-চোলা পৰিহিত দেউতা, ভাগৰুৱা দেহাৰে সন্ধিয়া ঘৰ সোমোৱাৰ কথা। চাইকেলৰ মাজভাগত বকলেচ লগোৱা মোনাত এমোনা বজাৰ, আমিবোৰ দেউতাৰ আগমনলৈ বাট চাই থকাৰ কথা। তদুপৰি মনত পৰে সন্ধিয়া পৰত গাঁৱৰে দুই-চাৰিজন আহি দেউতাৰ পৰা দেশৰ বা-বাতৰি লোৱা, নাইবা ৰামায়ণ, মহাভাৰত পাঠ, তাৰ তাৎপৰ্য ব্যাখ্যা— এনেবোৰ দৃশ্য। তেতিয়াই কিছু অনুভৱ হৈছিল দেউতাক যেন আটায়ে সন্মান কৰে, ভাল পায়। সকলোৱে 'মাষ্টৰ' সম্বোধন কৰা দেউতাক ৰাইজে মাছ মাৰি উভতি যাওঁতে এটা ভাগ দিয়া, ঘৰৰ গাখীৰকণ নাইবা দৈ টেকেলি এটা দিয়া কথাবোৰ মনত পৰে। গঞা ৰাইজে দেউতাক এনেদৰেই যেন চেনেহ কৰিছিল সেই কথা সৰু হ'লেও উপলব্ধি কৰিছিলো আৰু বুজিছিলো দেউতাৰ এক সুকীয়া ব্যক্তিত্বৰ বাবেই এয়া তেওঁলোকৰ স্বাভাৱিক আকৰ্ষণ।

দেউতাই শ্বিলঙৰ ছেইন্ট এন্থনিজত যোগদান কৰাৰ পিছত আইতা সমন্বিতে আমাৰ পৰিয়ালটো গুৱাহাটীলৈ উঠি আহি প্ৰয়াত বীৰেনদা (খুৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য)ই

লোৱা ৰিহাবাৰীৰ ঘৰটোতে একেলগে আছিলোহি। মনত পৰে প্ৰতি শনিবাৰে ঘৰলৈ অহা দেউতাৰ বাবে বাট চোৱা আৰু সোমবাৰে পুৱাতে যাবলৈ ওলাওঁতে চকুপানীৰে বাট নেদেখা হোৱাৰ কথা। —এইবোৰ এতিয়া স্মৃতি, কিন্তু বৰ মধুৰ।

'দেউতা' —শব্দটোৱেই বৰ মধুৰ। দেউতাই আমাক চেনেহৰ ছত্ৰছায়াত বৰ আলফুলকৈ ডাঙৰ-দীঘল কৰিলে। ব্যক্তিগতভাৱে মই দেউতাৰ প্ৰতিক্ষেত্ৰতে সহায়ক আছিলো, প্ৰতিটো ঘৰুৱা সমস্যাই আলোচনা কৰিছিলো; এক কথাত ক'বলৈ গ'লে তেখেতৰ আছিল মোৰ ওপৰত এক গভীৰ আস্থা। আমাৰ যুটীয়া পৰিয়ালটিৰো মুখ্য অভিভাৱক হৈ আটাইকে চেনেহৰ বান্ধোনেৰে বান্ধি ৰখা দেউতাৰ প্ৰতি খুৰা আৰু খুৰী কেউগৰাকীৰ আছিল এক গভীৰ শ্ৰদ্ধা আৰু ভক্তি। দেখিছিলো আমাৰ বৃহৎ পৰিয়ালৰ যিকোনো সমস্যা অতি নীৰৱে সমাধান কৰা, ঘৰৰ আনকি সম্পৰ্কীয় লোক নাইবা ল'ৰা-ছোৱালীবোৰে দেউতাক তেওঁলোকৰ যিকোনো সমস্যাকে মুকলিকৈ কোৱা আৰু তাৰ সমাধান বিচৰা। খং-ৰাগহীন দেউতাক কাহানিও উত্তেজিত হোৱা, টান নাইবা কাকো কটু কথা কোৱা আমি কেতিয়াও দেখা বা শুনা নাই। অৱশ্যে দেউতাহঁতৰ কেউজন ভাই-ককায়েই আছিল শান্ত-সমাহিত। ইয়াৰ গুৰিতেই আছিল আমাৰ বৌতি (আইতাক আমিও দেউতাহঁতৰ দৰেই 'বৌতি' বুলিছিলো)। দুখতো ভাগি নপৰা আৰু আনন্দতো উদ্বেলিত নোহোৱা বৌতিৰ স্নিগ্ধ ব্যক্তিত্বই পাঁচজন পুত্ৰ আৰু একমাত্ৰ জীয়ৰীৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল।

১৯৪৬ চনতে ককাদেউতাই তেখেতৰ মৃত্যুৰ আগে আগে দেউতাৰ বিয়া পাতি দিয়ে। আই এ পাছ কৰা দেউতাই উপায়হীন হৈ কাকজান এম ই স্কুলৰ শিক্ষকতা কৰি চাৰিজন ভায়েকক পঢ়ুওৱা আৰু সংসাৰ চলোৱা কাম কৰিবলগীয়া হয়। অৱশ্যে খুৰা কেউজনে কলেজীয়া শিক্ষা লওঁতে নিজৰ খৰচ নিজেই উলিয়াইছিল। মেধাবী ছাত্ৰ হিচাপে তেখেতসকলে জলপানিও লাভ কৰিছিল।

গুৱাহাটীত দেখিছিলো কলেজ, পঢ়া-শুনাৰ মাজতে ঘৰুৱা কামবোৰো নিয়াৰিকৈ কৰা। সময়ত দেখিছিলো কেৰাচিন আনিবলৈ গৈ ঘৰৰ গৰুজনীও বিচাৰি অনা, সন্ধিয়া খোজকাঢ়িবলৈ গৈ শাক-পাচলি অনা ইত্যাদি। নানান ব্যস্ততাৰ মাজতো দেউতাই ঘৰৰ পিছফালে সুন্দৰ বাৰী এখন কৰি আলু, বেঙেনা, বিলাহী, শাক আদি বৰ নিয়াৰিকৈ কৰি আলফুলে খুঁচৰি দিছিল, সেইবোৰত পানী দিয়াৰ ভাৰ দিছিল আমাক।

"আকালো নাই ভঁৰালো নাই" —এনেদৰে দেউতাই সীমিত উপাৰ্জনেৰে ঘৰখন বৰ নিয়াৰিকৈ চলাইছিল— এই সম্পৰ্কে বীৰেনদাই "সৎ জীৱন আৰু সাহিত্যৰ সন্ধানত— ককাইদেউৰ কথাৰে" শীৰ্ষক প্ৰবন্ধত কৈছে এইদৰে— "তাকৰ সম্পদেৰে আটোমটোকাৰিকৈ ঘৰ এখন চলোৱাটো টান কাম। সি নিজৰ ঘৰখন সুন্দৰভাৱে চলোৱা দেখিলে মোৰ ভাল লাগে। এই বিষয়ে মোৰ নিজৰ দক্ষতা নাই বাবেই বোধহয় তাৰ দক্ষতাৰ প্ৰতি মোৰ স্বাভাৱিক আকৰ্ষণ।" অৱশ্যে এইক্ষেত্ৰত আমাৰ 'মা'ৰ সহযোগ আছিল দেউতাৰ প্ৰেৰণা।

খোৱা-বোৱাত দেউতাৰ চখ আছিল যদিও যেতিয়াই যিটোকে পাইছিল তৃপ্তিৰে খাইছিল— কোনো আপত্তি নকৰিছিল। অসমীয়া খাদ্য, বিশেষকৈ— কচু, ঢেঁকীয়া, শাক-পাত, খাৰ, বৰদিয়া টেঙা, আমৰ অম্বলৰ উপৰি দৈ আছিল অতিকৈ প্ৰিয়। আমাৰ মাও আছিল পাকৈত ৰান্ধনী। খৰিচা, কাঁহুদী, খাৰলি আদিবোৰ তৈয়াৰ কৰি খুৱাই আনন্দ পাইছিল। "ৰন্ধন কাৰ্যও যে এক কলা" —এই বিষয়ে দেউতাই প্ৰায়ে আমাক কৈছিল— আৰু পৰিৱেশনৰ ওপৰতো যে গুৰুত্ব দিব লাগে এই কথা বুজাইছিল। অসমীয়া খাদ্য প্ৰণালীৰ কিতাপ এখন উপহাৰো দিয়া মোৰ মনত আছে।

কিছুমান কথাত দেউতা আছিল শিশুৰ দৰে আৰু বৰ আদৰুৱা। আমি স্কুল-কলেজত পঢ়ি থকা সময়ত দেউতাৰ কেতিয়াবা পানীলগা জ্বৰ উঠিলেও একপ্ৰকাৰ হুলস্থূলেই আৰম্ভ হয়। দেউতাৰ কেঁকনি আৰম্ভ হ'লে আমিবোৰ শংকিত হৈ শুশ্ৰূষাত লাগি যাওঁ। আদৰুৱা দেউতাই ভাবিছিল কেঁকাই থাকিলে আমিবোৰ ওচৰতে থাকিম। এটা সময়ত শ্যেলী, বাইৰন, কীটছ্, ৰবীন্দ্ৰনাথৰ কবিতাৰ পংক্তি আওৰোৱা আনকি শ্বেইক্সপীয়েৰৰ নাটকৰ সংলাপ, তাৰ ভাৱাৰ্থ, চৰিত্ৰ বিশ্লেষণ আদি অনৰ্গল কৈ গৈছিল। আমাৰ 'মা' কিন্তু এইবোৰত অভ্যস্ত বাবেই নেকি হাঁহি হাঁহি কৈছিল— 'একো নহয়, লিখা-মেলা কৰিব পাৰিলেই ভাল হৈ যাব। পিছত দেউতাৰ সেই সময়ৰ অৱস্থাটোৰ কথা কৈ আমি খুব জোকাইছিলো।

আমাৰ ঘৰখনত সৰুৰে পৰা এটা পঢ়া-শুনাৰ বাতাৱৰণ দেখি আহিছো। এফালে বীৰেনদা— দিনটোৰ বেছিভাগ সময়তে অধ্যয়নত নিমগ্ন; সংসাৰৰ দায়িত্ব খুৰীৰ হাতত। আনহাতে, দেউতাক দেখিছিলো বিভিন্ন কামৰ মাজতো পঢ়িবলৈ সময় উলিওৱা। দুয়োজন যেতিয়া লগ হয়— মন কৰিছিলো, ঘৰুৱা কথা কম; সামাজিক, ৰাজনৈতিক, সাহিত্য-সংস্কৃতিৰ বিষয়েই বেছিকৈ আলোচনা কৰা। আইতাৰ

পৰা কথাবোৰ শুনিছিলো। কিন্তু আটাইবোৰ কথা বুজিবলৈ টান পাইছিলো। আমাৰ পৰিয়ালৰ এটা বিশেষত্ব আছিল কোনেও উচ্চস্বৰত কথা নোকোৱা আৰু আনক সমালোচনা নকৰা। সমালোচনা কেতিয়াবা হ'লেও সিও আছিল গঠনমূলক। আটাইতকৈ আকৰ্ষণীয় আছিল পৰস্পৰে পৰস্পৰৰ প্ৰতি থকা স্নেহ আৰু শ্ৰদ্ধা। দেউতাই বীৰেনদাক যিদৰে স্নেহ কৰিছিল সেইদৰে তেখেতৰ প্ৰতিভা আৰু সাহিত্যিক জীৱনৰ প্ৰতি আছিল গভীৰ শ্ৰদ্ধা। সেই সম্পৰ্কে ড° নগেন শইকীয়াদেৱে "আদৰ্শনিষ্ঠ ব্যক্তিত্ব" শীৰ্ষক প্ৰবন্ধত এক সুন্দৰ মন্তব্য আগবঢ়াইছে— "কালপুৰুষৰ ছাঁ" দ্বিতীয়বাৰ পঢ়ি অনুভৱ কৰিলো সংযত আবেগৰ পৱিত্ৰ জলধাৰাত যেন স্নান কৰিলো। সমগ্ৰ লেখাটোত ভাতৃস্নেহ উপচি আছে, কিন্তু ভাতৃৰ ব্যক্তিত্বৰ মাজত তেওঁ কেৱল তেজ-মঙহৰ ভাতৃকে দেখা নাই, দেখিছে কেনেকৈ এটি আদৰ্শ ব্যক্তিত্বৰ জন্ম আৰু বিকাশ ঘটিছে, আৰু কেনেকৈ সেই ব্যক্তিত্ব এক সু-উচ্চ ব্যক্তিত্বত পৰিণত হৈছে, —ভাতৃৰ সেই ছবিখনো।" দেউতাই নিজেও বীৰেনদাৰ মৃত্যুৰ পিছত লিখা "কালপুৰুষৰ ছাঁ" —শীৰ্ষক লেখাত কৈছে— "ক'ত পাম এনে সোদৰৰ ভাই, যি ক্ষুদ্ৰ ডেওনা ভাঙি ভাষা, সাহিত্য, শিল্পকলাৰ বিকাশৰ বাবে বিৰামহীন অন্বেষা?"

দেশৰ বা সমাজৰ সাম্প্ৰতিক পৰিস্থিতিয়ে দেউতাক বৰ চিন্তিত কৰিছিল। বিশেষকৈ নৱপ্ৰজন্মৰ ভবিষ্যৎ কিমান সুৰক্ষিত এই লৈ উদ্বিগ্ন হৈছিল। ল'ৰা-ছোৱালীক নৈতিকতাৰ দিশটোত বেছি জোৰ দিবলৈ উপদেশ দিয়াৰ উপৰি বিভিন্ন বিষয়ৰ কিতাপ পঢ়িবলৈ উদ্‌গনি দিছিল। মাতৃভাষাক বিকৃত কৰা দেখিলে বৰ বেজাৰ পাইছিল। অসমীয়া ভাষাটো শুদ্ধকৈ শিকিবলৈ হ'লে বেজবৰুৱাৰ লেখা পঢ়াটো আৱশ্যক বুলি ভাবিছিল। বয়সৰ ভাৰ বাঢ়িলেও দেউতাৰ আছিল চিৰ তৰুণ, সংকীৰ্ণতামুক্ত এটি মন। প্ৰকৃতাৰ্থতে দেউতা আছিল আধুনিক। শেষলৈকে মাত-কথা আছিল স্পষ্ট আৰু সবল। স্বাস্থ্য সম্পৰ্কে অতি সতৰ্ক দেউতাই নিয়মিত প্ৰাণায়াম কৰা, পানী, কেঁচা হালধি, নহৰু খোৱা কামবোৰ নিজেই কৰিছিল আৰু গুৱাহাটীৰ বাহিৰলৈ গ'লেও এই নিয়মৰ হেৰফেৰ নহৈছিল। খোৱা-বোৱাতো আছিল অতি সংযত। দেখিছিলো যিকোনো নিমন্ত্ৰণ ৰক্ষা কৰিছিল; কিন্তু খোৱা-বোৱা বিশেষ নকৰিছিল। এনেকৈয়ে দেহ আৰু মনক সুস্থ ৰাখিবলৈ যত্ন কৰিছিল আৰু সফলো হৈছিল।

দেউতাৰ চৰিত্ৰৰ আন এটা দিশ হ'ল শিশুপ্ৰীতি। সিহঁতৰ লগৰে এটি শিশু হৈ উমলিছিল, কথা পাতিছিল, আমনিবোৰ সহিছিল। আমাৰ ল'ৰা-ছোৱালীবো অতিকৈ

প্ৰিয় আৰু আদৰৰ আছিল সিহঁতৰ ককা। পিছত সিহঁত নিজে সংসাৰী হৈও সদায় বিচাৰিছিল ককাৰ আবদাৰ। আজি মনত পৰিছে, মৃত্যুৰ কেইমাহমান আগতে অসুস্থ বাবে দেউতাক ছমাহ মোৰ ঘৰত ৰাখি শুশ্ৰূষা কৰিব পাৰিছিলো। সেইখিনি সময়তে মোৰ জী-নাতিনী এজনী জন্ম হোৱাত দেউতাই তাইৰ লগত অতি আনন্দেৰে সময় কটোৱা। কলকলাবলৈ ধৰা শিশুটিয়েও দেউতাৰ মুখলৈ চাই অবুজ ভাষাৰে যেন কথাহে পাতিছিল। সিহঁত গুচি যোৱাৰ পিছত দেউতাই তাইক চাৰিওফালে বিচাৰি ফুৰিছিল, তাইৰ ছবি চাই দীঘলীয়া পদ্য মাতিছিল। দেখিছিলো হাস্পতাললৈ নিয়াৰ সময়ত সলাই থোৱা চোলাৰ জেপত তাইৰ ছবিকেইখন।

সক্কৰে পৰা দেখিছিলো— সাহিত্যিক, সাংবাদিক, ছাত্ৰ-ছাত্ৰীকে আদি কৰি সমাজৰ বিভিন্ন স্তৰৰ মানুহ দেউতাৰ ওচৰলৈ অহা। এক কথাত ক'বলৈ গ'লে সেইসকলৰ পদধূলাৰে আমাৰ ঘৰখন তীৰ্থক্ষেত্ৰ যেন হৈছিল। মন কৰিছিলো সেইসকলৰ লগত হিয়া উজাৰি কথা পাতি দেউতাই কিমান যে আনন্দ পাইছিল! মানুহৰ সান্নিধ্য আছিল দেউতাৰ চালিকা শক্তি। সেইসকলৰ প্ৰতিটো সুখ-দুখৰ সমভাগী আছিল দেউতা। সেই কাৰণেই বোধহয় তেখেতে জীৱন কালত লাভ কৰিছিল মানুহৰ অপৰিসীম শ্ৰদ্ধা, ভক্তি আৰু সন্মান।

জীৱনৰ প্ৰতিটো কথাই দেউতাই ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিছিল। সেয়ে হয়তো লোভ, মোহ বা নোপোৱাৰ বেদনাই তেখেতক আমনি কৰা নাছিল। কোনো স্বীকৃতিপ্ৰাপ্তিৰ আশাও কৰা নাছিল। বৰং নিজ আদৰ্শ আৰু বিশ্বাসৰ ওপৰতহে আছিল গভীৰ আস্থা। এইপ্ৰসংগত দেউতাৰ এগৰাকী ভাতৃ (মোমায়েকৰ ল'ৰা) ডাঃ দেৱীপ্ৰসাদ গোস্বামীয়ে এখন অভিনন্দন পত্ৰত লিখিছে— "কিতাপেই পঢ়িলা আৰু লিখিলা। তোমাৰ একোলৈকে লোভ নাই নেকি? আমাৰ নিচিনা নহৈও তুমি আমাৰ আপোন হৈ সন্মান আৰু মৰমৰ পাত্ৰ হৈ থাকিলা।"

সেই একেদৰে দেউতাৰ মানবীয়তা আৰু সততাৰ বিষয়ে ক'বলৈ গৈ "সুন্দৰৰ সৈনিক" —গ্ৰন্থৰ সম্পাদকৰ শৰাইত ড° শিৱনাথ বৰ্মনদেৱে এইবুলি কৈছে— 'আক্ষৰিক অৰ্থতে তেখেত নলিনী। নলিনী দলত যেনেকৈ পানী লাগি নাথাকে তেনেকৈ তেখেতৰ চৰিত্ৰ সকলো কলুষ-কালিমাৰ পৰা মুক্ত।"

বিভিন্ন সময়ত মেল-মিটিং কৰিবলৈ বাহিৰলৈ গৈছিল যদিও বহুদিনলৈকে দেউতাই ওচৰৰ পৰা সাগৰখন চোৱাৰ সুযোগ পোৱা নাছিল। আমি বাই-ভনী দুয়োজনীয়ে

সেয়েহে দেউতাক পুৰীলৈ কেইদিনমান থকাকৈ লৈ গৈছিলো। আজি মনত পৰিছে, পুৱা-গধূলি সাগৰৰ পাৰত নীৰৱে বহি থকা, সন্ধিয়া চাহ-মিঠাইৰ জুতি লোৱা আৰু বালিত খোজকঢ়া দেউতালৈ। আৰু মনত পৰিছে উভতি আহোঁতে কলিকতাত থাকি কলেজ ষ্ট্ৰীটৰ কিতাপৰ দোকানে দোকানে নিজৰ পছন্দৰ কিতাপ বিচাৰি ফুৰা, কফী হাউছত বহি কফী খাই থকা দেউতালৈ। এসময়ত এই কফী হাউছ আছিল— সত্যজিত ৰয়, মৃণাল সেন, উৎপল দত্তৰ দৰে অনেক শিল্পী, কলা-কুশলী আৰু বিভিন্ন ক্ষেত্ৰত গুণী-জ্ঞানী ব্যক্তিৰ মিলন ক্ষেত্ৰ। তালৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰাৰ কাৰণো আছিল এইটোৱেই। এনে লাগিছিল, তাত বহি যেন দেউতাই সেইসকলৰ উপস্থিতিৰ উমানহে লৈছিল আৰু নীৰৱে শ্ৰদ্ধা জনাইছিল।

মানুহৰ, সমাজৰ মংগল চিন্তাৰে হাতত কলম তুলি লোৱা দেউতা এসময়ত লাঞ্ছিত হৈছিল আপোন সমাজখনৰ দ্বাৰাই। অসম আন্দোলনৰ ভৰপক অৱস্থাত অনেকেই দেউতাক ৰাষ্ট্ৰবিৰোধী, কমিউনিষ্ট, চি পি এম আখ্যা দি ইতিকিং কৰা আমি দেখিছিলো। সেইসকলে আমাৰ ঘৰটোৰ ক্ষতি কৰাৰ উপৰি ৰূপনগৰ শাখা সাহিত্য সভাৰ সভাপতি পদ ত্যাগ কৰিবলৈ বাধ্য কৰাইছিল। মনত পৰে সেই সময়ত ডিফু সাহিত্য সভাৰ কবি সন্মিলনৰ সভাপতি নিৰ্বাচিত হোৱাত অনেকেই এই পদ গ্ৰহণ কৰিলে পৰিণাম ভয়াৱহ হ'ব বুলি ভাবুকি তথা বেনামী চিঠি দিয়া। ইয়াৰ বিপৰীতে অনেক শুভাকাংক্ষীয়ে দেউতা তালৈ যোৱাটোহে বিচাৰিছিল। এনে পৰিস্থিতিত ঘৰৰ মানুহবোৰ শংকিত হোৱাই স্বাভাৱিক। দেউতাই কৈছিল— "চিন্তা নকৰিবি। আৱেগৰ ঢৌত উটি-ভাহি তেওঁলোকে এতিয়া একো বুজা নাই। কিন্তু যিদিনা উপলব্ধি কৰিব তেওঁলোক আকৌ মোৰ ওচৰলৈ আহিব।" পৰৱৰ্তী সময়তহে দেউতাৰ কথাৰ সত্যতা উপলব্ধি কৰিলো। এই প্ৰসংগতে শিৱনাথ বৰ্মনদেৱে লিখা এষাৰ কথালৈ মনত পৰিছে— "অৱজ্ঞাৰ, অৱমাননাৰ কেতিয়াবা আনকি ঘৃণাৰ বাণো তেখেতলৈ মৰা হৈছে; কিন্তু সেইবোৰে তেখেতৰ হৃদয়ত আঘাত কৰিবগৈ পৰা নাই, নলিনী দলৰ দৰেই সেইবোৰ বাৰে বাৰে পিছলি গৈছে।"

জীৱনৰ শেষৰ ফালে প্ৰিয়জনক হেৰুওৱাৰ বেদনাই দেউতাক জৰ্জৰিত কৰিছিল। এইক্ষেত্ৰত মোক্ষম আঘাত আছিল বীৰেনদাৰ মৃত্যু। প্ৰায় প্ৰতিদিনেই ভাতৃৰ ছবি চাই চকুলো টোকা দেখিছো। ইয়াৰ পিছত আন দুজন সুযোগ্য ভাতৃ তথা একমাত্ৰ ভগ্নীক হেৰুওৱাৰ বেদনা, ডিমেনচিয়া ৰোগত আক্ৰান্ত আমাৰ মাক

হেৰুওৱাৰ বেদনা। এঘাৰ বছৰকৈ শয্যাশায়ী হৈ থকা মাক এটি শিশুৰ দৰেই পৰিচৰ্যা কৰা (যদিওবা পৰিচাৰিকা এগৰাকী নিয়োগ কৰিছিল) দেউতাৰ ধৈৰ্য শক্তি দেখি আমি তবধ মানিছিলো। পৰিয়ালৰ চৰম আঘাতটো হ'ল আমাৰ মাজুদাদাৰ বিয়োগ। ইতিমধ্যে বিৰাননৈৰে বছৰ অতিক্ৰম কৰা দেউতাই আৰু সহিব নোৱৰা হ'ল— দেহা-মন পৰি আহিল— বৰগছজোপা যেন হাউলি পৰিল।

কেৱল সেয়াই নহয়। কেইবাগৰাকীও ঘনিষ্ঠ আৰু সহোদৰসম ব্যক্তিৰ বিয়োগেও মৰ্মাহত কৰিছিল দেউতাক। দেউতাক যেন আকৌ এবাৰ ভাতৃহাৰা কৰিলে প্ৰয়াত অজিত কুমাৰ শৰ্মাৰ মৃত্যুৱে। তদুপৰি প্ৰয়াত কেশৱ মহন্ত, খুবাৰ মৃত্যুত উচুপি উঠা দেউতাক দেখি আমিও চকুলো সামৰিব পৰা নাছিলো। মৃত্যুৰ কেইদিনমান আগতে মহন্ত খুৰাই পঠিওৱা ফুলগুবিৰ ধঁপাতৰ বটলটোৰ আঠা লগোৱা কাগজ এখনত লিখা আছিল— "নলীনদালৈ— কেশৱ। বেছিকৈ খাব নেলাগে অপকাৰী বস্তু।" বটলটোলৈ চাই দেউতাই নীৰৱে চকুলো টোকা দৃশ্য আছিল বৰ কৰুণ। তদপুৰি প্ৰয়াত দিলীপ শৰ্মা, প্ৰয়াত দধি মহন্ত, প্ৰয়াত মামণি ৰয়ছম গোস্বামীৰ দৰে প্ৰতিভাধৰ ব্যক্তিৰ বিয়োগ দেউতাই সহিব নোৱাৰিছিল। এইবোৰৰ নীৰৱ সাক্ষী আছিলো; কিন্তু সান্ত্বনা দিয়াৰ ভাষা নাছিল।

শ্ৰদ্ধেয় শ্ৰীযুত নীলমণি ফুকন খুৰা আৰু আনগৰাকী শ্ৰদ্ধেয় শ্ৰীযুত শিৱনাথ বৰ্মন খুৰাৰ কথা বিশেষভাৱে ক'ব লাগিব। কাৰণ এই দুগৰাকী ব্যক্তিৰ সান্নিধ্যই তেখেতৰ চিন্তা-চৰ্চা আৰু সাহিত্য ক্ষেত্ৰখনক জীপাল কৰি তুলিলে। এই কথা দেউতাই অকপটে স্বীকাৰ কৰি গৈছে। এই দুয়োগৰাকী ব্যক্তিৰ প্ৰতি দেউতাৰ আছিল স্নেহমিহলি শ্ৰদ্ধা। তেখেতসকলেও দেউতাৰ দেহ-মনৰ খবৰ সততে ৰাখিছিল। মৃত্যুৰ কিছুদিন আগতে ফুকন খুৰা আহি দেউতাৰ লগত কথা পাতি অধিক আৱেগিক হৈ পৰা দেখিছিলো।

দেউতাই প্ৰয়াত আব্দুল মালিকৰ কথাও প্ৰায়ে শ্ৰদ্ধাৰে সুঁৱৰিছিল। তেখেতৰ লগত দেউতাৰ এক আন্তৰিক সম্পৰ্ক আছিল। আমাৰ ঢেঁকীয়াখোৱাৰ ঘৰৰ ভেটি মাটিখিনি এখন স্কুল স্থাপনৰ বাবে (ককাই-ভাই আটাইৰে সন্মতিক্ৰমে) দান দিওঁতে তাৰ হলঘৰটো বীৰেনদাৰ নামেৰে বিচৰাত প্ৰয়াত মালিকদেৱে কামটো সফল কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। দেউতাই তেখেতৰ এই সহায়ৰ কথা শ্ৰদ্ধাৰে সুঁৱৰিছিল।

দেউতাৰ কথা লিখিবলৈ লৈ আজি মনত পৰিছে প্ৰয়াত বেণু ককা (বেণুধৰ শৰ্মা)লৈ। আমি সৰুতে দেখিছিলো প্ৰায়ে তেখেতে দেউতাক মাতি নিছিল কথা পাতিবলৈ। দেউতাৰ প্ৰতি তেখেতৰ আছিল অপৰিসীম স্নেহ। মনত পৰে তেখেত মাজে মাজে আমাৰ ঘৰত ভাত খাবলৈ অহাৰ কথা। আগতীয়াকৈ খবৰ পঠিয়ায়। মায়েও তেখেতৰ প্ৰিয় পাৰৰ মাংসকে আদি কৰি ৰিভিন্ন ব্যঞ্জন খৰিৰ জুইত ৰান্ধি যতনেৰে খুৱাই তৃপ্তি পায়। মনত পৰে মায়ে তেতিয়া গৰু, ছাগলী, হাঁহ, পাৰ আদি পোহাৰ কথা। বাৰীখনো আছিল সুন্দৰ। সেইবোৰ দেখিয়েই তেখেতে দেউতাক কয়— "নলিনী তোমাক দেখিলে মোৰ ৰবিনছন ক্ৰুছোলৈ মনত পৰে।" ঠিক একেদৰে বকুল বনৰ কবি আনন্দ বৰুবাদেৱ গুৱাহাটীলৈ আহিলেই তেখেতক খুৱাবলৈ দেউতাই বৰ আগ্ৰহ কৰিছিল। সৰলমনা দেউতা আৰু সাদৰী মাৰ বাবেই আমাৰ ঘৰলৈ এনেদৰে অতিথিৰ সঘন আগমন হৈছিল।

সুদীৰ্ঘ জীৱনকালত দেউতাই অনেক দেখিলে, শুনিলে। বিভিন্ন অভিজ্ঞতা হ'ল আৰু আজৰি পৰত সেইবোৰ অভিজ্ঞতাৰ সোৱাদ আমিও পাইছিলো। চফ্ৰাই বাগানৰ শৈশৱ, ঢেঁকীয়াখোৱা, দিহা নৈ, বিশিষ্ট ব্যক্তিসকলৰ পৰা গাঁৱৰ হালোৱা-হজুৱালৈকে— অনেক কথাই দেউতাৰ মুখত শুনিছিলো। ইয়াত আটাইবোৰ বৰ্ণনা কৰা সম্ভৱ নহয়। তেখেতে প্ৰয়াত হেম বৰুৱাৰ দৰে মহৎ শিক্ষকৰ স্নেহধন্য ছাত্ৰ হ'ব পাৰি গৌৰৱবোধ কৰিছিল— আকৌ সেই একেজন ব্যক্তিয়েই যিজনে উদাত্ত ভাষণেৰে দিল্লীৰ সংসদ কঁপাই তুলিছিল সেইজন মহৎ ব্যক্তিৰ শেষ জীৱনৰ শাৰীৰিক পীড়া দেখি বৰ বেজাৰ পাইছিল। স্কুলীয়া দিনৰ এগৰাকী মহান শিক্ষক প্ৰয়াত ডম্বৰুধৰ খাউণ্ডৰ জীৱনৰ অনেক ৰসাল কাহিনী দেউতাৰ পৰাই শুনিছিলো। তদুপৰি কৃষ্ণকান্ত সন্দিকৈৰ দৰে মহান শিক্ষক আৰু বহল ব্যক্তিত্ব, প্ৰয়াত কৃষ্ণ শৰ্মা, প্ৰয়াত শশীধৰ মলিয়া, প্ৰয়াত পদ্মধৰ গোস্বামী, ককা প্ৰয়াত মহেশ্বৰ বৰকটকীৰ ৰাজনৈতিক জীৱনৰ অনেক সৰু-বৰ কথা তথা বিচাৰ-বিবেচনা-ত্যাগৰ কথাবোৰ আমাৰ সাধুকথা যেনহে লাগিছিল। দেউতাৰ অতি আপোন এজন বকুল বনৰ কবি প্ৰয়াত আনন্দ চন্দ্ৰ বৰুৱা , পাপৰিৰ কবি প্ৰয়াত গণেশ গগৈৰ কাব্য প্ৰতিভা আৰু তেখেতসকলৰ সান্নিধ্যৰ কথা বৰ আপোনমনে কৈ গৈছিল।

প্ৰতিটো কথাই যুক্তিৰে বিচাৰ-বিবেচনা কৰা দেউতাৰো আছিল এটি সংবেদনশীল মন। বিভিন্ন সময়ত ইয়াৰ প্ৰমাণ পাইছিলো। সমাজৰ পিছপৰা শ্ৰেণীটোৰ

প্ৰতি দেউতা আছিল অতি সহানুভূতিশীল। ঘৰলৈ অহা বেপাৰী, হাজিৰা কৰি খোৱা মানুহবোৰৰ লগত সমানে বহি তেওঁলোকৰ পৰিয়াল, আৰ্থিক অৱস্থা, সুখ-দুখৰ খবৰ লোৱা, বেপাৰীবোৰৰ পৰা প্ৰয়োজন নহ'লেও কিবা এটা ৰাখি থোৱা, পাৰিলে দুপইচা দি সহায় কৰা তেখেতৰ অভ্যাস। সেই একেদৰে দেখিছিলো দেউতাই ৰিক্সাত উঠিবলৈ বৰ টান পোৱা— মানুহে টনা ৰিক্সাত উঠাটো অমানৱীয় কাৰ্য বুলিয়েই ধৰিছিল; যদিও জানিছিল সেইটোৱেই মানুহজনৰ জীৱিকা। দেউতাৰ কোমল আৰু পিতৃস্নেহৰ উমান পাইছিলো মোৰ ছোৱালীজনীৰ বিয়াৰ দিনাখন। ছোৱালীজনী হোমৰ ওচৰলৈ উলিয়াই দিয়াৰ পিছত ঘৰৰ ভিতৰত থকা মানুহখিনিও হুৰমুৰকৈ ৰভাতল পালেগৈ। শূন্য ঘৰটোত মই অকলে চ'ৰাঘৰতে বহি থাকোঁতে দেখিলো আবেলিৰ পৰা ৰভাতলতে থকা দেউতা ধীৰে ধীৰে আহি মোৰ কাষতে মৌন হৈ কিছুসময় বহি থাকি সুধিলে— "বেজাৰ কৰিছ নেকি ? নকৰিবি। তাইৰ ভাল হ'ব।" সেই মুহূৰ্তটোৰ কথা মই জীৱনত পাহৰিব নোৱাৰো। যি সময়ত কাৰো মনত নপৰিল সেই সময়ত দেউতাই মোৰ কথা ভাবিলে। কেৱল এয়ে নহয়; অনেক সংকটৰ বা দুখ-সুখৰ সমভাগী আছিল দেউতা।

জীৱনৰ অন্তিম কেইমাহ এইজন মহীৰুহ দেউতাৰে হৈছিল কিছু পৰিস্মৃতিভ্ৰম। অবুজ শিশুটিৰ দৰে প্ৰতি মুহূৰ্ততে আমাক ওচৰত বিচাৰিছিল। শেষলৈ মোক 'বৌতি', ভাই ৰাজীৱক 'দেউতা' আৰু ভনীজনীক নিজৰ ভনীয়েক (আমাৰ পেহী) পুতলি বুলি সম্বোধন কৰিছিল। অৱচেতন মনৰ মাজতো মাক-দেউতাক আৰু ভনীয়েকৰ স্মৃতিয়ে আমনি কৰিছিল। আমাৰ তিনিওৰে এজনক নেদেখিলেও অস্থিৰ হৈ পৰিছিল। মোৰ ওচৰত শিশুৱে আবদাৰ বিচৰাৰ দৰেই আচৰণ কৰিছিল। আমিও যিমান পাৰো দেউতাৰ কাষতে থাকিবলৈ যত্ন কৰিছিলো। বাৰ্ধক্যৰ এই অসহায়তা বৰ নিৰ্মম। সেই মুহূৰ্তত মালৈ মনত পৰিছিল। মা থকা হ'লে হয়তো দেউতাৰ নিঃসংগতা বহু পৰিমাণে লাঘৱ হ'লহেঁতেন আৰু সাহস পালেহেঁতেন।

জন্মদিনৰ অনুভৱ সম্পৰ্কত তেখেতে কৈছিল— "জন্মদিনে মৃত্যু দিন ওচৰ চপাই আনে। মৃত্যু এদিন আহিবই। বয়সো হৈছে। মাধৱদেৱে গাইছিল "কহয় মাধৱে, সবাও সৰিবে, তথাপি বুঢ়াসে আগ।" গীতফাকি পঢ়িলে বা শুনিলে মনটো সেমেকি যায়। তথাপি হতাশ হ'ব খোজা নাই। মই মৃত্যুচেতনা এটা গঢ় দিবলৈ চেষ্টা কৰো। এই চেতনা গঢ় দিব পাৰিলে জীৱনক ভুল পথে যোৱাৰ পৰা বিৰত ৰাখিব পাৰি।"

এৰৈকেশ শতিকাৰ তেজগোৰা মুখ চাব খোজা দেউতাই এবুকু আশা বুকুত লৈয়ে অমৃত যাত্ৰা কৰিলে। কেৱল আমাকেই পিতৃহাৰা কৰা নাই, কৰিলে আৰু সহস্ৰজনক। বহুজনৰ পুণ্যৰ ফলতহে এনে এজন নিৰ্মল হৃদয়ৰ স্নেহশীল পিতৃক পোৱাৰ সৌভাগ্য হৈছিল। তেখেতৰ দৰে ব্যক্তিৰ স্নেহধন্য হ'ব পৰাটোৱেই আমাৰ গৌৰৱ। নিজৰ কাৰণে একো নিবিচাৰি মানুহৰ কল্যাণকে জীৱনৰ ব্ৰত কৰি লোৱা দেউতা নীৰৱে আঁতৰি গ'ল— আমাক নিঠৰুৱা কৰি।

আজি কাক ক'ম আমাৰ মনৰ কথা, কাৰ ওচৰলৈ ঢপলিয়াই যাম, আমাৰ সুখ-দুখৰ খবৰ আৰু কোনে ল'ব? আমাৰ সমস্যাবোৰৰ সমাধানৰ সূত্ৰ কোনে দিব? হাস্পতাললৈ নিয়াৰ আগৰ দিনালৈকে ৰাতিটো উজাগৰে দেউতাৰ কাষতে বহি থাকিলো। কিন্তু মনৰ কথা তেতিয়া দেউতাই একো ক'ব নোৱাৰিলে। হাস্পতালত "দেউতা" বুলি মাতোতে মাত্ৰ "হুঁ" বুলি সঁহাৰি দিলে। স্তব্ধ হৈ গ'ল বাকশক্তি — শৰীৰ হৈ পৰিল জঠৰ। তেখেতৰ কায়িক অনুপস্থিতিত আমি আজিও চকুলো সামৰিব পৰা নাই। তথাপি দেউতাৰ চেনেহৰ সেই ৰূপটো চিৰদিন বুকুত কঢ়িয়াই লৈ ফুৰিম— যাতে আমিও তেখেতৰ দৰে দহৰ মংগল চিন্তা কৰিবলৈ শক্তি পাওঁ।

দেউতা চিৰদিন আমাৰ বুকুৰ মাজত থাকিব।○

# দেউতাৰ সজীৱ স্মৃতিবোৰ

## ৰিণু বৰুৱা (সৰু জী)

'দেউতা' মোৰ এজন অতি আপোন মানুহ বুলি যেতিয়াৰ পৰা বুজিব পৰা হ'লো, তেওঁক এখন্তেকো এৰি থাকিব নোৱাৰিছিলো। কি কাৰণে ক'ব নোৱাৰো দেউতাৰ কাপোৰত ধৰি থাকো, মনত ভয়, আঁতৰি যাব নেকি ? কলেজলৈ যাবলৈ ওলালেও দেউতাৰ লগতে যাবলৈ বিচাৰো। পঢ়া-শুনা কৰি চকীত বহি থাকোতেও দেউতাৰ কেকোৰা চুলিবোৰ লিৰিকি-বিদাৰি থাকো। আন এজনে কি কৰিলেহেঁতেন ক'ব নোৱাৰো। কিন্তু দেউতাই অকনো আমনি পোৱা নাছিল আৰু আপোন মনে লিখা-পঢ়াত লাগি থাকিছিল। জুই-পুৱাই ভাল পোৱা দেউতাৰ কোলাত সোমাই থাকোতে পিঠি পুৰি যোৱাৰ উপক্ৰম হ'লেও মই কোলাৰ পৰা নেনামো। বুজন হোৱাৰ পৰা দেউতাৰ বেমাৰ-আজাৰ হ'লে বৰ দুখ পাইছিলো আৰু সেইকাৰণেই সম্ভৱ দেউতাই পানী লগা জ্বৰ হ'লেও আমি ওচৰতে থকাটো বিচাৰিছিল। ধেমালি কৰি কৈছিল 'মোক নেৰিবি, কেতিয়া কি হয়, ঠিক নাই।' আমিও পেটে পেটে ভয় খাইছিলো।

মই আৰু বাইদেউ দুয়োজনী ভাগ্যক্ৰমে বিয়াৰ পিছতো গুৱাহাটীতে স্থায়ীভাৱে থকাটো হ'ল। সেইকাৰণে দেউতাৰ সৰু-ডাঙৰ বিপদ-আপদত আমি প্ৰায়ে তেওঁৰ লগত আছিলো। আমি এজনী ৰূপনগৰৰ ঘৰত গৈ উপস্থিত হোৱাৰ লগে লগে দেউতাই আনজনীৰ খবৰ লৈছিল আৰু 'তাইকো মাত, ফোন কৰ' বুলি কৈছিল। আচলতে দেউতা মানুহজন প্ৰত্যেক মানুহৰ বাবেই যে মৰমীয়াল সেই কথা তেওঁক লগ পোৱা সকলোৱেই বুজি পাইছিল।

ৰূপনগৰৰ ঘৰটো নতুনকৈ সজাৰ সময়ত দেউতা আৰু মা আমাৰ হেঙেৰাবাৰীৰ ঘৰত ছমাহ মান আছিলহি। সেই সময়তো দেউতাৰ দৈনন্দিন ৰুটিনখনৰ

কোনো হেৰফেৰ হোৱা দেখা নাছিলো। ৰাতিপুৱা সোনকালে গা-পা ধুই কিবা অলপমান খাই দেউতাই লিখা-মেলা কৰিছিল। দেউতাইত থকাৰ সময়ত আমাৰ ঘৰৰ সন্মুখভাগত ৰাস্তাৰ সিপাৰে বহুতখিনি মাটিত এজন কাৰ্বি মানুহে ধান খেতি কৰিছিল। ৰ'দত শুকাই, বৰষুণত তিতি খেতি কৰে যদিও তেওঁৰ মুখত সুন্দৰ অসমীয়া গীত এটি থাকিবই। দেউতাই সেই দৃশ্য চাই চাই লিখা-মেলা কৰিছিল। এদিন নিজেই গৈ মানুহজনৰ লগত চিনাকি হৈছিল। সেইজন লোকৰ আমাৰ লগতো ভালেই সম্পৰ্ক আছে বুলি জানি দেউতাই সন্তোষ পাইছিল।

দেউতাৰ আবেলি ফুৰাৰ অভ্যাসটো আমাৰ ঘৰত থকাৰ সময়তো ৰাখিছিল। প্ৰথমে অলপ দূৰ খোজ কাঢ়িছিল। লাহে লাহে আগবাঢ়ি বেছি দূৰলৈ গৈ বৰবাৰী বজাৰ পাইছিলগৈ। বজাৰৰ কাষতে থকা শিৱ মন্দিৰটোৰ ওচৰত অকণমান ওখ ঠাইত এঘৰ মানুহৰ বাৰীত কেইজোপামান বাঁহগছ আছিল। সেই বাঁহগছ কেইজোপাত গধূলি এজাক বগলীয়ে কিচিৰ-মিচিৰকৈ মাতি ঠাইখনৰ আকৰ্ষণ বঢ়াই তুলিছিল। সেই আকৰ্ষণেই হয়তো দেউতাক সদায়েই বৰবাৰী পোৱাইছিলগৈ। কোনোবা এখন দৈনিক কাকতত দেউতাই সেই বাঁহগছ কেইজোপা আৰু বগলী চৰাইবোৰৰ কথা লিখিছিল আৰু বাঁহগছ কেইজোপা ভালদৰে ৰাখিবলৈও পৰামৰ্শ দিছিল। সেই ঠাইত গৈ দেউতাই বহুতো চিনাকি-অচিনাকি মানুহৰ লগতো কথা-বতৰা পাতিছিল।

অন্য এদিনৰ সৰু কথা এটা মোৰ মনত পৰিছে। দুদিনমানৰ পৰা দেউতাৰ গাটো বৰ ভাল নোহোৱাৰ বাবে সদায় যোৱাৰ দৰে আবেলি ফুৰিবলৈ যোৱা নাছিল। অলপ ভাল পাই এদিন ওলাই যাবলৈ বিচাৰিলে। মোৰ ঘৰত স্বামী আৰু মোৰ ল'ৰাটো সেই সময়ত ঘৰত নথকাত মই ওলাই যাবলৈ দিবলৈ ইচ্ছা কৰা নাছিলো। দেউতাৰ কিন্তু বৰ মন মোক ক'লে 'দুখোজমান কাঢ়িয়েই ঘূৰি আহিম।' উপায় নাই, মই ওচৰৰ দোকান এখনকে সীমা এটা ধৰি দি তাৰ পৰাই ঘূৰি আহিবলৈ ক'লো, আৰু হাতত কাম এটা লৈ বাৰণ্ডাৰ পৰা দেউতাক চাই থাকিলো, আবেলিৰ পৰা সন্ধিয়া হ'ল, দেউতা দেখোন অহাই নাই। অলপ আগবাঢ়ি গ'লো, হয়তো কাৰোবাৰ লগত কথা পাতি আছে বুলি। ওচৰৰ কেইজনমান লোকক সুধিলো। তেওঁলোকেও দেখা নাই বুলি কোৱাত মোৰ ভয়তো বাঢ়ি গ'ল, কি কৰো কি নকৰো ভাবি থাকোতেই এওঁ আৰু ল'ৰাটো আহি পোৱাত দুয়োজনক দুফালে

পঠিয়ালো। তেওঁলোকো ঘূৰি আহি মোকেই খং কৰিলে কিয় দেউতাক অকলে যাবলৈ দিলো বুলি। মইতো ভবাই নাই, এখোজ বাট যোৱা মানুহজন ইমান দেৰিলৈ নাহিব বুলি। ল'ৰা আৰু এওঁক পুনৰ দেউতাক বিচাৰি যাবলৈ ক'লো। চাওঁতে চাওঁতে গধূলি হ'ল। মই বাটলৈ ওলাই যিমান পাৰি দূৰলৈ ডিঙি মেলি চাই ৰ'লো। নিজকে দোষী দোষী বুলি ভাবি চকুপানী ওলোৱাৰ উপক্ৰম হ'ল। এনেতে দূৰত কাৰোবাৰ মাত শুনা যেন লাগি অলপ আগবাঢ়ি গৈ দেখো আমাৰ চিনাকি এজন মানুহৰ লগত দেউতাই সেই একেই গহীন খোজেৰে কথা পাতি আহি আছে ডিঙিত এখন ফুলাম গামোচা লৈ।

দেউতাক কি কওঁ কি নকওঁ বুলি থাকোতেই মানুহজনে ক'লে 'আপোনাৰ দেউতা মোৰ বৰ শ্ৰদ্ধাৰ ছাৰ। মোক কলেজত পঢ়ুৱাইছিল। বাটতে লগ পাই ঘৰলৈ জোৰকৈ লৈ গ'লো। ছাৰক ঘৰৰ গাখীৰ এগিলাচ খাবলৈ দিলো কিন্তু ছাৰে গাখীৰ নাখাও বুলি ক'লে। ঘৰৰ সকলোৰে লগত ছাৰক পৰিচয় কৰাই দিলো। মই ছাৰলৈ এয়া তামোল-পাণ অলপহে আনিছো বুলি টোপোলাটো মোৰ হাতত দিলে। আগৰে চিনাকি বাবে মই মানুহজনক ক'লো যে — এতিয়া আপুনি আমাৰ ঘৰৰ মানুহকেইজনক বিচাৰি আনক। নহ'লে আপুনি মোক নোকোৱাকৈ দেউতাক আপোনাৰ ঘৰত ইমান সময় ৰখাৰ দোষত দোষী সাব্যস্ত কৰিম।

দেউতাৰ লগত আমি দুবছৰমান আৰ্য্য কলেজৰ কোৱাৰ্টাৰত আছিলো। কলেজখনৰ বিশ্বস্ত চকীদাৰ ফাগু নামৰ বিহাৰী মানুহজনে দেউতা আৰু মাক বৰ ভাল পাইছিল বাবে আমাৰ কোৱাৰ্টাৰলৈ প্ৰায়েই আহিছিল। ভাইটী ৰাজীৱ আৰু মই যথেষ্ট সৰু আছিলো। দেউতাই চকীদাৰজনক আমাৰ লগত চিনাকি কৰাই দি ফাগু 'চাচা' বুলি মাতিবলৈ ক'লে। ফাগু চাচাই আমাক বৰ মৰম কৰিছিল। তেওঁ প্ৰায়েই কলেজ চৌহদৰ ভিতৰৰ ফালে তেওঁ থকা সৰু ঘৰটোলৈ আমাক লৈ গৈ দুয়োটাকে দুয়োফালে বহুৱাই লৈ অণ্ঠাত ফুলাই ফুলাই বনোৱা ৰুটি আৰু আচাৰ খাবলৈ দিছিল। সৰস্বতী পূজাৰ দিনা আমাৰ খিৰিকীৰ মুখত এথোপা ফুল থৈ যায়। সেই ফুল ৰাতিপুৱাই মই বিদ্যালয়ৰ পূজা ভাগলৈ লৈ যাওঁ। ফাগু চাচাৰ মৰমবোৰ দেউতাৰ বাবেই হয়তো আমি পাইছিলো। কিছু বছৰৰ পিছত সেইজন মৰমীয়াল ফাগু চাচাৰ শবদেহত ময়ো এপাহ ফুল দি শেষ শ্ৰদ্ধা জনাবলৈ পাই নিজকে ধন্য মানিছিলো।

এবাৰ দেউতাক লৈ বাইদেউ আৰু মই পুৰীলৈ গৈছিলো, সাগৰখন কাষত পাই দেউতাই যে মনত এক বিমল আনন্দ পাইছিল সেই কথা তেওঁৰ মুখমণ্ডলত পৰিস্ফুট হৈছিল। হোটেলত দুপৰীয়াৰ আহাৰ খাই অকণমান জিৰণি লৈয়ে দেউতাই আমাক কৈছিল, 'ব'ল সাগৰৰ পাৰলৈ যাওঁ, তাতে চাহ-মিঠাই খাই দিলে তহঁতৰ টোপনি ভাগিব।' আচলতে দেউতাই সাগৰৰ পুৱা-গধূলিৰ ভিন ভিন ৰূপ চাবলৈ ভাল পাইছিল।

যোল্লৰ জুলাই মাহত দেউতা আমাৰ ঘৰত আছিল। সেইকেইদিনৰ দেউতাৰ কেইটামান কাৰ্যই আমাক বৰ আনন্দ দিছিল। এদিন গধূলি মোৰ ল'ৰাটোৱে ফুটবল এটালৈ ঘৰ সোমাইছিলহি। দেউতাই বলটো লৈ খুউব উৎসাহত মোৰ স্বামী আৰু ল'ৰাক ভলীবল খেলাৰ নিয়ম শিকাবলৈ ল'লে। ফুটবলটো দুৰ্বল হাতেৰে খেলি থকাত মোৰ ভয় হৈছিল দুখ পাব বুলি। কিন্তু দেউতাৰ উৎসাহ দেখি একো ক'ব পৰা নাছিলো।

আন এদিন আকৌ দেউতাৰ লগত সন্ধিয়া সময়ত আমি কথা পাতি থাকোতে ভাল ভাল গানৰ কথা ওলাল। দেউতাই মোক গান নিৰ্বাচন কৰি গাবলৈ ক'লে। মই আচলতে গান গাব নোৱাৰো। তথাপি দেউতাৰ আনন্দৰ বাবে জ্যোতি-বিষ্ণুৰ, পাৰ্বতী প্ৰসাদ, খগেন মহন্ত আৰু ভূপেন হাজৰিকাদেৱৰ গান এফাঁকি-দুফাকি যি পাৰো গাবলৈ ল'লো। সমানে সমানে দেউতায়ো গালে। শেষত আমাৰ বেসুৰা গান শুনি এওঁ মাউথ অৰ্গেনত দেউতাই ভালপোৱা সুৰ বজাবলৈ ল'লে। এনেকুৱা পৰিৱেশবিলাক দেউতাই বৰ ভাল পাইছিল।

দেউতা যেতিয়া সুস্থ হৈ আছিল তেওঁ কাকো কোনো কথাতে আমনি নিদিয়াকৈ নিজৰ কাম নিজেই কৰি গৈছিল। অসুস্থ মাৰো যত্ন লৈছিল। কিন্তু মাৰ মৃত্যুৰ পিছত দেউতাৰ স্বাস্থ্যৰ কিছু অৱনতি ঘটিছিল। তথাপি দেউতাই নিজকে চম্ভালি লৈ লিখা-মেলা কৰি গৈছিল। ইয়াৰ পিছত অকালতে আমাৰ মৰমৰ ককাইদেউ এজনৰ মৃত্যু হোৱাত দেউতা মানসিকভাৱে যথেষ্ট ভাগি গৈছিল। লিখা-মেলা কৰাৰ শক্তি যেন কমি আহিল। এনেবিলাক দুখ পোৱাৰ পিছত দেউতাই আমাক সকলোকে বেছিকৈ ওচৰত বিচাৰিছিল। পাৰ্যমানে দেউতাক আমি সকলোৱে সময় দিয়াৰ চেষ্টা কৰিছিলো।

দেউতাইঁতৰ ককাই-ভাই সকলোৰে মিলাপ্ৰীতিও আমাৰ বাবে এক আদৰ্শ হৈ থাকিব। দেউতাক পৰিয়ালৰ প্ৰত্যেকেই বৰ ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। আনকি তেওঁৰ পাঁচ বছৰীয়া আজোনাতি লয়ে 'ককাক জ্বলাই কিয় দিলে, মিউজিয়ামত থৈ দিলে ভাল আছিল' বুলি কৈ আজিও কান্দে। আচৰিত ব্যক্তিত্ব আছিল দেউতাৰ, যাক কণমানি নাতিটোৱেও উপলব্ধি কৰিব পাৰিছিল। কাৰো পৰা একো নিবিচাৰি সকলোকে বহুতো জ্ঞান, মৰম বিলাই দেউতা স্বৰ্গগামী হ'ল।

দেউতাৰ লগত মোৰ মিঠা স্মৃতিবোৰ লিখি শেষ কৰিব নোৱাৰি। শেষত শ্ৰদ্ধাৰ নীলমণি ফুকন খুৰাৰ ভাষাৰেই কওঁ তুমি আছিলা এজন 'দেৱতুল্য' মানুহ। জনমে জনমে যেন তোমাকেই পিতৃৰূপত পাওঁ এই আশাৰেই মোৰ সশ্ৰদ্ধ প্ৰণাম জনাই একাজলি অশ্ৰু-অঞ্জলি যাচিলোঁ তোমাৰ চৰণত। ❍

# এই 'মৰণে তোমাৰ মৃত্যু আনিব নোৱাৰে...'

**ডাঃ ৰাজীৱ ভট্টাচাৰ্য (কনিষ্ঠ পুত্ৰ)**

দেউতা হেৰাই যোৱাৰ লগে লগে বহুতো সপোন হেৰাই থাকিল। দেউতা আৰু মোৰ উভয়ৰে। দেউতাক কাষতে লৈ দেউতাৰ গানৰ আন এখন শ্ৰব্য সঁফুৰা কৰিম। দেউতাৰ অপ্ৰকাশিত কবিতা লেখা যুগুতাই নতুন এখন গ্ৰন্থ কৰিম। ৰচনা সমগ্ৰৰ লগতে দেউতাৰ আত্মজীৱনীখনো সম্পূৰ্ণ কৰিম। দেউতাক কাষতে বহুৱাই সৃষ্টিশীল জীৱন একোটাই বিচাৰি ফুৰা যন্ত্ৰণা, হাঁহি আৰু চকুলোৰ কথা পাতিম। দেউতাৰ মেলানিয়ে সকলো আলচা কথাৰ যৱনিকা পেলালে। কাঁইটৰ শাৰী শাৰী বুকুত সেই সপোনে এতিয়া ছাটি-ফুটি কৰিছে। তেজতে তিতিছে। তেজকে সৰুৱাইছে।

দেউতা এতিয়া স্মৃতি হ'ল। স্মৃতিৰ এগছি চাকি হ'ল। সেই চাকিৰ চকা ছন্দা পোহৰত দেউতাক আজিও দেখোঁ। সমাজিকতো, দিঠকতো। মুখখন কেতিয়াবা ধূসৰ, কেতিয়াবা কুঁৱলীয়া। মুখত অনবৰতে লাগি থকা সেই শিশুসুলভ স্নিগ্ধ হাঁহিটো! চশমাযোৰৰ পুৰণি ফ্ৰেমত বন্দী চকুহালে মোক বিঙিয়াই মাতে — 'কুশলে আছ'নে বাবু?' আমাৰ চ'ৰাঘৰত থকা দেউতাৰ পোহৰ ছবি দুখনত বৈ যোৱা কবি হৃদয়েৰে উদ্ভাসিত মুখখনৰ নিষ্পাপ সাঁচটোৱে মোক নীৰৱে কন্দুৱায়। ক'ৰবাৰ পৰা উভতি আহি দেউতাৰ চৰণ চোওঁ। গালত চুমা আঁকো! দেখোঁ, দেউতাৰ চকুযুৰি যেন নিজানৰ ছাঁত, মনে মনে সেমেকি উঠিছে। দুটুপি তপত চকুলো বাগৰি আহিছে। মই লৰালৰিকৈ মচি দিব খোজো। দেউতাৰ পোহৰ ছবিখন স্পৰ্শ কৰা মাত্ৰকে আচল কথাটো অনুভূত হয় — দেউতা আৰু নাই; কি নিৰ্মম সেই স্পৰ্শ সত্য, সত্যৰ তীব্ৰ তীক্ষ্ণ কাঠিন্য!

দেউতা এগৰাকী সম্পূৰ্ণ মানুহ আছিল। এগৰাকী সঁচা মানুহৰ সান্নিধ্য লাভ কৰিছিলো। — এই কথা আজি মই বিনাদ্বিধাই সগৌৰবে ক'ব খোজো। শত জনমৰ

পূণ্যৰ ফলত দেউতাক আমি আমাৰ মাজত পাইছিলো। আপোন সৃষ্টিতকৈও দেউতা মহান আছিল। দেউতাৰ ব্যক্তিত্বৰ জেউতিৰ শীতল পৰশ মই মুহূৰ্তে মুহূৰ্তে অনুভৱ কৰোঁ। আমৃত্যু কৰিম।

দেউতা অথবা খুৰা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন সাধনালব্ধ জীৱন — নিবেদিত প্ৰাণৰ জীৱন। এওঁলোকে জীৱন জুখিছিল সাধনাৰে, ঐকান্তিক চেষ্টাৰে, যুঁজি যুঁজিও হাৰ নমনা অদম্য মনেৰে। এওঁলোক দুয়োগৰাকীৰ ব্যক্তিত্বৰ অমল সৌৰভে নেতিবাচক চিন্তাক ক'ৰবালৈ উৰুৱাই নিছিল। নম্ৰতাৰ লগত সৎ সাহসৰ অসাধাৰণ মিলনে দুয়োগৰাকীকে কৰি তুলিছিল বিস্ময় ব্যতিক্ৰম। মাটিৰ মানৱতাৰে সিক্ত বৌদ্ধিক জিজ্ঞাসাই তীখা-তীক্ষ্ণ কৰিছিল তেওঁলোকৰ ভৱিষ্যৎ দৃষ্টি।

মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ, সহস্ৰজনৰ চকুলো মচিবলৈকে দেউতা এই পৃথিৱীলৈ আহিছিল। বৰ নিয়াৰিকৈ অক্লান্তভাৱে, শেষ বিন্দু তেজ থকালৈকে নিজ কাম কৰি গৈছিল। প্ৰায় ৯৬ বছৰ বয়সলৈ দেউতাৰ নিজৰি কাপ থমকি ৰোৱা নাছিল। বয়সৰ লগেলগে দেউতা যেন আৰু বেছি ঋদ্ধ আৰু গম্ভীৰ হৈ পৰিছিল। 'গৰিয়সী'ত প্ৰকাশিত দেউতাৰ শেষ কবিতাটো এটি বাটৰ সন্ধান দিবলৈ, এটি বাটৰ সন্ধান পাবলৈ ব্যাকুল হৈ পৰিছিল। নতুনৰ মুখলৈ আগ্ৰহেৰে বাট চাইছিল। নতুনৰ চৰণ ধ্বনি শুনিবলৈ দেউতা সদা উৎকৰ্ণ আছিল।

ৰুগীয়া মাৰ শেষ সময়লৈকে পৰিচৰ্যা, মোৰ মাজু ককাইদেউৰ অকাল বিয়োগ, দেউতাৰ একমাত্ৰ ভগ্নী বিয়োগ, চেনেহৰ সহোদৰ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চিৰবিদায়ৰ দুখ দেউতাই নীৰৱে সহ্য কৰিবলগীয়া হৈছিল। এওঁলোক আটাইকে দেউতাই নিজ লিখনিৰে অমৰ কৰিছে। মাৰ স্মৃতিত লিখা 'তোমালৈ' কবিতাটো অসমীয়া কাব্য সাহিত্যত এটা শ্ৰেষ্ঠ প্ৰেমৰ কবিতা বুলি স্বীকৃতি পাইছে। বীৰেন খুৰাৰ মৃত্যু সুঁৱৰি লিখা 'কালপুৰুষৰ ছাঁ' যিয়ে পঢ়িছে তেওঁ এবাৰলৈ হ'লেও উচুপি উঠিছে। 'প্ৰকাশ'ত দেউতাই লিখা (মোৰ অনুলেখিত) 'বীৰেনলৈ মনত পৰে' শীৰ্ষক প্ৰবন্ধটো ড° নগেন শইকীয়াদেৱে, প্ৰকাশৰ পাততেই এখন চিঠিৰ যোগেৰে মৰ্মস্পৰ্শী বুলি উল্লেখ কৰিছে। দেউতাহঁতৰ ককাই-ভাইৰ মাজৰ সম্পৰ্ক বৰ পবিত্ৰ, অকৃত্ৰিম আছিল। আমাৰ নতুন প্ৰজন্মই ইয়াৰ পৰা বহুখিনি শিকিবলগীয়া আছে।

মোৰ প্ৰতিটো কথা কামত দেউতাই মৰমেৰে সঁহাৰি জনাইছিল। মাৰ অনুপস্থিতিৰ কথা পাহৰাই ৰাখিছিল। ঘৰৰ পেট মোচা হোৱা বাবে দেউতাৰ আঁসে পাইছিলো অধিক। দেউতাৰ নতুন গীত-কবিতাৰ প্ৰথম শ্ৰোতা আছিলো মই। মৃত্যুপৰ্যন্ত দেউতাৰ ছাঁ হৈ আছিলো। জি এন আৰ চিৰ আই চি ইউত অৰ্ধচেতন অৱস্থাত দেউতাৰ চেঁচা দুভৰি চুই সেৱা এটি কৰি ওলাই আহোতেই গম পাইছিলো পৃথিৱীৰ মৰমে সদা সজীৱ কৰি ৰখা দেউতাই এই পৃথিৱীকে এৰি যাবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে প্ৰায়। শোকে খুন্দা মাৰি ধৰিছিল। এগৰাকী মহৎ ব্যক্তিক যে চিৰদিনৰ বাবে হেৰুৱাই পেলালো সেই কথা ভাবি অধিক ম্ৰিয়মাণ হৈ পৰিছিলো। মন মোৰ দিবসে এন্ধাৰ হৈছিল।

দেউতাই লিখিছিল — 'মই কন্দা নাই, কাৰণ জীৱন গতিশীল।' দেউতাৰ প্ৰত্যয়দীপ্ত জীৱন চেতনাই মোৰ চকুলো ৰুধিছে লাহে লাহে। চকুলো সামৰি থৈ দেউতাক কেনেকৈ জীয়াই ৰাখিম তাৰ চিন্তাই জোকাৰিবলৈ লৈছে। সঘনে চিন্তাত ৰাখিছে। দেউতাৰ দুগৰাকী প্ৰিয়, সুযোগ্য ছাত্ৰ অধ্যাপক ড° কৈলাস ভট্টাচাৰ্য আৰু ডাঃ বীৰেন্দ্ৰ নাৰায়ণ শৰ্মাক ক্ৰমে সভাপতি আৰু সম্পাদকৰূপে লৈ নলিনীধৰ ভট্টাচাৰ্য সোঁৱৰণী ন্যাস আমি গঠন কৰি যাৱতীয় কাম-কাজ আৰম্ভ কৰিছো। দেউতাৰ মৃত্যুৰ পিছৰ প্ৰথম ওপজা দিনটোত ন্যাসৰ তৰফৰ পৰা এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰিছো। এইবেলি, দেউতাৰ প্ৰথম মৃত্যু বাৰ্ষিকী দেউতাই একালত অধ্যাপনা কৰা আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সহযোগত অনুষ্ঠিত কৰিবলৈ ন্যাসে সিদ্ধান্ত গ্ৰহণ কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই ন্যাসৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই ন্যাসৰ এই সিদ্ধান্তৰ ইতিবাচক সঁহাৰি দিছে। দেউতাৰ জীৱন আৰু কৃতীৰ বিষয়ক এখন মূল্যৱান গ্ৰন্থ প্ৰকাশৰো যো-জা মহাবিদ্যালয়ৰ তৰফৰ পৰা কৰা হৈছে। এইবোৰ কথাই আমাক আনন্দিত কৰিছে। পৰিয়ালৰ তৰফৰ পৰা এই প্ৰচেষ্টাৰ আন্তৰিক শলাগ লৈছো। আদৰণি জনাইছো।

কেতিয়াবা মৃত্যুৰ কথা ওলালে মৃত্যু বিষয়ক বহুবোৰ কবিতাৰ লগতে ৰবীন্দ্ৰ নাথৰ 'মৰিতে চাহিনা...' এই কবিতাটো আওৰাই দেউতাই যেন প্ৰশান্তি লভিছিল। আৰু নিজৰো এটি কবিতা (শিৱসাগৰলৈ এবেলি গৈ থাকোতে মোক দেউতাই বাহুতে লিখি থ'বলৈ কৈছিল) গুণ গুণাইছিল।

# নলিনীধৰ ভট্টাচাৰ্যৰ জীৱনপঞ্জী

**পিতৃ ঃ** প্ৰয়াত শশীধৰ ভট্টাচাৰ্য, **মাতৃ ঃ** প্ৰয়াত আইদেউ ভট্টাচাৰ্য

**জন্ম ঃ** ১৯২১ চনৰ ৪ ডিচেম্বৰত যোৰহাটৰ ওচৰৰ মেলেংকাঠ গাঁৱত। ১৯৪০ চনত কাকজান চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলৰ পৰা প্ৰৱেশিকা আৰু ১৯৪২ চনত জে. বি. কলেজৰ পৰা আই. এ. পৰীক্ষাত উত্তীৰ্ণ। তাৰ পিছত প্ৰাইভেটকৈ ১৯৫৪ চনত এম. এ. পৰীক্ষাত উত্তীৰ্ণ। ১৯৪২ চনৰ পৰা ১৯৬০ চনলৈ কাকজান উচ্চ বিদ্যালয়ত শিক্ষকতা। ১৯৬০ চনৰ পৰা ১৯৬৩ চনলৈ শ্বিলঙৰ চেইণ্ট এড্‌মণ্ডছ কলেজত আৰু ১৯৬৩ চনৰ পৰা ১৯৮৩ চনলৈ গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপনা। ১৯৮৩ চনত অৱসৰ গ্ৰহণ।

**প্ৰকাশিত গ্ৰন্থাৱলী**

**কাব্যগ্ৰন্থ ঃ** এই কুঁৱলিতে (১৯৭৯), চেৰাশালিৰ মালিতা (১৯৮৩), আহত সপোন (১৯৮৩), ননী আছনে ঘৰত (১৯৯৬), বিদায় ফুলৰ দিন (২০০১), দিনবোৰ সলনি নহ'ল (২০০৩)।

**আলোচনামূলক গ্ৰন্থ ঃ** মূল আৰু ফুল (১৯৮৩), বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা (১৯৮৭), কবিতাৰ কথা (১৯৯৩), কবিতা আৰু নেপথ্য (১৯৯৬), মহৎ ঐতিহ্য (১৯৯৯)।

**অনূদিত গ্ৰন্থ ঃ** দুই পুৰুষ (১৯৮১), ঈশ্বৰীতলাৰ কাহিনী (১৯৯৫), প্ৰাচীন ভাৰতীয় সংস্কৃতি আৰু সভ্যতা (২০০১), ডাঃ ঝিভাগো (২০০৭)।

**সম্পাদিত গ্ৰন্থ ঃ** বিষ্ণু ৰাভা ঃ জীৱন আৰু কৃতি (১৯৮৫), মুনীন বৰকটকীৰ প্ৰসংগ সমালোচনা (১৯৯৩)।

**বিভিন্ন বঁটা**

১৯৮৩ চনত দুই পুৰুষ গ্ৰন্থৰ বাবে 'ছোভিয়েট দেশ নেহৰু বঁটা'।

১৯৮৩ চনত কবিতাৰ কথাৰ বাবে 'ভাৰতীয় ভাষা পৰিষদ বঁটা'।

২০০১ চনত ননী আছনে ঘৰত গ্ৰন্থৰ বাবে অসম সাহিত্য সভাৰ 'ছগনলাল জৈন বঁটা'।

২০০২ চনত মহৎ ঐতিহ্য গ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমী বঁটা'।

২০০৬ চনত 'অসম উপত্যকা সাহিত্য বঁটা'।

২০০৮ চনত 'গণেশ গগৈ বঁটা'।

২০০৯ চনত ডাঃ ঝিভাগোৰ বাবে 'অমূল্য চক্ৰৱৰ্তী অনুবাদ বঁটা'।

২০১৫ চনত 'অসম শ্ৰেষ্ঠ বঁটা'।

**সন্মান**

২০১০ চনত অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য সন্মান।

অসম সাহিত্য সভাৰ ডিফু অধিৱেশনৰ কবি সন্মিলনৰ সভাপতি।

Central Library, Arya Vidyapeeth College, Guwahati-16
Year of Estd.-1958
Date.........

## লেখকৰ জীৱনৰ বিশেষ কিছুমান মুহূৰ্তৰ প্ৰতিচ্ছবি
























पुरस्कार अर्पण
AWARD













KAKOJAN GOVT AIDED H.E. SCHOOL. TEACHER' STAFF. 196







- ইমান নির্মল মন [illegible] নী, নির্জু প্রকৃতিৰ, স [illegible] ল, [illegible] য়ৱান, দেৱতুল্য মানুহ [illegible] নত কমেইহে লগ [illegible] ছো।

[illegible] লমণি ফুকন।

- পাণ্ডৱসকলৰ [illegible] ৰেই আছিল নলিনী [illegible] ব্যক্তি চৰিত্ৰ। তেওঁৰ কোনো শ [illegible] । তেৰোঁ আছিল স্থিত [illegible] । পৰম জ্ঞানী আৰু ধৰ্মাত্মা।

তিলক হাজৰিকা।

- নলিনীধৰ ভট্টাচাৰ্যই অসমীয়া কবিতাক নতুন মাত্ৰা দিছিল। নিষ্পেষিত মানুহৰ প্ৰতি আছিল অসীম গৰিমা। বৌদ্ধিক চৰ্চাত আছিল অতুলনীয়।

ড° লক্ষ্মীনন্দন বৰা।

- এগৰাকী কবি আৰু লেখকস্বৰূপেই নহয়, এগৰাকী শিক্ষক তথা অধ্যাপকস্বৰূপে জীৱন নিৰ্বাহ কৰা নলিনীধৰ ভট্টাচাৰ্যই এটি সহজ-সৰল অনাড়ম্বৰ জীৱন-যাপন কৰি আহিছিল।

ড° নগেন শইকীয়া।

- সামাজিক চিন্তাৰ উপৰিও মানৱ-চিন্তাৰ প্ৰতিফলন ঘটিছিল নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত।

হৰেকৃষ্ণ ডেকা।